ক্ৰান্তিকালৰ অশ্ৰু

বংবং তেৰাং

চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-১

Krānti Kālar Ashru : A Social Novel written by Rong Bong Terang and published by Shri Rajendra Mohan Sharma on behalf of Chandra Prakash, Panbazar, Guwahati -1.
Ph. No.: 2511946. Price : Rs. 80.00 (Rupees Eighty) only.

প্ৰকাশক ঃ
শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মা
চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-৭৮১০০১
দূৰভাষ ঃ- ২৫১১৯৪৬

প্ৰথম প্ৰকাশ ঃ ডিচেম্বৰ, ২০০৫

মূল্য ঃ ৮০.০০ টকা মাত্ৰ

ডি.টি.পি ঃ
ষ্টেণ্ডাৰ্ড ইম্‌প্ৰেচন্‌চ
উলুবাৰী, দক্ষিণ শৰণীয়া,
গুৱাহাটী-৭৮১০০৭

ছপা ঃ সুদৰ্শন প্ৰেছ
বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১

ইংৰাজী ঊনৈছ শ তিৰাশী চনৰ
অসম আন্দোলনত
যি সকলে জীৱন আহুতি দিলে,
সেই সকলৰ পবিত্ৰ স্মৃতিত ......

লেখক

তেনেই নিজস্ব ঃ

নিজেই নাজানোঁ 'ক্ৰান্তিকালৰ অশ্ৰু' কিয় লিখিলোঁ আৰু লিখিলোঁ কেনেকৈ? সংশোধিত পাণ্ডুলিপি প্ৰস্তুত কৰি থাকোঁতে, এই প্ৰশ্নবোৰেই অহৰহভাৱে মোৰ মনলৈ আহিব ধৰিছিল। 'প্ৰকাশ'ৰ পাতৰ পৰা লিখাবোৰ বুটলি থাকোঁতে ভাবিছিলোঁ, এই উপন্যাসখন বৰং নিলিখাই ভাল আছিল। প্ৰয়োজনেই বা কি মানুহৰ কথা লিখি?

কিন্তু, নিলিখি নোৱাৰিলোঁ আমাৰ প্ৰিয় সম্পাদক শ্ৰীচন্দ্ৰ প্ৰসাদ শইকীয়াই 'প্ৰকাশ'ৰ পাতত সযত্নে আদৰ কৰা 'জ্যোতি'ক মই উপেক্ষা কৰিব নোৱাৰিলোঁ; আৰু লগতে পাঠকৰ আন্তৰিক সংবেদনে গ্ৰন্থ প্ৰস্তুতিত অপৰিসীম ধৈৰ্য আৰু গভীৰ প্ৰত্যয় আনি দিলে।

লঙ্কা ঠাইখন মোৰ প্ৰাণৰ স্পন্দন সদৃশ। এই ঠাইখনৰ মাটি, মানুহ আৰু মনৰ অপূৰ্ব সমন্বয়ে মোৰ জীৱনৰ গতিক সমুদ্ৰৰ বিশাল অনুভূতিক আঁকোৱালি লোৱাত সহায় কৰিলে। উপন্যাসৰ চৰিত্ৰবোৰ একান্ত তেজ-মঙহৰ মানুহ বাবেই 'ক্ৰান্তিকালৰ অশ্ৰু'খন লিখি উলিয়ালোঁ।

উপন্যাসখনৰ পাণ্ডুলিপি প্ৰস্তুত কৰাৰ সময়ত মোৰ এসময়ৰ ছাত্ৰ, বৰ্তমানে ডিফু কলেজৰ শিক্ষা বিভাগৰ প্ৰৱক্তা মঃ ইছৰাইল ছিদ্দিকে চিলেটি ভাষাৰ আঁসোৱাহবোৰ আঁতৰাই ভাষাৰ সৌন্দৰ্য বঢ়াই দিয়াৰ বাবে মোৰ মৰম এই সুযোগতে আগ বঢ়ালোঁ। লগতে বহুকেইজন পাঠকে দিয়া সু-পৰামৰ্শই উপন্যাসখনৰ সৌন্দৰ্য বঢ়াই তুলিলে, সেইসকল পাঠকলৈকো মোৰ কাৰ্দম্ আগবঢ়ালোঁ।

'প্ৰকাশ'ৰ পাতত পৰি থকা প্ৰায় পোন্ধৰ বছৰৰ পিচত গ্ৰন্থৰূপ দিয়াৰ সৎ সাহসৰ বাবে 'চন্দ্ৰ প্ৰকাশ' প্ৰতিষ্ঠানৰ গৰাকী শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মালৈ মোৰ আন্তৰিক কৃতজ্ঞতা নজনাই নোৱাৰিলোঁ। সদৌ শেহত মোৰ নিজস্ব কথা এই খিনিয়েই যে, পাঠকৰ মৰম আৰু আশীৰ্বাদেই এতিয়া মোৰ বাবে প্ৰেৰণাৰ একমাত্ৰ সম্বল।

বং বং তেৰাং

হিল্‌ছ্ ভিউ কটেজ্
থানা ৰোড ঃ ডিফু

হে বিশাল ব্ৰহ্মপুত্ৰ,

....

তোমাৰ পাৰৰ দুয়ো কাষে নতুন শ্ল'গান্?
তুমি শুনা নাই? ....

হেম বৰুৱা

ক্ৰান্তিকালৰ অশ্ৰু

প্ৰথম অধ্যায়

'লুইত পাব্লিছিং হাউছ'ৰ চিঠিখন ফাইলত ভৰাই ভাবিলোঁ — দোষ মোৰেই। অক্টোবৰ মাহতেই উপন্যাসৰ পাণ্ডুলিপি পঠিয়াই দিয়াৰ প্ৰতিশ্ৰুতি দিছিলোঁ। আজি পঁচিশ জানুৱাৰী। উপন্যাসখনৰ শেষৰ অধ্যায়টো লেখিবলৈ এতিয়াও বাকী। জানুৱাৰীৰ ভিতৰত পাণ্ডুলিপি পঠিয়াব পৰাটো মুঠেই সম্ভৱ নহয়। মোৰ হেমাহিৰ কাৰণে প্ৰেছ জানো বৈ থাকিব ?

কি কৰোঁ ?

উপন্যাসখনৰ বাবে অগ্ৰিম টকা কেইটা প্ৰকাশকজনলৈ ঘূৰাই দি প্ৰকাশন-চুক্তিখনকে নাকচ কৰোঁনেকি ?

চিগাৰেটৰ ছাইখিনি এছ্‌ট্ৰেত ভৰাই ভাবিলোঁ — চুক্তি ভঙ্গ কৰা বুদ্ধিমানৰ কাম নহ'ব। চপলা বুক ষ্টলৰ তাহানিখনৰ তিনিটকীয়া কিতাপখন এতিয়া পোন্ধৰ টকাৰ কমত বিক্ৰী কৰিব নোৱাৰা অৱস্থা। আজিকালি উপন্যাস এখন নিজে প্ৰকাশ কৰাটো বৰ সহজ কথা নহয়।

কি কৰা যায় ?

এৰা। দেশৰ অস্থিৰ পৰিস্থিতিৰ সুযোগ লৈ পাণ্ডুলিপি পঠোৱাৰ আল্‌টিমেটাম্ ডেট্‌টো কিছু শিথিল কৰিব পাৰিলে চাউলো সিজিব, মিতিৰো ৰ'ব। সাধাৰণ নিৰ্বাচনৰ শেষত যেনে তেনে পাণ্ডুলিপি পঠোৱাৰ নিশ্চিত প্ৰতিশ্ৰুতিৰে প্ৰকাশক হেমন্ত বৰুৱালৈ চিঠি এখনকে দিয়াৰ সিদ্ধান্ত কৰি ৰাইটিং— পেড় উলিয়াই ললোঁ। অতি তৃপ্তিৰে দীঘলকৈ চিগাৰেটত টান দি আকৌ ভাবিলোঁ — এহ্, কালিলৈ দেখোন ছাব্বিশ জানুৱাৰী। লাহে ধীৰে লিখিলেও হয় দেখোন। ৰাইটিং-পেডটো সামৰি থলোঁ। কাগজ কেইখিলা ঠিক কৰি শেষ অধ্যায়ৰ কথাখিনি লেখিবলৈ থিৰাং কৰিলোঁ।

জাৰ পৰিছে। কাপোৰ এখন গাত লৈ ভাবিলোঁ — এতিয়া লেখো কি ? লেখিবলৈ মন মেলোঁতেই বহুতো কথাই জুমুৰি দি ধৰিলেহি।

প্ৰথম অধ্যায়ৰ পৰাই উপন্যাসখনৰ ঘটনাখিনি আকৌ এবাৰ মনত পেলালোঁ। চাৰিটা দশক ধৰি শিক্ষকতা কৰা সংমল বৰুৱাৰ জীৱন সংগ্ৰামৰ আটাইখিনি কথাকে অকৃপণভাৱে উপন্যাসখনত লিপিবদ্ধ কৰিছোঁ। তথাপি কিবা যেন অসমাপ্ত হৈ ৰ'ল! বৰুৱাৰ জীৱনৰ মূল্যবান পাত এখিলা যেন ক'ৰবাত থাকি গ'ল, — এনে আশংকাই মোৰ বিবেকক যেন আঘাত দিবলৈ ধৰিলে।

লঙ্কা মহাবিদ্যালয়ত অসমীয়া বিভাগৰ প্ৰবক্তা ৰূপে সোমোৱা দিন ধৰি ইয়াৰ মাটি আৰু মানুহৰ প্ৰতি মই আকৃষ্ট হৈছিলোঁ। মুগ্ধ হৈছিলোঁ সংমল বৰুৱাৰ লগত কথা পাতি। অনুভৱ কৰিছিলোঁ — ত্যাগ আৰু সমন্বয়ৰ দৃষ্টিৰে শিক্ষকতা কৰা বৰুৱাৰ জীৱন সঁচাকৈয়ে যেন এক জীৱন্ত ক্লাছিক। এদিন ঠিক কৰি পেলাইছিলোঁ, বৰুৱাৰ জীৱন আলেখ্যৰে লঙ্কাৰ মাটি আৰু মানুহক নিশ্চয় মোৰ সহৃদয় পাঠক সমাজক উপলব্ধি কৰাব পাৰিম। এনে প্ৰেৰণাৰে উদ্বুদ্ধ হৈ উপন্যাসখন লেখিবলৈ আৰম্ভ কৰিছিলোঁ।

কিন্তু, বিদেশী নাগৰিকৰ সমস্যাই দেশখনক অস্থিৰ কৰি পেলালে। উপন্যাসখন লেখি শেষ কৰাৰ বাবে মনৰ স্থিৰ বিন্দু এটা বিচাৰি নোপোৱা হ'লোঁ। মনৰ স্থিৰতা কেতিয়াবাই হেৰুৱাই পেলালোঁ। অসমৰ সাধাৰণ নিৰ্বাচন অহা চৈধ্য ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হ'ব। গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনৰ ইতিহাসত চেকা নলগাবলৈ কেন্দ্ৰীয় চৰকাৰে লোৱা সিদ্ধান্তই অসমৰ মাটিক বেছিকৈ জোঁকাৰিহে দিলে। দিন যায় মানে আন্দোলনৰ ৰূপ সলনি হ'বলৈ ধৰিলে। মুহূৰ্তে মুহূৰ্তে আন্দোলনৰ পটভূমিও পৰিবৰ্তন হ'বলৈ ধৰিলে। মানুহৰ ঘৰত, কাৰ্যালয়ৰ চৌহদত, দোকান-ঘৰত, বাছৰ ভিতৰত, ৰেল-পথত বোমা বিস্ফোৰণৰ আতংক। লগে লগে শ্বহীদৰ সংখ্যা বৃদ্ধি। আকাশ মাৰ্গত চৰকাৰী হেলিকপ্টাৰৰ ব্যৱস্থা। ইফালেদি নিৰ্বাচন বৰ্জনৰ আহ্বান ঘোষিত হ'ল। চৰকাৰী চাকৰিয়ালসকলেও দেশ প্ৰেম প্ৰকাশ কৰিলে লাচিতৰ আদৰ্শৰে — 'দেশতকৈ চাকৰি ডাঙৰ নহয়।' অসমৰ মাটি আৰু আকাশ কঁপিবলৈ ধৰিলে— 'জয় আই অসম' ধ্বনিৰে। এই ধ্বনিৰ প্ৰতিফলন ঘটিব ধৰিলে বে-চৰকাৰী মটৰ গাড়ীৰ বেক্-স্ক্ৰীন্ গ্লাছত। লঙ্কাৰ মাটিও নকঁপাকৈ নাথাকিল। লঙ্কাৰ সংহতি বিনষ্ট হোৱাৰ আশংকাত বৰুৱাকো অস্থিৰ হৈ পৰা দেখিলোঁ।

দেশৰ জ্বলন্ত সমস্যাৰে বৰুৱাৰ মনৰ সজ্জ উপন্যাসখনত লিপিবদ্ধ নকৰিলে, সমকালীন বাস্তৱধৰ্মী উপন্যাসৰূপে অসম্পূৰ্ণ হৈ ৰ'ব। কিন্তু, লেখোঁ কেনেকৈ? আৰম্ভণিৰ বাক্যকেই বিচাৰি নোপোৱা হ'লোঁ।

কবিতাৰ ভাষাই হেনো মানুহৰ মনক সহজতে আকৰ্ষণ কৰিব পাৰে! আলমাৰীৰ পৰা 'কুৰি শতিকাৰ অসমীয়া কবিতা' পুথিখন উলিয়াই পাত লুটিয়ালোঁ— হেম বৰুৱাৰ পৰা হীৰেণ ভট্টাচাৰ্যলৈকে। কোনোবা এগৰাকী কবিৰ এশাৰী কবিতাৰে অধ্যায়টিৰ হেডলাইন্ কৰি আৰম্ভ কৰিব পৰা হ'লে!

হতাশ হ'লোঁ। 'সাগৰ দেখিছা' লেখোতে হেম বৰুৱাই ইমানবোৰ কবিতা ক'ৰ পৰা বুটলিলে বাৰু? এৰা, অসমীয়া সাহিত্যৰ পথাৰত হেম বৰুৱা সঁচাকৈয়ে এক ব্যতিক্ৰম!

মনত পেলালোঁ এটা এটাকৈ— ডঃ ভূপেন হাজৰিকাৰ গীতবোৰলৈ।

ক'তা?

লঙ্কাৰ পটভূমিৰে দেখোন কবিতা বা গীত একোৱেই ৰচিত হোৱা নাই। বিৰক্তি আহিবলৈ ধৰিলে। শেষ টান এটা দি, চিগাৰেট টুকুৰা এছট্ৰেত ভৰাই দিলোঁ। ভাবিলোঁ, ড° হাজৰিকাৰ গীতটোকে কিছু ইফাল সিফাল কৰি 'জীৱন মানেই সংগ্ৰাম' বুলি হেড্‌লাইন্ কৰিলে কেনে হয়।

ওহোঁ! সেয়াও উচিত নহ'ব। শেষ অধ্যায় লেখাৰ চেষ্টা আজিও ব্যৰ্থ হ'ব নেকি?

"ছাৰ! ছাৰ শুনেই নেকি?"

কি মস্কিল! এই ঠাণ্ডাত, তাতে ৰাতিখনত কোন ওলালহি। খঙতে কলমটো থৈ মাত দিলোঁ, "কোন?"

"ছাৰ, আমি। কৰ্ণ বাহাদুৰ।"

"অঁ। অলপ ৰবাচোন দেই।"

এই ৰাতিখনতো ইউনিয়ন চেক্ৰেটেৰীয়ে মোক বিচাৰি কিয় আহিব লাগে? ল'ৰামখাই সময়ৰ কথাও পাহৰি যায়নেকি? পৰীক্ষাত বহা বা নবহা, মোৰ লগত কি সম্বন্ধ থাকিব পাৰে? এই হেডেক্‌বোৰ প্ৰিন্সিপালৰ। তেখেতৰ লগত আলোচনা কৰিলেও হয়। কিছু বিৰক্তিৰে দুৱাৰখন লাহেকৈ খুলি দিলোঁ।

"আহা। ভিতৰলৈকে আহা। বাহিৰত জাৰ পৰিছে হ'ব পায়।"

সিহঁত সোমাই আহিল। দেখিলোঁ, কৰ্ণৰ লগত আৰু দুজন ল'ৰা। ল'ৰা দুজন আমাৰ কলেজৰ নহয়। সিহঁতক চিনিব নোৱাৰি কৰ্ণক সুধিলোঁ, "এওঁলোক কোন?"

"এওঁ আব্দুল খালেক, স্কুলৰ সাধাৰণ সম্পাদক। আৰু এওঁ হ'ল সহকাৰী সম্পাদক, দিব্যজ্যোতি শইকীয়া।"

পৰিচয় কৰি দিয়াৰ লগে লগে দুয়ো মোলৈ নমস্কাৰ জনালে। কাষৰ চকীকেইখন দেখুৱাই দি ক'লোঁ, "বহা।"

"নবহো ছাৰ। কথা এষাৰ কৈ যাওঁহে।" — কৰ্ণই ক'লে।

"তেনেহ'লে কোৱা, কিবা বিশেষ কথা আছে নেকি?"

"ছাৰ, আমি লঙ্কা ছাত্ৰ একতা সভাই, সদৌ অসম ছাত্ৰ সন্থাৰ লগত সংগতি ৰাখি, অহাকালিৰ গণতন্ত্ৰ দিৱসৰ চৰকাৰী অনুষ্ঠান বৰ্জন কৰিবলৈ সিদ্ধান্ত লৈছোঁ। অবৈধ নিৰ্বাচন ওফৰাবলৈ এখনি প্ৰস্তুতি কমিটি গঠন কৰিবলৈ সন্ধিয়া লঙ্কা নামঘৰত সভা এখনো আহ্বান কৰিছোঁ। গণতন্ত্ৰ ৰক্ষা সংকল্প গ্ৰহণ অনুষ্ঠানো তাতেই অনুষ্ঠিত হ'ব। সভাখনৰ পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰিবলৈ ৰাইজে আপোনাৰ নাম প্ৰস্তাৱ কৰিছে। খবৰ জনোৱাৰ লগতে আপোনাক অনুৰোধ কৰিবলৈ আহিছোঁ, ছাৰ।"

কৰ্ণই আগবঢ়াই দিয়া চিঠিখন হাতত লৈ ক'লোঁ, "হেৰা, লঙ্কাত ইমান কেইজন নেতৃস্থানীয় লোক আছে, তেখেতসকলক ধৰাগৈ। মই নোৱাৰিম বুজিছা?"

"নহয় ছাৰ, ছাত্ৰসকলেও আপোনাকহে বিচাৰিছে।" কিছু সেমেনা সেমেনিকৈ খালেকে ক'লে।

"হেৰা খালেক, তোমালোকৰ স্কুলত. বহুতো পুৰণি শিক্ষক আছে, তেখেতসকলক অনুৰোধ কৰিব পাৰিলাহেঁতেন।"

"ছাৰসকলেও আপোনাকহে অনুৰোধ কৰিবলৈ কৈছে। আপুনি আহিবই ছাৰ। আমনি দিয়া বাবে ক্ষমা কৰিব। ছাৰ, আমি আহিলোঁ।"

নমস্কাৰ দি তিনিও ওলাই গ'ল। মোৰ উত্তৰলৈ অপেক্ষা নকৰিলে। সুধিবৰ মন গৈছিল, — নামঘৰত ৰাজনীতি কিয় সুমুৱাইছা বুলি। ল'ৰা-ছোৱালীৰ মনবোৰ যে দিনে দিনে বিক্ষুব্ধ হৈ উঠিছে! বাহিৰলৈ ওলাই চালোঁ — সিহঁত ভালেখিনি দূৰ পালেগৈ। দুৱাৰখন লাহেকৈ বন্ধ কৰি দিলোঁ। ধনেশ্বৰ টোপনি গ'ল হ'বলা। মাত নিদিলোঁ। ক্লান্তিও অনুভৱ কৰিছোঁ। অকলে ইমানখিনি ক্লাছ কৰি এই ৰাতিখনত উপন্যাস লেখাৰ কি শক্তি থাকিব? শেষ অধ্যায় লেখাৰ প্ৰস্তুতি মনৰ পৰাই আঁতৰি গ'ল। মেজৰ ওপৰৰ কাগজ-কলম সামৰি থলোঁ। লাইট্ অফ্ কৰি বিছনাত বাগৰ দিলোঁ।

বিছনাত বাগৰ দিবাৰ লগে লগে অসম আন্দোলনৰ অনিশ্চিত ৰূপটোৱে মোৰ মনক হেঁচি ধৰিলেহি। এশ-এবুৰি প্ৰশ্নই মোৰ মন ভাৱাক্ৰান্ত কৰি পেলালে। দেশৰ সমস্যা সমাধানত ছাত্ৰসকলক কিয় আগবঢ়াই দিয়া হ'ল? অধ্যয়নত সংঘাত সৃষ্টি নহওঁতেবাকে বিদেশী নাগৰিকৰ সমস্যা অসমৰ পিতৃ-মাতৃসকলে সমাধান কৰিব নোৱাৰেনেকি? অসমৰ প্ৰতিটো আন্দোলনতেই ছাত্ৰইহে ত্যাগ স্বীকাৰ কৰিব লাগে। আন্দোলনৰ পৰা ছাত্ৰসকলক মুক্ত কৰি বৌদ্ধিক চিন্তাত আত্মনিয়োগ কৰাব নোৱাৰে কিয়? অসমৰ কোনো এজন পিতৃয়েই এষাৰ কথাও নক'লে, 'তোমালোকৰ আন্দোলনৰ দায়িত্ব আমি কান্ধত লৈছোঁ' বুলি। সন্তানৰ বুকুৰেদি বুলেট্ সৰকি শ্বহীদ হোৱাতেই আত্মসন্তুষ্টি লভিছে নেকি? অসমৰ পিতৃসকলে ধৃতৰাষ্ট্ৰৰ ভূমিকা কিয় ল'লে? স্বাধীনতাৰ পিছত অসমৰ পিতৃসকলৰ ভূমিকা বৰ বেদনাদায়ক বুলি ইতিহাসে নক'বনে বাৰু?

কুণ্ডলী পকাই নামি অহা প্ৰশ্নৰ অত্যাচাৰত চকুলৈ টোপনি নহাই হ'ল। এইবোৰ চিন্তাই বাৰে বাৰে আগুৰি ধৰিলেহি। লেপখন ভালদৰে লৈ টোপনি যাবলৈ চেষ্টা কৰিলোঁ। সকলো মিছা। টোপনি কোনোমতেই নাহে। চকুৰ পতা দুটা জপাওঁ হয়, কিন্তু লক্ষাৰ সংগ্ৰামী বাইজৰ মিছিলহে দুচকুত ভাহি উঠিবলৈ ধৰিলে। বিছনাখনত ইবাগৰ-সিবাগৰ কৰিও ব্যৰ্থ হ'লোঁ। অৱশেষত কলেজীয়া জীৱনতে সাধন কৰা মন্ত্ৰৰ কাষ চাপিলোঁ।

মোৰ পৰিচিত প্ৰকৃতিৰ চিত্ৰবোৰেৰে ৱৰ্ডছ্ৱৰ্থৰ 'টু শ্লিপ্' কবিতাৰ আশ্ৰয় ল'লোঁ। ঠেৰেঙা লগা জাৰৰ আৱেষ্টনীৰ মাজতেই ৰবযুণৰ টোপাল, আমগছৰ মৌ-মাখিৰ মৃদু গুঞ্জৰণ, বতাহত ঢৌ তোলা আহিনৰ ধাননি পথাৰ, আকাশৰ বিচিত্ৰ মেঘৰ ৰূপ, নিজৰাৰ অমৃতস্পৰ্শী সংগীতৰ ধ্বনি। নাই, অগ্নি-স্ফুলিঙ্গৰূপী আন্দোলনৰ উদগ্ৰ চিন্তাক কাব্যৰ সুকোমল অনুভূতিৰে নিৰাময় কৰিব নোৱাৰি। 'মাদাৰ্ অৱ্ ফ্ৰেছ্ থট্‌ছ্ এণ্ড্ জয়াছ্ হেল্‌থ্'ৰূপী নিদ্ৰাদেৱীৰ স্বপ্নিল স্পৰ্শৰ বাবে সংগ্ৰাম কৰি থাকোঁতেই ট্ৰেইন্ এখন দ্ৰুতগতিৰে পাৰ হৈ গ'ল। সম্ভৱতঃ সেয়া ৰবাক ভেলী এক্সপ্ৰেছ্! ট্ৰেইনখনৰ লগতে মনটোৱেও গতি লাভ কৰিলে। কাণত ভাহি উঠিল— কিছুপ্লেটত সৃষ্টি হোৱা অবিৰাম গতিছন্দ। ছন্দময়ী সেই শব্দবোৰ শুনি ভাল লাগিল।

এৰা, ইয়াতো দেখোন সঙ্গীত আছে, সৌন্দৰ্য আছে, তৃপ্তি আছে! ট্ৰেইন্‌খন যেন মোৰ দৃষ্টিৰ পৰা ক্ৰমে হেৰাই যাবলৈ ধৰিলে। বিলীয়মান শব্দবোৰ ক্ৰমে ক্ৰমে নুশুনা হ'লোঁ। ফিছ্‌প্লেটৰ শব্দবোৰ হেৰাই যোৱাৰ লগে লগে মোৰ কাণত পৰিলহি অন্য এটি পৰিচিত শব্দ। সেয়া কমাৰশালৰ হাতুৰিৰ শব্দ। কমাৰশালৰ হাতুৰিৰ শব্দই নীৰৱ নিশাতো সঙ্গীতৰ মূৰ্চ্ছনা আনিব পাৰে। জাৰকালিৰ নিশাত কমাৰশালৰ অনুভূতিয়ে উত্তাপ আনি দিলেহি! জুই, তীখা আৰু মানুহ এই তিনিওটা শক্তিৰেই সংমিশ্ৰিত ৰূপ জানো ট্ৰেইনখন নহয়? ফিছ্‌প্লেটত সৃষ্টি হোৱা বিলীয়মান শব্দৰ নিক্কাবোৰ যেন আকৌ মোৰ কাণত পৰিলহি— অহৰহভাৱে!!

দ্বিতীয় অধ্যায়

কেতিয়াও খং নুঠা অধ্যাপক শৰ্মাৰ আজি খং উঠা দেখিলোঁ। খটক্ খটক্ কৰি ক্লাছৰ পৰা ওলাই অহা শৰ্মাই সন্মুখৰ বেক্‌খনৰ ওপৰলৈ হাতৰ ডাষ্টাৰ্ চটা দলিয়াই দিলে যেন খঙৰ মূল কাৰণ ডাষ্টাৰ্ চটাহে। চক-পেঞ্চিলৰ গুৰিৰে বগা কৰি অহা হাতখন ধুবলৈ যাওঁতে মোক সুধিলে, "প্ৰস্তাৱৰ কপি কৰা হ'ল নে চলিহা?"

"হয়। পিছে, আজিচোন, শেনৰ এক্সাত?"— শৰ্মাক সুধিলোঁ।

"ইলেক্‌শ্যন। প্ৰিজাইদিং অফিচাৰ হৈ যাওক আৰু আপোনাৰ পৈত্ৰিক সম্পত্তি এই দেহটোক ঘূৰ্ণীয়া কৰক। পাগল চব।" আমালৈ ঘূৰি নোচোৱাকৈ, হাত দুখন ধুই ধুই মনৰ ভিতৰতে থূপ খাই থকা খংখিনি প্ৰকাশ কৰিলে।

"ভালহে। প্ৰিজাইদিং অফিচাৰ হৈ যোৱাটো। দহজনেও আপোনাক ছাৰ বুলিব।"— খং তুলিবলৈকে কথাখিনি ক'লোঁ।

কথাখিনি ক'বলৈহে পালোঁ, শৰ্মাই আহি টেবুলত আঙুলিৰে টুকুৰিয়াই টুকুৰিয়াই এটা এটাকৈ শব্দখিনি ক'বলৈ ধৰিলে, — "এই জ্বলন্ত জুইত জঁপিয়াই মৰিবলৈ মোৰ গৰজ কিহৰ? মই কিবা এম, এল, এ-এম, পি গঢ়িবলৈকে লক্কাত চাকৰি কৰিছোঁহিনে? আই বিল্ কিক্ আউট্ দিছ্ জব্, বাট্ আই বিল নেভাৰ...।"

"ৱেল্ মিষ্টাৰ শৰ্মা, হোৱাই বি ছেল্ গ'টু কন্‌ডাক্ট দ্যা ইলেক্‌শ্যন্, ইফ্ দ্যা পিপ'ল্ অব্ আছাম্ আৰ্ ভেহেমেণ্টলি অ'প'জিং ইট্? ইট্ বিল্ বি নথিং বাট্ অ্যা ফাৰ্ছ। ন'ন', আই ছেল্ নট্ একছেপ্ট্ দ্যা এপইণ্টমেণ্ট্ লেটাৰ্।"— ইংৰাজী বিভাগৰ অধ্যাপক ৰায় চৌধুৰীয়ে গহীনাই ক'লে।

"হোৱাই দ্যা গভৰ্ণমেণ্ট ইজ্ নট্ কন্‌ছিডাৰিং আৱাৰ পজিছন্? ইফ্ ৱি মোভ্ ফৰ্ ডিউটি, আৱাৰ পজিচন বিল্ বি ভেৰি দেলিকেট্, ন' দাউট্।" — অৰ্থনীতি বিভাগৰ অধ্যাপক অপূৰ্ব বৰুৱাই ৰায় চৌধুৰীলৈ চাই ক'লে।

অধ্যাপক শৰ্মাই চকীখনত বহি ৰায় চৌধুৰী আৰু বৰুৱাৰ কথাখিনি শুনি আছিল। মই লক্ষ্য কৰিলোঁ, অধ্যাপক শৰ্মাৰ খং যথেষ্ট পাতলিবলৈ ধৰিলে। মুখত মৃদু হাস্যৰ আভাস প্ৰকাশ পাবলৈ ধৰিলে। নিৰ্বাচনক লৈ সৃষ্টি হোৱা পৰিস্থিতি যে

অকল শৰ্মাৰ বাবেই নহয়, অন্য অধ্যাপকসকলেও উপলব্ধি কৰিব পাৰিছে, এই কথাষাৰে তেওঁক নিশ্চয় কিছু সকাহ দিব পাৰিছে। পৰিস্থিতি লাঘৱ কৰিবলৈ অধ্যাপক শৰ্মালৈ চিগাৰেট এডাল আগবঢ়াই ক'লোঁ— "এনেয়ে দেশখন জ্বলি আছেই, এতিয়া ইলেক্‌শ্বনে আৰু বেছিকৈহে জ্বলাব। আমাৰ টিছাৰ্‌ছ এছোছিয়েছনৰ প্ৰস্তাৱটো দি প্ৰিন্সিপালে এপইণ্ট্‌মেণ্ট্ লেটাৰ সোপা ঘূৰাই পঠালেই হ'ল।"

"হেৰি চলিহা, আমি বুজালেও নুবুজে। আপুনি এবাৰ প্ৰিন্সিপালক দেখা কৰি আমাৰ পজিছনটো বুজাই দি আহক। লগতে এই প্ৰস্তাৱৰ কপিটোও দি আহক।"

"মই অকলে গ'লেটো নহ'ব, সন্থাৰ সভাপতি অধ্যাপক বৰুৱাও ব'লক।"

"যাওক, যাওক। বৰুৱাকো লগত নিয়ক। এইখনেই চৰকাৰ! চব পাগল হ'ল।" চিগাৰেটত ফোচ্ ফোচাই কেইবাটাও টান দি শৰ্মাই ক'লে।

ফাইলৰ পৰা প্ৰস্তাৱৰ কপিটো উলিয়াই অধ্যাপক বৰুৱাৰে সৈতে অধ্যক্ষৰ কোঠালৈকে ওলাই গ'লোঁ। আমাক দেখি অধ্যক্ষই বহিবলৈ ক'লে। মই লাহেকৈ প্ৰস্তাৱৰ কপিটো অধ্যক্ষৰ হাতত দি কথাখিনি বুজালোঁ। অধ্যক্ষ বয়ে প্ৰস্তাৱৰ কথাখিনি পঢ়ি জ্বলি থকা চিগাৰেটডালত দীঘলকৈ টান এটা দি ক'লে, — "আচ্ছা, প্ৰফেছৰ চলিহা, কি কৰিম কওকচোন। মাই পজিছন্ ইজ্ অল্‌ছ' ইন্‌চিকিউৰ্। প্লিজ্, ডণ্ট্ থিঙ্ক দেট্ আই এম্ গ'ইং টু কম্‌পেল্ ইউ। মই আপোনালোকৰ পৰামৰ্শহে বিচাৰিছোঁ। শৰ্মাকো সেই কথাখিনি কৈছিলোঁ।"

"আমাৰ পজিছন্‌টো দেখুৱাই এপইণ্ট্‌মেণ্ট্ লেটাৰখিনি কন্‌চাৰ্নড্ অফিচাৰলৈ ঘূৰাই পঠাওক, ছাৰ। কি কয় বৰুৱা?" "ঠিকেই। যোৱাকালি লঙ্কাৰ বাইজে নিৰ্বাচন বৰ্জনৰ সিদ্ধান্ত লৈছে। কৰ্মচাৰীসকলকো অসহযোগ কৰিবলৈ প্ৰস্তাৱ লৈছে। ইলেক্‌শ্যান্ ডিউটি লৈ যোৱা মানে নিজৰ বিপদ মাতি অনাহে হ'ব।"

"আপোনালোকক গৱৰ্ণমেণ্টে চিকিউৰিটি দিব বুলি কৈছে নহয়।"

কেইদিন দিব ছাৰ? আন্দোলনৰ গুৰি ধৰিছে ছাত্ৰই। আমি বেলট্ বক্স্ ধৰা মানেই ছাত্ৰ আৰু শিক্ষকৰ মাজৰ সম্বন্ধক চিৰদিনলৈ কবৰ দিয়া হ'ব। আমি শিক্ষকসকলে অন্ততঃ এই ক্ষেত্ৰত নিৰপেক্ষ হৈ থকাই ভাল বুলি আমি ভাবোঁ।" অধ্যক্ষক আমাৰ পৰিস্থিতিটো বুজাবলৈ চেষ্টা কৰিলোঁ।

সন্মুখৰ খিৰিকিখনেৰে নিলগলৈ চাই অধ্যক্ষ বয়ে মোৰ কথাখিনি শুনি ভাবিবলৈ ধৰিলে। অধ্যাপক বৰুৱাই টেবুলৰ ওপৰত থকা কাচৰ ধুনীয়া পেপাৰ-

বেইট্‌টো হাতত লৈ ভিতৰৰ ৰংচঙীয়া ডিজাইনৰ ফুলবোৰ চাবলৈ ধৰিলে। অধ্যক্ষৰ কোঠাটো যেন সমস্যাৰে ভাৰাক্ৰান্ত হৈ মুক্তিৰ উপায় বিচাৰিব ধৰিলে। হাতৰ চিগাৰেটডোখৰ এছ্‌ট্ৰেত ভৰাই অধ্যক্ষ ৰয়ে ক'লে, — "স্তে'ন, আই ৱিল্ ছে'ণ্ড বেক্ অল্ পেপাৰছ্ ৱিথ্ অ্যা নোট্ অব্ ইয়ৰ্ ৰিজ'ল্যুশ্যন্, অ' কে?"

"আপুনি যি ভাল দেখে তাকে কৰক, ছাৰ। আমি মুঠতে ছাত্ৰ আৰু শিক্ষকৰ মাজত আন্ এক্সপেক্টেড্ ছিচ্যুৱেশ্যন্ এটা ক্ৰিয়েট্ হোৱাটো নিবিচাৰোঁ।" আমাৰ বক্তব্যৰ কথাখিনি অধ্যক্ষৰ আগত পুনৰ দাঙি ধৰিলোঁ।

"থেংক্ কিউ।"

অধ্যক্ষৰ কোঠাৰ পৰা ওলাই আহিলোঁ। অধ্যাপক বৰুৱাই মিশ্যন্ ছাক্‌ছেছ্‌ফুল্ হোৱাৰ বিষয়ে ক'বলৈ ধৰিলে। মই বিশেষ কাণ নিদিলোঁ। কমন ৰুমৰ কাষ পাওঁতে অধ্যাপক শৰ্মাৰ সজোৰে ওলাই অহা মাত শুনিলোঁ — "কাৰ্বি আংলঙৰ গেজেটেড্ অফিচাৰ আৰু ডিফু কলেজৰ শিক্ষকসকলে যদি ইলেক্‌শ্যন্ ডিউটি নকৰাটো কৰিব পাৰে, আমাৰ লঙ্কা কলেজৰ শিক্ষকসকলে কিবা নোৱাৰাৰ অৰ্থ আছেনে?"

আমি সোমাই যোৱাৰ লগে লগে অধ্যাপকসকলে আমাৰ মুখৰ ফালে চাবলৈ ধৰিলে। সকলোৰে মুখত যেন প্ৰশ্ন একেটাই— অধ্যক্ষৰ মতামত কি?

"কি ক'লে চলিহা, প্ৰিন্সিপালে?"— অতি ব্যগ্ৰতাৰে অধ্যাপক শৰ্মাই সুধিলে।

"ক'বলৈ কি টোনো আছে? এপইণ্টমেণ্ট্ লেটাৰ সোপা ঘূৰাই পঠাবলৈ সন্মত হ'ল।"

"সন্মত হ'ল! বাঃ!! কংগ্ৰেশ্যুলেছন্।" — অধ্যাপক শৰ্মাই মনৰ আনন্দত কৰমৰ্দন দিলেহি।

"বাট্ ওৱান্ থিং মিষ্টাৰ শৰ্মা, ৱি মাষ্ট্ অবজাৰ্ভ দ্যা ছিচ্যুএশ্যন্ কেয়াৰফুলি।"— অধ্যাপক ৰায়চৌধুৰীয়ে শৰ্মাৰ আত্মসন্তুষ্টিৰ বাবে গুৰুত্ব নিদি সজাগ হ'বলৈ পৰামৰ্শ দিলে।

"এৰা, ৰায়চৌধুৰীৰ যুক্তিও মিছা নহয়। আমি হাত সাৱটি বহি থাকিলে নচলিব। পৰিস্থিতিৰ প্ৰতি সজাগ হ'ব লাগিব।" — অধ্যাপক বৰুৱাই ৰুমালখনেৰে চছমাৰ ফ্ৰেম দুটা মচি মচি ৰায়চৌধুৰীৰ প্ৰতি সমৰ্থন জনালে।

এনেদৰে আলোচনা কৰি থাকোঁতে কলেজৰ বে'ল বাজি উঠাত ক্লাছলৈ বুলি ৰায় চৌধুৰী আৰু বৰুৱা দুয়ো ওলাই গ'ল। অধ্যাপক শৰ্মাৰে সৈতে লঙ্কাত

নির্বাচন বর্জনৰ সম্ভাব্য পৰিস্থিতিৰ কথা পাতি থাকোঁতেই হোম বাহাদুৰ চেত্ৰী সোমাই আহিল। চেত্ৰীক বহিবলৈ ক'লোঁ। চিন্তাগ্ৰস্ত চেত্ৰীৰ মুখলৈ চালোঁ। তেওঁৰ যেন স্থিৰেৰে এখন্তেকো বহিবৰ ইচ্ছা যোৱা নাই। লাহেকৈ চেত্ৰীক সুধিলোঁ, "কি মন কৰিনো আহিল চেত্ৰী?"

"আপোনাকে বিচাৰি আহিলোঁ। কথা এটা হ'ল নহয়।"— মোৰ কাষতে বহি থকা অধ্যাপক শৰ্মালৈ চাই ইতস্ততঃ কৰি কথাখিনি ক'লে।

"কওক। এখেত আমাৰেই ক'লীগ্। ৰাজনীতি বিজ্ঞানৰ অধ্যাপক সৌৰভ কুমাৰ শৰ্মা।"

"অ'—। নমস্কাৰ দেই।"— চেত্ৰীয়ে শৰ্মালৈ নমস্কাৰ এটা জনালে।

"শৰ্মা, এখেত হোম বাহাদুৰ চেত্ৰী দেই। আমাৰ স্থানীয় বংমলাৰেই নেতৃস্থানীয় লোক।" — পৰিচয় কৰাই দিলোঁ।

"আচ্ছা চলিহা, এতিয়া কি কৰা যায়?"

"কি? কথাটো কওকচোন।" কিছু উদ্বিগ্ন হৈ তেওঁৰ মুখলৈ চালোঁ।

"বৰুৱা ছাৰক নেচনেল চিকিউৰিটী এক্টত এৰেষ্ট্ কৰিলে নহয়।"

"হা! বৰুৱা— মানে সংমল বৰুৱা?"

"হয়। তেখেতৰ লগতে বীৰেণ শৰ্মাকো এৰেষ্ট্ কৰিছে। তেখেতসকল দুয়ো থানাতে আছে।"

"এৰেষ্ট্ কৰিলে? সংমল বৰুৱা মানে সেই ৰিটায়ার্ড শিক্ষকজন?" অধ্যাপক শৰ্মাই খবৰটো শুনি যেন অলপ জিকাৰ খোৱাদি খালে।

"হয়।"

"কিয় এৰেষ্ট্ কৰিলে জানেনে?" তীব্ৰ দৃষ্টিৰে হোম বাহাদুৰলৈ শৰ্মাই চাই ৰ'ল।

"যোৱাকালি নামঘৰত অনুষ্ঠিত নির্বাচন বর্জনৰ সভাখনৰ কাৰণে হেনো।"

"ইজ্ ইট্ এ ডেম'ক্ৰেছি? আৰ্ বি নট্ লিভিং ইন্ দ্যা ডেম'ক্ৰেটিক্ কান্ট্ৰি? হোৱেৰ্ ইজ্ আৱাৰ্ ফ্ৰিদম্?" অধ্যাপক শৰ্মাই কিছু খং আৰু বিৰক্তিৰে কথাখিনি ক'লে।

"এহ্! কথা ইমান দূৰ পালেগৈনে?" মই লাহেকৈ ক'লোঁ।

"হয়। এতিয়া কিবা এটা কৰি জামিনত উলিয়াব লাগিব। নগাওঁ পাবগৈ লাগিলে, দুয়োৰো কষ্ট হ'ব। আপুনি এবাৰ আহিব নেকি থানালৈ?" চেত্ৰীয়ে সুধিলে।

"চেত্ৰী! এটা কাম কৰক। লাষ্ট্ ক্লাছ এটা আছে, ক্লাছটো শেষ কৰি আহি আছোঁ। আপুনি সোমনাথ দত্তক খবৰটো দিবচোন দেই।"

"ভাল। আহিছোঁ তেনে। শৰ্মা বহক দেই।"

হোম বাহাদুৰ চেত্ৰী ওলাই গ'ল চাইকেলখনেৰে। "দেশত বিচাৰ নোহোৱা হ'ল নেকি? এন, এচ্, এত এৰেষ্ট্ কৰিবলৈ কি গুৰুত্বৰ অপৰাধ কৰিলে বৰুৱাই?"— শৰ্মাই মনৰ ক্ষোভ প্ৰকাশ কৰিলে।

চিগাৰেট এডাল জ্বলাই ভাবিলোঁ, বৰুৱা জেলত থাকিবলগীয়া হ'লে, মোৰ কাৰণে এক অভাৱনীয় ক্ষতি হ'ব। উপন্যাসখনৰ গুৰুত্বপূৰ্ণ দিশ এটা সামৰিবলৈ থাকোঁতে বৰুৱা জেলত থকাটো ঠিক নহ'ব। কিবা এটা কৰিব লাগিব। বৰুৱাক মুক্ত কৰাব নোৱাৰিলে লঙ্কাৰ মাটি আৰু মানুহৰ সপোনক ৰূপ দিয়াত বিজুটি ঘটিব! এইয়া মুঠেই কাম্য নহয়। বৰুৱাক মুক্ত কৰিব নোৱাৰিলে মোৰ আত্মাৰ মুক্তিয়েই বা ক'ত?

তৃতীয় অধ্যায়

"এনে মিছা কথাৰে সংমল বৰুৱাক জগৰীয়া কৰিব পায় নে? অসমীয়া মানুহৰ প্ৰবৃত্তি কিয় এনেকুৱা হেবি? পতাকা জ্বলালে ক'ৰবাত, দোষ লাগিলহি লঙ্কাৰ নামঘৰত। আচৰিত বিচাৰ।"

চাহৰ কাপত শোহা মাৰি সোমনাথ দত্তৰ কথাখিনি শুনিবলৈ ধৰিলোঁ। আধুনিক লঙ্কাৰ লগত দত্তৰ সম্পৰ্ক অতি নিবিড়। লঙ্কাৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ স'তে সাঙোৰ খোৱা দত্ত হ'ল ক্লান্তিহীন নিস্বাৰ্থ সমাজ-সংগঠক এগৰাকী শিক্ষক।

সংমল বৰুৱাক গৃহবন্দীৰ আদেশেৰে থানাৰ পৰা অনা হ'ল উচ্চ ৰক্তচাপজনিত কাৰণত। বীৰেণ শৰ্মাক অৱশ্যে নেচনেল্ চিকিউৰিটি এক্টত নগাওঁ জেললৈ লৈ যোৱা হ'ল। দেশৰ লগতে লঙ্কাৰ এই পৰিস্থিতি সম্পৰ্কে আলোচনা কৰিবলৈ দত্তৰ ঘৰলৈ আহিছিলোঁ।

সংমল বৰুৱাৰ স্বাস্থ্য সম্পৰ্কে আলোচনা কৰোঁতে দত্তৰ মুখত পতাকা জ্বলোৱা লৈ বৰুৱাক জগৰীয়া কৰা কথা শুনি কিছু আচৰিত হ'লোঁ। একো বুজিব নোৱাৰি দত্তৰ মুখলৈকে চাই ৰ'লোঁ। চাহৰ কাপত শোহা মাৰি দত্তই আকৌ ক'লে, "বুজিছে চলিহা, এই পতাকাৰ কাৰণে মই কলেজ ত্যাগ কৰিছিলোঁ, বৃটিছৰ গুলিকো বুকু পাতি ল'বলৈ আগুৱাই গৈছিলোঁ। ভোগেশ্বৰী ফুকননীয়ে আমাৰ আগতেই প্ৰাণ আহুতি দিছিল বৰহমপুৰত। আৰু সেই পতাকাক আজিৰ যুৱক-যুৱতীয়ে শ্ৰদ্ধা আৰু সন্মানৰ চকুৰে চাব নোৱাৰা হ'ল। দেশৰ বাবে এই পৰিণতি অতি দুৰ্ভাগ্যজনক নহয়নে চলিহা?"

"মই বুজি পোৱা নাই, দত্ত। ঘটনাটো কিনো?" কিছু আবেগপ্ৰৱণ হৈ পৰা দত্তৰ মুখলৈ চাই সুধিলোঁ।

"স্কুলৰ পৰা ঘূৰি আহোঁতে তাৰেই আলোচনা হৈছিল। হাৱাইপুৰৰ আশে-পাশে গণতন্ত্ৰ দিৱসৰ দিনা হেনো ৰাষ্ট্ৰীয় পতাকা জ্বলাইছিল। আমাৰ বৰুৱা হেনো ইয়াৰ গুৰি ধৰোঁতা, অদ্ভুত কথা!"

চাহ কাপত শোহা মাৰি ভাবিলোঁ — আমাৰ দেশত আচৰিত হ'বলগীয়া একো নাই। নিৰ্বাচন বৰ্জনৰ সংকল্প গ্ৰহণ অনুষ্ঠানত বৰুৱাই পৌৰোহিত্য কৰাৰ

গইনা লৈ এচাম দুষ্কৃতিকাৰীয়ে বৰুৱালৈকে আঙুলিয়াই দেখুওৱাত আচৰিত হ'বলগীয়া কি আছে। মই লাহেকৈ চাহৰ কাপটো প্লেটখনৰ ওপৰত থৈ ক'লোঁ, "বৰুৱাক গছত উঠাই গুৰি কটা মানুহেই সংখ্যাত সৰহ। পিছে, ৰাষ্ট্ৰীয় পতাকা জ্বলোৱাত আচৰিত হ'বলগীয়া একো নাই, দত্ত। বেছিক্ ভুল আমাৰেই বুলি মই ভাবোঁ।"

"আমাৰ ভুল! আপুনি কি কৈছে, চলিহা?" শোহা মাৰিব ধৰা চাহ কাপ মুখৰ পৰা আঁতৰাই দত্তই মোক প্ৰশ্ন কৰিলে।

"চাওক দত্ত, ভাৰতীয় জাতীয় কংগ্ৰেছে ৰাষ্ট্ৰীয় পতাকাখনক পাৰ্টিৰ পতাকা কৰিব নালাগিছিল। এতিয়াৰ কংগ্ৰেছেও সেই একেটা কামকেই কৰিছে। ৰাষ্ট্ৰীয় পতাকা আৰু কংগ্ৰেছ পাৰ্টিৰ পতাকাৰ মাজৰ ব্যৱধান অতি সূক্ষ্ম। আমাৰ সাধাৰণ মানুহে সেই সূক্ষ্ম ব্যৱধান সহজতে মনিব নোৱাৰে। কমিউনিষ্ট বা জনতা দলৰ দৰে কংগ্ৰেছ দলৰো পৃথক পতাকা থকা হ'লে, ৰাষ্ট্ৰীয় পতাকাৰ এই অসন্মান নহ'লহেঁতেন।"

"তাৰ মানে, জুই জ্বলোৱা কাৰ্যটো ৰাষ্ট্ৰীয় পতাকাৰ বিৰুদ্ধে নহয় বুলি আপুনি ভাবে নেকি?" চাহ কাপ হাতত লৈ দত্তই প্ৰশ্ন কৰিলে।

শেষ শোহা মাৰি হাতৰ কাপটো টেবুলখনৰ ওপৰত থকা প্লেটখনত লাহেকৈ থৈ দিলোঁ। পকেটৰ পৰা চিগাৰেট আৰু দিয়াচলাই বাকচটো উলিয়াই ক'লোঁ, "মোৰ অনুমান তেনেকুৱাই, দত্ত। চিগাৰেট এডাল খাওঁদেই।"

"খাওক। অঁ, তামোল নাহিলেইচোন। সোণ, তামোলৰ বটাটো আনাচোন।" চাহ কাপ থৈ দত্তই পাকঘৰৰ ফালে চাই মাত দিলে।

চিগাৰেট এডাল জ্বলাই ল'লোঁ। দত্তই চিগাৰেট নাখায় বুলি জানো। তেখেতলৈ চিগাৰেট সেইবাবেই নাযাচিলোঁ। মোৰ হাতৰ দিয়াচলাইৰ কাঠিটো দেখি দত্তই গম পালে— এছ্‌ট্ৰে বিচৰা কথাটো। আলমাৰীৰ ওপৰত থকা এছ্‌ট্ৰেটো নমাই আনি মোৰ সন্মুখত থৈ ক'লে, "ধূম-পান নকৰোঁ বাবেই এইবোৰৰ কথা পাহৰি থাকোঁ, বুজিছেনে?" এটি মিচিকিয়া হাঁহিৰে কথাখাৰ সামৰিলে। ধৰি থকা কাঠিডাল এছ্‌ট্ৰেত ভৰাই ধোঁৱা এসোপা এৰি ক'লোঁ, "আপুনি নাখাই ভালেই কৰিছে। এইবোৰ জঞ্জালহে। পিছে, দত্ত! আমাৰ ৰাষ্ট্ৰীয় পতাকা অৱমাননা কৰাৰ মূল কাৰণ কি জানেনে?"

"কওকচোন।"

"ভাৰতীয় জাতীয় কংগ্ৰেছৰ স্বপ্নদ্ৰষ্টা আছিল এলেন্ অ'ক্টাভিয়ান হিউম্। তেওঁক আমি পাহৰি পেলালোঁ। জাতিৰ পিতা মহাত্মাই নিৰ্দেশ দিয়া পাৰ্টিৰ পতাকাৰ চৰ্খাকো আমি পাহৰিলোঁ। সাতচল্লিশ চনৰ বাইশ জুলাইৰ দিনাখন কন্ষ্টিট্যুৱেণ্ট্ এছেম্ব্লিত গ্ৰহণ কৰা সিদ্ধান্তক পাছৰ কংগ্ৰেছে গুৰুত্ব নিদিলে। আপুনি মন কৰিছেনে দত্ত, আজিকালি কংগ্ৰেছ পাৰ্টিৰ অফিচতো অশোক চক্ৰযুক্ত পতাকাখনকহে ব্যৱহাৰ কৰে!"

"তাৰমানে ৰাষ্ট্ৰীয় পতাকা আৰু পাৰ্টিৰ পতাকা একেখন হৈ গ'ল।'

"এইটো দেখ্ দেখ্ কথা। গতিকে দত্ত, হাবাইপুৰৰ ঘটনাটো ৰাষ্ট্ৰীয় পতাকাৰ বিৰুদ্ধে নহয়, কংগ্ৰেছৰ বিৰুদ্ধে প্ৰদৰ্শন কৰা বিক্ষোভ বুলিহে মই ভাবো।'

ইতিমধ্যে দত্তৰ ছোৱালী সোণে তামোলৰ বঁটাটো দি থৈ গ'ল। তামোল এখন মুখত ভৰাই দত্তই ক'লে, "এৰা, চলিহা, ইমান দিনে ময়ো কথাটো মন কৰা নাছিলোঁ। ল'ৰা-ছোৱালীক দোষ দি লাভ কি? আমি নিজৰেই আত্ম-সমালোচনা কৰিবলৈ শিকা নাই।"

"ঠিকেই। মই-আপুনি ভাবিলেতো নহ'ব, দেশখনৰ মানুহখিনিয়েও কথাটো ভাবিব লাগিব।" তামোল এখন মুখত দি ক'লো।

"এৰা।"

তামোল চোবাই দুৱাৰৰ ফালে দত্তই একান্ত মনে চাই ৰ'ল। পৰ্দা নথকা দুৱাৰখনেৰে পছিমৰ বহল আকাশখনক ভালদৰে দেখি। নিৰ্মেঘ আকাশৰ মাজত দত্তই সম্ভৱ এই সমস্যাৰ পথ বিচাৰি ফুৰিছে। চিগাৰেটৰ ধোঁৱা এসোপা ময়ো ওপৰলৈ এৰি দিলোঁ। নীৰৱ কোঠাৰ শূন্যতাত ধোঁৱাখিনি বিলীন হৈ গ'ল— কাকো আমনি নিদিয়াকৈ। পৰিস্থিতিয়ে গধুৰ কৰি তোলা মনটোত অলপ সকাহ পোৱা যেন পালোঁ।

এনেতে মিছেছ দত্ত সোমাই আহিল মুখত এমোকোৱা হাঁহিলৈ। দত্তৰ কাষৰ মূঢ়াটোত বহি মোৰ ফালে চাই তেওঁ মাত লগালে, "চলিহাক দেখিবলৈকে নোপোৱা হ'লোঁ। এদিন আহিবচোন ভাত খোৱাকে।"

"সময় পাইছোঁনো ক'ত? আজি ইটো, কালিলৈ সিটো কৰি থাকোঁতেই আজৰি সময়কণ নোপোৱাই হ'লোঁচোন।"

"কিবা লেখিছেনেকি?" তেওঁ সুধিলে।

"নাই, কিনো লেখিম? দেশৰ এই পৰিস্থিতিত কিবা লেখিবৰ ইচ্ছা থাকিলেও লেখিব নোৱাৰোঁ।"

"আপোনাৰ উপন্যাস "ঝুমুৰৰ মূৰ্ছনা"খন পঢ়ি সঁচাকৈয়ে ভাল লাগিছে। সেইখন পঢ়িলে আমাৰ কাঁকী গাঁৱৰ মংৰুইঁতলৈ মনত পৰে। আমাৰ এই লক্ষাখনক লৈ লেখক না, ভাল লাগিব।"

"তুমি গম পাইছানে নাই, চলিহাই লক্ষা ঠাইখনক লৈ উপন্যাস এখন লেখিছেই হেনো।" দত্তই মিঠা হাঁহিৰে মোলৈ চাই ক'লে।

"হয়নে চলিহা? কেতিয়া পঢ়িব পাম বাৰু?"

"এহ্ নহয়, মিছেছ্ দত্ত। আপোনাক দত্তই মিছাকৈয়ে কৈছে।"

— ৰুমালখনেৰে মুখখন মচি ড্ৰয়িং ৰুমৰ ভিতৰতে থকা আলমাৰীটোলৈ এনেয়ে চকু ফুৰালোঁ। ধুনীয়াকৈ সজাই থোৱা কিতাপবোৰৰ মাজত 'ঝুমুৰৰ মূৰ্ছনা'খন উজলি থকা দেখা পালোঁ। নিজে লেখা কিতাপ আনৰ ঘৰত দেখিবলৈ পালে মনলৈ অহেতুক আনন্দ এটা পোৱা যায়। সম্ভৱ লেখকৰ সেইকণেই অমূল্য সম্পদ!

"আপুনি কিন্তু কথা লুকুৱাইছে দেই। এদিন আহিবচোন চলিহা। ভাত খোৱাকৈ আহিব কিন্তু।" মিছেছ দত্তই মোৰ মনৰ ভাব ধৰিব পাৰিলে যেন পাইছোঁ। ময়ো 'বাৰু' বুলি কথা দিলোঁ। কাপ-প্লেট সামৰি 'চলিহা, বহকচোনদেই' বুলি কৈ মিছেছ দত্ত ভিতৰলৈকে সোমাই গ'ল। চিগাৰেটৰ ছাইসোপা এছ্ট্ৰেত ভৰাই কথাৰ প্ৰসঙ্গলৈ ঘূৰি আহিবলৈ দত্তক সুধিলোঁ, "বাৰু দত্ত, শপত গ্ৰহণৰ কাগজ সোপা কাৰ হাতত আছে?"

"মোৰ হাততেই আছে। কিয়?"

"আপুনি গোপনে থ'বচোন।"

"কিয়? তাত দেখোন একো গুৰুত্বপূৰ্ণ কথা নাই। নিৰ্বাচন বৰ্জনৰ শপত গ্ৰহণৰ চহীহে।" দত্তই কিছু আচৰিত হৈ মোক ক'লে।

"সেইটোকে চেলু উলিয়াই পুলিচে আপোনাকো জুলুম লগাবহি পাৰে।"

"এৰা, চহী কৰা সকলৰ মাজতো বহুতো বদন থাকিব পাৰে। বৰুৱা আৰু শৰ্মাক এৰেষ্ট্ কৰাৰ মূলতে এই বদনবোৰৰেই কাম হ'বও পাৰে।"

"কথা ইমানলৈ পালে যেতিয়া আমি ভাবি চিন্তি খোজ দিয়াই ভাল বুজিছেনে দত্ত? বাৰু দত্ত, মই উঠোঁহে। সাজ লাগিবৰ হ'লেই।"

"ভাল।"

মিছেহু দত্তক মাত দি বিদায় ললোঁ। বাহিৰলৈ ওলায়েই দেখিলোঁ শুক্লা চতুদৰ্শীৰ জোনটোক। দত্ত গেটখনলৈকে আগুৱাই আহিল। গেটৰ দুৱাৰখন বন্ধ কৰি দত্তই ক'লে, "চলিহা, সময় এটা উলিয়াই বৰুৱাৰ খবৰ লবচোন।"

"ভাল বাৰু। মই কালিলৈকে এপাক মাৰি দেখা দি আহিম।"

"ভাল বাৰু। য'কদেই।"

দত্তক এৰি খোজ ললোঁ মই থকা ঘৰটোলৈ। দত্তৰ ঘৰৰ পৰা মোৰ ভাৰা-ঘৰটোলৈ নাই বুলিলেও দুই - আঢ়ৈ কিলোমিটাৰ দূৰ হ'ব। জ্বলি থকা চিগাৰেটডালকে সাৰথি কৰি ভাবি গ'লো— উপন্যাসখন সম্পূৰ্ণ কৰাৰ কথা। লঠঙা গছৰ ডালবোৰৰ আঁৰ লৈ লুকা-ভাকু খেলি থকা জোনটিয়ে যে নাজানে মোৰ মনৰ কথাবোৰ!

চতুৰ্থ অধ্যায়

আজি ত্ৰিশ জানুৱাৰী।

শ্বহীদ দিৱস।

মানুহক ভাল পাবলৈ গৈ মানুহৰ হাততেই গান্ধীজী শ্বহীদ হৈছিল, আজিৰ তাৰিখতেই। নিয়তিৰ কি নিষ্ঠুৰ পৰিহাস! মহাত্মা গান্ধীৰ হত্যাকাণ্ডই সমগ্ৰ বিশ্বৰ ট্ৰেজেডিৰ কাৰুণ্যাকো চেৰ পেলালে। বিশ্বই আকৌ এবাৰ উভতি চাইছিল, ভাৰতবৰ্ষৰ মাটিলৈ স্বাধীন হৈ উঠা ছয়মহীয়া দেশখনলৈ। পৃথিৱীৰ মানুহ হৈ পৰিছিল বাক্‌ৰুদ্ধ।

স্বাধীনতাৰ ছয়ত্ৰিছ বছৰৰ মূৰত 'ভাৰতৰ নুমলী জী' অসম মাতৃয়ে বুকুত শ্বহীদ বেদীৰে বিশ্বৰ সন্মুখত দেখা দিলে অশ্ৰুপূৰ্ণা হৈ। বিদেশী বহিষ্কাৰ আন্দোলনত অসমৰ যুৱক-যুৱতীয়ে কিমানে প্ৰাণ বিসৰ্জন দিলে, এতিয়াও তাৰ বিতং খবৰ ওলোৱা নাই। বৃটিছৰ বিৰুদ্ধে কৰা অহিংস সংগ্ৰামতো সম্ভৱ এনেদৰে পাইকাৰী হাৰত মৃত্যু বৰণ কৰা নাছিল। স্বাধীন সাৰ্বভৌম দেশ এখনৰ মূল লক্ষ্য এইটোৱেই নেকি? হায়, আমাৰ দেশ! অম্বিকাগিৰী ৰায়চৌধুৰীৰ আত্মাই চাগৈ অসমলৈকে চাই আছে— অসহ্য যন্ত্ৰণাৰে।

বৰুৱা আৰু শৰ্মাক গ্ৰেপ্তাৰ কৰাৰ পিছৰে পৰা লক্ষাৰ পৰিস্থিতিও জটিল হৈ আহিল। পুলিচ আৰু চি, আৰ, পিৰ তৎপৰতাও আগতকৈ অধিক হ'ল। সন্ধিয়াৰ লগে লগে চি, আৰ, পিৰ তহল ব্যাপক হৈ পৰিল। ৰেল-ষ্টেচনত, ৰেলপথ আৰু বাট-পথৰ দলঙত, অশান্তি হ'ব পৰা স্থানবোৰত পহৰা কটকটীয়া কৰা হ'ল। মুকলি মনেৰে ওলাই ফুৰাৰ পৰিবেশ নোহোৱা হ'ল। পিঠিত বেতৰ ঢাল, কান্ধত ওলোমাই লোৱা ৰাইফল্, হাতত দীঘল বাঁহৰ লাখুটি, মূৰত লোহাৰ আবৰণধাৰী চি, আৰ, পিৰ জোৱানবোৰৰ উপস্থিতিত লক্ষাৰ মাটি হৈ পৰিল আতংকগ্ৰস্ত। মানুহৰ দৃষ্টিত নামি আহিল সন্দেহ আৰু আশংকাৰ ঘণীভূত ছাঁ।

জন-বিৰল হৈ পৰা পথেৰে খোজ ললোঁ সংমল বৰুৱাৰ ঘৰলৈ। ষ্টেচনৰ কাষেদি আহোঁতে পহৰাৰত জোৱান এটাই তীক্ষ্ণ দৃষ্টিৰে মোৰ ফালে চাইছিল, — জানোচা মই বোমা জাতীয় কিবা বস্তুকে আনিছোঁ! বনৰ বাঘ এটাকো এনে দৃষ্টিৰে

নিশ্চয় জোৱানজনে নাচালেহেঁতেন। মানুহে মানুহক এনে অবিশ্বাসৰ দৃষ্টিৰে চাবলগীয়া হোৱাটো কম দুৰ্ভাগ্যৰ কথানে?

বাটৰ দুয়ো কাষৰ মানুহৰ ঘৰৰ বেৰবোৰত দেখিলোঁ — অজস্ৰ শ্লোগান। এই শ্লোগানবোৰ আছুৰ ঃ

অবৈধ নিৰ্বাচন বৰ্জন কৰক।

পুলিচ নিৰ্যাতন বন্ধ কৰক।

তেজ দিম তেল নিদিওঁ।

লগতে দেখিলোঁ — নিৰ্বাচনী পোষ্টাৰবোৰ। লেখাবোৰ পঢ়ি গলোঁ ঃ চি, পি, আই (এম্) কে ভোট্ দিন্।

কংগ্ৰেছ (আই)ক ভোট দি জয়যুক্ত কৰক।

ইন্দিৰা গান্ধীৰ আলোক-চিত্ৰসহ কুৰিদফীয়া আঁচনিৰ পোষ্টাৰকো দেখিলোঁ। নিৰ্দলীয় প্ৰাৰ্থীৰ পোষ্টাৰো দুই-এঠাইত দেখিবলৈ পালোঁ। নিৰ্বাচনলৈ মাত্ৰ দুসপ্তাহ দিন আছেগৈ। প্ৰচাৰ কাৰ্য চলাইছে— গোপনে। প্ৰাৰ্থীসকলে আগৰ কিবাৰৰ দৰে মুকলিভাৱে ফুৰা-চকাও কৰিব পৰা নাই।

দুৰ্বোধ্য!

এনে পৰিবেশত নিৰ্বাচন পাতিব পাৰিবনে? একেখন দেশতে, একে ডোখৰ মাটিতেই দেখোন জল্ জল্ - পট্‌পট্‌কৈ অনৈক্যৰ ছবিখন ওলাই পৰিল। তেনেহ'লে বিদেশীক খেদাব কেনেকৈ? নিৰ্বাচনত নামিছে পিতৃসকলে, নিৰ্বাচন বৰ্জন কৰিছে পুত্ৰসকলে। এই দ্বন্দ্বই ঘৰ এখনক দেখাতেই ধ্বংসস্তূপলৈ পৰিণত কৰিব পাৰে!

ভাৰাক্ৰান্ত মনটোৰে সৎমল বৰুবাৰ ঘৰ উঠিলোঁগৈ। আবেলিৰ নীৰৱতাই বৰুৱাৰ ঘৰখনকো যেন নীৰৱ কৰি তুলিছে। চৌতালৰ ৰ'দ পৰা ঠাইত পাতি-হাঁহ কেইটামানে জিৰণি লৈ আছিল। মোক দেখি হাঁহ কেইটাই সৰৱ কৰি তুলিলে। আগফালৰ ড্ৰয়িং ৰুমত সোমাই মাত দিলোঁ, "বৰুৱা আছেনে?"

পৰ্দাৰ ফাঁকেৰে জুমি চাই লাহেকৈ ওলাই আহিল বৰুৱানী। নমস্কাৰ এটা দি সুধিলোঁ, "বৰুৱা কেনে? কিছু ভাল পাইছেনে?"

"অঁ। ডাক্তৰ বৰাই চাই-চিতি ঔষধ দি পঠিয়াইছে। বহক।"

কাষৰ চকীখনতে বহিলোঁ। বৰুৱানীয়ে থিয় দিয়েই ক'বলৈ ধৰিলে বৰুৱাৰ বিষয়ে, — "গা ভাল নাছিল। সভালৈ যাবলৈ হাক দিছিলোঁ। প্ৰেছাৰ থকা মানুহ।

সাৱধানে থাকিবলৈ কওঁহে, পিছে ক'তনো সাৱধানে থাকিব পাৰে। ৰাইজৰ হেঁচাত পৰি যাবলৈ বাধ্য হয়। এতিয়া পুলিচৰ নজৰ বন্দী। বেমাৰো উৰ্ক দিলেহি—"

"নহয় বৰুৱানী। দেশৰ পৰিস্থিতিয়ে কাকো শান্তিৰে থাকিবকে দিয়া নাই। সমাজখনৰ লগত সাঙোৰ খাই থকা বৰুৱাইনো কেনেকৈ নীৰৱে বহি থাকিব।"

"কোন আহিছে, কৃষ্ণৰ মা?" ভিতৰৰ পৰা বৰুৱাই দিয়া মাতষাৰ শুনিলোঁ।

"অধ্যাপক চলিহা।" বৰুৱানীয়ে জনালে।

"ইয়ালৈকে আহক, চলিহা।"

"চলিহা আহক" বুলি কৈ বৰুৱানীয়ে মোক ভিতৰৰ কোঠালৈকে লৈ গ'ল। বিছনাখনৰ কাষতে থকা চকীখনত বহি সুধিলোঁ,

"ভাল পাইছেনে বৰুৱা?"

"হয়, মূৰ-ঘূৰণি আৰু গাৰ ওজনহীন ভাববোৰ আঁতৰিছে।"

"ৰেষ্টত থাকিলেই ভাল পাব। লঘু আহাৰ খাব দেই। ডাক্তৰে নিশ্চয় পথ্যৰ বিষয়ে কৈছে, নহয়নে বৰুৱানী?"

"চৰ্বী জাতীয় আহাৰ কমাই খাবলৈ কৈছে।" বিছনাখনৰ দাঁতিতে বহি থকা বৰুৱানীয়ে ক'লে।

আপেল আৰু সুমথিৰা টেঙাৰ টোপোলা দুটা বৰুৱানীৰ হাতত দি আজৰি হ'লোঁ। বৰুৱানীয়ে টোপোলা দুটা লৈ চাহ একাপ খাই যাবলৈ ক'লে আৰু ভিতৰলৈ লাহেকৈ সোমাই গ'ল। চিগাৰেট হুপিবৰ ইচ্ছা গৈছিল। অসুখীয়া বৰুৱাই আমনি পাব পাৰে বুলি নুলিয়ালোঁ।

কাষৰ খিৰিকিৰে পৰশুৰাম বালিকা বিদ্যালয়খন দেখি। আঁতৰৰ চজিনাবোৰ থোপা-থোপে ফুলি আছিল। আবেলিৰ পোহৰত ফুলবোৰ বৰ আকৰ্ষণীয় হৈ পৰিছে। ফুলি থকা জবা জোপাৰ কেঁচা পাতবোৰত পোহৰৰ বিচ্ছুৰণ খিৰিকিৰে দেখি। খিৰিকিখনেৰে এই দৃশ্যবোৰ চাই চাই ভাবিলোঁ — যি গৰাকীৰ জীৱন-সংগ্ৰামক লৈয়েই মোৰ উপন্যাসখনে গঢ় লৈছে। সেই গৰাকী ব্যক্তিয়েই মোৰ কাষত ৰোগ-শয্যাত আশ্ৰিত। যি গৰাকী ব্যক্তিয়ে জীৱনৰ পঞ্চাশটা বছৰ লকাৰ মাটি আৰু মানুহক ভাল পাইছিল, সেই গৰাকী ব্যক্তিকেই আজি সন্দিহান দৃষ্টিৰে চাবলৈ বাধ্য কৰাইছে। মিছা কথাৰে বৰুৱাৰ ব্যক্তিত্বত আঘাত হানিবলৈ ভল-খুচৰীয়া এজাকে প্ৰচেষ্টা কৰিছে। মানুহক ভাল পোৱাৰ পৰিণাম সঁচাকৈয়ে ভয়াবহ নেকি?

"চলিহা, আপোনাৰ লেখা কাম হ'লনে?"

ককাৰ কথাত মই চক্ খোৱাদি খালোঁ। ইমান ভয়ঙ্কৰ প্ৰশ্ন এটা এই মুহূৰ্ত্তত কৰিব বুলি ভবা নাছিলোঁ। মই যেন হঠাতে হতভম্ব হৈ পৰিলোঁ। হাত দুখনেৰে ঘামিব ধৰা মুখখন মচি ক'লোঁ, "ককা, শেষৰ অধ্যায়টো লেখিবলৈ বাকী আছে। সেইকণ লেখিব পৰা হ'লেই আপোনাক দেখুৱাব পাৰোঁ। কিন্তু দেশৰ এই পৰিস্থিতিত...."

"এৰা। এই সমস্যাটো সকলোৱে বুলি ভবা হ'লে এম, এল, এ, এম, পিৰ নমিনেশ্যন্ নিদিলেইহেঁতেন। বৃটিছৰ বিৰুদ্ধে আমি যুঁজ দিছিলোঁ — বহু বছৰ। কিন্তু তেতিয়াৰ মুক্তিৰ সুৰ আছিল সৰ্বাত্মক। তেতিয়া বিদেশী বুলি ক'লেই ত্যাগ কৰিছিল। আনকি তৰুণৰাম ফুকনেও নিজৰ বিদেশী সাজ-পোছাকবোৰ জ্বলা জুইত জাপি দিছিল বুলি শুনিছিলোঁ। কিন্তু, এতিয়াৰ মানুহখিনিৰ ইমান ত্যাগ নাই, চলিহা।"

সংযমেৰে ককাই কৈ যোৱা কথাবোৰ মন দি শুনি গ'লোঁ। ককাৰ কথাখিনি শুনি এনে লাগিল— অতীতৰ স্মৃতি আৰু বৰ্ত্তমানৰ অভিজ্ঞতাৰ মাজত পৰি ককাৰ জীৱন এক দুৰ্বহ মানসিক দ্বন্দ্বেৰে আচ্ছন্ন! শিতানৰ গাৰু ঠিক কৰি ককাই অলপ আঁউজাৰ দৰে বহি আকৌ ক'লে, "ৰাজনীতি কৰা মানুহখিনিয়ে যদি নিজৰ পুত্ৰ স্বৰূপ এই ল'ৰা মথাৰ আবেদন শুনি ইলেক্‌শ্যনত ননমা হ'লে, বিদেশীবোৰ নিজেই আঁতৰি গ'লহেতেন। এই আত্ম-জাগৃতি শক্তি আমাৰ আছিল কাৰণেই বৃটিছ যাবলগীয়া হ'ল। কিন্তু, চলিহা, স্বাধীনতাৰ পিছত আমি যি উলাহেৰে এই দিবসবোৰ পালন কৰোঁ, সেই উলাহেৰে দেশৰ গধুৰ দায়িত্ব ল'বলৈ পাহৰি গ'লোঁ। আমি আজি নিজকে নিজেই শোষণ কাৰ্যত লিপ্ত হ'লোঁ।"

"এৰা, কথাটো ঠিকেই, ককা। দুৰ্নীতিৰে দেশখন ভৰি পৰাৰ মূলতে এই নৈতিক দায়িত্বহীনতাই।" কিছু আবেগিক হৈ পৰা ককাৰ ফালে চাই ক'লোঁ।

সিদিনাখনৰ সভাতেই বুজিছিলোঁ — শপত গ্ৰহণ প্ৰস্তাৱ মিছা বুলি। আমাৰ এমুঠি মানুহৰ মাজতেই একতা নাই। কোনোবা এজন সভালৈ নাহিলেই জানিবা, শত্ৰুৰ সংঘৰ দোহাই দি লেক্‌চাৰ্ দিব নালাগিছিল। আজি পঞ্চাশ বছৰ ধৰি লক্ষ্যত আছোঁ। সত্তৰ হাড়কেইডালো এই মাটিতেই পোতাৰ লাগিব। কিন্তু মানুহৰ মনবোৰ ইমান অধোমুখী হোৱা মই দেখা নাছিলোঁ।"

চাহ দুকাপ আৰু বিস্কুট প্লেটখনত সজাই ককাৱানীয়ে সৰু টেবুল এখনত দিলেহি। বিছনাৰ কাষতে বহি ককাৱানীয়ে তামোল কাটিবলৈ ধৰিলে।

"খাওক চলিহা।" চাহ কাপ লৈ বৰুৱাই ক'লে।

বিস্কুট এখন চোবাই বৰুৱানীক সুধিলোঁ, "লীলাহঁত নাই নেকি?"

"আছে। ক'ৰবালৈ ওলাই গ'ল, অথনিয়েই।"

"সিহঁতৰ কথা নুসুধিব চলিহা, আন্দোলন হোৱাৰ পৰাই সিহঁত ঘৰত নথকা হ'ল। ডাঙৰটোৱে থিয়েটাৰতেই গোটেই অসম ঘূৰি ফুৰিছে।"

"হওক দিয়ক। বিষ্ণু ৰাভা, জ্যোতিপ্ৰসাদ-- এইসকলেও কৃষ্টি সংস্কৃতিৰ মাজেদিয়েই অসমখনক বুজিছিল, অসমীয়া জাতিক জীয়াই ৰাখিছিল। নিজকে প্ৰকাশ কৰাৰ সুযোগ পাইছে।"

বৰুৱানীয়ে মোৰ প্ৰশংসা শুনি কিছু সান্ত্বনা পোৱা যেন লাগিল। তামোল কেইডোখৰ বঁটাত থৈ খহি পৰা ওৰণিখন টানি বৰুৱানীয়ে ক'লে, "কি কৰিব! ল'ৰা মানুহ। ঘৰত বান্ধি ৰাখিবও নোৱাৰো নহয়। কিবা এটা কৰি ভালেৰে থাকিব পাৰিলেই, আমাৰো সুখ।"

চোঁতালৰ হাঁহকেইটাই কেপ্‌কেপাই উঠাত বৰুৱানী উঠি গ'ল। বাহিৰত মাখনীক মতা শুনিলোঁ। সম্ভৱ গৰু সোমাইছিল। বৰুৱাই চাহত শোহা মাৰি ক'লে, "চলিহা, আপুনি লেখিবলৈ লৈছে যেতিয়া, এটা কথা আপুনি নাপাহৰিবচোন।"

"কি কথা কওকচোন, বৰুৱা!"

চাহকাপ প্লেটখনৰ ওপৰত থৈ বৰুৱাই খিৰিকিখনেৰে আঙুলিয়াই ক'বলৈ ধৰিলে, "সৌ স্কুলখন দেখিছে?"

খিৰিকিখনেৰে দেখি থকা স্কুলখনলৈ চাই ক'লোঁ, "হয়।"

"চলিহা, লক্ষাক আপুনি ভাল পাইছে বাবেই ইয়াৰ বিষয়ে লেখিবলৈ লৈছে। মই যিমানদূৰ জানো আপোনাক কৈছোঁৱেই। তথাপি, সৌ স্কুলখনৰ মাটিডোখৰৰ কথা আপোনাক ক'বলৈ পাহৰিছিলোঁ। হঠাতে মোৰ মনলৈ আহিল। লক্ষাৰ বিষয়ে লেখোতে এই মাটিডোখৰৰ কথাও লেখি থ'বচোন।"

মই বৰ উদগ্ৰীৱ হৈ পৰিলোঁ, সেই ইতিহাস শুনিবলৈ। বৰুৱাৰ কাষলৈকে মোৰ চকীখন চপাই ল'লোঁ। আবেলিৰ পোহৰখিনিৰে উজলি থকা স্কুল-ঘৰ খনলৈ আকৌ এবাৰ নিৰীক্ষণ কৰিলোঁ। সদায় দেখি থকা স্কুল ঘৰখন মোৰ বাবে হঠাতে ৰহস্যপূৰ্ণ হৈ পৰিল। বৰুৱাই মোলৈ নোচোৱাকৈয়ে লাহে লাহে কথাখিনি ক'বলৈ ধৰিলে, "যি পৰাকী মানুহৰ নামেৰে স্কুলখনৰ নামকৰণ কৰিছে, সেই পৰাকী এতিয়া

নাই। পৰশুৰাম মজুমদাৰ কামৰূপৰ লোক আছিল। তেওঁলোকৰ কোনো সন্তান-সন্ততি নাছিল। কামপুৰ চাৰ্কোলৰ কানন্‌গো হৈ লঙ্কাক ভাল পাইছিল। লঙ্কাৰ ঠাইখনৰ উন্নতিৰ কাৰণে মজুমদাৰৰ অৱদানৰ কথা লঙ্কাৰ ৰাইজে আজিও পাহৰা নাই। ৰাইজক ভাল পাইছিল বাবেই তেখেতৰ স্মৃতিক ৰাইজে জীয়াই ৰাখিছে। আৰু এটা স্মৃতি কিন্তু ঠাইখনত পোতখাই আছে দেই, চলিহা। সেই কথা লঙ্কাৰ মানুহে এদিন পাহৰি যাব — চিৰদিনলৈ।"

চাহত শোহা মাৰি বৰুৱাই কাপটো থৈ দিলে। তেখেতে অলপ দীঘলকৈ উশাহ এটা ল'লে। হেৰোৱা স্মৃতি ৰোমন্থন কৰোঁতে সম্ভৱ বৰুৱাই কিছু কষ্ট পাইছিল। গাৰ কাপোৰখন ঠিক কৰি মোৰ ফালে চাই সুধিলে, "খৰছিং তেৰাঙৰ নাম শুনিছেনে চলিহা?"

অলপ সময় নামটো মনত পেলাবলৈ চেষ্টা কৰিলোঁ। নামটো ক'ৰবাত পোৱা যেন লাগিল। ক'ত বাৰু? 'ৰ'জাৰু আহিৰ' নামৰ স্মৃতিগ্ৰন্থত নেকি? এৰা, ঠিকেই। 'স্মৃতি লেখা' নামৰ ছংবেই লেখা প্ৰবন্ধত খৰছিং তেৰাঙৰ নাম উল্লেখ কৰিছে।

বৰুৱাৰ ফালে চাই সুধিলোঁ, "কাৰ্বি আংলঙৰ নেতা সেই তেৰাঙৰ কথা কৈছেনেকি বৰুৱা?"

"হয়। তেখেত এবাৰ ইয়ালৈ আহিছিল। বিৰাট থূলন্তৰ মানুহজন। তেতিয়াৰ ডাক-বঙলা ঘৰটো আছিল, স্কুলৰ মাটিতেই। ডিফুৰ পৰা আহি তেখেতে সেই ডাক বঙলাতেই উঠিছিল। কাৰ্বি আংলং জিলাখন তেতিয়া সৃষ্টি হোৱাই নাছিল। তেখেতে সেই ডাক-বঙলাতে বহি কাৰ্বি আংলং জিলাৰ সপোনক ৰূপ দিছিল। পৰশুৰাম মজুমদাৰে কামপুৰ চাৰ্কোলৰ মেপ আনি সহায় কৰিছিল খৰছিং তেৰাঙক। হাবাইপুৰত বহা কাৰবি আ-দৰবাৰৰ মুকলি সভাত কাৰবি আংলঙৰ সীমাৰ প্ৰস্তাৱটো চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিছিল। নগাওঁ কলেজৰ অধ্যাপক মহেশ চন্দ্ৰ দেৱ গোস্বামীও আহি তেৰাঙৰ লগত কৰ-মৰ্দন কৰিছিল। কিয় ক'ব নোৱাৰো চলিহা, সেইদিনাখন মোৰ চকু অজানিতে সেমেকি উঠিছিল। মই যেন কিবা এটা আনন্দ অনুভৱ কৰিছিলোঁ। মনত পৰিছিল— পঢ়ি থকা মোৰ কাৰবি ছাত্ৰ ৰামছিং, ছাৰমেনহঁতলৈ। মোৰ ছাত্ৰবোৰে এদিন নিশ্চয় এই মিলনৰ সাঁকো নিৰ্মাণ কৰিব, পাহাৰ আৰু ভৈয়ামৰ মাজত নতুনকৈ হাঁহিবলৈ শিকিব। অসমৰ সেই মহা মিলনৰ আনন্দৰ সমান আনন্দ আৰু ক'ত পাম চলিহা!"

আবেগত বৰুৱা ভাগি পৰা যেন হ'ল। মোৰ ভয় হৈছিল, বৰুৱাৰ আকৌ প্রেছাৰ বাঢ়িব পাৰে বুলি। বঁটাৰ পৰা তামোল এডোখৰ মুখত দি বৰুৱাৰ মুখলৈ চালোঁ। বৰুৱাৰ চকুৰ কোণ দুটা সেমেকি উঠিছে। বিচ্ছুৰিত পোহৰেৰে উজ্বলি থকা জবা ফুলজোপাৰ ফুল এপাহ জঁয় পৰি যোৱা দেখিবলৈ পালোঁ। মোৰ মনটো হঠাতে গধুৰ হৈ পৰিল। আঢ়ৈ কুৰি বছৰ জুৰি এই মাটিক ভাল পোৱা সংমল বৰুৱাই যেন মোৰ লেখা উপন্যাসখন এবাৰ স্পর্শ কৰিবলৈ পায়!

বৰুৱানীয়ে কাপ-প্লেটকেইটা সামৰিবলৈ অহা দেখি মই যাবলৈ মাত লগালোঁ। বৰুৱাক লেখাৰ প্রতিশ্রুতি দি দুয়োৰে পৰা বিদায় ল'লোঁ। ভাৰাক্রান্ত মন এটাৰে বৰুৱাৰ ঘৰৰ পৰা ওলাই আহিলোঁ — ৰোগ শয্যাত পৰি থকা গৃহবন্দী বৰুৱাৰ পুঞ্জীভূত আনন্দ আৰু বেদনাৰ সন্ধানেৰে।

পঞ্চম অধ্যায়

ষ্টেচনৰ কাষৰ আহুকলীয়া পৰিবেশ এইবোৰেই। পুৱাৰ আমেজ নষ্ট কৰি দিলেহি ৰেলখনে।

মালগাড়ী!

ছান্‌টিং কৰি আছেহি কেতিয়াবাৰে পৰাই।

নেপ্‌কোৰ কাৰ্যালয় প্ৰতিষ্ঠা কৰাৰ লগে লগে বিৰাট আকৃতিৰ যন্ত্ৰ-পাতিবোৰ নমোৱাত লঙ্কা ষ্টেচন্ হৈ পৰিল— এক ব্যস্ততাপূৰ্ণ সৰু-সুৰা মাৰ্ছেলিং-ইয়াৰ্ড্।

ষ্টীম্ ইঞ্জিনৰ চিঁ-চিঁয়নি, ঝক-ঝকনি, ডবাবোৰ খুন্দা খাই হোৱা কম্প্ৰিঙৰ শব্দ আৰু হুইছেলৰ গাহৰি চিঞৰে মোৰ টোপনি আজিও কাঢ়ি নিলেহি।

দীঘলকৈ হামিয়াই ধনেশ্বৰক মাত দিলোঁ। সাৰ-সুৰেই নাই। এই হুলস্থূলীয়া শব্দবোৰৰ মাজত ই কেনেকৈ টোপনি যাব পাৰে?

আকৌ মাত দিলোঁ। নাই, কোনো সঁহাৰি নাই। দুবাৰমান মাত দিয়াৰ পিছত 'ছাৰ' বুলি বৰ অলসভাৱেৰে সি সঁহাৰি দিলে। তাক উঠিবলৈ কৈ মই বাহিৰলৈকে ওলাই আহিলোঁ।

কুঁৱলি নাই। ফৰকাল। পূব আকাশত পোহৰৰ বিচিত্ৰ বৰ্ণালী। এখনি যেন এব্‌ষ্ট্ৰেক্ট্ আৰ্টহে!

কাউৰীবোৰ উৰি ফুৰিছে অশান্তভাৱে।

বৈ থকা ইঞ্জিনটোলৈ এনেয়ে এপাক চালোঁ। ইঞ্জিনটোৰ পৰা পকা আঙঠাবোৰ তললৈ সৰি পৰিছে। সম্ভৱ নতুন কয়লা ভৰাবলৈকে অ'ভেন্‌টো ফ'ৰ্‌মেন্ জনে আজৰাইছে।

এনেতে দেখিলোঁ, ইঞ্জিনটোৰ সিকালৰ পৰা ল'ৰা এজন পাৰ হৈ খৰ খোজেৰে মোৰ ফালে আহি আছে। ল'ৰাটোৱে পিঠিত কিবা টোপোলা কঢ়িয়াই আনিছে। ওচৰ চাপি অহাৰ লগে লগে ল'ৰাজনক চিনি পালোঁ। সেয়া নৰেশ।

মই অনুমান কৰিলোঁ, পিঠিত কঢ়িয়াই অনা টোপোলাটো আন একো নহয়, কয়লাহে হ'ব। প্ৰতিদিনেই ৰেলপথৰ পৰা কয়লা সংগ্ৰহ কৰি অহা তাক দেখিছোঁ। সংগ্ৰহ কৰা কয়লাৰে সি চাহৰ দোকানত বিক্ৰী কৰি ধন উপাৰ্জন কৰে।

এই আঠ বছৰীয়া ল'ৰাটোৱে জীয়াই থাকিবৰ বাবে কৰা সংগ্ৰামৰ কথা ভাবি আচৰিত হওঁ। ৰেল-পথৰ ওপৰতো জীয়াই থকাৰ সমল যে আছে, জীৱনৰ সমস্যাই তাক শিকালে।

আজি মঙ্গলবাৰ।

লঙ্কাৰ হাটবৰীয়া দিন।

ছান্‌টিং কৰা ইঞ্জিনৰ পৰা দুই-এডোখৰ কয়লা সৰকাবলৈ ভাল। ফ'ৰ্মেন্‌জনৰ সহায়ত গোট-কয়লা সহজতে ল'ব পাৰি। তাৰ কাৰণেতো ইণ্ডিয়ান্ ৰেলৱে দুখীয়া নহয়! নৰেশেও সেই সুযোগ গ্ৰহণ কৰিলে। মাঘমহীয়া জাৰসোপা তাৰ ফটা কামিজত ঘাম হৈ যেন লাগি ধৰিলে! টোপোলা সহ সি ঘৰ-মুৱা হ'ল।

থোপা-থোপে ফুলি থকা আমাৰ কাষৰ চজিনা জোপাৰ পৰা অকলশৰীয়া শালিকাটো উৰা মাৰি নৰেশহঁতৰ ঘৰৰ মূধছত পৰিলগৈ। কিছিৰ্-কিছিৰ্‌কৈ শালিকাটোৱে মাতিবলৈ ধৰিলে। নঙলামুখ পায়েই নৰেশ বৈ গ'ল আৰু কঢ়িয়াই নিয়া টোপোলাটো ধুপুচ্‌কৈ মাটিত পেলাই শালিকালৈ চাই ক'লে, "ঐ, কি ৰে? কিসেৰ কিছিৰ্-মিছিৰ্। দেখ্‌ছ' না আমাৰ কাজ। ঐ দীপা, গুল্‌টি টা ক'ই ৰে? আজকেৰ দিনটা আমাৰ পণ্ড হইয়ে গেল'।"

"কেন ৰে নৰেশ?" ভিতৰৰ পৰা ছোৱালীজনীয়ে চিঞৰি মতা শুনিলোঁ।

"দেখছ্' না, ঐ দুষ্টু শালিক্‌টাকে। গুল্‌টি টা আন তাড়া তাড়ি।"

ইতিমধ্যে শালিকাটো উৰি গ'ল কাষৰ জীয়া গছজোপালৈ। উৰি যোৱা শালিকাটোলৈ চাই সি গালি দি দি কয়লা ভৰা বস্তাটো লৈ সোমাই গ'ল।

মই এই সকু দৃশ্যটো উপভোগ কৰিলোঁ। ভাবিলোঁ, ইতৰ প্ৰাণীয়েও মানুহৰ ওপৰত প্ৰভাৱ পেলাব পাৰে। ইয়াৰ মূল কাৰণ নিশ্চয় জন-বিশ্বাস। স্কুললৈ যোৱা ল'ৰা-ছোৱালীৰ মুখতো প্ৰায়েই শুনোঁ— 'ওৱান্ ফৰ্ ছ'ৰ', টু ফৰ্ জয়' বুলি। এই বিশ্বাসৰ শিপাডাল অসমীয়া সংস্কৃতিৰ জানো? কথাবোৰ ভাবি ভাবি ভিতৰলৈ সোমাই আহিলোঁ।

আজি ফেব্ৰুৱাৰী মাহৰ আঠ দিন।

মনটো অনুশোচনাৰে ভৰি পৰিছে — উপন্যাসখন লেখি শেষ কৰিব নোৱৰাৰ বাবে। সিদিনাখন বৰুৱাৰ আগত বৰ বেয়াকৈ এক্সপ'জ হৈছিলোঁ। কিমান বিশ্বাস আৰু আশাৰে বৰুৱাই মোৰ আগত কথাবোৰ ব্যক্ত কৰিছে!

ক্লাছৰ কটিনখনলৈ চালোঁ।

ক্লাছ আজি এটা পঞ্চল্লিছত।

ভালেই হ'ল। লঙ্কাৰ বজাৰখন আজি বেলেগ দিশৰ পৰা চাবগৈ লাগিব। সাপ্তাহিক বজাৰ এখনেৰে অঞ্চলটোৰ অৰ্থনৈতিক দিশক ভালদৰেই চাব পৰা যায়। উপন্যাসখনত এই দিশটোৰ প্ৰতিও চকু নিদিয়াটো ঠিক নহ'ব।

লাহে- ধীৰে ধনেশ্বৰক ভাত বহাবলৈ কৈ বজাৰ কৰা মোনাটো হাতত লৈ বজাৰৰ ফালে ওলাই গ'লোঁ। সচৰাচৰ যোৱা বাটটোৰে নগৈ ৰেল-পথেৰে আগবাঢ়িলোঁ লামডিং ৰ'ডৰ ফালে। লেভেল ক্ৰছিংটো পাৰ হৈ লঙ্কা ৰেল-পথাৰৰ মাজেৰে খোজ ললোঁ। এই বাটটো হাইস্কুলৰ দাঁতিয়েদি গৈ থানাৰ সন্মুখত নগাওঁ পথটোত লগ লাগিছে। থানাখনৰ গাতেই বিৰাট বজাৰখন।

হাটবৰীয়া মানুহৰ লানি নিছিগা সোঁত।

সেই সোঁতৰ লগত ময়ো যেন উঠি যাব ধৰিছোঁ।

হাটবৰীয়া মানুহবোৰৰ লগত বাওঁতে ভাবিবলৈ ধৰিলোঁ —

বিভিন্ন অঞ্চলৰ পৰা অহা সাধাৰণ মানুহখিনিৰ কথা। এই মানুহখিনিয়ে মাটিকেই সাৰটি ৰচিছে— জীয়াই থকা সপোন। মানুহৰ প্ৰমূল্যৰে নিজৰ উৎপাদিত সামগ্ৰীবোৰ বিক্ৰী কৰি নিজৰ সৰু ঘৰখনতে সৰগ গঢ়িবলৈ। এই সামগ্ৰীবোৰেই ভাৰতৰ ৰাষ্ট্ৰীয় সম্পদ টনকিয়াল কৰিব পাৰিছে নে নাই, সেই কথাবোৰ চিন্তা কৰাৰ প্ৰয়োজন এই সকলৰ নাই। আনকি, তেওঁলোকৰ ভাবিবলৈ আজৰি নাই ভাষাৰ সমস্যাৰে মন বিষাক্ত কৰাৰ কথা। তেওঁলোকে পাহৰি গ'ল ধৰ্ম আৰু পাহৰি গ'ল নিজৰ নিজৰ সাংস্কৃতিক বৈশিষ্ট্যক। লগতে পাহৰি গ'ল ৰাজনীতিৰ প্ৰাচীৰৰ কথা। সকলোৰে যেন একেটা চিন্তাৰে মানব-সমুদ্ৰত অৱগাহন কৰিছেহি হাটবৰীয়া এই মিলন-তীৰ্থত!

হঠাতে কুকুৰাৰ মাত শুনি মোৰ চিন্তাত বাধা পৰিল। মোৰ কাষেৰে পাৰ হৈ যোৱা মিঞাজনলৈ চালোঁ। বেপাৰীজনৰ কাৰ্য দেখি পেটে পেটে মোৰ হাঁহি উঠিল। কি প্ৰয়োজন বাৰু এই মস্ত মাটি চপৰা কঢ়িয়াই অনা! কাজভাৰ চটাৰ ইটো

মূৰত এখাং কুকুৰা আৰু সিটো মূৰত বিৰাট এডোখৰ মাটি চপৰা। মিএগ্রাজন নিশ্চয় ওদালীৰ। ভাৰসাম্য ৰাখিবলৈকে সেই মাটি ডোখৰেৰে এনে অদ্ভুত ব্যৱস্থা কৰিছে। এই মিএগ্রা বেপাৰীজনৰ কাৰ্যক আলেঙে-আলেঙে চাই যাব ধৰিলোঁ।

"হেৰি চলিহা, মোনাৰে সৈতে ক'লৈ যায়?"

হঠাতে মাত দিয়াত স্কুল ঘৰৰ ফালে উভতি চালোঁ।

হেড্ মাষ্টৰ। প্রফুল্ল হাতী বৰুৱা। বগা লংপেণ্ট্ আৰু পাতল মাখন ৰঙৰ হাফ্-চার্ট পিন্ধি মোলৈ চাই আছে। বাটতে বৈ মাত দিলোঁ, "বৰুৱা দেখোন। এখন্তেক বজাৰৰ পৰা আহোঁ।"

"আহক না। মম্নো যাম নহয়। আপোনাক দেখিবলৈকে নোপোৱা হ'ল দেখোন।"

স্কুলঘৰলৈকে খোজ ললোঁ। বাৰাণ্ডাখনত উঠাৰ লগে লগে সুধিলোঁ, "স্কুল নাই নেকি বৰুৱা?"

"আজি মঙ্গলবাৰ নহয়, মর্নিং ছিফ্ট্। ছুটী হ'ল। আহক।"

দুয়ো আগবাঢ়ি গলোঁ অফিচৰ কোঠাৰ ফালে।

"বাহাদুৰ, চকী দুখন বাবাণ্ডালৈকে লৈ আন, ইয়াতে বহোঁ।"

চকীদাৰে চকী দুখন উলিয়াই বাৰাণ্ডাত থ'লেহি। চকীখনত বহি স্কুলখনৰ কম্পাউণ্ডটো চাবলৈ ধৰিলোঁ। হাতী বৰুৱাই চিগাৰেট এডাল আগবঢ়াই দিলে। চিগাৰেট ডাল জ্বলাই স্কুলৰ সন্মুখৰ লহপহীয়া ওক গছ কেইজোপালৈ চাই বৰুৱাক সুধিলোঁ, "এই ওক্‌গছ কেইজোপাৰ কিমান বয়স হৈছে বাৰু?"

"প্রায় বিছ বছৰমান হৈছে। এইবোৰ হেড্‌মাষ্টৰ খগেন শর্মাই লগাই যোৱা গছ।"

"গছকেইজোপা থকাত স্কুলখনৰ সৌন্দর্য বৃদ্ধি হৈছে কিন্তু, মন কৰিছেনে?"— চিগাৰেটত দীঘল টান এটা দি ক'লোঁ।

"মানুহজন থকা হ'লে কিমান আনন্দ পালেহেঁতেন। তেখেতে লগাই থৈ গ'ল, ইয়াৰ ছাঁ লবলৈহে নাপালে। গছকেইজোপা দেখিলেই মনত পৰে খগেন শর্মালৈ, বুইছেনে?"

কথাখিনি কোৱাৰ লগে লগে বৰুৱাৰ মুখখন গধুৰ হৈ পৰিল। চিগাৰেটত টান এটা দি ক'লে, "হেৰি, চলিহা, চাহ একাপ খাওঁ দিয়ক। এই বাহাদুৰ, যাচোন

পঞ্জাব হোটেলৰ পৰা ভাল চাহ দুকাপ লৈ আন। টী-পট্ অফিচৰ পৰা লৈ যা। সোনকালে আহিবি, শুনিছ।"

জেপৰ পৰা টকা পাঁচটা উলিয়াই বাহাদুৰক দিলে আৰু এখন্তেক বহিৰলৈ কৈ বাহাদুৰৰ লগত অফিচৰ ভিতৰলৈকে সোমাই গ'ল।

মৃদু বতাহত পাতবোৰ কঁপি থকা ওক্ গছ কেইজোপালৈ আকৌ এবাৰ চাব ধৰিলোঁ।

মোৰ মনটোও অজানিতে কঁপি উঠিল। মনত পৰিল সংমল বৰুৱাই কোৱা কথাষাৰ। প্ৰধান শিক্ষক খগেন্দ্ৰ নাথ শৰ্মাৰ বিষয়ে বৰুৱাই এদিন বহুতো কথাই কৈছিল। লগতে কৈছিল আৰ্থিক অনাটনেৰে ভাগি পৰা পৰিয়ালটোৰ কথা।

এৰা, সংমল বৰুৱা, সোমনাথ দত্ত, প্ৰফুল্ল হাতীবৰুৱা — এই সকলৰ দৰেই খগেন শৰ্মাও আহিছিল সুদূৰ কামৰূপৰ পাঠশালাৰ পৰা। শিক্ষাৰ পোহৰ বিলাবলৈ আহি ইয়াতেই জীৱন শেষ কৰিলে। এই মাটিৰে সৈতে এজন শিক্ষকৰ দেহ মিলি গ'ল চিৰদিনলৈ। কিমান স্বপ্নই বা নাথাকে মানুহৰ! এই গছ কেইজোপাই বাৰু স্মৰণ কৰিবনে অকালতে হেৰাই যোৱা সেই শিক্ষকজনক?

"চলিহা, মন কৰিছেনে এই হাটৰবীয়া মানুহখিনিক?"

বৰুৱাৰ মাতত মোৰ ভাব জগতখন আঁতৰি গ'ল। চকীখনত আহি বহা বৰুৱালৈ চাই ক'লোঁ। "অ। অসমীয়া মানুহ নায়েই দেখোন।"

"আন্দোলন কৰি কি হ'ব? আমাৰ মানুহে জানো বাৰীৰ বেঙেনা জলকীয়া কেইটাকে বজাৰত বেচিবলৈ শিকিছে? হেৰি, এই বজাৰখনকে লৈ কিবা এটাকে লেখক না — এক্স্প'জ হোৱাকৈ।"

"এইবোৰ চিন্তা কৰিবলৈ আজৰিকে নাপাওঁ দেখোন। তাতে এই বিস্ফোৰণমুখী আন্দোলন।"— চাহ লৈ আহি থকা বাহাদুৰলৈ চাই ক'লোঁ।

"আমাৰ অসমীয়া মানুহৰ ধৈৰ্যৰ কথা আপুনি এবাৰ চিন্তা কৰি চাওকচোন। স্কুল, কলেজ এৰি ল'ৰাবোৰে শাক-পাচলিৰ বজাৰত বহি দগা-পাল্লা হাতত ল'লে। জোতা পলিছ্, ৰিক্সা চলোৱালৈকে আগবাঢ়ি গ'ল। কিন্তু এতিয়াচোন চেঁচা হ'ল। আগৰ সেই বেপাৰীবোৰেই আলু-মাছ বিক্ৰী নকৰিলে, লঙ্কাৰ মানুহখিনি চলাই টান। স্বাৱলম্বীতাৰ নমুনা দেখিলে। এতিয়া চাগে বেপাৰীইঁতে পেটে পেটে হাঁহিছে।"

বাহাদুৰে চাহ দুকাপ আনি হাতত দিলেহি। চাহ কাপত এশোহা মাৰি ক'লোঁ, "ময়ো তাকেই ভাবিছোঁ বৰুৱা, মোৰ কাষৰ ঘৰখনৰ সৰু ল'ৰাটোক আজি দেখি ভাবিছিলোঁ— উপাৰ্জনৰ পথ জানিলে, ৰেল-পথৰ শিলগুটিৰ মাজতো জীয়াই থকাৰ সম্বল আছে।"

"সেইটোৰেইতো কথা। আমাৰ আন্দোলনৰ নেতাসকলে বাৰু মুঢ়াঝাৰ, ওদালীলৈ আহিছেনে? মোৰ ঘৰত বিদেশী থাকিলেও আপুনি চিনি পাব কেনেকৈ? গাৰ ছালখনতেই, নে ভাষাতেই, পিন্ধন-উৰণতেই নে ধৰ্মতেই? মুঠতে নাগৰিকৰ দায়িত্বখিনি হৃদয়ৰ পৰা ল'ব নোৱাৰিলে, আইনৰ দ্বাৰা সম্ভৱ নহয়, বুইছে।"

"কিয় ভোটাৰ লিষ্ট্‌খন!"

"থওক হেৰি, শাক-পাচলি বেচাৰ নিচিনাই হ'ব। গাঁৱে-গাঁৱে, ঘৰে-ঘৰে কোনোবাই কষ্ট কৰিব? এইবোৰ বাণী কাকতিয়ে লেখাৰ দৰে ওৰণি লোৱা কথা কবিতা জাতৰ ৰাজনীতি, বুজিছে চলিহা।"

হাতীবৰুৱাৰ কথা শুনি মোৰ হাঁহি উঠিল। এনেতে দেখিলোঁ, থানাৰ চৌহদত পুলিচ, চি, আৰ, পিৰ ব্যস্ততা। জানোচা ক'ৰবাত কিবা অঘটন ঘটেই!

চাহ এশোহা মাৰি হাতৰ ঘড়ীলৈ চালোঁ, দহ বাজিবৰ হ'লেই। চিগাৰেট এডাল জ্বলাই বৰুৱাক ক'লোঁ, "বৰুৱা, পলম নকৰোঁ। ক্লাছো আছে। বজাৰলৈ যাব নেকি?"

"চলিহা, আপুনি আগবাঢ়ক, আপোনাৰ ক্লাছো আছে যেতিয়া। বহুদিন লগ পোৱা নাই বাবেই মাতিলোঁ। আহিবচোন, কথা পাতিম।"

"ভাল বাৰু। আহিছো দেই।"

মোনাটো লৈ পোনে পোনে মাছৰ বজাৰলৈকে খোজ ললোঁ।

মোৰ উপন্যাসখনত এটি দিশ আলোকপাত কৰিব পৰাকৈ সাপ্তাহিক বজাৰখন চাম বুলি ভাবিও চাবৰ মন নগ'ল। মোৰ চিনাকি মাছ-বেপাৰীৰ পৰা কুৰি মাছ এটা লৈ বিমলৰ লগত দুই এটা কথা পাতি মাছ বজাৰৰ পৰা আঁতৰি আহিলোঁ।

হঠাতে হোৱা শব্দটোৱে মোক কিংকৰ্তব্য বিমূঢ় কৰি পেলালে। মই জঠৰ হৈ পৰিলোঁ। বজাৰৰ মানুহখিনিৰ হুৱা-দুৱা লাগি গ'ল। ভয়ত মানুহবোৰে যেনিয়ে তেনিয়ে পলাবলৈ ধৰিলে। কোনে কি কৈছে, কাৰো মাত শুনিবৰ ধৈৰ্য নাই। পিছলৈ ঘূৰি চাই অবাক হৈ পৰিলোঁ।

হে ঈশ্বৰ! এনেও হ'ব পাৰেনে?

আৰু কেইচেকেণ্ডমান মোৰ পলম হোৱা হ'লে! কথাটো ভাবি মই কঁপিবলৈ ধৰিলোঁ। মই য'ত মাছ কিনিছিলোঁ, তাতেই সেই বিস্ফোৰণ। তেজেৰে লুতুৰি-পুতুৰি হৈ কেইজনমান মানুহ পৰি থকা দেখিলোঁ। কেইজনমানে বোমাৰ আঘাতত গগণ-ফলা চিঞৰ দিছে। এনেতে পুলিচ-মিলিটেৰীয়ে ঠাইখন আগুৰি ধৰিলেহি। আহত কেইজনক পুলিচ-ভানত তুলি চিকিৎসালয়লৈ লৈ গ'ল। পুলিচ ভানত উঠাওতে চকা-মকাকৈ দেখিলোঁ ৰাতিপুৱাই কয়লা বোটলা সেই সৰু ল'ৰা নৰেশক।

মোৰ মনটো জয় পৰি গ'ল— বেচেৰাটো বাচিবনে বাৰু? উৰুমি লাগি থকা মঙ্গলবৰীয়া বজাৰখন অকস্মাতে আতঙ্কগ্ৰস্ত হৈ পৰিল।

ষষ্ঠ অধ্যায়

এবা, এটা এটাকৈ গোটেই ঘটনাখিনি মোৰ মনত পৰিবলৈ ধৰিলে। হাতী বৰুৱাক স্কুলতে এৰি মাছৰ বজাৰলৈকে ওলাই গৈছিলোঁ। চিনাকি মাছ বেপাৰীজনে মোক দেখি কৈছিল, "বাবু, মাছ লওক। বোৱাল্ একটা দিম নাকি বাবু?"

"বৰালি নালাগে দিয়া। এই কুঢ়ি মাছ কিমান?"

"তিৰিছ টেকা। লওক বাবু। কিনা দৰত দিম।"— খিলি পাণ চোবাই চোবাই সি পাল্লাত কুঢ়ি মাছ কেইটামান তুলিছিল।

"হেৰা, ইমান মাছ কেতিয়াবা কিনা দেখিছা জানো? সেই ডাঙৰটোকে জোখা।" মই কৈছিলোঁ।

তমাল এডালত মাছটো গাঁথি মোৰ ফালে আগবঢ়াই কৈছিল, "চাবিশ গ্ৰাম থাকি বেছি আছে বাবু।"

"কিমান হ'ল?"

"দশ টেকা।"

জেপৰ পৰা দহটকীয়া নোট্‌খন উলিয়াই দিছিলোঁ। মাছটো মোনাত ভৰাওঁতে দেখিছিলোঁ বাতিপুৱাই কয়লা বোটলা নবেশক। ওলমাই লোৱা 'কাঁটা'ত চাহ আৰু পানীৰ গ্লাছ লৈ মাছ-বেপাৰীবোৰক বিলাই আছিল। হঠাতে মোক দেখা পাই লাজকুৰীয়া হাঁহি এটা মাৰিছিল। মাছ বজাৰৰ পৰা যাবলৈ ওলাওঁতে পিছফালৰ পৰা মাত দিছিল, "ছাৰ, মাছ ল'লেনেকি?"

উলটি চাই দেখিলোঁ বিমলক। হাতত এমোনা পাচলি।

"এ—, বিমল! কুঢ়ি মাছ এটাকে ল'লো দিয়া। তুমি একা?"

"আলহী সুধিব লাগে। এই বৰালিকে লিওঁ বুলি ভাবিছোঁ, ছাৰ।" সুন্দৰকৈ সজাই থোৱা বৰালিবোৰলৈ চাই বিমলে কৈছিল।

বেয়া নহয়। মাষত বৰালি নাখাই কেতিয়া খাবা। এতিয়া বৰালি সোৱাদ হৈছে। পকা বৰালিৰতো কথাই নাই। বাৰু, তুমি কিনাদেই।" লাহেকৈ মই মাছ-বজাৰৰ পৰা আঁতৰি আহিছিলোঁ।

আঁতৰি অহাৰ কেইচেকেণ্ডমানৰ পিছতেই সেই ভয়ানক বিস্ফোৰণটো ঘটিছিল। ঠাইতে ময়ো হতভম্ব হৈ পৰিছিলোঁ। মুহূৰ্ততে বজাৰখন যে কি হৈ পৰিছিল! নাই, সেইবোৰ কথা আৰু ভাবিব নোৱাৰি। কি মৰ্মান্তিক দৃশ্য! টুকুৰা-টুকুৰ হৈ ছিটিকি পৰা বিমল-জগদীশহঁতৰ দেহবোৰ, চেঙালুটি পাৰি থকা নৰেশহঁতৰ কাতৰ অনুনয়-বিনয়, সন্ত্ৰাস-বিস্ময় মিহলি হাটবৰীয়া মানুহখিনিৰ সকৰুণ চকুবোৰ, — কি যে শ্বাসৰুদ্ধ পৰিবেশ এটাৰ সৃষ্টি নহৈছিল!

আৰু কেই চেকেণ্ডমান কথা পাতি থকা হ'লে। নাই, নাই। এইবোৰ ভাগ্য আৰু দুৰ্ভাগ্যৰ এক অগ্নি-পৰীক্ষা। উস্, মোৰ এই দেহ! নাই, আৰু ভাবিব নোৱাৰি সেই কথা।

'ছাৰ, মোক বচাওক। দুষ্টু ণালিক্‌টাকে তুই মাৰিস্‌নি দীপা। আঃ।'— বুলি কৈ নৰেশৰ দুচকুৰে তপত অশ্ৰু নিগৰি আহিছিল, লঙ্কাৰ ৰাজ্যিক চিকিৎসালয়ত। নিগৰি অহা অশ্ৰুখিনি বৃদ্ধা মাতৃ গৰাকীয়ে মচি দিছিল তাইৰ বৈধব্য-মলিয়ন কাপোৰখনেৰে। কাষতে ভনীয়েক দীপাই বিষণ্ণ মনেৰে যন্ত্ৰণাকাতৰ ককায়েক নৰেশক চাই আছিল।

মাছ-বজাৰত মোক দেখি হঁহাৰ দৃশ্যটো মোৰ মনত এতিয়াও সজীৱ হৈ আছে। নৰেশে বাৰু আকৌ সেই নিষ্কলুষ হাঁহিটো মাৰিব পাৰিবনে?

বাৰুদৰ মাজত থাকিও মহাযুদ্ধৰ সময়ত লঙ্কাৰ মাটিত বিস্ফোৰণ নহ'ল। কিন্তু, দেশখন স্বাধীন হোৱাৰ ছয়ত্ৰিশ বছৰত লঙ্কাত বিস্ফোৰণ হ'ল— টাইম্ বোমা। তাকো মাছ বজাৰত ৰবালি মাছৰ পেটত। আমি ভাৰতীয় মানুহখিনি কেৱল যে আৰ্থিক দিশতেই দুখীয়া এনে নহয়, মনৰ উৎকৰ্ষ সাধনতো বিফল হৈছো বুলি বিশ্বৰ আগত আজি প্ৰকাশ কৰিলোঁ।

পিপল পুখুৰীৰ বিমল শইকীয়াৰ কথা ভাবি বেয়া লাগে। উঠি অহা ল'ৰা সি। ভোগালি বিহুত ঘৰখনক ভাত এসাজ খুৱাব নোৱাৰা বেজাৰ এটা হেনো বিমলে মনতে কঢ়িয়াই লৈ ফুৰিছিল। দুখীয়া হ'লে কি হ'ব, তাৰো আমাৰ দৰেই মন এটা আছিল।

বিমল শইকীয়াৰ লগতে কমল দাস, জগদীশ দাস আৰু ঠাকুৰ ড্ৰাইভাৰটোও মৃত্যুৰ মুখত পৰিল। এই মানুহকেইজনে বাৰু দেশখনলৈ কি সন্ত্ৰাস নমাই আনিলে, যাৰ বাবে সিহঁতক নিঃশেষ কৰিবলৈ টাইম্ বোমাৰ প্ৰয়োজন হৈছিল?

মানুহৰ প্ৰতি মানুহৰ বিশ্বাস এটা মুহূৰ্তত অৰ্থহীন হৈ পৰিল। মানুহৰ বিবেকৰ অধোগতিয়ে লঙ্কাৰ মানুহখিনিক হতবাক কৰি তুলিলে।

কূটাঘাতমূলক কাৰ্যৰ মানচিত্ৰত লঙ্কাৰ মাটিকো কলঙ্কিত কৰি পেলালে। যিসকলে এই কাৰ্য কৰিলে, সেইসকলৰ কিবা স্বাৰ্থ পূৰণ হ'লনে? কূটাঘাত কাৰ্যই বাৰু আমাৰ সমস্যা সমাধান কৰিব পাৰিবনে? কি যে অদ্ভুত চিন্তাধাৰা!

বি-টুৱেন্‌টি নাইন্ — এছ্ বিমানখনৰ পৰা পাইলট্ কৰ্ণেল্ প'ল টিবেট্‌ছে হিৰোছিমাৰ ওপৰত এটম্ বোমা নিক্ষেপ কৰোঁতেও এবাৰ অনুশোচনা কৰিছিল— 'হে ঈশ্বৰ! মই কি কৰি পেলালো!' বুলি।

বৰালিৰ পেটত টাইম্ বোমাটো ভৰাওঁতে, সেই মানুহজনে এবাৰমান ভাবিছিলনে বাৰু সেই বিমান-বাহিনীৰ লোকজনৰ দৰে? এবাৰো অনুশোচনা কৰিছিল নে— এই কূটাঘাত কাৰ্যই কাৰ ধ্বংস আনিব পাৰে?

একে দিনাখনেই চিতাগ্নি জ্বলি উঠিছিল— পূব লঙ্কাৰ পিপল পুখুৰীৰ শ্মশানত আৰু পছিম লঙ্কাৰ ছামবৰীয়া শ্মশানত।

দুয়োখন চিতাগ্নিৰ ৰূপ একেই।

বিমল শইকীয়া আৰু জগদীশ দাসৰ পৰিয়ালৰ শোকাশ্ৰুৰ মাজতো একো পাৰ্থক্য নাই।

শ্মশানৰ পৰা উভতি আহোঁতে স্থানীয় শিক্ষক জয়গোবিন্দ শইকীয়াই মোক সুধিছিল, "চলিহা, চিতা জুইৰ মাজতো জানো অসমীয়া আৰু বঙালীৰ পাৰ্থক্য আছে?"

মই একো উত্তৰ দিয়া নাছিলোঁ। সেমেকি উঠা শইকীয়াৰ চকু দুটা দেখি মোৰ মনটোও আৰু বেছি গধুৰ হৈ পৰিছিল। কেঁচা তেজৰ ৰৰণেৰে ডুব যাব ধৰা মঙলবৰীয়া সূৰুযটোলৈ চাই ভাবিছিলোঁ — এনে দিন যেন আৰু দেখিবলৈ নাপাওঁ।

সপ্তম অধ্যায়

ধনেশ্বৰক চাহ একাপ দিবলৈ কৈ বিছনাৰ আশ্ৰয় ললোঁ। পিচ্ কমিটিৰ কাৰণে ঘূৰি ঘূৰি আজিহে ভাগৰ অনুভৱ কৰিছোঁ। বিছনাত দীঘল দি মনত পেলালোঁ — বৰ্তমান হৈ যোৱা নিৰ্বাচনে লঙ্কাত সৃষ্টি কৰিব পৰা ভয়াবহ পৰিস্থিতি সম্পৰ্কে হোৱা বাক-বিতণ্ডা আৰু পিচ্ কমিটিয়ে গ্ৰহণ কৰা সিদ্ধান্তবোৰ।

লুইতৰ দুয়ো পাৰৰ মানুহখিনিৰ মাজত অবিশ্বাসৰ বীজ ঘনীভূত হ'ল। পথাৰৰ নৰাবোৰত কাচিৰ কেঁচা দাগ মাৰ নৌ যাওঁতেই, কৃষকৰ দেহবোৰ শগুণ আৰু শিয়ালে জুতি ল'ব পৰা কৰি পেলালে। আমাৰ দেশৰ ভাগ্য এইটোৱেইনে? ভাৰতৰ সংসদীয় ইতিহাসত অবিস্মৰণীয় দলিল হৈ নৰ'লনে — নিজৰ মানুহে নিজৰ মানুহক নুবুজাৰ চৰম পৰিণতি যে কি ভয়াবহ হ'ব পাৰে?

অনাথ মানৱ সন্তানৰ কাৰণে চৰকাৰৰ বিবেকে সাৰ পালে এতিয়াহে। দেশৰ এই পৰিণাম নোহোৱা হ'লে, আজি লঙ্কাত শৰণাৰ্থী শিবিৰৰ প্ৰয়োজন নহ'লহেতেন। শিবিৰত আশ্ৰয় লোৱা মানুহখিনিৰ বিপৰ্যয় দেখিলে, বিবেকশীল ব্যক্তি মাত্ৰেই হাত সাৱটি বহি থাকিব পাৰিবনে?

লঙ্কাৰ জনগোষ্ঠীৰ গাঁথনি বৰ বিচিত্ৰ ধৰণৰ। এনে বৈচিত্ৰ্যধৰ্মী গাঁথনিৰ বাবেই লঙ্কাৰ মাটিয়ে গঢ় লৈছে অনন্য ৰূপত। স্বাৰ্থান্বেষী লোকে এই জন-গাঁথনিৰ সুযোগ গ্ৰহণ কৰি যি কোনো মুহূৰ্ততে নেলী আৰু গহপুৰৰ দৰে মানৱ ট্ৰেজেদি ইয়াতো ঘটাব পাৰে।

পৰশুৰাম বালিকা উচ্চ বিদ্যালয়ৰ সভা-কক্ষত গোট খোৱা মানুহকেইজনলৈ মনত পেলালোঁ। মই নিমন্ত্ৰণ কৰা মানুহকেইজন প্ৰায়েই আহিছে: হাজী বায়বালী চৌধুৰী, চৰ্দাৰ মহন সিং, সুৰেন্দ্ৰ মোহন পাল, মৌজাদাৰ চন্দ্ৰ বৰ্মন, নেপালী সম্প্ৰদায়ৰ হোম বাহাদুৰ চেত্ৰী, মণিপুৰী জনগোষ্ঠীৰ বাইদেউ সৰোজিনী দেৱী; এইসকলৰ বাহিৰেও শিক্ষানুষ্ঠানৰ মুৰব্বীসকল, স্থানীয় ডাক্তৰসকল। লঙ্কাৰ আঞ্চলিক ছাত্ৰসন্থা, গণ-সংগ্ৰাম পৰিষদ, সাহিত্য-সংস্কৃতিৰ বিভিন্ন গোটবোৰেও নিমন্ত্ৰণ ৰক্ষা কৰিছেহি।

সভাখন শান্তিপূৰ্ণভাৱে অনুষ্ঠিত হোৱাত কিছু সুস্থিৰ নিশ্বাস ল'ব পাৰিছোঁ। অনুষ্ঠান এটা গঢ়িবলৈ যিমান টান, ভাঙিবলৈ কিন্তু অতি সহজ। অসমৰ অন্যান্য অঞ্চলত যিয়েই নঘটক, লঙ্কাত অন্ততঃ এনে মানৱ হত্যাৰ কলঙ্ক অনাটো অতি অন্যায় কাৰ্য হ'ব। এই দিশটোৰ প্ৰতি আলোকপাত কৰি চন্দ্ৰধ্বজ গোস্বামীয়ে দিয়া ভাষণখিনি তাৎপৰ্যপূৰ্ণ হৈছে। ফিৰিঙতিৰ পৰাইতো খাণ্ডৱদাহ হয়! আগতীয়াকৈ সাৱধান হ'ব পৰাত, লঙ্কাৰ ৰাইজৰ প্ৰতি সঁচাকৈয়ে ধন্য মানিছোঁ।

"ছাৰ, চাহ দিছোঁ।"

"অঁ। টেবুলৰ ওপৰত থৈ দে।"

চাহ কাপ থৈয়েই ধনেশ্বৰে ভিতৰলৈ খোজ ল'লে। শোৱাৰ পৰা উঠি বিছনাখনতে বহিলোঁ। চাহ কাপ হাতত লৈ মাত দিলোঁ। মোৰ সন্মুখত থিয় দি অবাক হৈ সি মোলৈ চাই ৰ'ল।

"বজাৰ কৰিলি?"

"হয় ছাৰ। মাছ নাপালোঁ।

"কিয়? মাগুৰ মাছো নাইনে?"

"আছিল ছাৰ, সৰু সৰু।"

"নানিলি কিয়?"

"কেজিত পঞ্চাছ টকা। আপুনি খং কৰে বুলি.....।"

"ভালেই কৰিলি। চিগাৰেট আনিছ?"

"ছাৰ!" — ভয়ে ভয়ে মোৰ মুখলৈ চাই তলমূৰ কৰি ৰ'ল।

"এই সাধাৰণ কথাও তোৰ মনত নাথাকেনে? পইছা কিমান ঘূৰাইছ?"

জেপৰ পৰা পইছাখিনি উলিয়াই মোৰ হাতত দিলে। দুটকীয়া আৰু পাঁচটকীয়া নোটৰ লগত ডাঠ কাগজ এডোখৰ। কাগজ ডোখৰ দেখি তাক সুধিলোঁ, "হেৰৌ, এইডোখৰ কি?"

"চিলিপ্ ছাৰ। খুচুৰা পইছা নাই হেনো।"

কাগজ ডোখৰ ভালদৰে চালোঁ। পঞ্চাছ পইচা বুলি সংখ্যাৰে লেখি তলত দোকানীজনে চহী কৰিছে। চাহত শোহা মাৰি ভাবিলোঁ, লঙ্কাৰ দোকানীবোৰেই এতিয়া ৰীজাৰ্ভ বেঙ্কৰ গৱৰ্ণৰ হ'ল।

"যা বাৰু। এই টকা পাঁচটা লৈ যা। চিগাৰেট এপেকেট আৰু দিয়াচলাই এটা এতিয়াই কিনি আনগৈ। আৰু এই কাগজডোখৰ ল'। তোৰ হাতত থ। কালিলৈকে সলাই আনিবিগৈ।"

টকা পাঁচটা হাতত লৈ ওলাই গৈ আকৌ ঘূৰি আহি মোক সুধিলেহি, "ছাৰ, কি চিগাৰেট আনিম?।"

"তোৰ মূৰত কি আছে? এই দুবছৰে মই কি চিগাৰেট খাওঁ, তই নাজান? বিল্‌ছ্‌। শুনিছ? সোনকালে আহিবি।"

কি অজমূৰ্খ এটাক লগত ললোঁ! সকলো কথাকে বুজাই দিব লাগে। অলপো ভাবি-চিন্তি নাচায়।

চাহ কাপ খাই চিগাৰেট জ্বলাই ললোঁ। উস্! এতিয়াহে অৱসাদৰ ভাববোৰ আঁতৰিছে।

বিছনাখনতে বাগৰ দি দুই মাৰ্চৰ 'দৈনিক অসম' কাকতখন মেলি ললোঁ। ব'ল্ড্ লেটাৰেৰে লেখা হেড্‌লাইন্ পঢ়ি বিচুৰ্তি খোৱাদি খালোঁঃ

নগাওঁ জিলাত পুনৰ সংঘৰ্ষ। কমেও দুজন নিহত, এখন গাওঁ জুইত জাহ গ'ল। নগাওঁ জিলা লাওপানী আৰু কচুবা অঞ্চলৰ ভালেমান গাঁৱত নতুনকৈ সংঘৰ্ষ লগাৰ বাতৰি পোৱা গৈছে। কামপুৰৰ কাষৰ লাওপানী কচুবা অঞ্চলত আজি পুৱা এজন আক্ৰমণকাৰীয়ে কৰা অগ্নি-সংযোগৰ ফলত এশটাৰো অধিক ঘৰ ধ্বংসস্তুপলৈ ৰূপান্তৰিত হৈছে।....

কি হৈ গ'ল! সহজ-সৰল অসমৰ মানুহখিনি! ভ্ৰাতৃত্বৰ প্ৰেমেৰে যি সকলৰ হৃদয় চিৰকাল উদ্ভাসিত, যি সকলৰ চোতালত ধৰ্ম, ভাষা, জাতিৰ বিভেদসমূহ আঁতৰাই মানুহৰ মন বিনিময় সম্ভৱ, সেই মানুহখিনিয়ে আজি দিনদুপৰতেই জুই দিব পৰা হ'ল!

দুৰ্ভাগ্য, জাতিটোৰেই দুৰ্ভাগ্য।

দুৰ্ভাগ্য নহয়নো কি?

নহলেনো 'অসমৰ পৰিস্থিতি অতি হৃদয় বিদাৰক' বুলি ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে সংসদত নিজৰ মনৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি 'শান্তি সামূহিক চিন্তা আৰু পুনৰ মিলনৰ এয়ে সময়' বুলি ভাৰতীয় গণতন্ত্ৰৰ মৌলিক আদৰ্শক স্মৰণ কৰিবনে?

মানুহৰ আটাইতকৈ ডাঙৰ শংক্ৰ হ'ল মানুহ।

হিৰোছিমা ধ্বংস কৰা এটম বোমাতকৈয়ো মানুহৰ অন্তৰ যে ভয়াবহ, মই আগেয়ে জনা নাছিলোঁ।

বিশ্বৰ অত্যাধুনিক সমৰ-অস্ত্ৰতকৈ মানুহৰ অন্তৰত সুপ্ত হৈ থকা অস্ত্ৰপাত হাজাৰ গুণে ভয়াবহ বুলি মোৰ প্ৰত্যয় জন্মিছে।

অসমৰ মাটিত এনে মহা শক্তিৰেই বিস্ফোৰণ ঘটিব ধৰিছে। এই বিস্ফোৰণে হাজাৰ বছৰীয়া অসমীয়া সংস্কৃতিৰ ভেটি হয়তো জোঁকাৰি পেলাবও পাৰে।

এৰা! পঁয়ত্ৰিছ বছৰৰ আগতে এৰি অহা অসম দেশখনলৈ টেইমছ্ নৈৰ পাৰ দুটাৰ মানুহখিনিয়ে বাৰু উভতি চোৱা নাইনে? লুইতৰ পাৰ দুটা জানো জ্যোতি প্ৰসাদ বিষ্ণুৰাভাৰ দেশ নহয়? তেনেহ'লে ইয়াত জুই কিহৰ?

নামঘৰ, মচ্‌জিদ, গির্জা, মঠ-মন্দিৰবোৰ মানৱ অন্তৰৰ একো একোটা প্ৰহসনৰ প্ৰতীক নেকি?

হাজাৰ হাজাৰ বছৰ ধৰি ধৰ্মই আমাক উত্তৰণৰ পথত আগবঢ়াত অলপো সহায় নকৰিলে। অন্তৰৰ অসুৰ শক্তিক ধৰ্মৰ পূত-মন্ত্ৰয়ো পৱিত্ৰ কৰিব নোৱাৰিলে। মানৱ ট্ৰেজেদিৰ এই বাস্তৱ ৰূপ দেখা পায়েই সম্ভৱ যীচুখ্ৰীষ্টই 'লাষ্ট ছাপাৰ'ৰ সময়ত কৈছিল, "আমেন্, আই ছে টু ইউ ডেট্ ওৱান্ অব ইউ ইজ্ এবাউট্ টু বিট্ৰে মি।"

অসমৰ এই ভ্ৰাতৃ-হত্যাৰ বাতৰিবোৰে বাৰু পৃথিৱীৰ ঈশ্বৰ-পুৰুষসকলক অৰ্থশূণ্য এক ঐতিহাসিক ফচিললৈ ৰূপান্তৰিত কৰা নাই জানো?

বাতৰি কাকতখনৰ ওপৰত আকৌ চকু ফুৰালোঁ। অন্য এটা শিতানে মোৰ মন ভয়াৰ্ত কৰি তুলিলে— 'অৰুণাচলত চাক্‌মা ভগনীয়াৰ ঘৰবোৰত অগ্নি সংযোগ।'

ইটা নগৰৰ পৰা প্ৰকাশিত বাতৰিটো পঢ়ি গ'লোঁ— "এগৰাকী বিৰোধী নেতাই তাৰ স্থানীয় বাইজে জ্বলাই দিয়া চাক্‌মাৰ এশ যাঠিখন ঘৰৰ ধ্বংসস্তূপ পৰিদৰ্শন কৰি উদ্বেগ প্ৰকাশ কৰিছে— অসমৰ পৰা ভালে সংখ্যক লোক অৰুণাচললৈ প্ৰব্ৰজন কৰাৰ বাবে।"

কাকতখন একাষত থৈ দিলোঁ। বুকুৰ ক'ৰবাত যেন হঠাতে বিষ অনুভৱ কৰিলোঁ। চিগাৰেটৰ ধোঁৱাখিনি লাহেকৈ এৰি দি ভাবিলোঁ — মানুহৰ শান্তি ক'ত? অৰুণাচল আৰু অসম, দুয়োখন বিদেশী ৰাষ্ট্ৰনেকি? কি আচৰিত বিচাৰ।

নৃতাত্বিক আৰু ভাষাতাত্বিক দিশত আৰু অৰুণাচলৰ জনসাধাৰণ আৰু চাক্‌মা জন-জাতিৰ মাজত পাৰ্থক্য বিশেষ দেখোন নাই। একে মঙ্গোলীয় মহাজাতিৰেই প্ৰজাতি।

তেনেহ'লে এই উদ্বেগৰ কাৰণ ক'ত?

মানুহে মানুহৰ দেশত বাস কৰিব নোৱাৰে, প্ৰব্ৰজন হ'ব নোৱাৰে। মানুহবোৰতো জড় পদাৰ্থ নহয়।

কুম্‌জেলুকাৰো গতি আছে।

মানুহৰ নাথাকিব কিয়?

পেটৰ ক্ষুধা আৰু নিৰাপত্তাৰ বাবেইতো পশু-পক্ষীৰ দৰে, মানুহৰো এই প্ৰব্ৰজন, এই দুৰ্বাৰ গতি!

গুৱাহাটীৰ ফুট্‌পাথত বাগৰি ভিক্ষা বিচৰা মানুহটোৰো জানো মানৱ প্ৰব্ৰজনৰ স্বাভাৱিক ৰূপ নহয়?

ধনেশ্বৰে চিগাৰেটৰ পেকেট আৰু দিয়াচলাইৰ বাহটো সহ খুচুৰা পইছাখিনি টেবুলতে থৈ পাকঘৰৰ ফালে গ'ল। যাওঁতে কাপ-প্লেটবোৰ লৈ যোৱাও গম পালোঁ। কিন্তু কি চিগাৰেট আনিলে, চকু মেলি চাবৰ মন নোযোৱা হ'ল। মানুহৰ মাজত লুকাই থকা এই ভয়ানক ৰূপটোৱে মোৰ ইচ্ছা-শক্তিক পঙ্গু কৰি পেলালে।

পাকঘৰৰ কুৰুং কাৰাং শব্দবোৰ শুনিলোঁ। এৰা, মোৰ অকলশৰীয়া জীৱনত ধনেশ্বৰক নোপোৱা হ'লে, মোৰ কলেজৰ চিন্তা, সাহিত্যৰ চিন্তা, সমাজৰ চিন্তা তেনেই তল পৰিলহেঁতেন। বেচেৰাটোক তেতিয়া এনেয়ে ধমক দিলোঁ!

পিছৰ কমিটিৰ কথাখিনি আকৌ ভাবিলোঁ।

অসমৰ গাওঁবোৰ চাৰিওফালে যিদৰে জ্বলিছে, ইয়াতো নজ্বলিব কোনো মানে নাই। বাহিৰৰ উত্তেজনাই এই কামত ইন্ধন যোগাইছেনেকি?

বলবীৰ সিঙে উচিত কথাকে কৈছে।

পঞ্জাবৰ পৰা আহি যদি পঞ্জাবীসকলে অসমীয়া মানুহৰ লগত মিলিব পাৰে, ভাষা-সংস্কৃতিক গ্ৰহণ কৰিব পাৰে, অসমৰ বঙালীসকলে নোৱাৰে কিয়?

চৰ্দাৰ বলবীৰ সিঙৰ যুক্তিখিনি অৱশ্যে উলাই কৰিব পৰা বিধৰ নাছিল। তেখেতে ঠিকেই কৈছিল, "কলিকতাৰ কাকতকেইখনে অসমীয়া আৰু বঙালীৰ কাজিয়াক লৈ উত্তেজনা বঢ়োৱা নাইনে? মুখ্যমন্ত্ৰী বসুৱে মাজতে মাত মাতিব লাগে কিয়? ইয়াত জানো চৰকাৰ নাই? পাল বাবুৱে বাৰু এবাৰ দকৈ ভাবকচোন।

মুঠতে সাম্প্ৰদায়িক বীজ সিঁচি শোষণৰ পথ চিৰস্থায়ী কৰা। এইটো হ'ল— কলিকতাৰ এদল স্বাৰ্থান্বেষী মানুহৰ প'লিছি।"

বলবীৰ সিঙৰ কথাখিনিয়ে সুৰেন্দ্ৰ পালক কিছু শ'লঠেকত পেলোৱা যেন হৈছিল। চৰ্দাৰ মহল সিঙে মাজতে উঠি আলোচনাৰ সুৰ সলনি নকৰা হ'লে ঘটনাই অন্য ৰূপ ল'লেহেঁতেন।

পাল বাবুৰ কথাখিনিও বেছ যুক্তিপূৰ্ণই আছিল।

"কেৱল ভাষা, ভাষা, ভাষা। ভাষাই কি মানুহৰ পেট ভৰাব? আপোনালোকে বঙালীক দোষ দিলে কি হ'ব? কেইবছৰমান পিছত দেখিব ইয়াৰ ট্ৰাইবেলসকলেও নিজৰ ভাষাৰ স্কুল লাগে বুলি আন্দোলন কৰিব। তেতিয়া আপোনালোকে কাক দোষ দিব? চৰকাৰেই এইবোৰ সমস্যা সৃষ্টি কৰিছে। ভাষাৰ দৰে সাম্প্ৰদায়িক সমস্যাও চৰকাৰেই সূত্ৰপাত কৰিছে। প্ৰত্যেক প্ৰদেশতে শিক্ষাৰ বাবে এক ভাষাক বাধ্য কৰকচোন। আমাৰ ল'ৰা-ছোৱালী অসমীয়া স্কুলতেই পঢ়ি আছে। শিক্ষা গ্ৰহণত একো অসুবিধা পোৱা নাই। বঙলা ভাষাটো বৰং বেছি মিষ্টিহে হৈছে। কাছাৰৰ কথা, কেল্‌কাতাৰ কথা বাদ দিয়ক, আমাৰ লক্ষ্য শান্তিতে থাকিব লাগে।"

সুৰেন্দ্ৰপালৰ কথাখিনিয়ে মোৰ বিবেককো আঘাত কৰিছিল।

নিজৰ ভাষা-সাহিত্য-সংস্কৃতিৰ বিকাশ ঘটাবলৈ ভাৰতৰ সংবিধানেই অধিকাৰ দিছে। মাতৃ ভাষাৰেই শিক্ষা ল'বলৈ ভাৰতীয় নাগৰিকক অধিকাৰ দিছে। থ্ৰি লেঙ্গুৱেজ্ ফৰ্মুলা উলিয়াইছে। তেনেহ'লে আমাৰ চৰকাৰৰ দোষেই বা ক'ত?

বিছনাৰ পৰা উঠি পিছ্ কমিটিৰ প্ৰস্তাৱবোৰ লেখিবলৈ ঠিক কৰিলোঁ। ঘড়ীলৈ চালোঁ, ৰাতি সাত বাজি গ'লেই।

কালিলৈ সময় নাই।

ৰাতিপুৱাই 'মুষ্টি ভিক্ষা' অভিযান আৰম্ভ কৰিবগৈ লাগিব। ৰাতিৰ ভিতৰতে নিলিখিলে, সময় ক'ত।

ছেঃ! কি নলগা জেওত লাগিলোঁ?

মাৰ্চ মাহ সোমালেই। উপন্যাসখন লেখাৰ কাম শেষ কৰিম কেতিয়া? মোৰ প্ৰতিশ্ৰুতি এইবাৰো নৰক্ষিব যেন পাইছোঁ। প্ৰেছে কি ভাবিব বাৰু?

পিছ্ কমিটিৰ প্ৰস্তাৱবোৰত চকু ফুৰাই কাৰ্যসূচী ঠিক কৰিবলৈ ধৰোঁতে লাইট্ অফ্ হৈ গ'ল। কি মক্কিল!

"ধনেশ্বৰ!"

"ছাৰ!"

"হেৰৌ, মম এডাল লৈ আন।"

ঘোপমৰা এন্ধাৰত জঠৰ লগা দি বহি ৰ'লোঁ। হঠাতে লাইট্ যোৱালৈ চাই লেম্ জ্বলাই ৰখাই ভাল আছিল।

"ক'তা?"

"লওক ছাৰ।" আন্ধাৰতে সি মম্ডাল আগবঢ়াই দিলেহি।

"জ্বলাই আনিব নোৱাৰিলি।" দিয়াচলাই জ্বলাই, তাক ধমক দিলোঁ।

দিয়াচলাই জ্বলোৱাৰ লগে লগে লাইট্ জ্বলি উঠিল। "যা। কাঠি এডাল এনেয়ে গ'ল।"

"হেৰৌ কি বনাইছ?"

"দাইল আৰু ভাজি।"

"হ'ব। বিলাহীৰ চাট্নি কৰিবি, বুজিছ?"

"ভাল ছাৰ।"

লঙ্কাৰ পটভূমিৰ ওপৰত দৃষ্টি ৰাখি সাম্প্রদায়িক ঐক্য আৰু সংহতি প্রকাশ কৰাকৈ বিভিন্ন জন-গোষ্ঠীৰ নৃত্য-গীতৰ সমাৱেশ অতি প্রয়োজন। দুয়ো দিনৰ কার্যসূচীৰে প্রথম দিনাখন লঙ্কাৰ বয়োবৃদ্ধ লোকলৈ সম্বর্দ্ধনা সভা। দ্বিতীয় দিনাখন লোক-নৃত্য আৰু লোকগীতৰ সমাৰোহ। নৃত্য-গীতৰ তালিকাখন চালোঁ। ঠিকেই আছেঃ

কান্দুৰা গাঁৱৰ কাৰ্বি নৃত্য, দ-গাওঁ-আলিছিঙা ডিমাছা গাঁৱৰ ডিমাছা-নৃত্য, কাঁকী লালুং গাঁৱৰ টিৱা নৃত্য, হাবাইপুৰৰ নেপালী-নৃত্য, বালুহুন্দৰৰ মণিপুৰী ৰাসনৃত্য, পাঞ্চালী অসমীয়া গাঁৱৰ সূত্রধাৰী নৃত্য, লঙ্কা সিং গাঁৱৰ পাঞ্জাবী নৃত্য, পাণ্ডা বস্তিৰ ঝুমুৰ নৃত্য আৰু শেষত অসমৰ বিহু নৃত্য।

সমন্বয় মঞ্চখন প্রতিফলিত কৰিব পৰাকৈ ভালুকমাৰীৰ শিল্পী শুভেন্দু শেখৰ মালাকাৰৰ হতুৱাই এখন দৃশ্যপট আঁকাৰ ব্যৱস্থাও কৰিব লাগিব। মালাকাৰক সোনকালে লগ নধৰিলে সময়ত দৃশ্য পট হৈ উঠা টান হ'ব।

আঁচনিখন ড্রাফ্‌ট কৰি ভাবিলোঁ, এই বৈচিত্র্যময় সাংস্কৃতিক সন্ধিয়াক সাফল্যমণ্ডিত কৰি তুলিবলৈ ডঃ ভূপেন হাজৰিকাক মুখ্য অতিথিৰূপে আমন্ত্রণ

জনাব পৰাহেঁতেন! অন্ততঃ এই সুযোগতে মোৰ জীৱনৰ সুদীৰ্ঘ স্বপ্নক সাৰ্থক কৰিব পাৰিলোঁহেঁতেন।

এতিয়া সমস্যা হ'ল— ডঃ হাজৰিকাৰ ঠিকনা। 'ঠিকনাবিহীন' এই শিল্পী গৰাকীৰ খবৰ পাম কেনেকৈ?

অ'—, এটা কাম কৰিব লাগিব। বিষ্ণু জ্যোতি সাংস্কৃতিক গোষ্ঠীৰ সম্পাদক মজিবুৰ ৰহমানক লগ ধৰি ডঃ হাজৰিকাৰ ঠিকনা ল'ব লাগিব। এৰা, মজিবুৰক ভাল লাগে। লঙ্কাৰ সাংস্কৃতিক জীৱনক প্ৰোজ্জ্বল কৰি তোলাত ৰহমানে কমখিনি কষ্ট কৰা নাই।

পেকেটৰ পৰা চিগাৰেট এডাল উলিয়াই জ্বলাবলৈ ধৰোঁতে ধনেশ্বৰে ভাতৰ খবৰ দিলেহি। চিগাৰেটডাল পেকেটত ভৰাই লেখা কাগজ-পত্ৰ কেইখিলা সামৰি থলোঁ। ঘড়ীলৈ চালোঁ, নিশা ন বাজিবৰ হ'ল।

অষ্টম অধ্যায়

পৰিস্থিতিয়ে মোক নতুনকৈ ভাবিবলৈ বাধ্য কৰালে। অন্যান্য অধ্যাপক সকলতকৈ কলেজখনত মোৰ স্থিতি অধিক স্পৰ্শকাতৰ। স্পৰ্শকাতৰ এই বাবেই — মোৰ মাতৃভাষা অসমীয়া। পঢ়ুৱাওঁ অসমীয়া সাহিত্য। হওক-নহওক, কিবা কিবি লেখোঁ। লঙ্কাবাসীৰ দৃষ্টিত মই এজন সাহিত্যিকো। বিদেশী বহিষ্কাৰ আন্দোলনৰ সভা-সমিতিবোৰতো মই আগভাগ লওঁ।

এৰা।

নিজৰ দেশৰ প্ৰতি, জাতিৰ প্ৰতি, ভাষা-সাহিত্যৰ প্ৰতি আবেগিক দুৰ্বলতা কিছু থকাটো স্বাভাবিক কথা। এনে মানসিক দুৰ্বলতাৰ পৰা কম মানুহেহে নিজকে আঁতৰাই ৰাখিব পাৰে। মোৰো সেইটোৱেই ঘটিছে।

বিদেশী নাগৰিকৰ সমস্যা— অসমৰ এক জ্বলন্ত সমস্যা। মানুহৰ সমস্যাক মানুহেই সমাধান কৰিব লাগিব।

আমি যদি নিগ্ৰোসকলৰ, ভিয়েটনামীসকলৰ অশ্ৰু দেখি অশ্ৰুখিনি টুকিব পাৰোঁ, তেনেহ'লে একেখন সাগৰৰ জল-বিন্দুৰে পৰিপুষ্টি লভা মানুহখিনিৰ বাবেও নিশ্চয় চিন্তা কৰিব পাৰোঁ। সেই চিন্তা, সেই কাৰ্য গণতান্ত্ৰিকভাৱেই সম্পাদন কৰিব লাগে।

অসমৰ ছাত্ৰসকলৰ এই আদৰ্শ আছিল বাবেই ইমানদিনে ছাত্ৰসন্থাৰ আহ্বানক সহাঁৰি জনাই আহিছিলোঁ, এজন নাগৰিকৰ পালনীয় কৰ্তব্য ভাবি।

কিন্তু, আজি হিংসা, ঘৃণা, বিদ্বেষৰ মাজত মোৰ স্থিতিয়ে ঠিয় দিবলৈ বাধ্য কৰাইছে। লঙ্কাই যেন মোক প্ৰশ্ন কৰিছে— ক'ত তোমাৰ সংহতি, ক'ত তোমাৰ সম্প্ৰীতি? ৰাজহুৱা সভাত দিয়া সাৰগৰ্ভ বক্তৃতাৰ মূল্য আজি ক'ত?

এৰা, ৰাজনীতিৰ অক্টোপাচে ছাত্ৰসকলক মেৰিয়াই ধৰিবহি বুলি মই কাহানিও ভবা নাছিলোঁ। মোৰ দৃষ্টিত ছাত্ৰ, ছাত্ৰই। ছাত্ৰৰ মাজত জাতি নাই, ধৰ্ম নাই, ভাষা নাই, দেশৰ সীমাৰেখাও নাই। ছাত্ৰ হ'ল বিশ্বৰ মুক্ত নাগৰিক। আকাশৰ দৰেই মুক্ত আৰু সীমাহীন বিস্তৃতি ইয়াৰ অৱয়ব। কিন্তু, একেটা মুঠিতে থকা ছাত্ৰসকল দেখোন

থান-বান্ হ'বলৈ ধৰিছে। নিৰ্বাচনৰ ধুমুহাই বিয়পাই যোৱা বিষাক্ত বীজৰেই এইবোৰ ৰক্তবীজ নেকি?

জীৱন-দৰ্শনৰ গভীৰ অনুশীলন আৰু বিশ্লেষণ আমাৰ ভাৰতীয় জীৱনৰ ওপৰত সংঘটিত হৈছিল। গণতন্ত্ৰই আমাৰ জীৱনৰ ওপৰত অমৃত বৰষিব বুলি ৰাজনীতিৰ দাৰ্শনিকসকলে সপোন দেখিছিল। আমাৰ সুদীৰ্ঘ কালৰ ইতিহাসৰ সত্যৰ আলোকেৰে আলোকিত হোৱা এইয়া ধ্ৰুৱ-তৰা।

কিন্তু, ই কি!

ইয়াতো দেখোন পুতনা ৰাক্ষসীৰ এক অদৃশ্য স্থিতি! মেজ'ৰিটি আৰু মাইন'ৰিটিৰি বিকৃত ৰূপে গণতন্ত্ৰৰ সত্ত্বাক বিষাক্ত কৰি তুলিলে। 'আছু' আৰু 'আম্ছু'ৰে অসমৰ ছাত্ৰদল বিভক্ত। আৰু বা কিমান দলৰ সৃষ্টি যে নহ'ব, তাক কোনে ক'ব পাৰে।

লঙ্কাৰ ছাত্ৰসকলৰ মাজতো ইয়াৰ বিষাক্ত প্ৰভাৱে ছাটি ধৰিলেহি। একেখন কলেজৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আজি সংশয় উপস্থিত হ'ল। নতুনকৈ পতা কলেজ এখনত এনে বিভাজনে ইয়াৰ শৈক্ষিক পৰিবেশ নষ্ট কৰিব পৰাটো একো আচৰিত কথা নহয়। কলেজৰ অধ্যক্ষই ষ্টাফ্-মিটিং পাতি প্ৰসংগটো শিক্ষকসকলৰ দৃষ্টিলৈ অনাটো সময়োচিত হৈছে।

ছাত্ৰসকলে আজি শ্ৰেণী বৰ্জনৰ আহ্বান জনাইছে। প্ৰথম ঘণ্টাতেই মোৰ ক্লাছ। ঘড়ীলৈ চালোঁ— নটা বিশ।

চিগাৰেট এডাল জ্বলাই ওলাই গ'লোঁ— দোদুল্যমান মানসিক যন্ত্ৰণাৰে। কলেজৰ অধ্যক্ষৰ পৰা গৱৰ্ণিং-ব'ডীৰ মেম্বাৰলৈকে মোৰ ওপৰত আজি শেন-চকু। আজি যেন মই লঙ্কাৰ মাটিত অন্য এটা অগ্নি-পৰীক্ষাৰ সন্মুখীন হৈছোঁ!

চাইকেলখনৰ পৰা নামি চাই পঠিয়ালোঁ — ৰংমলা পুখুৰীৰ পাৰত থকা আমাৰ কলেজখনলৈ। ৰাস্তাৰ কাষৰ জেওৰাৰ দুয়োকাষে আঁৰি থোৱা আছে শ্লোগানৰ বিভিন্ন পোষ্টাৰ্‌বোৰ। পোষ্টাৰত লেখা কথাখিনি পঢ়িলোঁ— 'শিক্ষকসকল, শ্ৰেণী বৰ্জন কৰক। অসমত বদনৰ স্থান নাই।' আৰু দেখিলোঁ, ডাঙৰ ডাঙৰ আখৰেৰে লেখা আছে. 'ইন্দিৰা চৰকাৰ ধ্বংস হওক।' জেওৰাৰ মাজত থকা লঙ্কা মহাবিদ্যালয়ৰ চাইন্‌বোৰ্ডখনত ৰঙা চিয়াহীৰে লেখা কাগজখিলা ওলমি আছে। কাগজখিলাত কি লেখিছে পঢ়ি চাবৰ মন নগ'ল।

চাইকেলখন ঠেলি ঠেলি কলেজৰ চৌহদলৈ আগুবাই গ'লোঁ। ল'ৰা কিছুমানে আলেঙে আলেঙে মোলৈ চাই থকা দেখিলোঁ। ভাবিছিলোঁ, ল'ৰাইতে মোক যাবলৈ বাৰণ কৰিব। কিন্তু নাই, কোনো এজন ছাত্ৰয়ো মোক এষাৰ মাতে সম্ভাষিলে।

বিভিন্ন শ্লোগানেৰে কলেজ কম্পাউণ্ডৰ তেঁতেলি জোপাত পোষ্টাৰবোৰ লগোৱা আছে। পঢ়াৰ আৱশ্যক বোধ নকৰিলোঁ। বাৰাণ্ডাখনতে চাইকেলখন আঁওজাই টীছাৰ্‌ছ কমন্ ৰুমলৈ লাহেকৈ সোমাই গ'লোঁ। ৰুমালখনেৰে মুখৰ ঘামখিনি মচি ললোঁ। বহি থকা অধ্যাপক ৰয় চৌধুৰীৰ মুখলৈ চালোঁ। মুখখন গোমোঠা। হাঁহি নাই। আনকি 'মৰ্নিং মিষ্টাৰ চলিহা' বুলিও আজি সম্ভাষণ নজনালে।

কি হ'ল মানুহজনৰ?

কোনোবা ৰোমাণ্টিক কবিৰ কবিতাকে ৰোমন্থন কৰিছে নে মোৰ দৰেই তেখেতেও বিবেকৰ দংশনত হতবাক হ'ব লগাত পৰিছে? সন্মুখৰ খিৰিকিখনেৰে ঠৰ লাগি চাই আছে— উন্মুক্ত আকাশখনলৈ।

ৰয় চৌধুৰীক মাত দিবলৈ ধৰোঁতেই, বাৰাণ্ডাৰ ওলমি থকা কাঁহ-চটা ঢংকৈ বাজি উঠিল। খিৰিকিখনেৰে চালোঁ— কাঁহ-চটা অস্থিৰ হৈ লৰি আছে। বেল্ বজাৰ লগে লগে লক্ষ্য কৰিলোঁ চুচুক-চামাককৈ ল'ৰা-ছোৱালী কিছুমান ক্লাছলৈ সোমাই গৈছে।

তেনেহ'লে সঁচাকৈয়ে ছাত্ৰসকলৰ মাজত বিভাজন হ'ল!

ষ্টাফ্ - মিটিঙত কোৱা অধ্যক্ষৰ কথাখিনি তেনেহ'লে মিছা নহয়।

"বি আৰ্ হেলপ্‌লেছ্ ক্ৰিছাৰ্‌ছ"— ৰয় চৌধুৰীয়ে ক্লাছলৈ ওলাই যাওঁতে কৈ গ'ল।

কোনোবা কবিৰ কবিতা এশাৰীকে আবৃত্তি কৰিলে নে ভাবাবেগত হঠাতে তেওঁৰ মুখৰ পৰা কথাষাৰ ওলাই আহিল ক'ব নোৱাৰিলোঁ।

দ্বিতীয় বাৰ্ষিকৰ ৰেজিষ্টাৰ বহীখন লাহেকৈ উলিয়াই ভাবিলোঁ— ঠিকেই। আমি শিক্ষকসকল সঁচাকৈয়ে নিমাখিত প্ৰাণী। আমি মানুহক বহুতো শিকালোঁ, কিন্তু মানুহে একোকে নিশিকিলে। আমি শিক্ষকসকল এক জীৱন্ত ট্ৰেজিক্ মানুহ।

বাৰাণ্ডাৰে খোজ কাঢ়ি যাওঁতে মোৰ চকুত ভাহি উঠিল আঁহত জোপাত ওলোমাই থোৱা সেই পোষ্টাৰখন।

'অসমত বদনৰ স্থান নাই' বুলি পোষ্টাৰ খনত লেখা আখৰবোৰ যেন জ্বলি উঠিছে অওঠাবোৰৰ দৰে। সেইবোৰ যেন ক্ৰোধৰ জ্বলন্ত অওঠাহে! মোক যেন প্ৰশ্ন কৰিব ধৰিলে অহৰহভাৱে — আপুনি বদন নহয়নে?

অতি কষ্টেৰে ক্লাছ-কমত সোমালোঁ।

সন্মান জনাই ছাত্ৰ-ছাত্ৰীসকল পুনৰ বেঞ্চত বহিল।

প্লেট্‌ফৰ্মত থিয় দি ঘামি উঠা মুখখন ৰুমালখনেৰে মচি ললোঁ। বিস্ময়ভৰা দৃষ্টিৰে ছাত্ৰ-ছাত্ৰীসকলে মোৰ মুখলৈকে চাই ৰ'ল।

ৰেজিষ্টাৰ নকৰিলোঁ। 'সঞ্চয়ন' কবিতা পুথিখন মেলিবৰ মন নগ'ল। খোলা খিৰিকিখনেৰে চাই পঠিয়ালোঁ— থুপ খাই থকা মেঘৰ দ'মবোৰলৈ। কিয় নাজানোঁ মোৰ মনটোৱে হাহাকাৰ কৰি উঠিবলৈ ধৰিলে অসহায়ভাৱে। সত্য আৰু অসত্যৰ দোমোজাত পৰি মোৰ মনটোৱে কান্দি উঠা যেন অনুভৱ কৰিলোঁ।

"তোমালোকৰ কি আছে?"

"সঞ্চয়ন, ছাৰ!" সন্মুখৰ ছাত্ৰজনে উঠি ক'লে।

"কিতাপ আনিছা?"

"নাই অনা, ছাৰ।"

"কিয়? মই ক্লাছ নকৰিম বুলি।"

"ছাৰ, আমাক ক্ষমা কৰিব।" আবেগ-প্ৰৱণ হৈ ছাত্ৰ এজনে লাহেকৈ উঠি ক'লে।

"কিয়? কি অপৰাধ কৰিলা?" আচৰিত হৈ ছাত্ৰজনক সুধিলোঁ।

"শ্ৰেণী বৰ্জন নামানি ক্লাছ কৰাৰ কাৰণে।" ছাত্ৰজনে ক'লে।

কথাটো যেন মোকেই ক'লে! ক্লাছলৈ ময়ো আহিলোঁ। অপৰাধ জানো মোৰো হোৱা নাই?

মৰমেৰে ছাত্ৰজনৰ মুখলৈ চাই সুধিলোঁ, "তুমি ইম্‌তাজ নোহোৱানে?"

"হয় ছাৰ।"

"বহা।"

লাহেকৈ বহি পৰা ইম্‌তাজৰ মুখলৈ চালোঁ। তাৰ দুচকুত যেন প্ৰকাশি উঠিছে এক গভীৰ দুখৰ ছাঁ। এই দুখৰ ছাঁ কিয় হ'বলৈ পালে মই বুজিবলৈ চেষ্টা কৰিলোঁ।

অনুমান কৰিলোঁ — ইম্‌তাজৰ চকুত প্ৰকাশি উঠা দুখৰ ছাঁত ঘনীভূত হৈ আছে মানসিক সংকট। এনে সংকটত পৰিব দিয়াটো এজন শিক্ষক হিচাপে মোৰ উচিত কাম নহয়। লক্ষ্য কৰিলো— কম-বেছি পৰিমাণে ক্লাছত থকা সকলো ছাত্ৰ-ছাত্ৰীৰেই মনৰ অৱস্থা একেই। এই অৱস্থা নিশ্চয় তেওঁলোকৰ ছাত্ৰ-বন্ধুসকলৰ কাৰণেই কেৱল হোৱা নাই, বৰং শিক্ষকসকলৰ প্ৰতি বাধ্য কৰোৱাৰ অপৰাধৰ ছাঁও ঘণীভূত হৈ আছে। সকলোকে উদ্দেশ্যি মই ক'লোঁ, "তোমাৰ মনৰ কথা জানি ভাল পালোঁ। অপৰাধ আচলতে তোমালোকৰ নহয়, অপৰাধ মোৰহে। আছু আৰু গণ-সংগ্ৰাম পৰিষদৰ দৃষ্টিত মই আজি 'বদন' হ'লোঁ।"

"বাৰু তোমালোকেই কোৱা, — এই ক্লাছ ৰুমটো কাৰ?"

মোৰ প্ৰশ্নৰ উত্তৰ কোনো এজন ছাত্ৰই নিদিলে। সকলোৱে মুখবোৰ আমোলাই পেলালে। মোৰ দৃষ্টিভঙ্গীক স্পষ্ট কৰি জনাবলৈকে ছাত্ৰসকলক উদ্দেশ্যি ক'লোঁ, "এই ক্লাছৰুম তোমালোকৰ, ছাত্ৰ-ছাত্ৰীসকলৰ। শিক্ষক এজনৰ দৃষ্টিত ছাত্ৰৰ কোনো শ্ৰেণী বিভাগ নাই, কোনো দলীয় ৰাজনীতিও থকা উচিত নহয়। মোৰ ক্লাছ-ৰুমত কংগ্ৰেছ, চি-পি-আই, চি-পি-এম্, জনতা আদি কোনো মাৰ্কা নাই। তোমালোকৰ মাজত দলীয় ভাববোৰে শিপালেই যেতিয়া, আমি শিক্ষকসকলেও নতুনকৈ চিন্তা কৰিবলৈ বাধ্য হলোঁ। ইয়াৰ বাবে আনে যি কয় কওক। শুনা, মোৰ ধৰ্ম হ'ল — ছাত্ৰ-ছাত্ৰীক পঢ়ুৱা, ক্লাছ-ৰুমত বিভাজন অনাটো নহয়। আন্দোলনৰ দীঘলীয়া সময়ছোৱাত আমি ছাত্ৰ সন্থাৰ প্ৰতি সমৰ্থন জনাই আহিছিলোঁ। সেই সময়ত তোমালোক এক মুঠিত আছিলা। কিন্তু, বৰ্তমানৰ পৰিস্থিতিত মই বিবেকৰ দ্বাৰা পৰিচালিত হ'বলৈ বাধ্য হৈছোঁ।

তোমালোক আটাইবোৰেই মোৰ ছাত্ৰ। অন্ততঃ ক্লাছ-ৰুমত তোমালোক এক হোৱাটো বিচাৰোঁ। বাহিৰত তোমালোকে যাকেই সমৰ্থন নকৰা, মোৰ ক'বলগীয়া নাই। তোমালোকৰ আগত মই এজন শিক্ষকহে। কোনো দলীয় ৰাজনীতিৰ ব্যক্তি মই নহওঁ। ইম্‌তাজ, তোমালোক এতিয়া যোৱা।"

ছাত্ৰসকলক যাবলৈ দি ওলাই আহিলোঁ। ৰেজিষ্টাৰ বহীখন চেল্‌ফত থৈ লাহেকৈ বহিলোঁ। বৰ ক্লান্ত অনুভৱ কৰিলোঁ। চিগাৰেট এডাল জ্বলাই ভাবিলোঁ— এৰি অহা ক্লাছ-ৰুমটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ গাঁথনিৰ কথা।

এৰা। প্ৰায়খিনি ছাত্ৰ-ছাত্ৰীৰেই মাতৃভাষা অসমীয়া নহয়। তেওঁলোকৰ

মাতৃভাষাচোন বঙালী। বিপুল সাহিত্য-সম্ভাৰেৰে পৰিপুষ্ট তেওঁলোকৰ বঙলা ভাষা। কিন্তু কি আচৰিত, আজিলৈকে একো প্ৰশ্ন নকৰাকৈয়ে তেওঁলোকে অসমীয়া সাহিত্য অধ্যয়ন কৰিছেহি। আজিও কলেজলৈ আহিছে অসমীয়া সাহিত্যৰ ক্লাছ কৰিবলৈ। আজি ক্লাছত দেখা নিদিয়া হ'লে, এই ছাত্ৰ-ছাত্ৰীসকলৰ মোৰ প্ৰতি থকা ভাবমূৰ্তিয়েই সলনি হ'লহেঁতেন।

যোৱা সপ্তাহত কৈছিলোঁ নবকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল' কবিতাটো পঢ়াম বুলি। কিমান আশাৰে ছাত্ৰহঁত ক্লাছলৈ আহিছিল! এবা, কবি বৰুৱাৰ এই কবিতাটো আজিৰ পটভূমিৰ লগত যেন মিলি গৈছে। অৱক্ষয়ৰ প্ৰমূল্যক ইমান নিৰ্মমভাবে অথচ কাব্য-ব্যঞ্জনাৰে প্ৰকট কৰি তুলিছে কবিতাটোত, ভাবি আচৰিত হওঁ। ছাত্ৰ আৰু শিক্ষকৰ মাজলৈকো মৰুভূমি সোমাই আহিব ধৰিছে নেকি?

নৱম অধ্যায়

শুভেন্দুৰ ঘৰলৈকে ওলাই গ'লোঁ।

ঘৰ ভালুকমাৰীত।

ভালুকমাৰী ঠাইখনে বহুদিনৰ পৰাই মোক আকৰ্ষণ কৰি আছিল। ঠাইখনৰ চাৰিওকাষে প্ৰাচীন ঐতিহ্যপূৰ্ণ বহুতো পুখুৰী থকা বুলি সৎমল বৰুৱাই এদিন কৈছিল। লঙ্কাৰ পটভূমিত লেখা উপন্যাসখনৰ বাবে এই পুৰণিকলীয়া ঐতিহ্যবোৰৰ বিষয়ে জনাৰ প্ৰয়োজন আছিল। ঠাই খনৰ ইতিহাস জনাৰ লগতে চিত্ৰ-শিল্পী শুভেন্দুক লগ ধৰি তেওঁৰ জীৱন-সংগ্ৰামৰ দুটামান কথা জনাৰ ইচ্ছা কৰিছিলোঁ। লঙ্কাৰ পিছু কমিটিয়ে শিল্পীগৰাকীক লগ ধৰাৰ সুযোগ আনি দিলে।

দুৱাৰমুখতে বৈ মোলৈ চাই থকা মানসীক দেখিলোঁ। মানসী শুভেন্দুৰ জীয়েক। আমাৰ কলেজৰে ছাত্ৰী। হাঁহি মুখেৰে সেৱা জনাই ক'লে, "আহক ছাৰ।"

"মানসী, দেউতাৰা আছেনে?"

"আছে ছাৰ। পিছফালে কাম কৰি আছে। তালৈকে আহক ছাৰ।"

"দেউতাৰাই আমনি পাব। ইয়াতে বহোঁ।"

"নহয় ছাৰ, আপোনাক তালৈকে লৈ যাবলৈ বাবাই কৈছিল।"

মানসীৰ কথাত বুজিলোঁ, শুভেন্দুৱে মোৰ চিঠিখন পাইছে। মানসীৰ হাতত যোৱা কালিয়েই লগ ধৰাৰ কথা জনাই চিঠি এখন দিছিলোঁ। তাইৰ পিছে পিছে খোজ ললোঁ।

শুভেন্দুৱে দৃশ্যপট এখন আঁকি আছিল। বিৰাট আকাৰৰ কেনভাছত তেওঁক হেৰাই যোৱা যেন দেখা পালোঁ। মোৰ মাত শুনি তেওঁ মোলৈ ঘূৰি চালে। উন্নত জোঙা নাকেৰে সৈতে ৰঙা পৰি থকা মুখখনত ভাঁহি উঠা দেখিলোঁ শিল্পীৰ স্বপ্নীল আমেজ। হাতৰ ব্ৰাছ্‌চটা কেন্‌ভাছৰ পৰা লাহেকৈ আঁতৰাই বিস্ময় আৰু আনন্দৰ ভাব প্ৰকাশ কৰি ক'লে, "হাবে প্ৰফেছাৰ চলিহা। আহক। কি ভাবি আহিলে?..... মা, মানসী, কুৰ্‌সী টা লইয়া আইস্ ত, এইখানে।"

মানসীয়ে আনি দিয়া চকীখনত বহিলোঁ। ৰঙৰ প্ৰলেপ সনা প্লেটখনত হাতৰ ব্ৰাছটো থৈ বেতৰ পুৰণি চকীখনত বহি তেওঁ ক'লে, "মোৰেই সৌভাগ্য, আজি

দৰিদ্ৰৰ ঘৰত পদ-ধূলা দিলেহি। ..... মানসী ৰে, যাও, মাকে একটু চা বানাইতে বল। .... খবৰ কেনে চলিহা, কলেজ চলিছে?"

"চলিছে, অফিছিয়েলি। পিছে, একাডেমিক্ এট্‌মছ্‌ফেয়াৰ প্ৰায় হেৰাই যোৱাৰ নিচিনাই। আপোনাৰ কেনে?"

"আছোঁ একৰকম। কিয় আহিলে কওকচোন।"

"পিছ্-কমিটিৰ চিঠিখন আপুনি নিশ্চয় পাইছে?"

"হয়, হয়। মানসীয়ে আনি দিছে। পিছে?"

"কমিটিৰ কাম এটা লৈয়েই আপোনাৰ ওচৰলৈ আহিছোঁ।" — কমালখনেৰে মুখখন মচি মই লাহেকৈ ক'লোঁ।

"হা, হা, কওক।"

"শুভেন্দু বাবু! মানুহৰ সমস্যাই আমাৰ সংহতিত সংঘাত আনিছে। আপুনি দেখিছেই, যোৱা-আঠ ফেব্ৰুৱাৰীৰ ঘটনাই লঙ্কাক কিদৰে কন্দুৱালে। আমাৰ মাজত থকা ভাতৃত্বৰ ভাবত নিৰ্বাচনে সন্দেহৰ বীজ সিঁচি দিলে। এতিয়া অসমৰ চাৰিওফালে জুই জ্বলিছে। সেয়েহে আমাৰ মাজত ভুল বুজা-বুজি নহ'বৰ কাৰণে, বহাগ বিহুত আমি সমন্বয়-দিৱস পাতিছোঁ। আমাৰ জন-গোষ্ঠীৰ সমন্বয় ৰূপ প্ৰকাশ কৰাকৈ আপুনি দৃশ্যপট এখন আঁকি দিব লাগে। কথা সেইটোৱেই।"

হাতখনৰ অ'ত ত'ত লাগি থকা ৰঙৰ চেকাবোৰ ফটা কানিৰে মচি মচি তেওঁ মোৰ কথাবোৰ শুনি গ'ল। মই মন কৰিলোঁ — শুভেন্দুৰ মুখখন যেন লাহে লাহে বিমৰ্ষ হৈ উঠিছে। এক প্ৰশান্ত অথচ বেদনামিশ্ৰিত দৃষ্টিৰে মোলৈ চাই তেওঁ লাহেকৈ ক'লে, "প্ৰফেছাৰ চলিহা, আপুনি এজন লেখক। লঙ্কাৰ বিষয়ে উপন্যাস এখন লেখি আছে বুলি মোৰ বন্ধু গোস্বামী বাবুৱে মোক কৈছিল। কথাটো শুনি বৰ ভাল লাগিছে। লঙ্কাৰ মাটি আৰু মানুহৰ ছবি আপোনাৰ কলমত প্ৰকাশ পালে, অন্যই আনন্দ নাপালেও মই হ'লে আনন্দ পাম। পিছে, সমন্বয় দিৱস পাতি মানুহৰ মনবোৰক কিদৰে মিলাব পাৰিব, মই নুবুজিলোঁ, চলিহা।"

শুভেন্দুৰে বুজি নোপোৱা কথাখিনিয়ে মোক কিছু বিব্ৰত কৰি তুলিলে। মই তেওঁৰ মুখলৈকে চাই ৰ'লোঁ। মোৰ মনৰ ভাব তেওঁ বুজি পোৱা যেন লাগিল। কিছু গহীন আৰু আবেগ ভৰা ভাষাৰে মোক ক'লে, "চাওক চলিহা, এচিয়া মহাদেশৰ ভিতৰত সিন্ধু, গঙ্গা, ব্ৰহ্মপুত্ৰৰ পাৰত বসতি কৰা মানুহবোৰেই আটাইতকৈ বৈচিত্ৰ্যপূৰ্ণ

বুলি ভাবোঁ। বৈচিত্র্যপূর্ণ তেওঁলোকৰ ভাষা, ধৰ্ম আৰু সংস্কৃতি। বিশ্ব-ভাতৃত্বৰ স্বৰ্ণ-সৌধ ইয়াতেই নিৰ্মিত হ'লহেঁতেন। কিন্তু হৈছেনে? মানৱ-প্ৰেমৰ বাণী প্ৰচাৰ কৰিয়েই মহাত্মা গান্ধী মানুহৰ হাততেই শ্বহীদ হ'ল। বিশ্ব কবি ৰবি ঠাকুৰে অজস্ৰ কবিতা ৰচিলে, কাজী নজৰুলেও সৃষ্টি কৰিলে মানৱ-সংঘাতৰ অজস্ৰ গীত। সমন্বয় হ'লনে বঙ্গভূমিত? মহাপুৰুষ শঙ্কৰদেৱেও অসমীয়া সংস্কৃতি গঢ়িলে সমন্বয়ৰ ঐতিহ্যৰে। বিষ্ণুৰাভাই কৃষকৰ গীত গাই কাৰাৰুদ্ধ হৈছিল, আৰু ভূপেন হাজৰিকা? সমন্বয়ৰ গীত গাই এতিয়া নিঃসঙ্গ জীৱনৰ কাল কটাইছে— এই অসমৰ মাটিত। সমন্বয় হ'ল জানো? মোৰ জন্মভূমি চিলেটৰ পৰা ময়ো এদিন উৎখাত হ'লোঁ। চিলেটৰ মাটি আৰু মানুহবোৰ আমাৰ সৈতে দেখাত দেখোন একেই। তেনেহ'লে মই উৎখাত হ'লো কিয়? তাত ইণ্টিগ্ৰেশ্যন্ নহ'ল কিয়? এইবোৰৰ প্ৰতি মোৰ বিশ্বাস এতিয়া হেৰাই গৈছে, চলিহা বাবু। আমি বৰ দুৰ্ভগীয়া!"

কথাবোৰ কওঁতে শুভেন্দুৰ চকুৰে-মুখে সংঘাতৰ বেদনা প্ৰকাশি উঠিল। চকুৰ কোণবোৰ সেমেকি উঠা দেখিলোঁ। আবেগ-ভৰা শিল্পী গৰাকীৰ কথা শুনি অজানিতভাৱে মোৰো মন গধুৰ হৈ পৰিল। বাৰীৰ কাষৰ আমজোপালৈ লক্ষ্য কৰিলোঁ— ভাব সম্বৰণ কৰাৰ উদ্দেশ্যেৰে। মলিয়াই উঠা আমজোপাৰ পৰা মৌ-মাখিৰ গুঞ্জৰণ ধ্বনি মোৰ কাণত পৰিলহি। শুভেন্দুই চাহ দুকাপ আনিবলৈ জীয়েক মানসীক মাত দিলে। আমজোপাৰ পৰা মোৰ দৃষ্টিক আঁতৰাই সমুখৰ কেন্‌ভাছৰ ওপৰত নিবদ্ধ কৰিলোঁ। মাটি আৰু আকাশৰ মিলনক বাংময় ৰূপ দিবলৈ শুভেন্দুই যেন যত্ন কৰিছে! মানুহজনৰ অন্তৰৰ সৰলতা আৰু দৃশ্যপটৰ পৰিকল্পনা দেখি বিস্ময়াভিভূত হৈ শ্ৰদ্ধাভাব জাগি উঠিল। আঁকি থকা কেন্‌ভাছৰ বিষয়ে সুধিলোঁ, "শুভেন্দু বাবু, সেয়া দৃশ্যপট কাৰ?"

"বিষ্ণুৰাভা কৃষ্টি বিকাশ সংঘৰ দৃশ্যপট। আঁকিবলৈ দিছিল কেতিয়াবাই। দেশৰ এই সমস্যাত মন অলপো বহাব নোৱাৰোঁ। বুজিছে চলিহা, ৰাভাদেৱক মই জানোঁ। ঢাকাৰ পৰা আহি অসমৰ সাধাৰণ কৃষকৰ কাৰণে কান্দিছিল ৰাভাই। তেওঁ বুজিছিল, এই সাধাৰণ মানুহখিনিহে প্ৰকৃত সমন্বয়ৰ বুনিয়াদ। ৰাভাদেৱৰ দৰ্শনক কেইজন বুদ্ধিজীৱীয়ে আজি বুজিব পাৰিছে?" হাতেৰে মুখখন মোহাৰি কথাখিনি ক'লে।

শুভেন্দুৰ প্ৰশ্নই মোক দিশহাৰা কৰি তুলিলে। বাকৰুদ্ধ হৈ মুক্তিৰ উপায় বিচাৰিলোঁ অসহায়ভাৱে। এই প্ৰশ্ন-বাণ মোলৈকে নিক্ষেপ কৰা নাইতো? মোৰ

মন অস্থিৰ হৈ পৰিল। এনেতে ট্ৰেত চাহ লৈ মানসীক অহা দেখি মই স্বস্তিৰ নিশ্বাস পেলালোঁ। এক জটিল পৰিস্থিতিৰ পৰা সকাহ পোৱাৰ উদ্দেশ্যেৰে মানসীক সুধিলোঁ, “মানসী, পঢ়া-শুনা কৰিছা ?”

“পঢ়িবলৈ যত্ন কৰিছোঁ, ছাৰ।” চাহ কাপ হাতত দি তাই ক'লে।

“তাইৰ কথা নুসুধিব, চলিহা। পঢ়াত ছিৰিয়াছ্‌নেছ্‌ মুঠেই নাই। ঘৰৰ ওচৰতেই কলেজখন। পিছে.....”

“দেশৰ যিহে পৰিস্থিতি, ছাত্ৰ-ছাত্ৰীয়ে কি শান্তিৰে পঢ়িব, শুভেন্দু বাবু!”

“চাহ খাওক, ছাৰ।” কথাষাৰ কৈ তাই যাবলৈ ওলাল।

“এটা কথা নহয়, মানসী!” — চাহত এশোহা দি ক'লোঁ।

“কি ছাৰ!”

“তুমি ৰবীন্দ্ৰ সংগীত গোৱাৰ অভ্যাস এৰিলা নেকি ?”

“নাই এৰা ছাৰ, মাজে সময়ে গাওঁ।”

“তেনেহ'লে তোমাক এটা গধুৰ দায়িত্ব দিওঁ।”

“কি দায়িত্ব ছাৰ ?” খালি ট্ৰেখনেৰে নিজকে আবৰি ধৰি তাই মোক সুধিলে।

“সমন্বয় - দিবসৰ দিনা তুমি ৰবীন্দ্ৰ-সংগীত এটা গাব লাগিব। পাৰিবা নহয় ?”

“যিহে লাজ, তাই ক'ত গাব পাৰিব, চলিহা বাবু ?” — পিতৃত্বৰ অধিকাৰেৰে সন্দেহ প্ৰকাশ কৰি শুভেন্দুৱে ক'লে।

বাপেকৰ মন্তব্য শুনি তাই লাজকুৰীয়া হাঁহিৰে আমাৰ মাজৰ পৰা আঁতৰি গ'ল।

চাহ খাওঁতে শুভেন্দুৱে মোৰ উপন্যাসখনৰ অগ্ৰগতিৰ বিষয়ে জানিব বিচাৰিলে। শেষৰ অধ্যায়টোহে লেখিবলৈ বাকী আছে বুলি কোৱাত, আনন্দ প্ৰকাশ কৰি মোক ক'লে, “অধ্যাপক চলিহা, আপুনি নিজেই এজন সাহিত্যিক। অন্য মানুহতকৈ আপোনাৰ দৃষ্টি নিশ্চয় বেলেগ হ'ব। আপোনাক উপদেশ দিয়াটো মোৰ ধৃষ্টতাহে হ'ব। তথাপি লক্ষাত আপুনি নতুন। কি কয় ?”

“ঠিকেই শুভেন্দু বাবু। আপোনালোকৰ পৰামৰ্শ নল'লে মোৰ উপন্যাসখনত বহুতো ভুল থাকি যোৱাটো স্বাভাৱিক। আপোনাক লগ ধৰাৰ আন এটা উদ্দেশ্যও সেইখিনিতেই।”

“বুজিছে চলিহা, মহেন্দ্ৰ হাজৰিকা মোৰ বন্ধু। ভাৰত-ত্যাগ আন্দোলনৰ সময়ত আমি ঢাকাত আত্ম-গোপন কৰিছিলোঁ। ভেতিয়াৰ চিলেট, অসমৰ ভাত-

ঘৰ আছিল। হাজৰিকা চাহাব যেতিয়া মিনিষ্টাৰ হৈছিল, তেতিয়া এই অঞ্চলৰ বহুতো ঠাইত মই ফুৰিছিলোঁ। ইয়াৰ পুৰণি মানুহৰ পৰা ঠাইখনৰ কিংবদন্তি, ইতিহাসৰ বিষয়ে জানিছিলোঁ। তেতিয়াই বুজিছিলোঁ, লঙ্কাৰ পটভূমি কিমান [ ] স্তুত! কিমান বিচিত্ৰ ইয়াৰ জন-গোষ্ঠী! ডবকাৰ পৰা যোগীজান, বকলীয়া ঘাটৰ পৰা খাৰিখানা, — যমুনা-কপিলীৰ এই বহল উপত্যকাত প্ৰাচীন ঐতিহ্যই ভৰি আছে। দেখিছিলোঁ প্ৰতি মাইলৰ অন্তৰে অন্তৰে বিৰাট বিৰাট পুখুৰী। কলেজৰ আগত থকা ৰংমেলা পুখুৰীটোৰ দৰে অজস্ৰ পুখুৰী এই অঞ্চলত আছে। এই পুখুৰীবোৰত জানো ইতিহাস লুকাই থকা নাই, চলিহা?"

অবাক হৈ শুভেন্দুৰ কথাবোৰ একান্ত মনে শুনি গ'লোঁ। হঠাৎ উঠি যোৱা দেখি কিছু বিব্ৰত হলোঁ। দুখোজমান গৈ তেওঁৰ কাষলৈকে মোক মাতিলে। চাহ-কাপ এৰি লাহেকৈ তেওঁৰ কাষলৈ গ'লোঁ।

"চলিহা, আপুনি সৌ গছকেইজোপা দেখিছে?"— নিলগৰ তেঁতেলি, আহঁত গছ কেইজোপালৈ আঙুলিৰে দেখুৱাই সুধিলে।

মই নিৰীক্ষণ কৰিলোঁ লঠঙা আঁহত আৰু তেঁতেলি গছবোৰলৈ। আবেলিৰ পোহৰত উদ্ভাসিত হোৱা আহঁতৰ উকা ডালবোৰে উত্তৰৰ আকাশ ছাটি ধৰিছে। গছকেইজোপাত একো ৰহস্যকে উপলব্ধি কৰিব নোৱাৰি তেওঁক সুধিলোঁ, "সৌ আঁহত কেইজোপাৰ কথাকে কৈছে নেকি?"

"হয়। তাৰ কাষতেই আছে বিশাল পুখুৰী। এসময়ত পদুমেৰে ভৰি আছিল। কিমান যে শৰালি পক্ষী নাছিল! এতিয়া চৰকাৰে মাছ পুহিছে। আটাইতকৈ ডাঙৰ আহঁত জোপা ভাগিল। মানুহে কয় দেৱতাই এৰা বুলি। কিছুমানে কয় যমলাৰ্জুন ভঙ্গৰ দৰে হ'ল। কিছুমানে দেৱতাও দেখিছে হেনো। কি অদ্ভুত বিশ্বাস!' — শুভেন্দুই হাঃ হাঃ কৰি হাঁহি দিলে। হাঁহিটোযে ইমান প্ৰাণ খোলা! মানুহজনক মোৰ সঁচাকৈয়ে ভাল লাগি গ'ল।

"ঐ যে, চা খালেন না? ঠাণ্ডা হইয়ে যাবে এখন।"

ঘূৰি চালোঁ। মিছেছ্‌ মালাকাৰ। পাণৰ বঁটাটো হাতত লৈ আমাক চাহৰ কথা সোঁৱৰাই দিলেহি। নমস্কাৰ এটিৰে সম্ভাষণৰ প্ৰত্যুত্তৰ দিলোঁ। পাণ-বঁটাটো সৰু টুল্‌খনত থৈ ওৰণি টানি মিছেছ্‌ মালাকাৰে ক'লে, "প্ৰফেছাৰ বাবু, মানুষ্‌টাৰ স্বভাৱটাই এই ৰকম। মনে থাৱাপ পাবেন না।"

"নাই, নাই! কিয় বেয়া পাম। এখেতৰ লগত কথা পাতিবলৈ পোৱাটো মোৰ বাবে কিমান আনন্দৰ!"

"অস্! মই মানুহটো এনেকুৱাই। প্লীজ্ ড'ণ্ট্ মাইণ্ড্। আহক।"

"বাৰু চা খাওক।" — এই বুলি কৈ মিছেছ্ মালাকাৰ আমাৰ মাজৰ পৰা আঁতৰি গ'ল।

শিল্পী মানুহৰ মনবোৰ দুৰন্ত গতিৰে গতিশীল। প্ৰকাশৰ আতিশয্যত তেওঁলোক হৈ পৰে অস্থিৰ, অশান্ত আৰু অস্বাভাৱিকৰূপে বিপ্লৱী। বাস্তৱ জগতখন তেওঁলোকৰ বাবে হৈ উঠে অসহায়ৰ কাৰণ। চিত্ৰ-শিল্পী শুভেন্দুৰ মনৰ গতিটো অনুভৱ কৰিলোঁ— দুৰ্বাৰ প্ৰকাশৰ সেই হাহাকাৰ ধ্বনি। চাহত এশোহা দি ক'লোঁ, "শুভেন্দু বাবু, আপোনাৰ দৰে এজন শিল্পীক লগ পোৱাত হয়তো ঈশ্বৰৰেই ইচ্ছা আছিল। মোৰ দৃষ্টিক আপুনি সঁচাকৈয়ে উন্মুক্ত কৰি দিলে।"

"না না, চলিহা বাবু, আমি কি শিল্পী? প্ৰকৃতি নিজেই শিল্পী। মানুহ এই ক্ষেত্ৰত নিঃসহায়। মেন্ হেজ্ ন'থিং টু বি প্ৰাউড্ অব ইট্।"

কথাখিনি কৈ শিল্পীগৰাকীয়ে চাই পঠিয়ালে বহু আঁতৰলৈ। চাহত শোহা দিয়া শব্দৰ বাহিৰে আমাৰ মাজত নীৰৱতাই বিৰাজ কৰিলেহি। সম্ভৱ, কোনোবা অনুভূতিৰ ৰাজ্যলৈকে শিল্পীৰ মনটোৱে উৰা মাৰিলে!

শুভেন্দুৰ সৰলতা আৰু নিৰহঙ্কাৰতাত মই মুগ্ধ হ'লোঁ। গালে-মুখে বয়সৰ আঁচোৰ পৰা তেওঁৰ মুখখনলৈ আকৌ এবাৰ চালোঁ। কিমান আশা আৰু আশাভঙ্গৰ ইতিহাস লুকাই আছে এই গভীৰ চিনবোৰত! চাহ-কাপ শেষ কৰি সুধিলোঁ, "বাৰু শুভেন্দু বাবু, এই পুখুৰীটোৰ কথা কিবা জানে নেকি?"

নীৰৱে চাহত শোহা দি থকা শুভেন্দুৱে হঠাতে সাৰ পোৱা দি পালে আৰু মোৰ মুখলৈ চাই অতি উৎসাহেৰে ক'লে, "হা, হা। এই পুখুৰীৰ অলৌকিক কাহিনী শুনিছোঁ। কান্দুৰা বস্তিৰ মিকিৰ গাওঁবুঢ়াই মোৰ ঘৰত সোমাই কৈছিল, 'মালাকাৰ বাবু, ইয়াত থাকিলে তই মৰিবি। এই পুখুৰীতে বেয়া দেও আছে দেই। ইয়াতে নাথাকিবি। আমি হক কথাহে কৈছে দেই বাবু।' গাওঁবুঢ়াই আৰু কৈছিল, মাজ পুখুৰীত সোণৰ নাও ওপঙি থকাৰ কথা। উত্তৰ পাৰত থকা ডাঙৰ তেঁতেলি গছত সোণৰ শিকলিৰে নাওখন হেনো বান্ধি থয়। এই পুখুৰীৰ মাছো বোলে কালিকা লগা। উতল থকা মাছবোৰো হেনো চৰুৰ পৰা জঁপিয়াই পুখুৰীৰ পানীত পৰিব

পাৰে। এনে আচৰিত কাৰ্য দেখি মিকিৰসকলে এই পুখুৰীৰ মাছক দেও দেখাদি দেখে। গছৰ পাত এখিলাকে আগ কৰি এচলু পানীৰ কাৰণে পুখুৰীত নামে। কি আচৰিত বিশ্বাস এই মানুহখিনিৰ! এই পুখুৰীবোৰ কোন যুগৰ, কোনোবা ইতিহাসবিদ বা পুৰাতত্ত্ববিদ পণ্ডিতে চিন্তা কৰিছেনে চলিহা?”

কথাবোৰ কৈ যাওঁতে মোৰ মনটোৱে পাখি মেলি উৰা মাৰিছিল আহোম ৰজাৰ কালিকা লগা পুখুৰীবোৰলৈ। ভাবিলোঁ এই লোক-বিশ্বাসৰ সহজ ৰূপ আৰু গভীৰ প্ৰভাৱৰ কথা। লোকবিশ্বাসৰ উৎসবোৰ সকলো জনগোষ্ঠীৰ মাজত একেই নেকি? ইয়াৰ সভ্যতাৰ প্ৰতি মোৰ ধাৰণা সীমিত হেতুকে লঙ্কাৰ এই বিস্তৃত অঞ্চলত মানৱ-সংগ্ৰামৰ ছবিহে মোৰ মানস পটত ধৰা দিলেহি। ইতিহাসৰ স্তৰে স্তৰে মানুহ আহে আৰু যায়। এৰি থৈ যায় কেৱল কিছুমান স্মৃতি-চিহ্ন। এই সত্যই মোক অভিভূত কৰি তুলিলে।

এৰা, এই স্মৃতি-চিহ্নৰ ইতিহাস লিপিবদ্ধ কৰিব কোনে? এই বিশাল পুখুৰীবোৰৰ অমৃত কোন জনগোষ্ঠীৰ লোকে পান কৰি তৃষ্ণা নিবাৰণ কৰিছিল? এই নীৰৱ সময়ৰ ছবি আজি আঁকিব কোনে?

পাণ আৰু চুফাৰি মুখত দি আকৌ আৰম্ভ কৰিলে, তেওঁৰ হেৰাই যাব খোজা দিনবোৰৰ কথা। ময়ো চুফাৰি দুডোখৰ মুখত দি চিগাৰেট এডাল জ্বলাই বিস্ময়ভৰা দৃষ্টিৰে শুনি গ'লোঁ....

“চলিহা বাবু, গান্ধীয়ে আহ্বান কৰা অহিংস আন্দোলনত ময়ো জঁপিয়াই পৰিছিলোঁ। চট্টগ্ৰামৰ ৰক্তাক্ত বিপ্লৱৰ প্ৰতি মোৰ সমৰ্থন নাছিল। মুৰাৰি চাঁদ কলেজৰ মোহ এৰি পেলাইছিলোঁ। দেশ স্বাধীন হ'ল। কিন্তু ব্ৰিটিছে সাম্প্ৰদায়িক বীজ চিৰদিনৰ বাবে সিঁচি গ'ল। এই ৰক্তবীজৰ বলি হৈ চিলেট এৰি আহিলোঁ ভালুকমাৰীলৈ। মই যেতিয়া ইয়ালৈ আহিছিলোঁ, তেতিয়া দুই-এঘৰ ভূমীজ, বিলাসপুৰী, মুণ্ডা, মাঝি মানুহৰ বাহিৰে এই অঞ্চল জনশূন্য আছিল। তেতিয়া মোৰ কি ভাব হৈছিল জানে চলিহা বাবু? আলেক্‌জেণ্ডাৰ্ চেল্‌কাৰ্কৰ দৰে মোৰো ভাব হৈছিল— ‘আই এম্ ম'নাৰ্ক্ অব্ অল্ আই চাৰ্ভে; মাই ৰাইট্ দেয়াৰ্ ইজ্ নান্ টু দিছপ্যুট্; ইচ্ছা কৰা হ'লে গোটেই ভালুকমাৰী অঞ্চলকে ল'ব পাৰিলোঁহেঁতেন। চিকাৰ আৰু মদ-প্ৰিয় সেই মানুহখিনিৰ পৰা সহজতে মাটিখিনি ল'ব পাৰি। কিন্তু, মাটিৰ প্ৰতি মোৰ মোহ হেৰাই গ'ল। মাটি-বাৰীৰ কথা ভাবিলেই, চিলেটলৈ মোৰ মনত পৰে। যাওক

এইবোৰ কথা। আপুনি কিন্তু এই পুখুৰীৰ কথা উপন্যাসত লেখিব দেই।.... পিছে চলিহা, আপোনাক এটা কথা কৈ থওঁ দেই। সেয়া মোৰ কথা নহয়, সংমল বৰুৱাৰ কথাহে। তেখেতে হাঁহি হাঁহি এষাৰ কথা মোক কৈছিল, “মালাকাৰ বাবু! লঙ্কাত যিয়ে আহে, সিয়ে ৰাৱণ হয়।' তেতিয়া বুজা নাছিলোঁ, বৰুৱাৰ কথাৰ অৰ্থ। এতিয়াহে বুজিছোঁ বৰুৱা মাষ্টৰৰ অব্জাৰ্ভেছন্ কিমান গভীৰ আৰু স্পষ্ট। ৰাৱণবোৰৰ পৰা আপুনিও সাৱধান হ'ব। আপুনি সাহিত্য-চৰ্চা কৰা মানুহ। সেইবাবেহে কথাটো ক'লোঁ। বেয়া নাপাব।”

শুভেন্দু শেখৰ মালাকাৰ। পূব পাকিস্তানৰ পৰা ভাগি অহা শৰণাৰ্থী। অসমৰ পৰা চিলেটক বিচ্ছিন্ন কৰিছিল মানৱ-সমস্যাৰ সমাধান বিচাৰি।

দেশৰ মানচিত্ৰৰ পৰা এদিন চিলেটক বিচ্ছিন্ন কৰা হ'ল। কিন্তু, মানৱ নিৰ্যাতনৰ কৰুণ ইতিহাসৰ অধ্যায় আজিলৈকে ওৰ নপৰিল। হাজাৰ হাজাৰ পৰিয়াল অসমৰ মাটিলৈকে আশ্ৰয় বিচাৰি আহিছিল। শুভেন্দুও গুচি আহিছিল— চিলেটৰ মাটি, মানুহ আৰু আকাশৰ স্মৃতিক কঢ়িয়াই।'

এৰা। লঙ্কাৰ মাটিত ‘শুভেন্দু বাবু’ এক আদৰৰ নাম। মৰমৰ নাম। শুভেন্দু বাবু অকল নীৰৱ চিত্ৰ -শিল্পীয়েই নহয়, মানুহক ভাল পোৱা এগৰাকী মানৱ-দৰদীও। দেশৰ মানুহৰ কাৰণে সংগ্ৰাম কৰি, দেশৰ মানুহৰ হাততেই উংখাত হোৱা শুভেন্দু, — ৰং আৰু তুলিকাৰে ৰাজনৈতিক ভূগোলৰ সীমা অতিক্ৰমি মানুহক আজিও ভাল পায়েই থাকিল। সমন্বয় দৰ্শনৰ প্ৰতি বীতশ্ৰদ্ধ হোৱা শুভেন্দুৰ পৰা দৃশ্যপট অঁকাৰ প্ৰতিশ্ৰুতি আদায় কৰি ঘৰলৈ ঘূৰি আহিলোঁ, — আনন্দ আৰু বেদনা মিশ্ৰিত মনটোৰে।

ঘৰ পাওঁতে, পছিমৰ আকাশখন মদাৰফুলীয়া হৈ প্ৰকাশি উঠা দেখিলোঁ।

দশম অধ্যায়

.... এই নগাৰঁতে মিকিৰ আছে, নগা আছে, খাচী আছে, চিন্‌টেং আছে, লালুং আছে, মৰাণ আছে, ৰাভা আছে, গাৰো ৰামছা আছে, ডিমাছা আছে, কোঁচ আছে, মণিপুৰী আছে, বামুন আছে, শূদিৰ আছে, কায়স্থ আছে, কৈবর্ত আছে, হিন্দু আছে, খ্রীষ্টান আছে, শিখ আছে, অসমীয়া মুছলমান আছে, নতুনকৈ অহা নোৱাখালীয়া আছে, চিলেটীয়া আছে, মৈমনচিঙীয়া আছে। গতিকে নগাওঁ......

উস্‌! এই কুমাৰণীজনীৰ পৰা কিতাপখন পঢ়িবকে নোৱাৰি। মোৰ সম্মুখত গুণ গুণ শব্দৰে উৰি ফুৰা কুমাৰণীজনী ওলমাই থোৱা কেলেণ্ডাৰৰ ওপৰত বহিলগৈ। অস্থিৰ হৈ পৰা কুমাৰণীজনীক লক্ষ্য কৰি দেখিলোঁ, তাই কিবা পোক এটা পেটৰ মাজতে লৈ আহিছে। তাইৰ বাহ নিশ্চয় ওচৰতে ক'ৰবাত আছে। নহ'লেনো ইমান অশান্তি দি থাকিবহিনে?

'বিষ্ণুৰাভা ৰচনাৱলী'খন লাহেকৈ থৈ বিছনাৰ পৰা উঠিলোঁ। পঞ্জাৱ হোটেলৰ চৰ্দাৰ কৰ্ণেল সিঙে দিয়া কেলেণ্ডাৰখন গজালৰ পৰা আতঁৰাই আনি খুটাৰ কাষত ভালদৰে চালোঁ।

এৰা, মোৰ অনুমান ঠিকেই। কেলেণ্ডাৰখনে বাহটোক ঢাকি ৰাখিছিল। এই ধনেশ্বৰো জানো কম! ভিজা কাপোৰেৰে থিয় হৈ আবুৰ নথকা এই নাৰী-চিত্ৰৰ কেলেণ্ডাৰখন মোৰ পঢ়া টেবুলৰ সম্মুখতে আঁৰি থ'বহি লাগেনে? ইয়াক কিমান শিকাম?

কেলেণ্ডাৰখন টেবুলতে থৈ বিছনাখনত পৰিলোঁহি। মূৰটো টিং-টিঙাবলৈ ধৰিলে। ভিক্সৰ টেমাৰ পৰা ভিক্স্‌ অকণমান আঙুলিত লৈ নাক আৰু কপালত ঘঁহিলো। উস্‌! কি যে অস্বস্তিকৰ! নাকটোৰেও সোপা মাৰি ধৰিছে। পীল্‌ দুটা খোৱাতো মূৰৰ পৰা গধুৰ ভাব আঁতৰা নাই। চাদৰখন বুকুলৈকে লৈ ভাবিলোঁ, ঘূৰি ফুৰাৰ কাৰণেই সম্ভৱ ইনফ্লুয়েঞ্জাই লগ ধৰিলেহি!

চাহ একাপ খাবৰ মন গৈছিল। ধনেশ্বৰটোও সেই। কেনেবাকৈ ঘৰৰ পৰা ওলাই যাব পালেই সোনকালে ঘূৰাৰ কথা পাহৰে। এপ্ৰিকেছন্‌খন দি আহিবলৈকো এবেলা লাগেনে?

কিতাপখন পঢ়াৰ মুড্ নষ্ট কৰি দিলেহি কুমাৰণীজনীয়ে। চিগাৰেট এডাল জ্বলাই ভাবিলোঁ, সকলোতে কেৱল পলিটিক্‌ছ।

দুৰ্ভাগ্য।

মোক কিহৰ ডিছ্ইন্টিগ্ৰেছনৰ ভূমিকা লোৱা দেখিলে? ছাত্ৰ-ছাত্ৰীৰ মাজত দলীয় ৰাজনীতিৰে গঢ় লোৱা বিভাজনৰ ঘটনাক এছ'ছিয়েছনে বাধা দিব নোৱাৰে কিয়?

লক্ষা কলেজখনক অঞ্চলটোৰ এখন আদৰ্শ শিক্ষানুষ্ঠান গঢ়ি তোলাৰ সংকল্প গ'ল ক'লৈ? এতিয়া একেখন টেবুলতে বহি বৌদ্ধিক চিন্তা কৰা শিক্ষক গোটৰ মাজতেই দেখোন বিভাজন!

আজি শিক্ষক সন্থাৰ মিটিং আছিল। শিক্ষক সন্থাই মোক বৰ্জন কৰিছে। কৰক। ভালেই পাইছোঁ। নিঃসঙ্গ জীৱনেই ভাল। এতিয়া মানুহক ভালদৰে চাব পাৰিম। মানুহৰ মাজত থাকিও মানুহৰ স্বৰূপ বুজাত যদি কষ্ট হয়, তেনেহ'লে নিঃসঙ্গ জীৱনটোৱেই ভাল।

ঠিকেই শুভেন্দুৱে কোৱাৰ দৰে বিষ্ণুৰাভাক আমি কেইজনে বুজি পাইছোঁ। ৰাভাৰ দৃষ্টি আছিল— কিমান বহল আৰু স্পষ্ট! লক্ষাত থাকিও আমি শিক্ষক গোটেই এই ছবিখন দেখা নোপোৱাটো কম দুৰ্ভাগ্যজনক কথানে?

মোৰ হাঁহি উঠিছিল অধ্যাপক প্ৰেমধৰ হাজৰিকাৰ গোমোঠা মুখখন দেখি। দেখিও নেদেখা ভাও ধৰা অধ্যাপক হাজৰিকাক ভেমত ওফন্দি পৰা সৰু ল'ৰাৰ দৰে দেখা গৈছিল। আশ্চৰ্য!

চিঠি দুখনেৰে সৈতে ধনেশ্বৰ সোমাই আহিল। চিঠি লৈ সুধিলোঁ, "লীভ্ এপ্লিকেছন্‌খন কাৰ হাতত দিলি?'

"প্ৰিন্সিপালৰ হাতত ছাৰ।"

"মোৰ কথা কিবা সুধিছিল নেকি?"

"গা ভাল পোৱা নাইনেকি বুলি সুধিছিল।"

"অঁ। বাৰু যা।... এই শুনচোন, এই কেলেণ্ডাৰখন ইয়াত আঁৰিবলৈ মানা কৰিছিলোঁ নহয়। এইখন লৈ যা, আৰু শুন, চাহ একাপ সোনকালে দিবিচোন, কাঢ়াকৈ বুজিছ।"

"ভাল ছাৰ।"

টেবুলৰ ওপৰতে পৰি থকা কেলেণ্ডাৰখন হাতত লৈ সি ভিতৰ সোমাল। ভিজা কাপোৰৰ মাজেদি ওলাই পৰা নাৰী দেহৰ লাজ লগা অংশবোৰ দেখি সি লাজত তলমূৰ কৰিছিল।

এৰা, এনে যৌন-গন্ধী কেলেণ্ডাৰ ছপাব লাগে কিয়? নাৰী-সম্ভ্রম ৰক্ষা কৰিও কেলেণ্ডাৰ ছপাব পাৰে দেখোন।

এছ্‌ট্রেট চিগাৰেটডাল থৈ পোষ্টেল্‌ ডিপাৰ্টমেণ্টৰ খামত অহা চিঠিখন লাহেকৈ খুলিলোঁ।

হাৰে! দেউতাৰ চিঠিচোন।

যোৱা মাহৰ পঁচিশ তাৰিখে পোষ্ট কৰা চিঠি। আজি হ'ল মাৰ্চৰ এঘাৰ তাৰিখ। ইমান দিন লাগিলনে?

শ্রীহৰি

কল্যাণবৰেষু — বনগাওঁ, মাজুলী

শ্রীমান বোপা, — ২৫।২।৮৩

শুভাশীষ ল'বা। আমাৰ সদৌটিৰ মঙ্গল। আশাকৰোঁ তোমাকো ভগৱন্তই কুশলে ৰাখিছে। তুমি পঠিয়াই দিয়া টকাও পাইছোঁ। সৰিয়হ ডৰা ভাল হোৱা নাই। পোকে ধৰিছে। তোমাৰ মাৰাৰ গাহে সিমান ভাল নহয়। ইটো সিটো অসুখ হৈয়েই থাকে। এতিয়া কিছু বাৰু হৈছে।

বোপা, এটা কথা। মাৰাৰ ইচ্ছা তোমাৰ ঘৰখন সোনকালে পাতিব লাগে। তোমাৰ আপত্তি নাথাকিলে, অহা বহাগৰ ভিতৰতে দিন-বাৰ ঠিক কৰিব বিচাৰিছোঁ। সময় উলিয়াই তুমি বহাগৰ বিহুত ঘৰলৈকে এবাৰ আহি যাবাহি। চিঠিৰ উত্তৰ দিবা। ভগৱন্তই তোমাৰ মঙ্গল কৰক। ইতি।

তোমাৰ পিতা,
শ্রীকমলেশ্বৰ চলিহা

কি মস্কিল!

ঘৰখনত কেৱল বিয়াৰ চিন্তা।

বিয়াখন হ'লেই আইৰ বেমাৰ ভাল হ'ব নেকি?

অসমৰ চাৰিওফালে জুই জ্বলিছে, ঘৰত আকৌ বিয়াৰ চিন্তা।

দেশখন এতিয়া পবিত্র হৈ আছেনে?

পবিত্র হোমাগ্নি জ্বলাবলৈ ঠাই ক'ত? কেউফালে কেৱল মৰিশালি।

ঘৰে ঘৰে আজি উচুপনি। বিয়া কিহৰ?

এই বছৰ বিয়া হ'ব নোৱাৰে। চিঠি লিখিলেই হ'লনে?

"ছাৰ, চাহ দিছোঁ।"

"অঁ। থৈ দে।"

চাহ দি ধনেশ্বৰ আঁতৰি গ'ল। ভালে নাচালোঁ। সি সম্ভৱ গম পাইছে, মই কিবা খণ্ডত আছোঁ বুলি।

খামত চিঠিখন ভৰাই থৈ দিলোঁ। বিচনাখনৰ পৰাই চাহ কাপ লৈ এশোহা দি দীঘলীয়া খামৰ চিঠিখন ফালি উলিয়ালোঁ।

চিঠিখন ধুনীয়া। আৰ্ট পেপাৰত লেখা। নাম ঠিকনাবোৰ প্ৰিণ্ট্ কৰা। চাহ খাই খাই চিঠিখন পঢ়িলোঁ ঃ

প্রতি
অধ্যাপক প্রদীপ চলিহা
লঙ্কা মহাবিদ্যালয়
ডাকঘৰঃ লঙ্কা
জিলা ঃ নগাওঁ, অসম।

অসমী প্রকাশ
শিলপুখুৰী
গুৱাহাটী, ৭৮১০০৩

শ্রদ্ধেয়

শ্রীযুত চলিহা,

নমস্কাৰ ল'ব। 'ঝুমুৰৰ মূৰ্চ্ছনা' উপন্যাসখন প্ৰঢ়ি অভিভূত হ'লোঁ। আপোনাৰ লগত চিনাকি হোৱাৰ সৌভাগ্য পালে, ইয়াৰ বিষয়ে নিশ্চয় আলোচনা কৰিম।

শ্রীযুত চলিহা, আপোনাৰ লেখা উপন্যাস এখন প্রকাশ কৰাৰ সুযোগ আমাকো দিয়ক। ১০০/১২০ পৃষ্ঠামানত ছপাব পৰাকৈ উপন্যাস এখন অহা জুন মাহৰ ভিতৰত দিয়ক। শাৰদীয় উৎসৱৰ সময়ত প্রকাশৰ ব্যৱস্থা কৰিম।

আশাকৰোঁ মোক নিৰাশ নকৰিব। আপোনালৈ 'পলাশ' একপি ডাকযোগে পঠালোঁ। প্ৰাপ্তি স্বীকাৰ কৰিব। বহুতো আশা আৰু লগতে শুভেচ্ছাৰে—। ইতি।

আপো...

প্ৰশান্ত কুমাৰ শৰ্মা

৭ মাৰ্চ, ১৯৮৩।

এশ, এশ বিশ পৃষ্ঠাৰ উপন্যাস!

লাগে তাকো অহা জুন মাহৰ ভিতৰত।

দেশৰ এই পৰিস্থিতিত কোনোবাই সুস্থিৰভাৱে চিন্তা কৰিব পাৰিছেনে? হেমন্ত বৰুবালৈকো চুক্তিবদ্ধ উপন্যাসখনকে ইমান দিনে পঠাব পৰা নাই। লাগ বুলিলেই দিব পৰা হ'লে লঙ্কা কলেজত কন্‌ছ'লিডেটেড্ পে'ত চাকৰি নকৰি উপন্যাস লিখিয়েই খাই-বই সুখেৰে কটাব পাৰিলোঁহেঁতেন।

চিঠিখন খামত ভৰাই থ'লোঁ।

বাস্তৱতাৰ খবৰ জনাই চিঠি এখনকে দিব লাগিব, উপন্যাস লেখা এতিয়া সম্ভৱ নহয় বুলি। বহুতো আশা কৰিয়েই 'পলাশ' একপি পঠাইছে। সেয়াও জানো কম?

কিন্তু মই কি কৰোঁ?

সময় ক'ত?

শিক্ষক সন্থাই বৰ্জন কৰিলেও সমন্বয়-দিৱসৰ প্ৰস্তুতি কৰি যাব লাগিব।

চাহকাপ শেষ কৰি চিগাৰেটডালত টান এটা দিলোঁ। উহ্, কি যন্ত্ৰণা! চাহ কাপ খাইহে মুৰুটো অলপ পাতল পাতল লাগিছে।

'সেতুবন্ধ' আলোচনীখন মেলি ললোঁ।

বেটুপাত বহু চকুত লগা হৈছে।

বেণু মিশ্ৰই অঁকা।

এব্‌ষ্ট্ৰেক্ট আৰ্ট যদিও বোধগম্য। প্ৰকৃতি আৰু মানুহৰ এক ছন্দায়িত সেতু বন্ধনৰ মধুৰ মূৰ্ছনা। পলাশ আৰু মদাৰ ফুলৰ ৰং যেন জুইৰ শিখা হৈ নামি আহিছে মানুহৰ হাতলৈ। বৈপ্লবিক চেতনাৰে সমৃদ্ধ পৰিপুষ্ট এক আৰ্টিষ্টিক্ এক্সপ্ৰেছন্।

সম্পাদকীয় শিতানৰ বিষয়ে সুস্থ মননশীল চিন্তাৰেই ইঙ্গিত বহন কৰিছেঃ সাহিত্যত বিবেকৰ দংশন।

চুম্বকৰ শক্তিৰে শক্তিশালী এই শব্দ-শক্তি।

বিদেশী-বহিষ্কাৰ আন্দোলনে বহুতো আলোচনীৰ জন্ম দিলে। এই আলোচনীবোৰৰ প্ৰায়বোৰৰে প্ৰকাশৰ সুৰত ব্যৱসায়ৰ দিশ এটা নিহিত আছে। 'সেতুবন্ধ' এক ব্যতিক্ৰম।

সাহিত্যৰ পৰিধিৰ পৰা নিজকে আঁতৰি যাবলৈ দিয়া নাই। দেশ আৰু কাল অতিক্ৰমি সাহিত্যই সদায়েই গতি লাভ কৰি আহিছে। 'সেতুবন্ধ' নামটো এইফালৰ পৰাও তাৎপৰ্যপূৰ্ণ।

প্ৰৱৰ সেনৰ অমৰ কাব্য সেতুবন্ধ, 'ৰাৱণবহো' লৈ মনত পেলায় নামটোৱে। অসমৰ বিশ্ববৰেণ্য পণ্ডিত কৃষ্ণকান্ত সন্দিকৈয়ে 'সেতুবন্ধন'ক বিশ্বৰ আগত এটি উজ্জ্বল নক্ষত্ৰৰ দৰে অমৰ কৰি যোৱা নাই জানো?

নামটোত এটা ক্লাছিক্ টাছ্ আছে বাবেই যে মই ভালপাওঁ এনে নহয়, অসমীয়া আলোচনী-সাহিত্যত এইখনেই সাহিত্য-ধৰ্মক অক্ষুন্ন কৰি ৰাখিবলৈ সক্ষম হৈছে। সম্পাদক গৰাকীৰ এই দৃষ্টি, অসমীয়া সাহিত্যৰ বাবে সঁচাকৈয়ে আশাপ্ৰদ। আলোচনীখনৰ বেটুপাত আৰু সম্পাদকীয় শিতানৰ সম্যক উপলব্ধিৰে কথাখিনি ভাবিলোঁ।

কুণ্ডলি পকাই পকাই নিঃশেষ হোৱা চিগাৰেটৰ ধোঁৱাৰ দৰেই মোৰ অনুভূতিবোৰ এটা মুহূৰ্তত হেৰাই গ'ল ক'ব নোৱাৰাকৈয়ে। চিলিঙৰ ওপৰত জেঠিটোৰ টিক্ টিক্ শব্দত মই হঠাতে যেন সাৰ পাই উঠিলোঁ।

সূচীপত্ৰত চকু ফুৰালোঁ। প্ৰবীণ আৰু নবীন লেখকৰ লেখনিৰে এইবাৰৰ আলোচনীখন পৰিপুষ্ট। কবিতাৰ শিতানত দেখিলোঁ এগৰাকী নতুন কবিৰ নামঃ মনজিৎ সিং।

মনজিৎ সিং।

নামটো বৰ চিনাকি চিনাকি লগাচোন।

মনজিৎ সিং?....

এৰা। লজ্জাৰ শিখ্ গাঁৱৰ ল'ৰাজন নহয় জানো? কেতিয়াৰ পৰা এওঁ কবিতা লেখিব পৰা হ'ল? 'সেতুবন্ধ'ত প্ৰকাশ পোৱা মানেই উন্নত মানদণ্ডৰ কবিতা নিশ্চয় হ'ব লাগিব।

বাৰ পৃষ্ঠাৰ পাতখিলা মেলিলোঁ।

এটি জন-জাতীয় নামেৰে কবিতাটি ওলাই পৰিল— 'উম্‌ৰাংছ'ৰ জোন'!

উম্‌ৰাংছ'ক লৈ ডঃ ভূপেন হাজৰিকাই গীত এটি ৰচনা কৰা নাছিল জানো? শব্দটোত কিবা মিঠা আমেজ এটা সনা আছে।

পাদটীকাত লেখা কথাখিনি পঢ়িলোঁ। উম্‌ৰাংছ' শব্দৰ অৰ্থ হ'ল 'গৰম পানী'। শব্দ গাঁথনিৰ প্ৰতি আকৰ্ষিত হ'লোঁ।

খাছী ভাষাত 'উম্' শব্দৰ অৰ্থ পানী। কিন্তু ৰাংছ'? কাৰ্বি শব্দনেকি? আলোচনীখন উবুৰিয়াই থৈ কাৰ্বি অভিধান 'কাৰবি লাম তাছাম'খন উলিয়ালোঁ। 'ৰ'বৰ্ণৰ এণ্ট্ৰিবোৰ চাই শব্দটো বিচাৰি নাপালোঁ।

তেনেহ'লে কি ভাষাৰ শব্দ বাৰু? অভিধানখন জপাই থলোঁ লাহেকৈ।

চিন্তা কৰিলোঁ, কাৰ্বি ভাষাত পানীক 'লাং' বোলে।

এৰা। 'লাং' শব্দটোৱে 'ৰাং' হ'বও পাৰে। 'ল' আৰু 'ৰ'— এই ধ্বনি দুটাৰ সঘনে পৰিবৰ্তন হোৱা কথাটো ভাষা-বিজ্ঞানে স্বীকাৰ কৰে। তেনেহ'লে ঠিকেই। লাং শব্দই 'ৰাং' হৈছে। কিন্তু ছ' মানে বা কি? কি মস্কিল!

অভিধানখন আকৌ মেলি ললোঁ।

এৰা। ছ' মানে 'তপত'।

বাঃ! ইমান বঢ়িয়াকৈ ওলাই গ'ল। উম্‌ৰাংছ' শব্দটো দৰাচলতে উম্‌লাংছ' অৰ্থাৎ গৰমপানী।

উস্! খাছী আৰু কাৰ্বিৰ কি এক অদ্ভুত সংমিশ্ৰণ। মই যেন হঠাতে কিবা ডাঙৰ বস্তুহে আবিষ্কাৰ কৰিলোঁ। অভিধানখন থৈ আলোচনীখন আকৌ মেলি ললোঁ।

মনজিৎ সিঙৰ কবিতাটো পঢ়ি গ'লোঁ।... বাঃ, কাব্যিক ব্যঞ্জনাপূৰ্ণ কি মধুৰ এক্সপ্ৰেছন্!

লক্ষায়ো তেনেহ'লে এজন কবিক সৃষ্টি কৰিলে! ভাবিয়েই দেখোন ভাল লাগে। এইয়া 'নেপ্‌কো'ই দি যোৱা সাংস্কৃতিক চেতনাৰেই মৃত্যুহীন ৰূপ নহয় জানো? সময় উলিয়াই সিঙক কংগ্ৰেচুল্যেছন্ জনাই আহিব লাগিব।

"হেৰি চলিহা, ঘৰত আছেনে?"

আলোচনীখন জপাই দুৱাৰৰ ফাঁকেৰে জুমি চালোঁ। পৰ্দাখনে মানুহজনক আঁৰ কৰি ধৰিলে।

"কোন?"

"কমৰেড্ বীৰেশ শৰ্মা।"

মোৰ উত্তৰলৈ অপেক্ষা নকৰি শৰ্মাই ভিতৰলৈ সোমাই আহিল। ডাঢ়ি-চুলিৰে ডোবোকাৰ হৈ পৰাত শৰ্মাক প্ৰথমতে চিনিবই পৰা নাছিলোঁ।

"হাৰে, শৰ্মা দেখোন! আপুনি আকৌ কমিউনিষ্ট্ হ'ল কেতিয়া?"

"জেলত সোমোৱা মানেই কমিউনিষ্ট্। কি হ'ল, শুই আছে দেখোন?"

"অলপ পানী লগাৰ নিচিনা হৈ আছে।"

"এই হেন ডেকা মানুহটো, কি পানী লগা হয়হে।" চকীখনত বহি শৰ্মাই ক'লে।

"ওৱেডাৰ চেঞ্জৰ কাৰণে যেন পাইছোঁ।"

"মাত অলপ বহিল। কি খাইছে?"

"কিবা কেপ্চ্যুল আৰু ডায়কোৰিল্ টেব্লেট।"

"ভাল পাইছেনে?"

"হয়। মূৰৰ গধূৰ ভাব আঁতৰিছে। .... ধনেশ্বৰ!"

"ছাৰ!"

"কি কৰিছ? এইফালে আহ।.... পিছে শৰ্মা, আহিল কেতিয়া?" চিগাৰেট আৰু দিয়াচলাই আগবঢ়াই শৰ্মাক সুধিলোঁ।

"তিনিদিন মানেই হ'ল, আহি পোৱা।" চিগাৰেট আৰু দিয়াচলাই বাহ লৈ শৰ্মাই ক'লে। ধনেশ্বৰ সোমাই অহা দেখি তাক ক'লোঁ, "এই, ছাৰ আহিছে নহয়। যাচোন, চাহ দুকাপ ভালদৰে কৰি আন। বিস্কুট আছে নহয়?"

"আছে ছাৰ।"

"অঁ। যা। ..... হেৰৌ শুন। এইখালি কাপটোও লৈ যা।"

"ধনেশ্বৰটো বেছ ডাঙৰ হ'ল। টেবুলৰ ওপৰৰ কাপটো লৈ যোৱা ধনেশ্বৰলৈ চাই শৰ্মাই মন্তব্য দিলে।

"ডাঙৰ হ'লে কি হ'ব, কামত একো নাই। তাক ঘৰলৈ পঠিয়াবহে লাগিব।" আলোচনীখন শৰ্মালৈ আগবঢ়াই ক'লোঁ।

চিগাৰেটটো ওঁঠত বেঁকাকৈ লৈ বীৰেশ শৰ্মাই আলোচনীৰ পাতবোৰ এখিলা এখিলাকৈ লুটিয়াবলৈ ধৰিলে। একান্তমনে আলোচনীৰ পাত লুটিয়াই থকা শৰ্মাৰ মুখলৈ চাই ৰসিকতা কৰিবলৈকে সুধিলোঁ, "আনে ভকাই-শীনাই আছে, আমাৰ শৰ্মাই জেলত থাকি পকা থেকেৰা হেন হৈ আহিছে দেখোন।"

আলোচনীৰ পাতৰ পৰা মূৰ তুলি হাস্য-মিহলি মুখেৰে ডাড়িকোছাত হাত বুলাই শৰ্মাই ক'লে, "নেছনেল্ চিকিওৰিটি এক্টৰ মহিমা তাতেই। ভি, আই, পি, ট্ৰিট্‌মেণ্ট্। লাগ বুলিলে সকলো পাওঁ। আনকি, মাছৰ টুকুৰাও ওজন কৰিহে খাওঁ। ওজনত অলপ হেৰ-ফেৰ হ'লেই জেইলাৰৰ ওচৰত কম্‌প্লেইন্— আমাৰ প্ৰাপ্যৰ ভিতৰৰে ব্ৰেক্ কৰা বুলি। বৰ জমিছিল, বুইছেনে?" — হাঃ হাঃ কৰি শৰ্মাই হাঁহি মাৰিলে। নিজম পৰি থকা ঘৰটোত জীয়া মানুহৰ হাঁহিৰে খন্তেকৰ বাবে মোৰ ঘৰখন উপচি পৰিল।

"তেনেহ'লে আপোনাৰ মিচেছৰ লগত আমি মিছাকৈয়ে চিন্তা কৰি মৰিলোঁ।"

"কিয়? ফাঁচীত গ'লোঁ বুলি?"

"হেঃ! সেইটো নহয়। অনভিজ্ঞ জেল-জীৱনৰ বাবে আমাৰ কিছু চিন্তা হৈছিল।"

"বেছ আৰামতেই আছিলোঁ। পিছে, সেয়া বন্দী জীৱন নহয় চলিহা, মাজে মাজে বেয়া লাগে। কিন্তু কি জানে?" —'এইবুলি কৈ শৰ্মাই দীঘলকৈ চিগাৰেটত টান এটা দিলে। শৰ্মাৰ বক্তব্য শুনিবলৈ উদগ্ৰীৱ হৈ চাই ৰ'লোঁ। টান দিওঁতে জ্বলি উঠা চিগাৰেটৰ আগটোৰ দৰেই মোৰ মনৰ ভিতৰতো কিবা এটা জ্বলিব ধৰা যেন অনুভৱ কৰিলোঁ।

"দিনে দিনে জেললৈ অহা অসমৰ সংগ্ৰামী মানুহৰ মুখবোৰ দেখিলে মোৰ বুকু ফুলি উঠে। ভাব হয়— মই অকলে জেললৈ অহা নাই। অসম মাতৃৰ কাৰণে আজি অগণন সন্তানৰ আত্মাই কান্দিব লাগিছে। 'জয় আই অসম' ধ্বনিয়ে জেলৰ চৌহদখন যেতিয়া ৰজনজনাই যায়, তেতিয়া ইটাৰ দেৱালবোৰ যেন এটা এটাকৈ খহি যাব ধৰিছে! মন-প্ৰাণ তেতিয়া পুলকিত হৈ উঠে, সীমাহীন আনন্দত। মই বীৰেণ শৰ্মা তেতিয়া হেৰাই যাওঁ, মোৰ সমষ্ট সত্তাই যেন অসমী আইৰ মাটিৰ লগত মিলি যোৱা দেখোঁ। অসমৰ বুকুতে থকা জেলৰ মাটিডোখৰো তেতিয়া ভাব হৈছিল এক মহাতীৰ্থ। কি যে প্ৰেৰণা! সেয়া কি অদ্ভুত শিহৰণ!"

দেশ প্ৰেমৰ আশ্চৰ্য প্ৰকাশ শৰ্মাৰ দুচকুত উজলি উঠা দেখিলোঁ। হতবাক হৈ মই চাই ৰ'লোঁ শৰ্মাৰ মুখলৈ। কিয় জানো, হঠাতে মোৰ ভিতৰত এটি আঘাত অনুভৱ কৰিলোঁ। মোৰ অন্তৰখন যেন কঁপি উঠিল! বীৰেণ শৰ্মাৰ এই অনুভূতিৰ কথা শুনাৰ বাবে মোৰ যেন কোনো অধিকাৰ নাই! নিৰ্বাচনৰ আগৰ লকা আৰু

নিৰ্বাচনৰ পিচৰ লঙ্কাৰ আকাশ আৰু পাতল। বীৰেণ শৰ্মাই বাৰু এই পৰিবৰ্তন দেখিছেনে?

"পিছে, গছত উঠাই গুৰি কটা লোক ঢেৰ হ'ল হেনো। কথাটো সঁচানে চলিহা?" শৰ্মাই ফোচ্‌ফোচাই চিগাৰেট হুঁপি হুঁপি কথাখিনি ক'লে।

কাষতে বহি আলোচনীৰ পাত লুটিয়াই থকা শৰ্মাৰ মুখলৈকে এবাৰ চালোঁ। বেটুপাতৰ ওপৰত হাত বুলাই বুলাই শৰ্মাই মোৰ মুখলৈ তীব্ৰ দৃষ্টি নিক্ষেপ কৰিলে।

বৰ অসহায় অনুভৱ কৰিলোঁ। এই প্ৰশ্নটোৰ উত্তৰ কোনে দিব? ধনেশ্বৰে আনি দিয়া চাহ কাপ আগবঢ়াই ক'লোঁ, "শৰ্মা, খাওকচোন। গুদা চাহহে দেই।"

"এইয়া বিস্কুট আছেই দেখোন।" প্লেটখনৰ পৰা বিস্কুট এখন লৈ ক'লে।

বিস্কুট ডোখৰত একামোৰ দি কিছু কৌতুহল দৃষ্টিৰে শৰ্মাই মোৰ মুখলৈ চাবলৈ ধৰিলে। বিচৰা প্ৰশ্নৰ উত্তৰ নোপোৱাত তেওঁৰ চকু দুটাত সন্দেহৰ ছাঁ ঘনীভূত হোৱা দেখিলোঁ। হঠাতে 'উস্'! বুলি গভীৰ নিশ্বাস এৰি শৰ্মাই ক'লে, — "এইকণ নৈতিক শক্তিৰে নিৰ্বাচন ওফৰাবলৈ নামঘৰত শপত গ্ৰহণ কৰে! দেশতকৈ চাকৰি ডাঙৰ নহয় বুলি অফিচ এৰি গুচি আহে! সংগ্ৰাম এটা বিলাস নেকি?"

"আপোনাক খবৰটো কোনে দিলে?" বিৰাব ধৰা সোঁ-ভৰিখন মেলি শৰ্মাক সুধিলোঁ।

'খবৰটো আনে দিব লাগেনে চলিহা? বাহিৰলৈ ওলাই আহিলেই বুজিব পাৰি নহয়। বৰ বৰ লেক্‌চাৰ দিয়াবোৰে দেখোন এতিয়া খবৰ ল'বলৈকে সময় নোপোৱা হ'ল।"

"সময় নোহোৱা নহয়, ভয় হৈছে।"

"কিহৰ ভয় হেৰি? জেল-হাজোতত থাকিব লাগে বুলি, চাকৰি যাব বুলি?" শোহা মাৰিব ধৰা চাহ কাপটো থৈ শৰ্মাই কিছু খঙেৰে কথাখিনি ক'লে।

"এৰা। চাকৰিজীৱি মানুহৰ দুৰ্বলতা সেইখিনিতেই।" চাহ এঢোক গিলি শৰ্মাৰ আগত কথাটো প্ৰকাশ কৰিলোঁ।

"তেতিয়া হ'লে সংকল্প গ্ৰহণৰ সময়ত চহী দিছিল কিয়? মই তেতিয়াই কোৱা নাছিলোঁ জানো, আমাৰ মাটি-বাৰীয়েই আছে, সে ধানৰ ভঁৰালেই আছে, চাকৰিটো গ'লেও পৰিয়ালক পোহ-পাল দিব পাৰিম বুলি? যাহৰ দৰমহাটো দুদিন পলমকৈ পাওঁতেই, যি সকলৰ হাহাকাৰ হয়, সেইসকলে সংগ্ৰাম কৰিব পাৰিবনে?

ভাবি চাবলৈ কওঁতে সকলোৱে চিঞৰিছিল— দেশতকৈ চাকৰি ডাঙৰ নহয় বুলি। এতিয়া? মই শৰ্মা জেললৈ যোৱা দেখি, চাকৰিৰ পৰা নিলম্বিত হোৱা দেখি, সকলোৱে মুখবোৰ টেমি যেন হ'ল! আনকি খবৰ ল'বলৈ অহাটোও এতিয়া অপৰাধবোধ হ'ল।"

মই পিঞ্জৰাবদ্ধ হৈ সকলো যন্ত্ৰণা নীৰৱে সহি যাব ধৰিলোঁ। অসহায়ভাৱে চাহকাপ হাতত লৈ দুৱাৰৰ ফাঁকেৰে বাহিৰৰ মুকলি আকাশলৈ চাই ৰ'লোঁ। দুৰ্বল মোৰ শৰীৰটো যেন অৱশ হৈ পৰিব ধৰিলে। মই যেন শৰ-শয্যাত পতিত বৃদ্ধ ভীষ্মহে! আকণ্ঠ তৃষ্ণা যেন অনুভৱ কৰিছোঁ শৰ্মাৰ প্ৰতিটো শব্দত। অপমানিত হোৱা শৰ্মাৰ আত্মাৰ ক্ৰন্দন শুনি মোৰ বুকুখন গধুৰ হৈ যোৱা অনুভৱ কৰিলোঁ।

"শৰ্মা, 'জয় আই অসম' ধ্বনিটো প্ৰত্যেকৰ আত্মাৰ পৰা অহা হ'লে অসমখন ইমান তললৈ নাযায়। আমি কম-বেছি পৰিমাণে আটাইবোৰেই আত্মকেন্দ্ৰিক হৈছোঁ। সমাজৰ কথা, দেশৰ কথা চিন্তা কৰা মানুহৰ সংখ্যা আজিকালি তাকৰ হ'ল বুজিছেনে?" কথাখিনি কওঁতে মোৰ শ্বাস-প্ৰক্ৰিয়াত গধুৰতা অনুভৱ কৰিলোঁ।

ভৰি দুখন কোঁচাই কাপোৰখন ভালদৰে লৈ শৰ্মাৰ মুখলৈ চালোঁ। শৰ্মা যেন হঠাতে তন্ময় হৈ পৰিল। গুম্‌গুমনি শব্দেৰে আহি থকা ট্ৰেইন্‌খন দ্ৰুত গতিৰে অতিক্ৰম কৰি গ'ল নামনিৰ ফালে। দুৱাৰৰ ফাঁকেৰে চকামকাকৈ দেখিলোঁ — গুড়ছ্ ট্ৰেইনৰ ডবাবোৰ। শৰ্মাই চাহৰ কাপটো থৈ চিগাৰেট বিচাৰি ক'লে, "চলিহা, চিগাৰেট আছেনে? দৌৰাদৌৰি কৰি আহোঁতে চিগাৰেট বাহ ঘৰতে এৰি আহিলোঁ।"

চিগাৰেট আৰু দিয়াচলাই বাহ আগবঢ়াই দিলোঁ। শৰ্মাই চিগাৰেটটো ওঁঠত বেঁকাকৈ লৈ জ্বলালে। চিগাৰেট জ্বলাওঁতে সোঁ-ফালৰ চকুটো সৰু কৰি জ্বলি থকা কাঠিৰ শিখালৈ চাই অলপ পৰ ৰ'ল আৰু জোঁকাৰ মাৰি জুইৰ শিখা নুমুৱাই এছট্ৰেত ভৰাই দিলে। আঙুলিৰ ফাঁকেৰে চিগাৰেটটো ধৰি মুখৰ পৰা ধোঁৱা এসোপা এৰি দিলে। ধোঁৱাখিনিৰ লগতে এটি হুমুনিয়া পেলালে দীঘলকৈ। ডাঢ়িকোছাত হাত বুলাই শৰ্মাই লাহেকৈ ক'লে, "তেনেহলে দুমাহ জেলত থাকি ইয়াকেহে পালোঁ! দুৰ্ভাগ্য বুজিছেনে— এই অসমীয়া জাতিটোৰ।"

"দুৰ্ভাগ্য নহয় শৰ্মা, সৌভাগ্যহে। আমাক শিক্ষা এটা দিলে। স্বাধীনতাৰ উত্তৰাধিকাৰী মানুহখিনিৰ মনৰ আচল ৰূপটোক আন্দোলনে উদঙাই দেখুৱালে।" চিগাৰেট এডাল উলিয়াই ক'লোঁ।

"মানুহ ইমান স্বাৰ্থপৰ বুলি জনা নাছিলোঁ। অফিচাৰৰ নোট-বুকত মইহে কেৱল ব্লেক্-লিষ্টেড্ হ'লোঁ।"

"আপুনি কোৱাৰ দৰে গহ্বত উঠাই গুৰি কটা মানুহৰ সংখ্যাই সৰহ হ'ল অসমত। এতিয়া নিজৰ বিবেকক সুধিহে কামত আগ বাঢ়িব লাগিব, বুজিছে শৰ্মা।"

"ঠিকেই। পিছে এটা কথা শুনিছোঁ। হয়নে চলিহা?"

"কি? কওকচোন।"

"আপুনি আটাইতকৈ বিপদপূৰ্ণ পথত খোজ দিছে কিন্তু। মোৰ যি হ'ল, হ'ল। ইয়াত ৰাৱণ বহুত। সাৱধান দেই। যিখন দেশে সমন্বয়ক স্বীকাৰ নকৰে, সেইখন দেশত আপুনি সমন্বয় আনিব কেনেকৈ? এনে আদৰ্শৰ প্ৰতি মোৰ শ্ৰদ্ধা এতিয়া নোহোৱা হৈছে, বুজিছে চলিহা। শেষত সকলো দোষ আপোনাৰ ওপৰত জাপি দিবলৈ চাব দেই।"

চিগাৰেটৰ পৰা ধীৰে ধীৰে নিৰ্গত হোৱা ধোঁৱাখিনিলৈ চাই শৰ্মাৰ কথাখিনি শুনি গ'লোঁ। মোৰ মনলৈ বিভীষিকাৰ ছায়া-মূৰ্ত্তি এটা আচম্বিতে নামি অহা যেন পালোঁ।

অজানিত আশংকাত মোৰ মনটো হঠাতে কঁপি উঠিল। মই বৰ নিঃসহায়বোধ কৰি লাহেকৈ ক'লোঁ, "শৰ্মা, লঙ্কাৰ বিষয়ে মোৰ জ্ঞান সীমিত। ইয়াৰ বাইজে সমন্বয় দিৱস পাতিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। মোৰ ওপৰত গধুৰ দায়িত্বও জাপি দিছে। হৈ যোৱা সাধাৰণ নিৰ্বাচনে অসমীয়া সমাজখনক বৰ বেয়াকৈ জোঁকাৰি পেলালে। এই কথাটো ময়ো কিছু উপলব্ধি কৰিছোঁ। আশ্ৰয়-শিবিৰলৈ আপুনি গৈছেনে শৰ্মা?"

"আশ্ৰয় শিবিৰ! কিহৰ আশ্ৰয় শিবিৰ?" আচৰিত হৈ মোলৈ চাই ক'লে শৰ্মা।

"হয়। প্ৰাণৰ ভয়ত পলাই অহা মানুহখিনিলৈ চালে দুখ লাগে। অকল বঙালী বা মিএগ সম্প্ৰদায়ৰে নহয়, থলুৱা জন-গোষ্ঠীৰ মানুহবোৰেও প্ৰাণৰ আশংকাত ঘৰ-বাৰী এৰি আহিছে। অহিংস আন্দোলনৰ শেষ পৰিণতি যদি এইটোৱেই হয়, তেনেহ'লে অসম আৰু অসমীয়াৰ বাবে ইয়াতকৈ দুৰ্ভাগ্যজনক ঘটনা আৰু কি হ'ব পাৰে?"

"চৰকাৰেই সন্ত্ৰাসবাদক প্ৰশ্ৰয় দিছে, অহিংস থাকিব ক'ত? কিন্তু কথা হ'ল, এই দুৰ্ভাগ্যজনক ঘটনাৰ বাবে নিৰ্বাচনেই দায়ী নহয় জানো?"— চিগাৰেটত টান এটা দি শৰ্মাই ক'লে।

"মোৰ বোধেৰে নিৰ্বাচনটো ইমিডিয়েট্ ক'জ্‌হে। আমাৰ মাজত সোমাই থকা বহুদিনীয়া বিদ্বেষ, অবিশ্বাসৰ ই আত্মপ্ৰকাশহে। দেশৰ প্ৰতি, মানুহৰ প্ৰতি, সমাজৰ প্ৰতি অবিশ্বাসৰ ভাব ঘণীভূত হ'লে, অহিংস পথেৰে মানুহে মনৰ সমস্যা সমাধান কৰিব নোৱাৰে শৰ্মা। আমাৰ জাতিৰ পিতা মহাত্মা গান্ধীয়ে নিজেই 'হিমালয়ান্ মিছ্‌কেল্‌কুলেছন্' বুলি সত্যাগ্ৰহীসকলৰ কাৰ্য্যাৱলীক স্বীকাৰ নকৰিলেহেঁতেন। আমাৰ অহিংস আন্দোলনৰ ভিতৰতো হিংসাই কিছু গা কৰিছে। এই কথাটো আমি স্বীকাৰ কৰিবলৈ আত্মবল গোটাব পাৰিছোঁ জানো?"

বীৰেণ শৰ্মাই চিগাৰেটত দীঘলকৈ টান এটা মাৰি দুৱাৰৰ ফালে চালে আৰু বিস্ময় ভৰা দৃষ্টিৰে মোলৈ চাই ক'লে, "এৰা। কিবা খেলি-মেলি হৈ গ'ল। বাৰু চলিহা, মই উঠোঁ। ৰাইজে ভাবিছে যেতিয়া ভালেই হৈছে। পিছে, এই ৰাইজখিনি, একেখিনিয়েই। ভালদৰে চলিব। মানুহৰ মন বুজা টান। উঠোঁ।"

"ভাল বাৰু।"

বীৰেণ শৰ্মা ওলাই গ'ল লাহেকৈ। দুৱাৰৰ ফাঁকেদি এবাৰ জুমি চালোঁ। বাটৰ কেঁকুৰিত শৰ্মাক নেদেখা হ'লোঁ। মোৰ মনৰ কথাখিনি শৰ্মাই ভালেই পালে নে বেয়াই পালে, বুজিব নোৱাৰিলোঁ। শৰ্মাৰ মনৰ খবৰ ময়ো নাপালোঁ। আবেলিৰ পোহৰত বগা হৈ উজলি উঠা টেলিফোনৰ ইন্‌ছুলেটৰবোৰলৈ চাই ৰ'লোঁ, — এটি গভীৰ বেদনাৰে।

এঘাৰ অধ্যায়

ঝুমুৰ!

ইমান মিঠা শব্দটো!

মাদলৰ ধ্বনিতকৈয়ো মিঠা।

অকল মিঠাই নহয়, মৰম লগাকৈ ধুনীয়াও।

ঠিক যেন চোতালত আপোন ইচ্ছাৰে ফুলি থকা এপাহ গেন্ধা ফুলহে। কিয় নাজানোঁ, শব্দটোৱে মোক সহজতে আকর্ষণ কৰি লৈ যায়— প্রাচীন ঝুমুৰী কবিতাৰ কাষলৈ আৰু ভাওনা ঘৰৰ ঝুমুৰালৈ।

ঝুমুৰ, ঝুমুৰা আৰু ঝুমুৰী!

ইমান চিনাকি এই শব্দবোৰ!

ঠিক যেন মাওকিঠাই শিলচটাৰ কাষেৰে প্রবাহিত হোৱা নৃত্যৰতা কপিলীহে। শব্দকেইটাই মোৰ মনলৈ আনি দিলে চাহ-বাগানৰ কেঁচা আমেজ। দুচকুত ভাঁহি উঠিল অসমৰ বর্ণাঢ্য চাহ-বাগিচাৰ ৰূপ আৰু তাৰ মানুহখিনি। মানৱ সংমিশ্রণে কঢ়িয়াই অনা এই গভীৰ সত্যবোৰৰ কথা কেতিয়াবা ভাবিলে বিস্মিত হৈ পৰোঁ। অবাক হৈ ভাবোঁ, অসমীয়া জীৱন-প্রবাহৰ ৰূপ আৰু ইয়াৰ সাংস্কৃতিক উৎপাদনবোৰৰ কথা। ঢোল, খোল আৰু মাদল, এই তিনিওটা ৰূপ একেটা সত্তাৰেই বিভিন্ন ৰূপ নহয় জানো?

এই প্রেৰণাইতো মোৰ দৃষ্টিৰো উৎস!

মাদলৰ শব্দত 'পাগ্‌লা' হোৱা মানুহবোৰক লৈয়েই 'ঝুমুৰৰ মূৰ্চ্ছনা' উপন্যাসখন লেখিলোঁ। সেই একেটা জন-গোষ্ঠীৰ মানুহখিনিয়ে লক্কাৰ মাটিত গাওঁ পাতি 'কিষাণ' জীৱনৰ পাতনি মেলিছেহি। ৰাতিপুৱাৰে পৰাই মোৰ মনটোৱে উথল-মাথল লগাই আছে এই বনুৱা মানুহখিনিৰ জীৱনক চাবলৈ। মনৰ এই দুৰ্বাৰ গতিত মই এক অসহায় শিশুৰ দৰে হৈ পৰিছিলোঁ।

ক'তা?

বিশ্বনাথ দেখোন এতিয়াও ওলোৱাহি নাই?

যোৱা কালিয়েই ক্লাছত তাক কৈ থৈছিলোঁ দহ বজাত আহিবলৈ। এতিয়া চাৰে দহ বাজিবৰ হ'লেই। কি মস্কিল!

বাহিৰলৈ ওলাই চালোঁ।

নাই। তাৰ ছাঁটোও দেখা নাই। বাৰাণ্ডাৰ চকীখনতে বহি চিগাৰেট এডালকে জ্বলাই ল'লোঁ। ৰেলৰে ট্ৰেক্টটো মোৰ চকুত ভাঁহি উঠিল। দেখিলোঁ— অদূৰত খালাছীবোৰে ট্ৰ'লি এখন ঠেলি নিছে। সম্ভৱ ক'ৰবাত লাইন মেৰামতি কৰিব। ৰঙা পতাকা দুখন বতাহত কঁপি কঁপি পছিমলৈ গৈ থকা ট্ৰ'লিখন নেদেখা হ'লোঁ।

এৰা!

শিলগুটি, স্লীপাৰ আৰু তীখাৰ ছিৰি দুডাল আপডাল কৰাই খালাছীৰ কাম। দেখাত এই কাম সামান্য, কিন্তু দায়িত্ব অতি গধুৰ। একোটা সামান্য ত্ৰুটিয়েই ৰেল এখন বগৰাব পাৰে, শ-শ যাত্ৰীৰ জীৱন বিপদাপন্ন কৰিব পাৰে। ৰঙা নিচান পুতি প্ৰখৰ ৰ'দত পৰিশ্ৰম কৰি থকা এই মানুহখিনি দেখি মনলৈ প্ৰশ্ন আহে, মানৱ সেৱাৰ প্ৰকৃত পূজাৰী এই খালাছীসকলেই নহয় জানো? নিজৰ দায়িত্বৰ প্ৰতি নিৰক্ষৰ বনুৱাবোৰৰ নৈতিক জ্ঞান যিমান, শিক্ষিতসকলৰ সেই জ্ঞান থকা হ'লে, হাৱাইপুৰত ডিনামাইট্ দি ৰেল লাইন উৰুৱাই নিদিলেহেঁতেন।

বিশ্বনাথ কুৰ্মী।

ৰেলৰে গেংমেন ৰামেশ্বৰ কুৰ্মীৰ ল'ৰা।

ৰামেশ্বৰেও খালাছী কাম কৰে। ভাৰতীয় ৰেল-সেৱাৰ নিম্নতম চাকৰিৰ নামেই খালাছী। লঙ্কাৰ এই সাধাৰণ খালাচীজনে জীৱনৰ হাঁহি-কান্দোনৰ সমস্ত অনুভূতিক ৰেলৰে ট্ৰেক্টটোৰ ওপৰত ঢালি দি তাৰ ল'ৰা-ছোৱালীক পঢ়ুৱাইছে। বিশ্বনাথক পঢ়ুৱাইছে। এই অনুভূতি, এই প্ৰেৰণা ৰামেশ্বৰে পালে ক'ৰ পৰা? জীয়াই থকাৰ সংগ্ৰামেই তাক নিশ্চয় শিকাইছে পোহৰক চাবলৈ। আমাৰ ছাত্ৰ বিশ্বনাথ কুৰ্মী সেই পোহৰৰেই এক সঁচা বৰ্ণালী!

বহি আমনি লগাত ভিতৰলৈ সোমাই গ'লোঁ।

কি হ'ল ইয়াৰ!

এঘাৰ বাজিবৰ হ'লেই। শিৱসাগৰ বা যোৰহাটত হোৱা হ'লে, ইমান চিন্তা কৰিবলগীয়া নাছিল। লাগ বুলিলেই ঝুমুৰ নৃত্য অনায়াসে গোটাই মেলি আনিব পাৰি।

কিন্তু লঙ্কাত?

য'ত চাহৰ গছেই নাই, তাত ঝুমুৰ নৃত্য থাকিব ক'ত? বৰুবাই এদিন কৈছিল, "চলিহাদেউ! সৌ সিদিনালৈকে লঙ্কাত ভূমিজ, গোৱালা, মাঝি সম্প্ৰদায়ৰ মানুহেৰে ভৰি আছিল। পঞ্চু কুৰ্মী লঙ্কাৰ গাওঁবুঢ়া আছিল। পঞ্জাব হোটেলৰ কাষতে চম্পা বুঢ়ীহঁতৰ ভেটিটো আছিল। হাবিতলীয়া লঙ্কাখন চহৰ হোৱাৰ লগে লগে এই মানুহখিনি ক'ৰবালৈ আঁতৰি গ'ল।"

কেতিয়াবা ভাবি আচৰিত হওঁ, চহৰৰ সৈতে খোজ দিব নজনা এই মানুহখিনিৰ কথা। চহৰৰ প্ৰতি ইমান বীত-শ্ৰদ্ধ কিয়? ঠাইবোৰ যিমানেই চহৰমুখী হয়, সিমানেই এই মানুহখিনিও অৰণ্যৰ কাষলৈ আঁতৰি যায়। ঠিক আমাৰ জন-জাতিৰ দৰেই। চহৰ বুলিলেই বিছাই ডকাদি ডকা জাতিগত এই স্বভাৱটোৰ কাৰণেই আজি মোৰ এই দুৰৱস্থা।

ই নাহিবই নেকি?

"ছাৰ!"

"কোন? বিশ্বনাথ নেকি?"

"হয়। ছাৰ।"

"আহা, আহা। অথনিৰে পৰা তোমাৰ কথাকেই ভাবি আছিলোঁ দিয়া।"

লাহেকৈ সোমাই অহা বিশ্বনাথক চাই সুধিলোঁ, "ইমান পলম কৰিলা যে? এঘাৰ বাজিবৰ হ'লেই।"

"চাইকেলখনৰ কাৰণেই পলম হ'ল, ছাৰ।"

"বাৰু দিয়া। চাহ একাপ খাবানেকি?"

"নালাগে ছাৰ। মই ভাত খায়েই আহিছোঁ।"

"ভালেই কৰিলা দিয়া। তেনেহ'লে তুমি বহা। মই ওলাওঁ।"

"হ'ব ছাৰ। মই বাহিৰতে আছোঁ।

"অঁ।"

টেবুলৰ ওপৰত সিঁচৰতি হৈ থকা কাগজ-পত্ৰবোৰ সামৰিলোঁ। চিগাৰেট আৰু দিয়াচলাইৰ পেকেটটো জেপত ভৰাই ললোঁ। প'ৰ্টফ'লিঅ' বেগটোৰ ভিতৰত ডট্-পেন্ আৰু কাগজ কেইখিলামান ভৰাই ধনেশ্বৰক মাত দিলোঁ, চাইকেলখন উলিয়াই দিবলৈ।

চাইকেলখনৰ হেণ্ডেলত বেগটো ওলমাই ধনেশ্বৰক ঘৰখন ভালদৰে চাবলৈ ক'লোঁ।

"বিশ্ব, ব'লা। ধনেশ্বৰ, ঘূৰি আহোঁতে গধূলি হ'বও পাৰে। মই আহি নোপোৱালৈকে তই ক'লৈকো নাযাবি, বুজিছ।"

"ভাল ছাৰ।"

ভালুকমাৰীৰ উত্তৰে থকা বিশাল বস্তি অঞ্চললৈ দুয়ো ওলাই গ'লোঁ। ৰংমলাৰ কাষৰ দলংখন পাৰ হৈ কলেজখনলৈ এবাৰ চালোঁ। কাকো নেদেখিলোঁ। তেনেই নির্জন।

লঙ্কাৰ পৰা দুই কিলোমিটাৰ আঁতৰত কলেজখন কিয় পাতিলে? পুৰণিকলীয়া পুখুৰীটোৰ বাহিৰে ইয়াত আছেনো কিটো? পথৰুৱা ঠাই এখন। কোনো পৰিৱেশেই নাই।....

উস! পকী ৰাস্তাটোও ইমান বেয়া হৈছে? চাইকেল চলাবই নোৱাৰি।

গড়কাপ্তানি বিভাগ নাইনেকি? শুনিবলৈ পাইছিলোঁ, নীপ্‌কোৱে হেনো পথটো ল'ব।

কেতিয়া ল'ব?

ধান পকে মানে টুনীৰ মৰণ!

"হেৰা বিশ্ব! এই দাঁতিয়েদি নমাই চলোৱা চাইকেলখন। ইম্‌মান বেয়া হৈছে ৰাস্তাটো। এই বাছবোৰ চলাই আছে কেনেকৈ বাৰু?"

মোৰ কথামতে সিও চাইকেলখন নমাই মোৰ পিছে পিছে আহি থাকিল। ট্রেন্সপর্ট বাছ এখন অতিক্রম কৰি গ'ল ঘেৰ্‌ঘেৰাই।

উস্! ইয়াতো ধূলি।

গৰুগাড়ীৰ লিক্‌বোৰত চাইকেলৰ চকা দুটা সোমাই সোমাই যাব ধৰিলে। আগ চকাটো বচালেও পিছৰ চকাটো গাঁতত সোমাই লাগি ধৰাৰ উপক্রম। মেদিনী-গ্ৰাস নহ'লেই ৰক্ষা। উজুটি খাই পৰিব লাগিলে ঝুমুৰৰ ছন্দ-পতন ইয়াতেই হ'ব! ভালুকমাৰী পুলটো অতিক্রম কৰিহে মনটো অলপ ভাল লাগিল, অন্ততঃ ভালুকমাৰীলৈকে আহি পাইছোঁ।

"বিশ্ব!"

"ছাৰ।"

"কেনি যাবা এতিয়া? কাঁকীলৈ যোৱা সৌ বাটটোৰে নেকি?"

"নহয় ছাৰ। আগলৈ ব'লক। সৌ পুলটো যে দেখিছে, সেইটো পাৰ হ'ব লাগিব, ছাৰ।"

বিশ্বই দেখুৱাই দিয়া সন্মুখৰ পুলটোলৈ চালোঁ। পুলটো কাঠৰ। তাৰ কাষতেই শিল্পী শুভেন্দুৰ ঘৰ। ঘৰটোলৈ লক্ষ্য কৰিলোঁ। কাকো নেদেখিলোঁ। মাত এষাৰ দি যোৱাৰ ইচ্ছা আছিল। পলম হোৱাৰ ভয়ত নোসোমালোঁ।

পুলটো পাৰ হৈয়েই চাইকেলখনৰ ব্ৰেক্ টানি লাহেকৈ নামিলোঁ। পিছে পিছে আহি থকা বিশ্বনাথলৈ চাই সুধিলোঁ, "কোনফালে অ' বিশ্ব?"

চাইকেলৰ পৰা নামি বিশ্বই সন্মুখৰ গছজোপালৈ আঙুলিয়াই ক'লে, "সৌ গছজোপা দেখিছে ছাৰ?"

"অঁ।"

"তাৰ কাষেৰে যাব লাগিব।"

"ব'লা। তুমিয়েই আগবাঢ়া।"

বিশ্বৰ পিছে পিছে চাইকেল চলাবলৈ ধৰিলোঁ। গছজোপালৈ লক্ষ্য কৰিলোঁ — তেঁতেলি আৰু আহঁতে যুগ্মভাৱে এজোপা গছ হৈ জীয়াই আছে। আহঁত এক আচৰিত গছ। পৰক শোষণ কৰিহে জীয়াই থাকিব পাৰে। মন কৰিলোঁ, তেঁতেলি-জোপা ক্ৰমান্বয়ে মৰহিব ধৰিছে। এয়া আহঁত-জোপাৰেই শোষণ-কাৰ্য।

গাড়ীৰ লিক্‌টোৰে মোৰ চাইকেলখনো নমাই দিলোঁ বিশ্বনাথক অনুসৰণ কৰি। চাইকেলৰ চকা পোত যোৱাকৈ ধূলি। বাটটো স্কুল এখনৰ কাষেৰে গৈ পুখুৰীৰ কাষ পাইছেগৈ। বাটটো সেইডোখৰতে শেষ হোৱা যেন দেখিলোঁ। মোৰ সন্দেহ হোৱাত বিশ্বনাথক মাত দিলোঁ, "গাড়ীৰ লিক্‌টো দেখোন পুখুৰীৰ ফালেদিহে গৈছে।"

"হয় ছাৰ। পুখুৰীটোৰ কাষেৰে আমি যাব লাগিব।" — ঘূৰি নোচোৱাকৈয়ে বিশ্বই ক'লে।

"পাগুা বস্তি তুমি চিনি পোৱাতো?" সন্দেহ আঁতৰাবলৈকে বিশ্বক সুধিলোঁ।

"পাওঁ ছাৰ। ৰাস্তা সেইটোৰেই।" একে উশাহতে সি ক'লে।

সন্মুখত বাঁহগছেৰে ভৰি থকা ঘৰ-বাৰীবোৰ দেখি আকৌ সুধিলোঁ, "সৌ গাওঁকেইখনেই নেকি বিশ্ব?"

"নহয় ছাৰ, সেয়া বঙালী গাওঁহে।"

"আৰু কিমান দূৰ যাব লাগিব?"

"প্ৰায় দুই কিলোমিটাৰ মান হ'ব ছাৰ।"

"তেনেহ'লে ব'লা। বৰ ধূলিহে বাটটো!"

বিশ্বনাথে মই কোৱা কথাষাৰ শুনিলেনে নাই, নাজানোঁ। সি ধূলি উৰুৱাই তাৰ চাইকেলখন চলাই গ'ল। ধূলিৰ পৰা মুক্ত হ'বলৈ মোৰ চাইকেলখন অন্য লিক্‌টোৰে চলাবলৈ ধৰিলোঁ।

পুখুৰীটোৰ ওপৰলৈ এপাক চালোঁ। ফিছাৰি ডিপাৰ্ট্‌মেণ্টৰ ঘৰ কেইটামান দেখা পালোঁ। পুখুৰীটোৰ কাষেৰে যাওঁতে শুভেন্দুৰ কথাবোৰ মনত পৰিল। লাণ্ডুমুণ্ডা গাওঁবুঢ়াৰ ঘৰ হেনো এই পুখুৰীটোৰ কাষতেই আছিল। পুখুৰীটোৰ পূবত মাঝি গাওঁ।

গাওঁখনৰ পৰিবেশ চাই ভাব হ'ল, এই ঘৰ-বাৰীবোৰ মুণ্ডা বা মাঝি জন-গোষ্ঠীৰ নিশ্চয় নহয়। তথাপি মনৰ খুকুৰি মাৰিবলৈকে বিশ্বক এখন্তেক ৰ'বলৈ ক'লোঁ। চাইকেলৰ পৰা ততা-তৈয়াকৈ নামি সি সুধিলে, "কি হ'ল ছাৰ, চাইকেল বেয়া হ'ল নেকি?"

"নাই হোৱা। এই মানুহঘৰক কথা এটা সুধি যাওঁ।"

বাটৰ কাষতে থিয় দি আমালৈ চাই থকা মানুহজনক লাণ্ডু মুণ্ডাৰ খবৰ ললোঁ। মানুহজন বঙালী। ভদ্ৰ। মানুহজন অবাক হৈ মোৰ মুখলৈ চাই ৰ'ল।

লাণ্ডু মুণ্ডা!

কি নাম! কি জাত? ইত্যাদি প্ৰশ্নই মানুহজনক চাগৈ বিমোৰত পেলাবলৈ ধৰিলে। এইবোৰ একো নাজানোঁ বুলি কোৱাত আমি আগবাঢ়ি যাবলৈ ধৰিলোঁ।

বাটৰ দুয়োকাষৰ পৰিবেশ চাই চাই ভাবি যাবলৈ ধৰিলোঁ, — এই অঞ্চলৰ চাওতাল, কুৰ্ক, মাঝি, ওৰাং জন-গোষ্ঠীৰ মানুহখিনিৰ কোনো শুংসূত্ৰই নাইকীয়া হ'ল। নিৰৱধি কালৰ বুকুত মানুহখিনি যেন হেৰাই গ'ল, — নীৰবে।

গাওঁ আৰু পথাৰৰ মাজে মাজে দুয়ো আগবাঢ়ি যাবলৈ ধৰিলোঁ। চ'ত মহীয়া আকাশখন ধোঁৱা বৰণীয়া হ'ব ধৰিলে। দুই এজোপা পলাশত তেতিয়াও ৰঙৰ আবিৰ। বাটৰ দুয়োকাষে সৰু-বৰ পুখুৰীবোৰলৈ মন কৰি গ'লোঁ। প্ৰায়বোৰ পুখুৰীয়েই কোনো এক ঐতিহাসিক যুগৰ। ঠিক আমাৰ কলেজখনৰ পুখুৰীটোৰ নিচিনাই পুৰণি।

এৰা। এই অঞ্চল ডবাক্ ৰাজ্যৰ ভিতৰত আছিল। ববাহী ৰজা মহামাণিক্যই জানো ইয়াতেই সভ্যতাৰ পাতনি মেলা নাছিল? এই পুখুৰীবোৰ ববাহী যুগৰেই নেকি? এইয়া দেখাতেই পশু-চিভিলাইজেছন্ যুগৰেই ঐতিহ্য।

প্ৰত্নতত্ত্ববিদ ৰাজমোহন নাথে উল্লেখ কৰা ববাহ আৰু অশ্বপালক প্ৰজাসকলেই এই সভ্যতাৰ পাতনি মেলিছিল নেকি বাৰু? নে এইয়া ভৌম পাল বংশৰ বিশ্ব সুন্দৰ ৰজাৰেই ঐতিহাসিক দলিল? পুৰাতত্ত্ববিদসকলে এই সভ্যতাৰ যুগ নিৰ্ণয় নকৰেহি কিয়? পুখুৰীৰ পাৰত বোৱা প্ৰাচীনকলীয়া আহঁত কেইজোপাৰ বয়স উলিয়াই বোটানিষ্টসকলেও এই অঞ্চলৰ ইতিহাস উদঘাটন কৰিবহি পাৰে দেখোন

তিনিআলিৰ মূৰত বিশ্বনাথক বোৱা দেখি সুধিলোঁ, "কি হ'ল বিশ্ব?"

"ছাৰ, এইখনেই পাগুা বস্তি।"

চাইকেলৰ পৰা নামিলোঁ। দেখিলোঁ, পূবৰ পৰা পছিমলৈ মটৰ-গাড়ী যাব পৰা বাট। চাইকেলখনতে আঁউজি তাক সুধিলোঁ, "এই বাট কেনি গৈছে?"

"কাঁকী আৰু এইফালে যোৱা পুখুৰী, ছাৰ!" হাতখনেৰে দেখুৱাই সি মোক ৰাস্তাৰ সংযোগ-স্থল বুজালে।

"পাগুা বস্তি কোনটো?"

"ছাৰ এইখনেই, পিছে ঘৰবোৰহে....।" বিশ্বনাথে পৰিবেশটো চাই কিছু চিন্তিত হোৱা যেন হৈ কথাখিনি ক'লে।

"সেই কাষৰ মানুহ ঘৰক সোধাচোন।"

চাইকেলখন ষ্টেণ্ড কৰাই মানুহ ঘৰৰফালে সি আগুৱাই গ'ল। ক্লান্তি আঁতৰাবলৈ মই চিগাৰেট এডাল জ্বলাই ললোঁ। চাইকেলখনতে ভেঁজা দি চাৰিওফালে চাই ভাবিলোঁ, এইখন চাহ-বনুৱাৰ গাওঁ নিশ্চয় নহয়। ঘৰ এখনৰ পাৰিপাৰ্শ্বিকতাই তাৰ চৰিত্ৰক কৈ দিব পাৰে। চাহ-বনুৱাৰ ঘৰবোৰ দেখিছোঁ। অসমীয়া মানুহৰ ঘৰৰ মুধচৰ দৰেই চাহ-বনুৱাৰ ঘৰৰ মুধচবোৰো পোন। কিন্তু, এই ঘৰবোৰৰ মুধচবোৰচোন ধেনুভিৰীয়া। এনে আৰ্হিৰ ঘৰ সাধাৰণতে চিলেটী-মৈমনছিঙীয়া মানুহৰহে।

এনেতে দেখিলোঁ বিশ্বনাথৰ লগত বুঢ়া মানুহ এজন ওলাই আহিছে। মানুহজনক দেখিয়েই বুজিলোঁ, মোৰ অনুমান ঠিক। মানুহজনে নমস্কাৰ এটা দি সুধিলে, "কাকে চাইলেন বাবু?"

"এইটো পাগুা বস্তি নহয় জানো?"

"হা বাবু। আগে ছিল। এখন এই গ্রাম্‌কে বলে ধর্ম নগৰ। আপ্‌নে আইছ্‌লেন্ কোন্‌খান্ থেকে?"

"আমি লঙ্কাৰ পৰা আহিছোঁ।" চিগাৰেটত টান এটা দি ক'লোঁ।

"কি কাজ কৰেন বাবু?"

"মই লঙ্কা কলেজৰ অধ্যাপক। এওঁ মোৰ ছাত্ৰ, বিশ্বনাথ কুৰ্মী।" — অনুসন্ধানৰ সুবিধাৰ কাৰণে আমাৰ পৰিচয় মানুহজনৰ আগত জনালোঁ।

"তাৰ মানে? আপ্‌নি কি কলেজ'ৰ প্ৰফেছাৰ?"

"হয়।"

মই 'হয়' বুলি কোৱাৰ লগে লগে মানুহজনে হাত যোৰ কৰি আমাক দুয়োকো টানি নিয়াদি তেওঁৰ ঘৰলৈকে লৈ গ'ল। ময়ো বেয়া পোৱা নাই; কিয়নো, এই আঠ কিলোমিটাৰ চাইকেল চলোৱা ভাগৰো মাৰিব পাৰিম আৰু লগতে গাওঁখনৰ বিষয়েও দুই-চাৰিটা কথা জানিব পাৰিম।

'ৰেণু ৰে, ঐ কুৰ্চিটো চাফ্-চুফ্ কৰিয়া দে।" বুঢ়া মানুহজনে ঘৰৰ ভিতৰৰ ফালে জুমি চাই ক'লে।

খৰ-ধৰকৈ ভিতৰৰ পৰা ছোৱালী এজনী বাহিৰলৈ ওলাই আহিয়েই আমাক দেখি তাই লাজ কৰিবলৈ ধৰিলে। তাকে দেখি বুঢ়াজনে ধমক দি ক'লে, "লইজ্‌জা কিতা ৰে? কৰ তাৰাতাৰি। কলেজ'ৰ প্ৰফেছাৰ। নমস্কাৰ কৰ।"

ছোৱালীজনীয়ে নমস্কাৰ জনাই চকীখন জাৰি-জোঁকাৰি দিলে। চাইকেলখন বিশ্বনাথক দি চ'ৰাঘৰলৈ লাহেকৈ সোমাই গ'লোঁ। চ'ৰাঘৰৰ কাষতে ছাঁ এডোখৰত বিশ্বনাথে চাইকেল দুখন আঁওজাই থ'লেগে।

"আছোন, আছোন প্ৰফেছাৰ বাবু। বসেন।... যা, এক্ কাৰ কৰ। মাকে বল, চা-তাম্বুল একটু যোগাৰ কৰ্‌তে। বুজ্ পাইছ নি তে?"

"হঁা" বুলি ছোৱালীজনী ঘৰ সোমালগৈ।

বিশ্বনাথে চকীখন মোৰ কাষৰ পৰা আঁতৰাই কিছু নিলগত ৰহিল। বুঢ়া মানুহজনে ইফাল-সিফাল কৰি ভিতৰ সোমাল। চকীখনত বহি বেছ জুৰ লগা যেন পালোঁ। ভৰি দুখন অলপ টন্‌টনাইছিল। চিগাৰেটত টান এটা মাৰি মানুহজনৰ বাৰীখনলৈ মন কৰিলোঁ।

আম, কঁঠাল, বাঁহ আদিৰে এক সুন্দৰ বাৰী-ঘৰ। দেখিলোঁ— আম, কঁঠাল

বেছ লাগিছেও। অনুমান কৰিলোঁ, এই ফল-মূলৰ গছবোৰৰ অতি কমেও পোন্ধৰ বিশ বছৰ নিশ্চয় হৈছে।

ঘৰখনৰ আশ-পাশবোৰ মন কৰিলোঁ। গোবৰ মাটিৰে পৰিষ্কাৰকৈ লেপা এখন বহল চোতাল। চোতালৰ কাষতে তুলসীজোপা সহ এটি বন্তি প্ৰজ্বলনৰ বেদী। ৰান্ধনি ঘৰৰ চালিখনৰ তলত ঢেঁকী-শাল। ঢেঁকীৰ গঢ় অসমীয়া ঢেঁকীতকৈ কিছু বেলেগ।

বুঢ়া মানুহজনে চীনা মাটিৰ প্লেট এখনত পাণ আৰু চুফাৰি লৈ ঘৰৰ ভিতৰৰ পৰা ওলাই আহিল আৰু কাষৰ সৰু টেবুলখনত মোলৈ আগবঢ়াই খাবলৈ ক'লে। মই পানী এগিলাচ বিচাৰিলোঁ।

"ৰেণুৰে! খাওবা জল এক গ্লাছ্ আন্ন্যা দে গ'।"

মানুহজনৰ ভাষাত চিলেটী সুৰ। নিশ্চয় নমঃশূদ্ৰ বঙালী। কিছু আঁতৰত বহি ব্যস্ত হৈ পৰা মানুহজনলৈ লক্ষ্য কৰিলোঁ। নাকৰ ওপৰত শুভ্ৰ চন্দন ৰেখা উজলি আছে মানুহজনৰ। মানুহজন নিশ্চয় ধাৰ্মিক। সম্ভৱতঃ মানুহ ঘৰ গৌৰাঙ্গপন্থী বৈষ্ণৱ।

ছোৱালীজনীয়ে আনি দিয়া পানী এগিলাচ খাই কিছু তত পোৱা যেন লাগিল। চিগাৰেটৰ পেকেটটো আগবঢ়াই মানুহজনক গ্ৰহণ কৰিবলৈ ক'লোঁ। মানুহজনে হাত-যোৰ কৰি নাখাওঁ বুলি কোৱাত চিগাৰেটৰ পেকেটটো জেপত সুমুৱাই থ'লোঁ।

"আপোনাৰ নাম জানিব পাৰোনে?" চুফাৰি এডোখৰ মুখত ভৰাই সুধিলোঁ।

"আমাৰ নাম শৈলেন্দ্ৰ কুমাৰ নাথ।" কাঠৰ পীৰা এখনত বহি মানুহজনে নিজৰ পৰিচয় দিলে।

"বাৰু নাথ বাবু, কথা এটা সোধোঁ। বেয়া-নাপাবদেই।"

"হা, হা। মনে খাৰাপ পাব কেন?"

"আপোনালোক নমঃশূদ্ৰ নেকি?"

"ঠিক ধৰেছেন। ভালুকমাৰী থাক্ক্যা যোৰা পুকুৰ পৰ্যন্ত আম্ৰা সবাই চিলেটী নমঃশূদ্ৰ বাঙালী।" — অতি উৎসাহেৰে মানুহজনে ক'লে। কথাখিনি কৈ মানুহজনে কাষৰ খুঁটাটোলৈ চাব ধৰিলে। সম্ভৱ ওলমাই থোৱা হোকাটোলৈকে তেওঁ চাইছে। লাহেকৈ উঠি হোকাটোলৈ হাত মেলিলে। চুফাৰি ডোখৰ চোবাই চোবাই ভাবিলোঁ, এই মানুহখিনিৰ প্ৰব্ৰজনৰ ইতিহাস নিশ্চয় এই বুঢ়াজনে কিছু ক'ব পাৰিব। আমাৰ

প্ৰতি সন্দেহৰ ভাব আহিব নোৱাৰাকৈ মানুহজনক প্ৰশ্ন কৰিলোঁ, "বাৰু নাথ বাবু, আমি আহিছোঁ পাণ্ডা বস্তিৰ পুৰণি মানুহখিনিক লগ পাবলৈ। আপোনাক লগ পাই ভালেই হ'ল। আপুনি ভুল নুবুজিব, আমি কোনো ছাত্ৰ-আন্দোলনৰ মানুহ নহওঁ। ৰাজনীতিৰ মানুহো নহওঁ। আমি শিক্ষক। আমাৰ আগত অসমীয়া বা বঙালী বুলি কোনো ভাব নাই, ঘৃণাও নাই। আপোনাৰ পৰিচয় পাই এটা কথা জানিবলৈ বৰ ইচ্ছা হৈছে। আপোনালোক অসমলৈ নিশ্চয় দেশ স্বাধীন হোৱাৰ পিছত আহিছে?"

"হ্যা বাবু, আম্ৰা উদ্বাস্তু। আজকাল দিন বৰ খাৰাপ। মানুষকে আৰ্ বিশ্বাস কৰাটাই মুস্কিল বাবু। চাৰ দিকে হাঙ্গামাৰ খবৰ শুনে আম্ৰা ভয় পায় বাবু। .... এৰে! মা ৰেণু, আংঠা এক্‌টা আন্‌ন্যা দে ৰে।" চিলিমত মলা ধপাত ভৰাই ভৰাই মানুহজনে ক'লে।

আঙঠাৰ বাবে অপেক্ষা কৰি চোতালৰ ফালে চাই থকা মানুহজনলৈ লক্ষ্য কৰিলোঁ। মানুহজন কিছু বিব্ৰত হৈছে। মোৰ প্ৰশ্নত সম্ভৱ তেওঁ সন্দেহ কৰিছে। কি দৰে তেওঁৰ মনৰ সন্দেহ ভাব আঁতৰাব পাৰিম, ভাবিবলৈ ধৰিলোঁ। এনেতে ছোৱালীজনীয়ে আঙঠা এডোখৰ আনি দিলেহি। মই তপৰাই ছোৱালীজনীক সুধিলোঁ, "তোমাৰ নাম ৰেণু?"

"হয় ছাৰ।" তাই অলপ সেমেনা-সেমেনিকৈ উত্তৰ দিলে।

"বাঃ, কি সুন্দৰ নাম। মোৰ ভণ্টিজনীৰ নামো ৰেণু।" তাইক প্ৰশংসা কৰা দেখি লাজ কৰিবলৈ ধৰিলে।

"তুমি পঢ়িছা?" লাজ আঁতৰাবৰ চলেৰে আকৌ সুধিলোঁ।

"হয়।"

"কোন ক্লাছত?"

"ক্লাছ থ্ৰিত।"

"ক্লাছ থ্ৰিত! কোন স্কুলত?"

"আমাৰ গাঁৱৰ স্কুলত, ছাৰ।"

মই ছোৱালীজনীৰ ভাষালৈ মন কৰিলোঁ। সুন্দৰ অসমীয়া কয় ছোৱালীজনীয়ে। হঠাতে ছোৱালীজনীলৈ মৰম লাগি গ'ল। মই সুধি পেলালোঁ, "তুমি ইমান ধুনীয়া অসমীয়া ক'ত শিকিলা ৰেণু?"

"স্কুলত। আমি অসমীয়া পঢ়োঁ।" অলপ পৰ আগতে লাজ কৰি থকা ৰেণুজনী

এতিয়া বেছ লাজ-সংকোচহীন হৈ পৰিল। অজানিতে মই আনন্দত অভিভূত হ'লোঁ। আমাৰ কলেজৰ ঐচ্ছিক বিষয়ৰ অসমীয়া পঢ়া বঙালী ছাত্রসকললৈ মনত পৰিল। ছোৱালীজনীক যাবলৈ দি ভাবিলোঁ : আন্দোলনে ভাষা-সাহিত্যক সমৃদ্ধিশালী কৰিব নোৱাৰে। অন্তৰৰ মৰম-চেনেহেৰেহে ভাষাক প্রচাৰ আৰু প্রসাৰ কৰিব পাৰি।

আমাৰ কথা বতৰাবোৰ শুনি টুকক্-টুকক্কৈ হোকা টানি থকা শৈলেন্দ্রই ক'লে, "বুঝলেন্ বাবু, আম্‌ৰা সবাই গৰীব। চিলেট থেকে এই আসামে আছা, আজ প্রায় কুড়ি বৎসৰ। আম্‌ৰা ত' আসামেই ছিলাম। দেশেৰ জমিকে ভাগ কৰল' নেতাৰা, আৰ মৰলাম আম্‌ৰা, এই গৰীব ৰা।"

কিছু আবেগ প্রৱণ হৈ শৈলেন্দ্রই কোৱা কথাখিনি শুনিলোঁ। হোকাত টান দি তেওঁ ধোঁৱা উলিয়াবলৈ ধৰিলে। লক্ষ্য কৰিলোঁ, কথাখিনি কৈ মানুহজনে নীৰৱতা অৱলম্বন কৰিলে। বিশ্বনাথেও অলপ আমনি পোৱা যেন দেখা গ'ল। সি চালখনৰ ওপৰলৈ চাই কিবা ভাবি আছে। মলা ধপাতৰ গোন্ধ আহি মোৰ ঘ্রাণেন্দ্রিয়ত স্পর্শ কৰিলেহি।

মলা ধপাতৰ গোন্ধ এটা আছে। বৰ মিঠা, আমেজ সনা গোন্ধটো। মই লক্ষ্য কৰিলোঁ, শৈলেন্দ্রই যেন ধোঁৱাৰ পাকে পাকে কোনোবা অতীতলৈ উৰা মাৰিছে!

এৰা, ধোঁৱাই মানুহৰ অনুভূতিক সঞ্জীৱিত কৰিব পাৰে। সুখ আৰু দুখ উভয়তে ই সমানেই প্রভাৱ বিস্তাৰ কৰিব পাৰে। ষ্টাট্যুটৰী ৱার্নিং চিগাৰেটৰ বাহত লেখা থাকিলেও ধূম-পানৰ আমেজক মানুহে এৰিব নোৱাৰে সেই কাৰণেই।

"হা, চিলেটকে আম্‌ৰা ছাড়তেই হ'ল।' সোণাৰ চিলেট হইয়া গেল পাকিস্তান আৰ্ হিন্দু বাঙালীৰা হলাম উদ্বাস্তু। এইসব কইয়া এখন লাভ কি বাবু!" কথাখিনি কৈ শৈলেন্দ্র আকৌ নীৰৱ হৈ পৰিল। হোকাৰ টুকক্ টুকক্ শব্দই চিন্তাৰ আঁতিডালক যেন ধৰি ৰাখিলে।

"এখন্ আম্‌ৰাকে আসামেও থাক্‌তে না দেন্, যাব কোথায়? এত ঘৃণা, লাঞ্ছনা আৰ্ অত্যাচাৰেৰ বুলি হইলাম আমি! প্রফেছাৰ বাবু; ৰাজনীতিৰ মানুষ্‌ৰা খেলাৰ পুতুলেৰ মত আমাকে দেখেন। তাদেৰ স্বার্থতাই বৰ। কিন্তু, আপনাৰাই মানুষ। শিক্ষক্‌বাব্ ধর্ম এটাই ব'লি আম্‌ৰা জানি।"

বুঢ়া শৈলেন্দ্র হঠাতে আবেগ বিহ্বল হৈ পৰিল। চিলিমত ফু দি সেমেকিব ধৰা আঙঠা ডোখৰ পুনৰ জ্বলাই ল'লে। শৈলেন্দ্রৰ কথাখিনি শুনি মোৰ মনত

পৰিল চিত্ৰ শিল্পী শুভেন্দু শেখৰলৈ। বেয়া লাগে, মানৱ-ভাগ্যৰ দুখ লগা কাহিনীবোৰ শুনি। শৈলেন্দ্ৰৰ অনুভূতিৰ প্ৰতি সহানুভূতি জনাই তেওঁক সুধিলোঁ, "আপোনালোক অহা বিশ বছৰ হ'ল। ল'ৰা-ছোৱালীকতো অসমীয়া পঢ়ুৱাইছে, কিয় ?"

"শিক্ষাৰ মধ্যে বাঙালী আৰ্ অসমীয়া কি ফাৰাক আছে? আম্‌ৰাও অসমীয়া বুঝি। আপ্‌নাৰাও বুঝেন বাঙালী। আম্‌ৰা গৰীব কৃষক। ঐ সব প'লিছি আম্‌ৰা জানি না বাবু। আমাৰ বৰ ছেলে মাখন নাথ, লম্বা ইছ্‌কুলে শিক্ষা লইয়া এখন গৌহাটীতে বেঙ্কে চাকৰি কৰে।.... হা, সোম নাথ দত্তকে আপ্‌নি চিনেন বাবু ?"

হঠাতে শৈলেন্দ্ৰৰ মুখত সোমনাথ দত্তৰ নাম শুনি বিশ্বনাথে ব্যগ্ৰভাৱে বুঢ়ালৈ চালে। ময়ো কিছু আচৰিত হৈ ক'লোঁ, "অঁ, জানোঁ। হাইস্কুলৰ শিক্ষক। ভালদৰেই জানোঁ তেখেতক। কিয় ?"

"উনিকে এক্‌জন মানুষ পাইলাম জীবনে। আমাৰ ছেলে-মেয়ে সবাই দত্ত ছাৰকে শ্ৰদ্ধা কৰেন, মা-বাবাৰ মতন। সবাইৰ মুখে, দত্ত ছাৰ, দত্ত ছাৰ। মানুষটাৰ এক্‌টা বৰ গুণ দেখ্‌লাম — সব ছাত্ৰকে আপন কৰা। সব ছাত্ৰকে উনি নিজেৰ ছেলেৰ মতন দেখেন।"

ৰেণুৱে আহি চাহ দি গ'ল। লগতে গাখীৰেৰে সৈতে এবাতি আখৈৰ জলপান। ওৰণি দীঘলকৈ টানি তিৰোতা এজনীয়ে ভিতৰৰ পৰাই ভুমুকি মাৰি চালে। সম্ভৱ ৰেণুৰ মাক।

"খাইন্ প্ৰফেছাৰ বাবু, আপ্‌নাৰ মতন লোক আমাৰ বাসায় আওঁয়াটা মহাপ্ৰভুৰই আশীৰ্বাদ।" — চাহকাপ আগবঢ়াই শৈলেন্দ্ৰই ক'লে।

"পাণ্ডা বস্তি বিচাৰি আপোনাৰ দৰে মানুহক লগ পোৱাটো মোৰেই ভাগ্য। বাৰু শৈলেন্দ্ৰ বাবু, আপুনি পাণ্ডা গাওঁবুঢ়াৰ কথা জানেনে ?" জলপানৰ বাতি হাতত লৈ তাক সুধিলোঁ।

"হা জানি বাবু, পাণ্ডা গোড়। সামনেৰ ঐ বাড়ীটাই। সে মাৰা গেল কবাই। এখন ছেলেৰাই থাকেন। বস্তিৰ লোক্‌ৰা সবাই কাৰ্‌বি আংলং জেলাৰ দিগে গইল। ..... কেন, চুপে চাপে বসে আসেন, খান।" বাতিটো লৈ বিশ্বনাথক বৈ থকা দেখি শৈলেন্দ্ৰই ক'লে।

"বিশ্ব খোৱা। সোনকালে ঘূৰি যাব লাগে।"

আমি তিনিও জলপান খাবলৈ ধৰিলোঁ। জলপানখিনি বৰ সোৱাদ লগা। সম্ভৱ গাখীৰৰ বাবেই। বৰ তৃপ্তিৰে খাবলৈ ধৰা শৈলেন্দ্ৰক গাখীৰৰ বিষয়ে জানিব বিচাৰি সুধিলোঁ, "গাখীৰ ঘৰৰ নেকি?"

"হা। কেমন্ লাগ্‌ছে বাবু?"

"বৰ সোৱাদ পাইছোঁ।"

"কি কৰ্‌মু বাবু, গাই না পুষ্‌লে চল্‌তে পাৰি না।"

"বাৰু শৈলেন্দ্ৰ বাবু, এই মানুহবোৰ কিয় কাৰবি আংলঙলৈ গ'ল, আপুনি জানে নে?"

"জমি বেচ্য়্যা গেছে। তাৰা কাজ-কৰ্ম কৰে না বাবু। মদ খাইয়া ঘুমাইয়া থাকে। ভাং খাই এৰা খুব। এই ৰকমই তাৰা মৰ্‌ল বাবু।" চাহকাপ থৈ শৈলেন্দ্ৰই ক'লে।

চাহত শোহা মাৰি মাৰি ভাবিলোঁ চাহ-বনুৱা মানুহখিনিৰ এই সহজাত প্ৰকৃতিৰ কথা। ইমান সুন্দৰ মাটি-বাৰী এৰি গুচি গ'ল অৰণ্যৰ ফালে! শ্ৰম-বিমুখ এই মানুহখিনিৰ দৰাচলতে দূৰ দৃষ্টিৰো অভাৱ। লঙ্কাৰ এই বিশাল অঞ্চলৰ পৰা নিষ্পেষিত হৈ আঁতৰি যোৱাৰ মূল কাৰণ সম্ভৱ সংগ্ৰাম-বিমুখ, আলস্য-স্বভাৱ আৰু অৰণ্য-প্ৰীতিৰ বাবেই হৈছে।

চাহ খাই উঠি ঘড়ীলৈ চালোঁ। দুই বাজি গৈছে। পাণ-চুফাৰি এডোখৰ মুখত ভৰাই চিগাৰেট এডাল জ্বলাই ল'লোঁ। আতিথ্যৰ বাবে শৈলেন্দ্ৰক ধন্যবাদ জনালোঁ। ৰেণুক মাত লগাই লাহেকৈ ওলাই আহিলোঁ। "বিশ্ব, ব'লা" বুলি কৈ তাক আগবাঢ়িবলৈ ক'লোঁ।

শৈলেন্দ্ৰই তিনি আলিৰ মূৰলৈকে আমাক আগুৱাই থ'লেহি। পাণ্ডা গাওঁবুঢ়াৰ পুৰণি ঘৰটো দেখুৱাই বিদায় ল'লে।

তিনিআলিৰ পৰা কিছু পূৰলৈ গৈ বাটৰ পৰাই নিৰীক্ষণ কৰিলোঁ, পাণ্ডা গাওঁবুঢ়াৰ পুৰণি ঘৰটো।

হে ঈশ্বৰ! এনেকুৱা ঘৰতো মানুহ থাকেনে? দুচলীয়া সৰু ঘৰটো তেনেই উঁৱলি গৈছে। ৰবৰা নমাৰ লগে লগে বাৰু এই ঘৰত মূৰ সুমুৱাবলৈ ঠাই হ'বনে? বেৰবোৰ তেনেই জহি-খহি গৈছে। অৱক্ষয়ৰ ভয়ঙ্কৰ অনুভূতিয়ে মোৰ মনক হঠাতে জোকাৰি দিলে।

প্ৰাণ-চঞ্চল কৰা ঝুমুৰৰ ছন্দ জানো এইখন ঘৰত বিচাৰি পাম? য'ত গাওঁখনেই হেৰাই গ'ল, তাত জানো মাদলৰ মিঠা মূৰ্ছনা বিচাৰি পাম!

এক গভীৰ নৈৰাশ্যৰ বেদনাৰে পঁজা-ঘৰটোৰ চোঁতালত থিয় দিলোঁগৈ। গালত হাত দি বুঢ়ী এজনীক বহি থকা দেখিলোঁ। আমাক হঠাতে দেখি, আতঙ্কগ্ৰস্ত হৈ অবাক দৃষ্টিৰে বুঢ়ীজনীয়ে আমাৰ মুখলৈ চাবলৈ ধৰিলে। বুঢ়ীৰ মুখত যেন ভাষা হেৰাই গ'ল! বুঢ়ীৰ নিষ্প্ৰাণ দুচকুত এক অসহায়ৰ ছাঁ নামি অহা দেখিবলৈ পালোঁ।

"বিশ্ব, বুঢ়ী গৰাকীক সোধাচোন, পাণ্ডা গাওঁবুঢ়াৰ ঘৰ এইখন হয়নে?"

"ঘৰে কেও আছে গ'?"

বুঢ়ী গৰাকীয়ে কাণ থিয় কৰি শুনিলে। বিশ্বনাথৰ মুখত শুনা ভাষাই যেন বুঢ়ীজনীক বিস্ময়াভিভূত কৰি তুলিলে। এই ভাষাই এসময়ত প্ৰাণ-চঞ্চল কৰিছিল এই ঠাইডোখৰত। বহু বছৰ নীৰৱতাৰ পিছত হঠাতে অচিনাকি লোকৰ মুখত এই মাত শুনি বুঢ়ীৰ অসহায় প্ৰাণত যেন আশাৰ সঞ্চাৰ হ'ল।

"হামি আৰ্ ছাম্ৰু। আৰ্ কেও নাই বাবু!" বিশ্বনাথৰ মুখলৈ জুমি চাই বুঢ়ীজনীয়ে ক'লে।

"ছাম্ৰু ঘৰত আছে নেকি?" মাত লগালোঁ।

"হা বাবু। বখাৰ। ভেতৰে ঘুমাই আছে।"

"সে আছুতে পাৰ্বেক্ গ'?" বিশ্বই সুধিলে।

বিশ্বই সোধাত ভাল পালোঁ। নিজৰ মানুহৰ আগত কথা পাতিবলৈ পালে আনন্দ পায়। এইটো সাধাৰণ মনস্তত্বৰ কথা।

"বেটা ছাম্ৰু ৰে। বাবু তুকে খুজ্‌ছে গ'।

উঠতে পাৰ্বি?"

ভিতৰত কেঁকনি শুনিলোঁ। বুঢ়ীজনী ভিতৰলৈ উঠি গ'ল লাহেকৈ। চাইকেলত ভেঁজা দি বাৰীখনলৈ মন কৰিলোঁ। জোপোহা জেং-বাঁহ দুজোপাৰ বাহিৰে বাৰীত একো নাই। ঢাপত মাটি এৰা দুই-এজোপা। অ'ত ত'ত ধতুঁৰা আৰু কাঁইটীয়া বন। চোঁতালৰ কাষতেই পৰি আছে এটা কাণ-ভগা কলহ। সন্মুখত উঁৰলি যোৰা কাঠৰ খুঁটা দুডাল মান থিয় হৈ থকা দেখিলোঁ। সম্ভৱ সেই ডোখৰেই পাণ্ডা গাঁওবুঢ়াৰ পুৰণি ভেটি আছিল!

বুঢ়ীজনীয়ে ভিতৰৰ পৰা কাঠৰ পীৰা দুখন আনি পিৰালিত থ'লেহি আৰু বিশ্বনাথলৈ চাই ক'লে, "বহুবি গ'?"

"বিশ্ব, বহাগৈ যোৱা।" বিশ্বক ক'লোঁ।

বিশ্বই চাইকেলখন ষ্টেণ্ড লগাই থ'লে আৰু পীৰাখনত বহিলগৈ। বুঢ়ীজনী আগৰ ঠাইলৈকে গ'ল আৰু অতি উদ্বিগ্ন চিন্তেৰে আমালৈ চাব ধৰিলে।

কাহি কাহি ছাম্‌ৰু ওলাই আহিল। গাত এখন পুৰণি কম্বল। দুৱাৰ-মুখতে বহি তেওঁ আমাৰ ফালে চালে। চকুত কোনো প্ৰাণ নাই। গাঁতত সোমাই যাব ধৰিছে তাৰ চকু দুটা। মূৰৰ চুলি কেঁকোৰা-কেঁকুৰি, ৰুক্ষ। কাণ দুখনৰ লতিত ৰূপৰ সৰু গোটা অলঙ্কাৰ। ছাম্‌ৰুলৈ চাই মনটো হঠাতে পৰি গ'ল।"

পাণ্ডা গাওঁবুঢ়াৰ উত্তৰ-পুৰুষ আজি অৱক্ষয়ৰ শেষ সীমাত উপস্থিত। এইয়া যক্ষ্মা বীজাণুৰে স'তে সংগ্ৰাম কৰি ক্লান্ত হৈ পৰা ছাম্‌ৰুৰ শেষ স্তৰ।

"কাক লাগে বাবু?" সেহাই সেহাই ছাম্‌ৰুৱে সুধিলে।

"তোমাকেই বিচাৰিছিলোঁ। তোমাৰ কি হৈছে?"

"বখাৰ বাবু। বহুত দিন হ'ল। ভাল পোৱা নাই।"

"ডাক্তৰক দেখুৱাইছা?"

"নাই বাবু। পইছা নাই। মাটি-বাৰীও সব বন্ধক দিলুং। এতিয়া কিছুছু নাই।

"এইদৰে বহি থাকিলে বেমাৰ ভাল হ'বনে?" মই ক'লোঁ।

"কি কৰিম বাবু! আমি এক্‌লা আছুং। বখাৰ ভাল পালে আমিও যাম বাবু। ইয়াত আৰু নাথাকং।" কথাখিনি কোৱাৰ লগে লগে সি মাজে মাজে মৃদু কাহ মাৰিবলৈ ধৰিলে।

"কি কৰ্‌ব বাবু! বেটাটাৰ বখাৰ ছাৰ্‌লেই হামি নাই থাক্‌ব' বাবু। সৰু পাথাৰ যাব। হামাৰ কপালটাই খাৰাপ্।"

বুঢ়ীৰ ভাষাত গভীৰ বেদনাৰ এক নিৰাশাৰ সুৰ অনুভৱ কৰিলোঁ। পুতেক ছাম্‌ৰুৰ আৰোগ্যৰ কাৰণে ঈশ্বৰৰ ওপৰত ভৰষা কৰি অপেক্ষা কৰি আছে, কিমান আশাৰে। মাতৃ-হৃদয়ৰ কি মহৎ ৰূপ!

"আৰু কোনো নাই নেকি তোমালোকৰ?" বুঢ়ীলৈ চাই সুধিলোঁ।

"আছে বাবু। নাতি দুইটা আছে।"

"সিহঁত ক'ত?"

"সৰু পাথাৰতে আছে বাবু, তাৰ মাৰ লগে।"

"কি কম বাবু! এই বাঙালীসবকে মাটি বিক্ৰী-বন্ধক দি বস্তিৰ মানুহ্ সব গ'ল। হাল্‌ধি-আটী, বোকাজান, সৰুপথাৰ— এই দিকে গুচি গৈছে। বাবা থকা সময়ত বৰ সুখত আছিলুং। এতিয়া বহুত কষ্ট বাবু।" বহু কষ্টেৰে ছাম্‌কৰে কথাখিনি ক'লে।

"বিশ্ব, তুমি কিবা সুধিবা নেকি?"

"সুধিবলৈ নাই ছাৰ, যোৱাহে ভাল নেকি?"

এৰা, বেছি সময় বহি থকাৰ প্ৰয়োজনবোধ নকৰিলোঁ। ৰোগৰ বীজাণুৰে আক্ৰান্ত হোৱা ঘৰটোৰ পৰা আঁতৰাই মঙ্গল। ঝুমুৰ নৃত্যৰ ৰঙীন কল্পনা মোৰ মনৰ পৰা আঁতৰি যাবলৈ ধৰিলে। ছাম্‌কৰ দুবাহুত মাদলৰ সুৰ প্ৰকাশ পোৱাৰ আৰু আশা নাই। ছাম্‌কহঁতৰ চোতালত অনিশ্চয়তাৰ ছাঁ ঘণীভূত হোৱা মই অনুভৱ কৰিলোঁ।

জেপৰ পৰা দহটকীয়া নোটখন উলিয়াই বিশ্বনাথক দিলোঁ, বুঢ়ীজনীক দিবলৈ। অবাক দৃষ্টিৰে দহটীয়া নোটখন লৈ, বুঢ়ীজনী চাই ৰ'ল বিশ্বনাথৰ ফালে। মন কৰিলোঁ। বুঢ়ীৰ চকু দুটা চল্‌চলীয়া হৈ উঠিব ধৰিছে। সেয়া কিহৰ! আনন্দৰ নে বেদনাৰ!!

অহা বাটেদিয়ে চাইকেল চলালোঁ, ঘৰ অভিমুখে। সৰু পথটোৰ ওপৰত দৃষ্টি নিবদ্ধ কৰি ভাবি যাব ধৰিলোঁ, পাগুা বস্তিৰ ছাম্‌কহঁতৰ অবক্ষয়ৰ কৰুণ ৰূপটোৰ কথা। দুবৰি বনে সিহঁতৰ চোঁতালখনক ক্ৰমে ক্ৰমে আৱৰি ধৰাদি অবক্ষয়ৰ আঁচোৰে ছাম্‌কহঁতকো নিঃশেষ কৰিব লাগিছে। মনত পৰিল নৱকান্ত বৰুৱাৰ 'ইয়াত নদী আছিল' কবিতালৈ।

এৰা, ছাম্‌কক দেখি ভাব হ'ল— সিহঁতৰ জীৱনলৈকো মৰুভূমি নামি আহিছে লাহে লাহে, মাহে মাহে, বছৰে বছৰে। এদিন ছাম্‌কহঁত এই ঠাইডোখৰৰ পৰা হেৰাই যাব, ঠিক এই বিশাল পৃথুবীবোৰৰ পাৰত বাস কৰা মানুহখিনিৰ দৰেই। সময়ৰ খহনীয়াই ইহঁতকো খহাই নিঃশেষ কৰি পেলাব! মহাকালৰ এই অবক্ষয়ৰ আঁচোৰ কি ভয়ানক!

বিশ্বনাথক বেলৰে-ক্ৰছিঙৰ ওচৰতে এৰি ঘৰ পালোঁহি, এক গভীৰ বেদনাৰে। পশ্চিমৰ আকাশখনলৈ এবাৰ ঘূৰি চালোঁ। তামৰঙী হৈ উঠা লঙাৰ পশ্চিমৰ আকাশখন মোৰ বাবে যেন প্ৰতীক হৈ পৰিল!

বাৰ অধ্যায়

"ধনেশ্বৰ!"

"ছাৰ!"

"এইফালে আহ।"

চিগাৰেট হুপি ধনেশ্বৰ অহালৈ চাই ৰ'লোঁ। খন্তেক পিছত সি আহি দুৱাৰৰ কাষতে থিয় দিলেহি আৰু পৰ্দাখনত হাত দুখন মচি মচি মোৰ মুখলৈকে চাই ৰ'ল। তাৰ কাণ্ড দেখি মোৰ খং উঠিল। পৰ্দাত হাত মচা অভ্যাসটো তাক ইমান দিনে কৈ কৈ গুচাব নোৱাৰিলোঁ। অলপ খঙেৰে তাক ক'লোঁ, "হাত মচা অভ্যাসটো তোৰ নগ'ল। সিদিনাখন প্ৰিন্সিপাল্ আহোঁতে তোক মই কি কৈছিলোঁ? এইখন পৰ্দা হৈ আছেনে বাৰু?"

পৰ্দাৰ পৰা হাত দুখন আঁতৰাই পিন্ধি থকা গামোচাখনতে আকৌ মচিবলৈ ধৰিলে। ধমক দি তাক ক'লোঁ, "বুৰ্বক, হাতদুখন নমচিলে নহয়নেকি? এই কাপ-প্লেটযোৰ লৈ যা। আৰু শুন। ভাত মোলৈ নবহাবি। দত্তৰ ঘৰত খাম, বুজিছ?"

"ভাল ছাৰ।" ধনেশ্বৰে লাহেকৈ মাত দিলে। মেজৰ ওপৰৰ পৰা কাপ-প্লেট লৈ পাক-ঘৰলৈ সোমাই গ'ল।

"ভাল ছাৰ"— এই শব্দ দুটাৰেই সি মোৰ মনৰ সকলো কথা যেন বুজি উঠিল! আজি দিনটোত কি কৰিব লাগে বা নালাগে, মোৰ পৰা জনাৰ আগ্ৰহ তাৰ মনত উদয় নহ'ল! কি অদ্ভুত!

"ধনেশ্বৰ!"

"ছাৰ!" পাকঘৰৰ পৰা সি সঁহাৰি জনালে। লগে লগে শুনিলোঁ কাপ-প্লেটৰ ঠুনুহুকৈ ভগা শব্দ।

"হেৰৌ ভাঙিলি? এইফালে আহ।"

চকু দুটা ডাঙৰকৈ মেলি সি মোৰ পিনে চাই ৰ'লহি। চকুত ভয়ৰ ভাব, জানোচা খং কৰোঁ বুলি। মই লাহেকৈ ক'লোঁ, "ভাঙিব লগীয়া আছিল, ভাঙিল। কাম কৰোঁতে সাৱধান হ'বি। শুন। মোৰ কাপোৰযোৰ সোনকালে ধুই দিবি। দিন চুটি। নুওকাৰ, বুজিছ। আৰু মুচিটো আহে যদি জোতাযোৰ পালিছ্ কৰাই থ'বি, শুনিছ?"

"ভাল ছাৰ।"

"ভাল ছাৰ" বুলি যে কৈছ, চাবোন, নীল জানো আছে?"

"নাই ছাৰ।"

"তেনেহ'লে কোৱা নাই কিয়?"

জেপৰ পৰা টকা পাঁচোটা উলিয়াই দি ক'লোঁ, "চাৰ্ফৰ সৰু পেকেট এটা আৰু নীলৰ পেকেট, সৰুটো বুজিছ, কিনি আনিবি। সিবাৰৰ নিচিনা বেয়া নীল নানিবি। চৰাইৰ ছবি থকা নীল। উৰি থকা চৰাই যে, বুজিছ?"

"হ'ব ছাৰ।" পাঁচটকীয়া নোটখনত ভাঁজ দি সি ক'লে।

"আৰু শুন। এই পৰ্দাখনো লেতেৰা হৈছে, ধুই থ'বি। মোৰ লেপ তুলী দুখনো ৰ'দাবি, বুজিছ। ঘূৰি আহোঁতে পলম হ'বও পাৰে। কোনোবা বিচাৰি আহিলে ক'বি আঁতৰলৈ গৈছে বুলি। বুজিছ?"

"ভাল ছাৰ।" চমুকৈ সি শলাগি থ'লে।

ধনেশ্বৰক কামৰ দিহা দি সোমনাথ দত্তৰ ঘৰলৈ বুলি খোজ ললোঁ। ঘড়ীলৈ চালোঁ, — নটা বাজি গ'ল। চাইকেলখন নল'লোঁ। খোজকাঢ়িয়েই ভাল লাগে। ষ্টেচনলৈ চাই পঠিয়ালোঁ। প্লেট্‌ফৰ্মত মানুহৰ ভিৰ দেখিলোঁ। সম্ভৱ 'আসাম্ মেইল্' আহিবৰ হৈছে। ৰেলপথ চেৰাই ষ্টেচনৰ কাষেৰে এনেৰীয়ালৈ বুলি গোনালোঁ।

পঞ্জাব হোটেলৰ পৰা মিঠাই কিনি নিয়াৰ কথা ভাবিও নিকিনিলোঁ। 'ভাৰতী' চিনেমা হলৰ সন্মুখত থকা প'ষ্টাৰ্ ষ্টেণ্ডত আঁৰি থোৱা দেখিলোঁ, নাৰী-দেহক উন্মুক্ত কৰি প্ৰদৰ্শন কৰা নায়িকাৰ ছবি। ভাবিলোঁ, — অশ্লীলতাৰ বিপক্ষে যিমানেই কাগজে-পত্ৰে ওলাইছে, সিমানেই মানুহে নগ্নবাদৰ নিচাত আসক্ত হৈ পৰিছে। আচৰিত এই মানুহৰ মন! এইটো সভ্যতাৰেই অভিশাপ নেকি? ভাৰতৰ দেব-দেৱীৰ মন্দিৰবোৰতো নগ্ন নাৰী-পুৰুষৰ খোদিত চিত্ৰেৰেই ঠাহ্ খাই আছে দেখোন। পেৰিছ চহৰৰ দৰে লণ্ডনৰ তিনি আলিৰ চুকত নগ্ন নাৰী আৰু পুৰুষৰ ভাস্কৰ্যক সজাই থোৱা হ'লে কি হ'লহেঁতেন বাৰু?

বিয়াৰ টিলিঙাত সাৰ পোৱাদি পালোঁ। পিছৰ পৰা বিয়া এখন আহি আছিল। গম পোৱা নাছিলোঁ। বিয়া চালকজনে মোলৈ কেৰাহিকৈ চাই গ'ল। বাটত খোজ কেনেকৈ কাঢ়িব লাগে নজনা বাবেই সম্ভৱ।

উম্‌ৰাংছ'লৈ যোৱা পথটোৰ দাঁতিতে সুমথিৰা টেঙাৰ দোকানখন আছিল। দোকানখনৰ পৰা সুমথিৰা দুহালি কিনিলোঁ। তিনি আলিৰ কাষৰ কমাৰ-শাল অতিক্ৰম কৰি খোজ ললোঁ এনেবীয়ালৈ।

এনেবীয়া!

লঙ্কা চহৰৰ পশ্চিম প্ৰান্তৰ এটি অঞ্চলৰ নাম।

দ পথাৰ এখনে অঞ্চলটোক কেউকাষে আগুৰি আছে। এই পথাৰখনেই অঞ্চলটোক লঙ্কা সমতল অংশৰ পৰা বিচ্ছিন্ন কৰি ৰাখিছে। অঞ্চলটোৰ মাটিখিনিও লঙ্কাৰ পৰা কিছু বেলেগ। প্ৰায়খিনি মাটিয়েই বালিঅহিয়া। চন্দ্ৰধ্বজ দেৱ গোস্বামীয়ে ফাৰ্ম খোলাৰ লগে লগে এই অঞ্চলটোৱে হেনো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে।

এই অঞ্চলৰ প্ৰাচীন নাম কি আছিল বাৰু?

ঠাইডোখৰৰ উত্তৰ অঞ্চল পুৰণিকলীয়া বিশাল আকৃতিৰ আম আৰু তেঁতেলি গছবোৰেৰে ঠাহ খাই থকা দেখিছোঁ। এইবোৰ হেনো লালুং-কছাৰী জনগোষ্ঠীৰ আদিম বসতিৰ স্মৃতি-বৃক্ষ। ৰেল অহাৰ আগতেই পুৰণি মানুহখিনি হেনো আঁতৰি গ'ল। সম্ভৱ অৰণ্যৰ সান্নিধ্যক বিচাৰিয়েই সেই মানুহখিনিও গুচি গ'লগৈ।

সেই প্ৰাচীন গাওঁখনৰ নামেই বা কি আছিল? সেই কথা আজি কোনে ক'ব? লঙ্কেশ্বৰী থানৰ কাষেৰে বৈ যোৱা সৰু জানটোৰ দৰেই নিষ্প্ৰাণ আৰু শীৰ্ণ সেই কৌতূহল।

কিন্তু, এনেবীয়া?

ঠিক আমাৰ গাঁৱত জনপ্ৰিয় হোৱা ধান 'আয়ৰেট্' নামটোৰ দৰেই শব্দটো কিবা বিজতৰীয়া নেকি?

এৰা, ইংৰাজী ভাষাৰ আই, আৰ্, এইট্— এই বৰ্ণ আৰু সংখ্যাৰ সংমিশ্ৰণেৰে যদি আমাৰ গাঁৱত সংহতি স্থাপন কৰিব পাৰে, তেনেহ'লে এই স্থানবাচক শব্দৰ গাঁথনিতো কিবা ৰহস্য নিশ্চয় থাকিবও পাৰে। সংৰমল ৰুৰুৱাই এদিন কৈছিল— ইংৰাজী শব্দ বুলি। ক'ড্-নেম্। সম্ভৱ অঞ্চলটোক 'এন্‌এৰীয়া' নামেৰে কেমুফ্লেজড্ কৰি ৰাখিছিল।

ঠিকেই।

এন্‌এৰীয়া— এই শব্দটোৱেই আমাৰ জিভাত এনেবীয়া হ'ল। সন্ধি সমাসৰ দেশত আহি ইংৰাজী ভাষাৰ এই দুৰ্গতি সঁচাকৈয়ে আমোদজনক।

লঙ্কাৰ ইতিহাস সম্পৰ্কে বৰুৱাই দ্বিতীয় বিশ্ব-যুদ্ধৰ সময়ৰ কথা কৈছিল। ইম্ফল আৰু কহিমাত বৃটিছ্ ঘাটি পতনৰ সম্ভাৱনা দেখি লঙ্কাক গঢ়ি তোলা হৈছিল গুৰুত্বপূৰ্ণ এক সমৰ-ঘাটিলৈ। ৰেল-পথৰ সমগ্ৰ উত্তৰ অঞ্চল হেনো বৃটিছ্ বিমান-বাহিনীৰ ঘাটি, এয়াৰ্‌ফ'ছৰ বেছ্-কেম্প্। দিনে-নিশাই যুদ্ধৰ বিমানবোৰৰ উৰণ আৰু অৱতৰণৰ এক আতঙ্কজনক পৰিবেশে লঙ্কাক ঠেলি পঠিয়াইছিল অনিশ্চয়তাৰ ভবিষ্যতলৈ। মানুহে ট্ৰেইল্ খান্দি তৰণি পোৱা নাছিল।

দ্বিতীয় বিশ্ব-মহাযুদ্ধ গ'ল। বৃটিছো গ'ল। কেৱল এৰি গ'ল, ভয়াবহ বাৰুদমিহলি বিজতৰীয়া এই 'এনেৰীয়া'ক আৰু নিঃসঙ্গভাৱে জীৱন কটাই শেষ হোৱা এংলো-ইণ্ডিয়ান্ বিউগল্ চাহাবৰ সকৰুণ বৃটিছ্ ৰাজত্বৰ স্মৃতিক। সেইবোৰ এতিয়া সাধু-কথা হ'ল বুলি বৰুৱাই মোক বিৱৰি কৈছিল।

হঠাতে কেৰ্কেটুৱা এটাই মোৰ আগেদি দৌৰি কাষৰ গছজোপাত উঠিলগৈ। অতীত ৰোমন্থনৰ স্বপ্ন মোৰ ঠাইতে ভঙ্গ হৈ গ'ল। গছজোপাৰ ওপৰলৈ চালোঁ, কেৰ্কেটুৱাটোৱে তাৰ নোমাল নেজডাল জোঁকাৰি মোলৈকে চাই আছে। নিৰঙ্কুশ ভাব এটাৰে সি যেন প্ৰদৰ্শন কৰিছে ইতিহাসৰ এক নিষ্ঠুৰ প্ৰহসন!

কেৰ্কেটুৱাৰ পৰা মোৰ দৃষ্টিক নমাই সন্মুখৰ ফালে চাই দেখিলোঁ সোমনাথ দত্তৰ ঘৰ। নঙলা-মুখ লাহেকৈ খুলি সোমাই গ'লোঁ। এপ্ৰ'ছ্ ৰোডৰ দুয়োকাষে ফুলি আছে বিবিধ ছীজন্ ফুলবোৰ। বাৰীখনত সোমায়েই মোৰ ভাল হ'ল, মই যেন কোনো ঋষিৰ আশ্ৰমলৈ আহিছোঁ! ফল-ফুলৰ বিবিধ গছেৰে দত্তৰ বাৰীখন এক আদৰ্শৰ প্ৰতীক। বাৰীৰ এক'ষত স্কুলীয়া ছাত্ৰসকলৰ শাৰী শাৰী বোৰ্ডিং-ঘৰ। এক বৌদ্ধিক পৰিবেশ দত্তৰ ঘৰখনত বিৰাজমান!

বাৰী ঘৰৰ শোভা চাই আত্মবিভোৰ হৈ গৈ থাকোঁতেই দত্তৰ সৰু ছোৱালীজনীয়ে মোক দেখি হুলস্থূল লগালে, "মামা আহিছে। চলিহা মামা।"

শিশু সুলভ আনন্দৰ প্ৰতি সঁহাৰি জনাই সুধিলোঁ, "কাৰ মামা?"

"আমাৰ মামা।" — এইবুলি কৈ খিলখিলীয়া হাঁহিৰে তাই শালিকা জঁপিওৱাদি জঁপিয়াই মোৰ ফালে আগবাঢ়ি আহিল। মৰম কৰি সুমথিৰাৰ টোপোলাটো দি তাইক সুধিলোঁ, "সোণমা, দেউতাৰা আছে?"

"অঁ। এতিয়াই আহিব। আপোনাক নহয় মামা, বহিবলৈ কৈছে।"

মই দিয়া টোপোলাটোৰ পৰা সুমথিৰা এটা উলিয়াই চকু দুটা বহলকৈ মেলি মোৰ মুখলৈ চাই আকৌ সুধিলে, "মামা, চিয়াৰ্‌পিয়ে আপোনাক ধৰা নাই?"

এই সৰু ছোৱালীজনীৰ মুখত চি-আৰ্‌-পিৰ কথা শুনি কিছু আচৰিত হ'লোঁ। বিস্ময়ভৰা দৃষ্টিৰে সোণমাৰ মুখখনলৈ চাই ৰ'লোঁ। তিৰ্‌বিৰাই থকা তাইৰ চকুৰ মণি দুটাত প্ৰকাশি উঠিছে এক সন্ত্ৰাসৰ দৃষ্টি। শিশুৰ মনত সৃষ্টি হোৱা এই ছবি জাতিৰ বাবে কিমান দুৰ্ভাগ্যজনক হ'ব পাৰে!

আগলৈ হালি তাইক কোঁচত দাঙি ল'লোঁ। থুতৰিত ধৰি মৰমেৰে সুধিলোঁ, "সোণমা, চি-আৰ-পিৰ কথা তোমাক কোনে ক'লে?"

"কালি নহয় মামা, আমাৰ দাদাইঁত ঘৰতে দিনটো সোমাই আছিল। পুলিচে হেনো নহয় মামা, খেদি ফুৰিছে জানা। কিয় মামা?"

"আমি যে স্বাধীন!"

"অঁ! দেউতাই নহয় মামা, 'জন-গণ' গানটো যে সদ্‌দায় গাবলৈ কয়। এইটো গালে পুলিচ নাহে নেকি মামা?"

"অঁতোন" বুলি শলাগি তাইক বাৰাণ্ডাতে নমাই দিলোঁ। সুমথিৰা টোপোলাটো লৈ তাই ঘৰৰ ভিতৰলৈকে দৌৰি গ'ল। দৌৰি যাওঁতে তাই চিঞৰি গ'ল, "মা, মা! চলিহা মামা আহিলে, চলিহা মামা আহিলে।"

"সোণমা, ইমান হুলস্থূলখন কৰিছ কিয়? মামাক বহিবলৈ কৈছ?" শ্ৰীমতী দত্তৰ মাত মোৰ কাণত পৰিলহি। মোক দেখিয়েই ছোৱালীজনীৰ আনন্দত তত্‌ নোহোৱা হ'ল।

ড্ৰয়িং ৰুমত সোমাই সন্মুখৰ বেৰখনত সজাই থোৱা ড° সৰ্বপল্লী ৰাধা কৃষ্ণণৰ ফটোখনলৈ চালোঁ। এৰা, ড° ৰাধাকৃষ্ণণ ভাৰতীয় সংস্কৃতিৰ এক ক্লাচিক ৰূপ। তেখেতৰ দৰে আজি কেইজন ৰাষ্ট্ৰপতিক পাম?

"অঁ, আপুনি আহিলে? বহক।"

হঠাতে শ্ৰীমতী দত্তৰ মাত শুনি বেৰখনৰ পৰা মোৰ দৃষ্টিক নমাই আনিলোঁ। মই সম্ভৱ কিছু অপ্ৰস্তুত হৈ পৰিছিলোঁ। নমস্কাৰ এটা দি সুধিলোঁ, "মিছেছ্‌ দত্ত, ভাল নে?"

"আছোঁ। সোণমাই কি যে হুলস্থূলখন নকৰিছে?"

"দত্ত নাই নেকি?"

"বজাৰৰ ফালে গ'ল। আলহীক মাতিছেহে, ইফালে ঘৰত একো নাই। যোৱা কালিও বজাৰ বন্ধ। বজাৰ কৰিবলৈকে নহ'ল। বহক দেই। কফি একাপ কৰোঁ।"

সুমথিৰা মুখত দি সোণ মা এনেতে মোৰ কাষলৈকে আহিল। তাকে দেখি শ্ৰীমতী দত্তই ধমক দি ক'লে, "ছিঃ সোণ, ফ্ৰকটো লেতেৰা হ'ব। মামাৰ কাপোৰতো লাগিব। আহা, মামাৰ কাৰণে কফি একাপ দিয়াহি।"

তাইক হাতত ধৰি ভিতৰলৈ নিয়া দেখি ক'লোঁ, "সোণমা, আহা। মোৰ ওচৰতে বহাহি। কাপোৰ লেতেৰা নহয়, আহা।"

মোৰ পৰা সঁহাৰি পাই তাই যেন হঠাতে বল পালে। তাই একেছাটে আহি মোৰ ওচৰ পালেহি। কাষতে তাইক বহুৱাই ললোঁ।

"সোণজনী বৰ দুষ্ট হৈছে জানে। আলহী আহিবহে লাগে, শান্তিৰে বহিবকে নিদিয়ে। চলিহা, বহকদেই।" — মাতৃ অভিমানেৰে শ্ৰীমতী দত্তই কথাখিনি কৈ ভিতৰলৈ সোমাই গ'ল।

ভাল লাগে মানুহ গৰাকীৰ সৰলতাত। ঘৰখনৰ বাহিৰত যেনেকুৱা ভিতৰতো ঠিক তেনেকুৱাই। সুশৃঙ্খল আৰু পৰিষ্কাৰ। দত্ত নিজেও ৰুচিবান লোক বুলি জানোঁ। সোণমাই সুমথিৰাৰ বাকলি গুচাওঁতে বাকলিৰ ৰসে সম্ভৱ তাইৰ চকুত ধৰিলে। সঘনাই চকু দুটা টিপিয়াবলৈ ধৰা দেখি, বাকলি এচকল গুচাই সুমথিৰা এফুটা দি তাইক সুধিলোঁ, "সোণমা, তুমি বোলে দুষ্ট হৈছা?"

"উহুঁ।" তাই মূৰ জোকাৰিলে।

"কিয়? তোমাৰ মায়ে কৈছে নহয়।"

একো উত্তৰ নিদি বেৰত ওলমি থকা শিশু-কৃষ্ণৰ ছবিখনলৈ আঙুলিয়াই দেখুৱালে। লৱণু খাই থকা শিশু-কৃষ্ণৰ চিত্ৰ। সুমথিৰা ফুটাত কামোৰ মাৰি খিক্ কৰি তাই হাঁহি দিলে। ছবিখনলৈ চাই চাই তাইৰ মুখখন অগা-পিছা কৰিবলৈ ধৰিলে। ইঙ্গিতেৰে তাই যেন কৃষ্ণক কাষলৈকে মাতিছে! তাইৰ ভাব-ভঙ্গি দেখি মই মুগ্ধ হৈ গ'লোঁ।

হঠাতে 'মা' বুলি চিঞৰি তাই মাকৰ কাষলৈকে দৌৰি গ'ল। মই ততকে ধৰিব নোৱাৰিলোঁ।

এৰাতোন, সৰুকালত কৃষ্ণও জানো কম দুষ্ট আছিল। মনস্তত্ত্ববিদে কয়— পিতৃ-মাতৃৰ চিন্তা-ধাৰাই শিশুৰ মানসিক পৰিমণ্ডলতো প্ৰভাৱ বিস্তাৰ কৰিব পাৰে!

সংমল বৰুৱাৰ নিচিনাকৈয়ে সোমনাথ দত্তয়ো কমখিনি কষ্ট স্বীকাৰ কৰা নাছিল। স্কুলঘৰ এখন সজোৱাতকৈ ছাত্ৰ-ছাত্ৰীক গঢ় দিয়াটো এজন শিক্ষকৰ কাৰণে এক সুদীৰ্ঘ ত্যাগ আৰু সাধনাৰ কাম।

"চলিহা, কফি একাপকে খাওক। দেখিছেনে দেউতাকৰ কাণ্ড! আলহীৰ মাতি এতিয়াও দেখা-দেখি নাই।"

"আহিব দিয়ক। লাহে-ধীৰে ভাত খালেও হ'ব। দহটা বাজি গৈছেহে।" ঘড়ীলৈ চাই ক'লোঁ।

"তেখেত তেনেকুৱাই। সোনকালে আহিম বুলি ক'লেও ভাত বাহী হয়।"

কফি কাপত শোহা মাৰি শ্ৰীমতী দত্তৰ কথাখিনি শুনি গ'লোঁ। দুৱাৰখনৰ পৰ্দাৰ ফাকেৰে চাই ক'লে, "অঁ, সৌৱা আহিছেই।"

শ্ৰীমতী দত্তই কথাখিনি কৈ বাৰাণ্ডালৈকে ওলাই গ'ল।

"আপুনিও আৰু। আলহীক মাতি নিজৰ খবৰেই নাই।"

"চলিহা আহিল জানো?"

"অথনিৰে পৰাই আহি বহি আছেহি।"

"এহ্। হোঁ, লোৱা। ভাল মাছ নোহোৱাই হ'ল।"

দুয়োৰো কথা-বতৰাবোৰ শুনি গ'লোঁ। মোৰ কাৰণেই দত্তৰ ঘৰখন আজি যেন ব্যস্ত হৈ পৰিছে! একেটি অঞ্চলৰ লোক বুলিয়েই ইমান আদৰ, নে দত্তৰ আলহী-প্ৰীতিৰেই ই স্বাভাৱিক ৰূপ!

"অঁ, চলিহা! আহি পোৱা ভালেমান পৰ হ'ল চাগে।"

"নাই, নাই। এই আধা ঘণ্টাও হোৱা নাই।" ঘড়ীলৈ চাই কলোঁ।

"মাছ-পুঠিৰ কাৰণেই দেৰি হ'ল। তাতে শিৱলাল শাস্ত্ৰীক লগ পালোঁ। কথা পাতি থাকোঁতেই পলম হ'ল।" সন্মুখৰ চকীখনত বহি দত্তই কথাখিনি ক'লে।

"আপুনিও কফি একাপ খাবনেকি?" হাতত বজাৰৰ মোনাটো লৈ শ্ৰীমতী দত্তই সুধিলে।

"অঁ, দিয়া। চলিহাৰ লগতে খাওঁ।"

"দেউতা, দেউতা, জানা দেউতা, চলিহা মামাই নহয়, এক্‌সোপা কমলা আনিছে, জানা।" সোণমাই দত্তৰ কোঁচত গা হলাই হলাই ক'লে।

"কাৰ মামা, সোণমা?" মই ধেমালি কৰিবলৈ সুধিলোঁ।

"আমাল মামা।" তাই টপকৈ ক'লে।

তাইৰ উচ্চাৰণৰ ধৰণ শুনি দত্তয়ো মৃদু হাঁহি এটা মাৰিলে। সুশ্ৰী তাইৰ চুলিকেইডালত হাত বুলাই বুলাই দত্তই ক'লে, "মা, যোৱাচোন মাৰ লগত। আমি কথা পাতো দেই। মামাই ভাত খাব নহয়, দেৰি হ'ব। যোৱা মা, যোৱা।"

"অ' মামা, তুমি পুতলা চাবা? দেউতাই টাউনৰ পৰা আনি দিছে। ইম্‌মান ধুনীয়া। তাইৰ চকু দুটা এনেকুৱা কৰে।" কথাবোৰ কৈ যাওঁতে, নিজৰ চকু দুটা এবাৰ মেলি এবাৰ জঁপাই পুতলাৰ ভাও দেখুৱালে। তাইৰ ভাব-ভঙ্গি দেখি আমি দুয়ো হাঁহিলোঁ। ঘৰ এখনলৈ শিশুৱে সঁচাকৈয়ে সৰগ নমাই আনিব পাৰে! হাঁহি এটিৰে তাইক ক'লোঁ, "মই পাহৰিছিলোঁৱেই, সোণমা! কিম্‌মান ধুনীয়ানো তোমাৰ পুতলা, লৈ আহাচোনদেই।"

"অঁ, এতিয়াই আনিমদেই, মামা।" এইবুলি কৈ তাই শালিকাই জঁপিওৱাদি জঁপিয়াই জঁপিয়াই কাষৰ কোঠালৈ সোমাই গ'ল।

মিছেছ দত্তই কফি একাপ দত্তৰ হাতত দি হাতত পুতলা লৈ সোমাই অহা সোণমাক মাছৰ কথা কৈ পাকঘৰলৈকে লৈ গ'ল।

কফিত শোহা এটা দি দত্তই মোৰফালে চাই কথা আৰম্ভ কৰিলে, "বুজিছে চলিহা, এই ছয়ত্ৰিছ বছৰে মই বহুতো মানুহক দেখিলোঁ। শিক্ষা বিস্তাৰ হ'ল, কিন্তু শিক্ষাই মানুহক মানুহ কৰিব নোৱাৰিলে। আগতকৈ মানুহবোৰ এতিয়া বেয়াহে হ'ল।"

"এৰা, এতিয়াৰ মানুহবোৰ কিছু কম্‌প্লিকেটেড্ যেন লাগে। সমাজৰ কেউফালে কিবা আউল লগা যেন হৈছে। অৱশ্যে, মোতকৈ আপুনিহে এই কথাটো বেছি অনুভৱ কৰিব পাৰিব।"

"আমাৰ সমাজ খনতযে কিবা আউল লাগিছে, এইটো সম্ভৱ সকলোৱেই অনুভৱ নিশ্চয় কৰিছে। কিন্তু কথা হ'ল, এই আউল গুচাব কোনে? বজাৰত শাস্ত্ৰীয়ে তাকেই কৈছিল— 'আমি নেপালী-সম্প্ৰদায়ে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিত জগৰ লগালোঁ কেনেকৈ? আমিতো অসমীয়া ভাষা-সাহিত্যকেই অধ্যয়ন কৰি আছোঁ।' বুজিছে চলিহা, শাস্ত্ৰীৰ কথাবাৰ শুনি মোৰ মনত পৰিছিল— এগৰাকী নেপালী সম্প্ৰদায়ৰ শংকৰভক্তলৈ। লক্ষেশ্বৰী নাট মন্দিৰত ধৰ্মালোচনী সভা এখন পাতিছিলহি। কীৰ্ত্তন-নামঘোষাৰ পদ গাই মহাপুৰুষীয়া ধৰ্মৰ মৌলিক ব্যাখ্যা এনে সুন্দৰকৈ

উপস্থাপন কৰিছিল, শুনি সঁচাকৈয়ে মই আচৰিত হৈছিলোঁ, বুজিছে। নেপালী ভাষী হৈয়ো বৃহত্তৰ অসমীয়া সংস্কৃতিক আদৰি লৈছিল, অন্তৰেৰে।"

"এৰা, দত্ত! মহাপুৰুষে আমাৰ মন বহলাইছিল, কিন্তু আমিবোৰে দিনে দিনে সৰুহে কৰিব ধৰিছোঁ। নেপালী খুটিৰ গাখীৰ নহ'লেচোন আমাৰ কিহৰ দৈ কণো বিচাৰি নাপাওঁ।"

"তাকেই কয়, খাই পাত ফলা। মানুহক হ'লে চকু পাৰি দেখিব নোৱাৰোঁ, কিন্তু নেপালী খুটিৰ গাখীৰ নহ'লে পূজাৰ চাহকাপেই নহয়গৈ।" — কফি এশোহা দি দত্তই কথাবোৰ ক'লে। কথাবোৰ কওঁতে দত্তৰ মুখত এক তাচ্ছিল্যৰ ভাব প্ৰকাশি উঠা দেখিলোঁ।

"আন্দোলনৰ টৌৱে যেতিয়া অসমৰ নেপালীসকলকো আঘাত হানিলে, তেতিয়া মোৰ ক্লাছৰ নেপালী ছাত্ৰবোৰৰ মুখলৈ চোৱাৰ অধিকাৰক যেন হেৰুৱাই পেলালোঁ! সিহঁতৰ আগত অসমীয়া সাহিত্য পঢ়াই যোৱাৰ যুক্তিকেই মই বিচাৰি নোপোৱা হ'লোঁ।"

"ঠিকেই। আন্দোলনৰ সুৰবোৰ কিবা বেবেৰিবাং হোৱা যে‍ন হৈছেগৈ। সিদিনাখন আমাৰ স্কুলৰ চকীদাৰ বাহাদুৰেও মোক সুধিছিল, 'ছাৰ, আমিও ...ল যাব লাগিব নেকি?' তাৰ মুখখনলৈ চাই মই সঁচাকৈয়ে ব্যথিত হৈছিলোঁ, চাৰ."

কফিত শোহা দি দত্ত হঠাতে নীৰৱ হৈ গ'ল। মোৰ ফালে দৃষ্টি নিদি ৰৌদ্ৰস্নাত চোতালখনলৈ এখন্তেক চাই ৰ'ল। দত্তই যেন বিচাৰি ফুৰিছে, বিদেশী বহিষ্কাৰ আন্দোলনৰ যুক্তিৰ আচল সত্যক।

"চলিহা, কথাটো সঁচানে বাৰু?"

দত্তই হঠাতে কৰা প্ৰশ্নত, আগ-গুৰি একো নাজানি মই অবাক হৈ পৰিলোঁ।

"কি কথা, দত্ত?"

"কলেজৰ অধ্যাপকসকলে বোলে বৰ্জন কৰিলে, আপোনাক? কথাটো সঁচানে?"

"দত্ত, মই জানো, মোৰ দৃষ্টি ভুল হোৱা নাই। স্কুল, কলেজ আদি কোনো সম্প্ৰদায় বা কোনো বিশেষ ভাষা-গোষ্ঠীৰ অনুষ্ঠান নহয় বুলি মই জানোঁ। গতিকে, অধ্যাপকসকলৰ এনে সিদ্ধান্ত নিশ্চয় শৈক্ষিক বাতাৱৰণৰ কাৰণে অনিষ্টকাৰক।" — অতি আগ্ৰহেৰে চাই দত্তক বুজালোঁ। দত্তৰ মুখৰ পৰা কথাবোৰ শুনি ভাবিলোঁ, ঘটনাটো তেনেহ'লে লক্ষাত প্ৰচাৰ হ'লেই!

"এনে বৰ্জনৰ সিদ্ধান্ত কিয় ল'লে? ইয়াৰ প্ৰভাৱ আনবোৰ শিক্ষা অনুষ্ঠানতো পৰিবণে পাৰে বুলিহে মোৰ ভয় হৈছে, চলিহা। বাৰু, সমন্বয়-দিৱসৰ প্ৰস্তুতি কিমান দূৰ আগবাঢ়িছে?"

"সেই সম্পৰ্কে আলোচনা কৰিম বুলিয়েই আহিছোঁ।...

এনেতে মিছেছ্ দত্তই পাক-ঘৰৰ পৰাই দত্তক বিচাৰি মাতিলে। কফি কাপ থৈ এখন্তেক বহিবলৈ কৈ দত্ত সোমাই গ'ল, পাকঘৰলৈ। কফি শেষ কৰি চিগাৰেট এডাল উলিয়াই জ্বলাই ল'লোঁ। চিগাৰেটডালত দীঘলকৈ টান এটা দি সোমনাথ দত্তৰ বিষয়ে ভাবিলোঁ। মাজুলীৰ সংস্কৃতিৰে গঢ় দিয়া জীৱন আৰু স্বপ্নক লঙ্কাৰ মাটিত আহি বাস্তৱ জীৱনেৰে সৈতে একীভূত কৰি তুলিলেহি। ইয়াৰ শিক্ষা আৰু সংস্কৃতিৰে সৈতে সনা-পোটকা কৰি লঙ্কাৰ মাটিক জীৱনলৈ সাৱটি ধৰিলে। এনেৰীয়া হৈ পৰিল শান্তিৰ এক নতুন শান্তি-নিকেতন।

এৰা, এই বিশাল পৃথিৱীত প্ৰতিটো সত্তাৰেই সঞ্চাৰণধৰ্মী চৰিত্ৰ আছে। সম্ভৱ মানুহেই প্ৰাণী জগতৰ ভিতৰত আটাইতকৈ বেছি প্ৰব্ৰজনধৰ্মী। প্ৰব্ৰজনধৰ্মী কাৰণেই নিজৰ সংস্কৃতিক মহীয়ান কৰি গঢ়িব পাৰিছে।

সৎমল বৰুৱা আৰু সোমনাথ দত্ত দুয়োৰো জীৱন যেন একেডাল সূতাৰে গঁথা। এক অনবদ্য ক্লাছিক ৰূপত উত্তৰণ ঘটাবলৈ মোৰ লেখি থকা উপন্যাসখনৰ শেষ অধ্যায়ক বাছি লৈছোঁ। সোমনাথ দত্তৰ জীৱনৰ এছেৰ্খিনিৰে শেষৰ অধ্যায়ৰ কাহিনীক মানৱ-প্ৰেমৰ ৰসেৰে অৱগাহন কৰিব পৰা হ'লে!

"চলিহাৰ ভোক লাগিছেই হ'ব পায়।" মিছেছ্ দত্তই সোমাই আহি মাত দিলেহি। দত্তৰ জীৱনৰ কথা ভাবি তন্ময় হৈ বেৰখনৰ কাষৰ আলমাৰিত সজাই থোৱা কিতাপবোৰলৈ চাই আছিলোঁ। মিছেছ্ দত্তৰ মাত শুনি সাৰ পোৱাদি পালোঁ। তামোলৰ বঁটাখন টুলখনত লাহেকৈ থৈ দিলেহি।

"নাই নাই। লাহে-ধীৰে খালেও হ'ব। কফি খাই উঠিছোঁহে।"

"কাম কৰা ল'ৰাও নাই। তাতে দেউতাকটোৰে কথা পাতিবলৈ পালে সকলো পাহৰি যায়।" কাপ-প্লেট সামৰি সামৰি কথাবোৰ সাধাৰণ অনুযোগৰ সুৰত ক'লে।

মই একো নক'লোঁ। মোৰ উত্তৰলৈ মিছেছে দত্তই অপেক্ষাও নকৰিলে। "বহক দেই" বুলি কৈ কাপ-প্লেট সামৰি ওলাই গ'ল।

তামোল এখন মুখত ভৰাই লক্ষ্য কৰিলোঁ, সোণমাই কোঁচত পুতলা লৈ সোমাই আহিছে। সৰু কমাল এখনেৰে পুতলাৰ মুখখন মচি মচি মোক উদ্দেশ্য কৰি ক'লে, "আপুনি পুতলা দেখিছে মামা?"

"নাই দেখা। চাওঁ, দেখুৱাচোন তোমাৰ পুতলা।"

পুতলাৰ কাষলতিত ধৰি দাঙি দেখুৱালে। বাদামী ৰঙৰ চুলিৰে ফ্ৰক্ পিন্ধাই থোৱা পুতলাটি সঁচাকৈয়ে ধুনীয়া।

'অঁতোন, ধুনীয়া পুতলা। সোণমা, তোমাৰ পুতলাৰ ভোক লগা নাই?" ধেমালি কৰি তাইক সুধিলোঁ।

"নহয় মামা, ৰাতিপুৱা ভাত খালেই।" কোঁচত লৈ তাই নিচুকাই নিচুকাই কথাখিনি ক'লে।

কি যে ইমিটেছন্! প্লাষ্টিকৰ পুতলাটো যেন সাক্ষাৎ মানৱ-শিশুহে! মন কৰিছোঁ, ল'ৰাতকৈ ছোৱালীবোৰে ঘৰ এখনৰ সামগ্ৰিক ৰূপ এটাক শিশুকালৰ পৰাই মাকৰ প্ৰকৃতিক আহৰণ কৰে। শৈশৱ-কাল অঙ্কুৰিত হ'বলৈ ধৰে মাতৃমনৰ মানসিকতাৰ পৰিমণ্ডলেৰে। কি বিচিত্ৰ মন!

"চলিহা, আপুনি গা তিয়াবনেকি?" দত্তই সোমাই আহি মোক সুধিলে।

"মই ৰাতিপুৱাই আজৰি হৈ ওলাই আহিছোঁ।

"সোণ! যোৱা, মাৰ ওচৰলৈ যোৱা। মামাই ভাত খাব নহয়। যোৱাদেই।" বুজাই-বঢ়াই সোণক মাকৰ কাষলৈ পঠাই দিলে।

"আহক তেনেহ'লে ভাত এমুঠিকে খওঁগৈ।" দত্তই আদৰেৰে ক'লে।

"ব'লক তেনেহ'লে।"

পিছফালৰ বাৰাণ্ডাতে ডাইনিং ৰুম। দুয়ো সোমালোঁ। বিবিধ ব্যঞ্জনেৰে মিছেছ দত্তই সজাই দিছেহি ব্যঞ্জনপূৰ্ণ বাটিবোৰ। চকীখনত বহি ক'লোঁ, "মিছেছ দত্তই ঢেৰ বান্ধিছে যেন পাইছোঁ। এইদৰে খাবলৈ পালে দুদিনমানতে মত্ত শকতটো হৈ পৰিমগৈ।"

"কি বান্ধিছোনো। বজাৰত আছেনো কি?"— জলফাই আচাৰৰ প্লেটখন আগবঢ়াই মিছেছ দত্তই ক'লে। জলকীয়া আৰু নিমখৰ প্লেট দুখন আগবঢ়াই ক'লে, "খাওক, কিবা লাগিলে ক'ব। সোণ মা, আহা।" বাৰাণ্ডাতে পুতলাক লৈ খেলি থকা সোণমাক লৈ পাকঘৰৰ ফালে গ'ল।

"খাওক, চলিহা। আগৰ লঙ্কা এতিয়া আৰু নাই। কপিলীৰ মাছ এতিয়া হেৰাল। মৈমনচিঙীয়াৰ মিঠা মূলা আৰু পূৰঠ বেঙেনা আজিকালি বজাৰত নেদেখাই হ'ল। চাউলো সেই। বিলাসপুৰীৰ লাহি-চাউল লঙ্কা বজাৰত এসময়ত সুনাম আছিল। জহা-চাউল খাবলৈ পাহৰিছোঁৱেই। গাখীৰৰ কথা এৰিছোঁৱেই। লঙ্কাৰ বৰ্তমান অবস্থালৈ চালে মাজুলীৰ ঘৰখনলৈহে মনত পৰে। বুইছেনে?"

"হেৰি দত্ত, মাজুলী আৰু আগৰ মাজুলী নাই। মেটেকাই ছাটি ধৰাদি কেউফালৰ পৰা ভেজালে ছাটি পেলাইছে। আগৰ সুখ-শান্তি এতিয়া হৰিল, বুজিছে।

"অঁ, হ'বও পাৰে। মাজুলীলৈ নোযোৱা বহু বছৰেই হ'ল।"

কথা পতাৰ ইচ্ছা হঠাতে দত্তৰ যেন নোহোৱা হ'ল। মন কৰিছোঁ, দত্ত যেন হেৰোৱা দিনৰ পটভূমিত স্মৃতিৰ ডেউকাৰে উৰি ফুৰিছে। ময়ো একো প্ৰশ্ন নকৰি ডাইনিং টেবুলৰ ওপৰত সজাই থোৱা ব্যঞ্জনৰ বাটিবোৰলৈ চকু দিলোঁ। অসমীয়া, বঙালী, বিহাৰী, বিলাতী— সকলো বিধৰ ব্যঞ্জনেৰে এক মধুৰ সংমিশ্ৰণ। সংমিশ্ৰণ বুলি কোৱাতকৈ ভোজন-মঞ্চক এক সাংস্কৃতিক সমাহাৰ বোলাহে যুগুত। দত্তৰ ৰুচিবোধৰ পৰিচয় পৰিবেশনত উজলি উঠিল।

প্লেটখনৰ পৰা জলফাই এটা লৈ দত্তক সুধিলোঁ, "জলফাই বাৰীৰেইনে দত্ত?"

"হয়। বৰ কষ্টেৰে এজোপা তুলিলোঁ। ইয়াৰ মাটিত জীপ মুঠেই নাই বুইছেনে? গুটি ধৰা দুবছৰমানেই হ'ল।" ভাত মুঠি খাই বৰ সোৱাদ লাগিল। ধনেশ্বৰে কিনি অনা চাউলতচোন এই সোৱাদ নাপাওঁ। ক'ৰ চাউল জানিবৰ মন গ'ল।

"এই চাউল ক'ৰ, বজাৰৰ নে দত্ত?"

"নহয় চলিহা, এইয়া কাঁকীৰ পৰা অনা। কেনে পাইছে খাই?"

"বেছ সোৱাদহে দত্ত। এনে ভাতত ব্যঞ্জন নহ'লেও চলে।"

প্লেটত সজাই থোৱা উৰ্দ্ধমুখী ক'লা জলকীয়া এটা লৈ এনেয়ে ভাঙিলোঁ। জলকীয়া এনেও নাখাওঁ। কিন্তু এই বিধৰ কেঁচা জলকীয়াত এটা লোভ লগা গোন্ধ থাকে। সেই গোন্ধ মোৰ বৰ ভাল লাগে। ভাঙি দিয়াৰ লগে লগে জলকীয়াৰ গোন্ধ আহি মোৰ নাকত লাগিলহি। গোন্ধ লৈয়েই জলকীয়া থোৱা মোৰ হৈ গ'ল।

দত্তলৈকো মন কৰিলোঁ, তেখেতেও সম্ভৱ জলকীয়া কম খায়। তেতিয়াই থোৱা গোট জলকীয়াটো এতিয়াও প্ৰায় নিখুঁট হৈয়েই আছে।

"চলিহা, ভাত কেইটামান দিওঁনে?" মিছেছ্ দত্তই সুধিলে।

"এহ্, খোৱাতেহে ব্যস্ত হৈ আছোঁ। চলিহাক দিয়া। দুটামান মোকো দিবা।" দত্তই তেখেতৰ মিছেছ্‌লৈ চাই ক'লে।

"বছ্ বছ্। হ'ব মিছেছ্ দত্ত। সোৱাদ বুলি সবহকৈ খাব নোৱাৰি।" বাধা দি ক'লোঁ।

"খাওক, সদায় আৰু আপুনি খাবহিনে? মাছ এডোখৰ দিওঁ?"

"নালাগে, মিছেছ দত্ত। মাছ আছেই। মাটি মাহৰ আঞ্জা বেছ ভাল লাগিছে খাই। ঔ-টেঙা ক'ৰ?" মই সুধিলোঁ।

"বৰ্ডিঙৰ ল'ৰাকেইটাই আনি দিছিল সিহঁতৰ গাঁৱৰ পৰা।"— দত্তই ক'লে।

"মাহৰ আঞ্জা অলপ দিওঁনে?"

"মিছেছ্ দত্ত, আঞ্জাও হৈছে। এইখিনিৰেই আটিব।"

"কিবা লাগিলে ক'বদেই।"

মিছেছ্ দত্ত আঁতৰি গ'ল। সম্ভৱ পাণ-তামোলৰ ব্যৱস্থা কৰিবলৈ। এবা, গৃহিনী এগৰাকীৰ কামৰ কোনো সীমা নাই যেন পাইছোঁ। ত্যাগ আৰু সেৱাৰ আনন্দত এগৰাকী নাৰীয়ে পাহৰি থাকে সমস্ত দিনৰ দুখ আৰু ভাগৰ। নিজে নাখাই আনক খুৱাই সন্তুষ্ট কৰাতেই নাৰীৰ আনন্দ। নাৰীৰ এই ৰূপত জানো জাত-পাতৰ সীমাবদ্ধতা আছে? এনে মনৰ অধিকাৰী হৈয়ো কাৰোবাৰ জীৱনত নিৰানন্দই কিয় আৱৰি ধৰে? আচৰিত, মানুহৰ এই মন!

"বুজিছে চলিহা, মাজুলীৰ প্ৰতি মোৰ মোহ হেৰাই গ'ল কেতিয়াবাই।"

"কিয় দত্ত?" পানী-গ্লাছটো হাতত লৈ কিছু আচৰিত হৈ দত্তক সুধিলোঁ।

"মানুহৰ মূল্যবোধ কেৱল কীৰ্তন পুথিতহে আছে, বাস্তৱ জীৱনত নাই।"

"তাৰ মানে?" অবাক হৈ দত্তৰ মুখলৈ চাই ৰ'লো।

"জাত্যাভিমান মোৰ সহ্য নহয়।" গহীন মুখেৰে দত্তই ক'লে।

পানী গিলাচ খাই দত্তৰ মনত হঠাতে উদয় হোৱা এই ভাবটোৰ অন্তর্নিহিত তাৎপৰ্যৰ বিষয়ে চিন্তা কৰিলোঁ। মানুহৰ মনৰ কথাকেই ভাবি আছিলোঁ। দত্তই আকৌ মানুহৰ মনৰ কথাকেই প্ৰশ্ন কৰিছে। দত্ত সৰ্বজ্ঞান নেকি? নে এইটো টেলিপাথি হ'ল?

দত্তই নিশ্চয় এই ক্ষোভ, এই বেদনা প্ৰকাশ কৰিছে মাজুলীৰ সমাজে তেখেতৰ সংসাৰখনক সহজতে গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰা বাবে। তেখেতৰ জীৱন-পথক তেখেতে এটা চেলেঞ্জৰ ভাবত লোৱা বাবেই এই মানসিক বিপ্লৱ।

ভাত-খোৱা শেষ কৰি দত্তলৈ চাই ক'লোঁ, "কীৰ্ত্তন নামঘোষাৰ ঘোষণাক কেইজনে মানে? আমাৰ ধৰ্মীয় সংস্কৃতিৰ উত্তৰণ জানো জন-জাতিৰ সমাজত ঘটিব?"

"এৰা। উঠো চলিহা?"

আহাৰ গ্ৰহণ কৰি এনে ভাব লাগিল যেন ইমান দিনৰ মনৰ অৱসাদ, ক্লান্তিবোৰ আঁতৰি গ'ল! ড্ৰয়িং ৰুমত বহি তামোল এখন মুখত দি চিগাৰেট জ্বলাই ললোঁ। চিগাৰেটত টান এটা দি ভাবিলোঁ দত্তৰ ছিন্‌থেটিক্ জীৱনৰ কথা।

এৰা, মিছেছ্ দত্ত জন-জাতীয় ছোৱালী। কিন্তু ক'তা? তেখেতৰ সাংস্কৃতিক মনটোত কোনো ব্যতিক্ৰমেই নেদেখিলোঁ। সম্ভ্ৰান্ত অসমীয়া গৃহিণীৰ স্বাভাৱিক আচৰণ দেখোন তেখেতৰ কৰ্ম আৰু চিন্তাত সমানেই প্ৰকাশ পাইছে। দত্তৰ মনতো কোনো কম্‌প্লেক্স্ দেখা নাই। জন-জাতীয় ছোৱালীক স্নেহৰ বন্ধনেৰে মধুৰ কৰি মাজুলীৰ দত্তই নিজৰ জীৱনকো উদ্বুদ্ধ কৰি তুলিলে। দত্ত হৈ পৰিল, অসমীয়া সংস্কৃতিৰ প্ৰকৃত দ্ৰষ্টা, লগতে স্ৰষ্টাও। লঙ্কাৰ মাটি তেখেতৰ বাবে হৈ পৰিল ধৰ্মক্ষেত্ৰ। তেখেতৰ ঘৰখন সঁচাকৈয়ে সমন্বয়ৰ এক জীয়া ইতিহাস!

তেৰ অধ্যায়

কান্দুৰা কাৰবি গাঁৱৰ দেংবৰ বস্তিৰ মক্চু ফাংচ'ৰ ঘৰত মোক বহুৱাই ৰামছিং বে ওলাই গ'ল গাওঁবুঢ়াক মাতিবলৈ। ফাংচ'ই পূজাৰ আয়োজন কৰি আছিল— হেম্ফু পূজা।

ছোৱালীজনীয়ে দি যোৱা তামোল এখন মুখত ভৰাই হেম্ফু পূজা চাবলৈ ধৰিলোঁ। অনৰ্গলভাৱে উচ্চাৰণ কৰা মন্ত্ৰবোৰ নীৰৱে শুনি গ'লোঁ। মোৰেই দুৰ্ভাগ্য যে কাৰ্বি ভাষা মোৰ আয়ত্তৰ বাহিৰত। মন্ত্ৰবোৰৰ শব্দ এটাকো বুজিব পৰা নাই। টেপ্ ৰেকৰ্ডাৰ যন্ত্ৰটো লগত থকা হ'লেও! অৰ্থ বুজাৰ প্ৰচেষ্টা এৰি কাণ দিলোঁ, মন্ত্ৰৰ সুৰ আৰু ছন্দলৈ।

এইয়া কি!

এই সুৰ আৰু ছন্দেৰে সৈতে ক'ৰবাত যেন মিল আছে! যিমানেই মনোযোগ দি শুনিলোঁ, সিমানেই মোৰ পৰিচিত সুৰ আৰু ছন্দৰ অনুৰণন যেন শুনিবলৈ পালোঁ।

এৰা!

মন্ত্ৰৰ সুৰ শুনি মোৰ অনুভৱ হৈছে, মই যেন কোনো এক যজ্ঞ-ভূমিত উচ্চাৰিত হোৱা ঋষিসকলৰ বেদৰ মন্ত্ৰধ্বনিহে শুনিছো! কাৰবিসকলে এই সুৰ পালে ক'ৰ পৰা? বেদীৰ কল্পনা আৰু দেৱতাৰ নৈবেদ্যখিনি দেখোন বৈদিক যাগ-যজ্ঞৰে সৈতে একেই। ছাগলী, ঘোঁৰা — এইবোৰেই জানো বৈদিক যুগৰ যজ্ঞৰ পশু-ধন নহয়? তেনেহ'লে পাৰ্থক্য ক'ত?

আৰ্য আৰু অনাৰ্যসকলৰ দৈৱ-বিশ্বাসৰ মূল শিপাডাল দেখোন একেই। আমাৰ মাজত বিভেদৰ প্ৰাচীৰ তেনেহ'লে কোনে সাজিলে?

কথাবোৰ ভাবি থাকোঁতে কাষৰ বেৰখনৰ ওপৰৰ পৰা কুকুৰা এজনীয়ে কক্ককাই উঠিল। কুকুৰাজনীলৈ চালোঁ। মূৰৰ টিক্‌টিকীয়া ফুলচটা যে ইমান মৰম লগাকৈ হালি পৰিছে তাইৰ! গল- বিচনী দুচটাও ইমান ৰঙা! সম্ভৱ বাহত বহি তাই কণী পাৰি আছিল।

মন্ত্ৰ মাতি থকাৰ মাজতে ফাংচ'ই কাবোবাক মাত দিয়া শুনিলোঁ। কুকুৰাজনীক খেদি পঠাবলৈ সম্ভৱ কাবোবাক কৈছে। তামোল দি যোৱা ছোৱালী জনীয়ে ঘৰৰ ভিতৰৰ পৰা ওলাই আহি কুকুৰাজনীক খেদিলেহি। কুকুৰাজনীয়ে আগতকৈ বেছি জোৰেৰে কক্ককাই বাহৰ পৰা উৰি চোতালত পৰিলহি আৰু ক'ৰবাৰ পৰা মতা কুকুৰা এটাই তাইৰ কাষলৈ আহি কক্ককনিত যোগ দিলেহি। ফাংচ'ৰ চোতালত কুকুৰা চৰাইৰ যুগ্ম আৰ্তনাদত খন্তেকপৰ তল-ওপৰ লগালে আৰু মতা চৰাইটোৱে 'লঙ্কাপুৰ ক'ত' বুলি সুৰীয়া গীত জুৰি কুকুৰাজনীক জাকৰ মাজলৈ লৈ গ'ল। এৰা, কণী পৰাৰ পাছত কুকুৰাই এইদৰে কক্ককাই হুলস্থূলীয়া পৰিবেশ এটা সৃষ্টি কৰে আৰু মতা কুকুৰাই তাত আহি সহযোগ কৰে। বিচিত্ৰ বিধান!

জন-জাতীয় জীৱনত কুকুৰা চৰাই আৰু গাহৰি এৰিব নোৱাৰা কথা। মিচিং গাওঁবোৰতো কুকুৰা আৰু গাহৰি পোহা দেখিছোঁ। আগতে কাৰ্বি গাওঁ দেখা নাছিলোঁ। কাৰ্বি নৃত্য-গীত বিচাৰি দেংবৰ গাঁৱত সোমোৱাৰ লগে লগে কোনোবা মিচিং গাওঁ এখনলৈ অহা বুলি ভাব হৈছিল।

মিচিং তিৰোতাসকলে ক'লা ৰঙৰ মেখেলা পিন্ধে। ইয়াৰ তিৰোতাসকলেও দেখোন ক'লা ৰঙৰ মেখেলা পৰিধান কৰা দেখিছোঁ। মিচিং আৰু কাৰ্বি নাৰীসকলে ক'লা ৰঙক কিয় আদৰি ল'লে বাৰু? অসমৰ এই জনগোষ্ঠী দুটাৰ মাজত ক'ৰবাত বৰ মিল থকা যেন লাগিল। চিগাৰেটত লাহেকৈ টান এটা মাৰি ভাবিবলৈ ধৰিলোঁঃ এৰা, ঠিকেই। এই মিল তেওঁলোকৰ জাতিৰ পৰিচয়-সূত্ৰত গঁথা আছে।

মিকিৰ আৰু মিৰি!

শব্দ দুটা ইমান ওচৰ চপা!

কিয় বাৰু শব্দ দুটাক কাৰ্বি আৰু মিচিং কৰি হঠাতে অপৰিচিত কৰি তুলিলে?

ৰজনীকান্ত বৰদলৈৰ 'মিৰি জীয়ৰী'ক এতিয়া বাৰু কোনে 'মিচিং জীয়ৰী' বুলি সলনি কৰিব? অসম বুৰঞ্জী আৰু গেইট্ চাহাবৰ বুৰঞ্জীৰ 'মিকিৰ' জাতিটো হঠাতে হেৰাই নগ'লনে? লায়েলৰ 'দ্য মিকিৰছ্' গ্ৰন্থতো 'কাৰ্বি' শব্দটো পঢ়া মনত নপৰে দেখোন। বৰং মিকিৰ শব্দৰ সলনি 'আৰ্লেং' তেওঁলোকৰ জনপ্ৰিয় পৰিচয়জ্ঞাপক শব্দ বুলিহে তেওঁ লিখিছে।

অসমৰ নতুন ইতিহাস ৰচোঁতে এই তথ্যৰ নিৰ্ভুল ব্যাখ্যা দাঙি নধৰিব লাগিলে 'মিকিৰ' আৰু 'মিৰি' নামৰ ইতিহাস-স্বীকৃত জাতি দুটা অসমৰ বুকুত হেৰাই গ'ল

বুলিহে ইতিহাসৰ ছাত্ৰই ভাবিব পাৰে। ইতিহাসৰ এই স্খলন কিমান দুৰ্ভাগ্যজনক হ'ব পাৰে! ধোঁৱাখিনি আলাসতে এৰি কথাবাৰ ভাবিবলৈ ধৰিলোঁ।

এইদৰে ভাবি থাকোঁতে দেখিলোঁ, ল'ৰাকেইজনমানে চোতালত জঁপিয়াই থকা পূজাৰ কুকুৰাটোক নিৰীক্ষণ কৰিবলৈ ধৰিছে। ফাংচ'ই হাতত কটাৰিখন লৈ থিয় দি একান্তমনে কুকুৰাটোলৈ চাই মন্ত্ৰ মাতি আছে। উঠি গৈ মোৰো চাবৰ ইচ্ছা হ'ল, কিন্তু উঠি নগ'লোঁ। জানোছা বিশ্বাসৰ শিপাডালত আঘাত লাগেই বা! অনুমান কৰিলোঁ, ফাংচ'ই নিশ্চয় কুকুৰাৰ গতি-বিধিৰ মাজেৰে ভূত-ভৱিষ্যতৰ গণনা কৰিব বিচাৰিছে।

এৰা। দেওধাইৰ হতুৱাই কুকুৰা-ঠেং চোৱাই আহোম স্বৰ্গদেউসকলেও ভূত-ভৱিষ্যৎ নিৰ্দ্ধাৰণ কৰে। খাছী-জয়ন্তীয়াও কুকুৰা চৰাইৰ নাড়ী-ভূঁৰ চাই মঙ্গল-অমঙ্গলৰ ভৱিষ্যৎবাণী গণনা কৰে। আমাৰ গাঁৱৰ কাষৰ মিচিংসকলেও আগ-মণ্ডহ চাইহে ভৱিষ্যৎ গণনা কৰা দেখিছোঁ। বড়োসকলেও বাঠৌ দেৱতাক অৰ্চনা কৰে একেটি ৰূপত, একেটি বিশ্বাসত।

এই বিশ্বাসৰ শিপাডাল জানো অকল অসমৰ জন-জাতীয় সমাজতেই আবদ্ধ হৈ আছে? এই প্ৰশ্নটোৱে মোক শেক্সপিয়েৰৰ জগতখনৰ কাষ পোৱালেগৈ।

ঠিকেই, চিনেট সভালৈ যোৱাৰ আগতে জুলিয়াছ চীজাৰেও জন্তুৰ আগ-মণ্ডহ চোৱাইছিল। কলিজ নোপোৱা কাৰণেই সেইদিনা মহান চীজাৰক চিনেট সভালৈ যোৱাত হাক দিছিল।

খৃষ্টপূৰ্ব প্ৰথম শতিকাৰ ৰোমানসকলৰ দৈৱ-বিশ্বাসৰ শিপাডালে অসমৰ জনজাতীয় জীৱনকো শিপাই পেলাইছেহি নেকি?

কি আশ্চৰ্য!

আৰ্য, অষ্ট্ৰিক, মঙ্গোলীয়, — এই মানৱ গোষ্ঠীৰ আদিম ধৰ্মীয় বিশ্বাস দেখোন একেডাল সূতাৰেই গঁথা। এইটোৱেই আমাৰ মানৱ সংস্কৃতিৰ মূল ভেটি নহয়নে? কাব্‌বিসকল ভেনেহ'লে......

"প্ৰফেছৰ বাবু, অকলে অকলে বহি আমনি পাইছে হ'বলা? ইংলেং গাওঁবুঢ়াক মাতিবলৈ যোৱা বামহিঙো নাই, গাওঁবুঢ়াও নাই। কি হ'ল ভাবৰিলাক?"

ফাংচ' গাওঁবুঢ়াই মোৰ তন্ময় ভাব ভাঙি দিলেহি? নিজকে কিছু অপ্ৰস্তুত হৈ পৰা যেন অনুভৱ কৰিলোঁ। এই স্বভাৱটোৰ কাৰণেই হয়তো কেতিয়াবা সময়ৰ

কথা পাহৰি বিমোৰত পৰোঁ। ঢাৰিখনত বহিবলৈ ধৰা ফাংচ'লৈ চাই ক'লোঁ, "নাই পোৱা গাওঁবুঢ়া। আপোনালোকৰ পূজা মই আজিহে দেখিলোঁ। মোৰেই সৌভাগ্য, আপোনালোকৰ হেম্‌ফু ঈশ্বৰে আপোনালোকৰ ঘৰলৈকে মোক লৈ আহিল।"

"কি কৰিম, প্ৰফেছাৰ বাবু! আমাৰ কাৰ্বি নিজম, এৰিবও নোৱাৰে, ধৰি ৰাখিবও নোৱাৰে। এই অৱস্থা।"

"নাই, নাই। এৰিব কিয়? যাৰ যি বিশ্বাস। আমিও পূজা কৰোঁ, আপোনালোকেও কৰে। ঈশ্বৰ একেই। ভক্তিৰ নিয়মহে বেলেগ। চিগাৰেট খাওক, গাওঁবুঢ়া।"

চিগাৰেটৰ পেকেট আৰু দিয়াচলাই বাহটো তেওঁলৈ আগবঢ়াই দিলোঁ। ফাংচ' গাওঁবুঢ়াই হাতখন পাতি আদৰেৰে গ্ৰহণ কৰিলে। পেকেটৰ পৰা চিগাৰেট এটা উলিয়াই জ্বলাই ল'লে। তেওঁ ঘূৰাই দিয়া চিগাৰেট পেকেট আৰু দিয়াচলাই বাহটো লৈ গাওঁবুঢ়াক সুধিলোঁ, "পূজাৰ কাম হ'ল নে গাওঁবুঢ়া?"

"আঁ, হৈছে আৰু। থেকাৰ দিবলৈহে আছে।" ধোঁৱা এসোপা উলিয়াই ফাংচ'ই ক'লে।

শব্দটো ধৰিব নোৱাৰিলোঁ। শব্দটো জানিবৰ ইচ্ছাৰে আকৌ সুধিলোঁ, "কি হ'ল গাওঁবুঢ়া? কি দিবলৈ বাকী আছে বুলি ক'লে?"

"আঁ—। এই থে-কাৰ্। মুৰ্গীৰ কলিজা, ভাত আৰু লগতে মদ-পানী দি দেওটোক বিদায় দিব লাগে। সেইটো নিদিলে, মানুহে পূজা খাব নাপায়। আৰলেং নিজম কথা কি ক'বহে প্ৰফেছাৰ বাবু।" কথাখিনি কৈ ফাংচ' গাওঁবুঢ়াই এটি সৰল হাঁহি মাৰিলে।

এনেতে শুনিলোঁ, বৰ ঘৰৰ পৰা গাওঁবুঢ়ানীয়ে ফাংচ'ক কিবা কিবি কৈছে। একো বুজিব নোৱাৰি, সেইফালে চাই ৰ'লোঁ। বহাৰ পৰা লাহেকৈ উঠি গাওঁবুঢ়াই ক'লে, "বাবু, অলপ বহক। পূজাৰ কাম চেছ্ কৰি আহোঁ।"

ফাংচ' গাওঁবুঢ়া বেদীৰ কাষত বহিলগৈ। গাওঁবুঢ়ানীয়ে আগবঢ়াই দিয়া বস্তুখিনি লৈ গাওঁবুঢ়াই মন্ত্ৰ উচ্চাৰণ কৰিবলৈ ধৰিলে। গাওঁবুঢ়াই কোৱা 'থেকাৰ্' সম্ভৱ এইটোৱেই। ফাংচ'ই সৰু কটাৰিখনেৰে কিবা শব্দ তুলিছে— ছেও ধৰি ধৰি। সেয়াই সম্ভৱ শেষ আহুতি আৰু বিসৰ্জন। হিন্দু ধৰ্মৰ এই মনোৰম কল্পনাৰ সাদৃশ্য দেখি অভিভূত হ'লোঁ। মই যেন আজি মানৱ-সংস্কৃতিৰ বহল চোতালখন দেখা পাইছোঁ!

চিগাৰেটত শেষ টানটো দি নুমুৱাই পেলালোঁ। গভীৰ সন্তোষেৰে হাতত সৰু দোণটো লৈ আহি থকা ফাংচ' গাওঁবুঢ়ালৈ চালোঁ। দোণটোৰ ভিতৰৰ লাহ-ৰবণীয়া লাউৰ পাত্ৰটো ৰ'দৰ পোহৰত উজলি আছিছে।

ফাংচ' গাওঁবুঢ়াই ঢাৰিখনত দোণটো থৈ লাউৰ পাত্ৰটো তুলি ল'লে আৰু মাৰি এডালেৰে মুখত ভৰাই ৰবৰ চালত পাত্ৰটো গুজি থ'লে। ঢাৰিখনত বহি, দোণটোৰ পৰা সৰু আকৃতিৰ থাৰু এপাট আৰু এটি ঘূৰণীয়া আকৃতিৰ পুৰণি মুদ্ৰা উলিয়াই সৰু মোনা এখনত সুমুৱাই বান্ধি থ'লে। সৰু মোনাটো জোলোঙাত ভৰাই তেওঁ মোৰ ফালে চালে আৰু দোণটো একাষত থৈ মুখখন মোহাৰি পাতল ডাড়িকেইডালত হাতখন ফুৰাই ফুৰাই নীৰৱে চোতালৰ ফালে চাই ৰ'ল।

ইমান সময় ধৰি চকীত বহি আমনি লাগিবলৈ ধৰিলে। ভৰি দুখনতো বিষ অনুভৱ কৰিছোঁ। জোতাযোৰ খুলি থ'ব পৰা হ'লেও ভৰি দুখন ভাল লাগিলহেঁতেন। মই গাওঁবুঢ়ালৈ চাই ক'লোঁ, "গাওঁবুঢ়া ককাই, ঢাৰি এখন হ'ব নেকি?"

"অঁ। মাটিত বহিব নেকি প্ৰফেছাৰ বাবু?"

"অঁ। আছে যদি দিয়ক এখন। আপোনাৰ লগত সমানে বহোঁ।

বেৰখনত ওলমাই থোৱা পাটী-ঢাৰি এখন আনি গাওঁবুঢ়াই পাৰি দিলেহি। জোতাযোৰে-মোজাযোৰে খুলি ঢাৰিখনত বহি ভৰি দুখন অলপ কোঁচাই মেলি বহিলোঁ। গাটো এতিয়াহে বেছ পাতল লগা হেন পালোঁ।

গাওঁবুঢ়াৰ ব্যস্ততা দেখি মানুহজনক কাষৰ পৰা ভালদৰে চাব পৰা নাছিলোঁ। গাওঁবুঢ়ালৈ নিৰীক্ষণ কৰিলোঁ। মানুহজনৰ বয়সে সত্তৰ ষাঠিটা বছৰ গৰকি গ'ল। মূৰৰ চুলি খোপা বন্ধা। কপালখনৰ কেউকাষে থকা মূৰৰ চুলিকেইডাল চুটি চুটিকৈ কটা। প্ৰায় এক ইঞ্চিমানহে হ'ব। দুয়ো কাষৰ গোঁফকোছা দীঘলকৈ ৰখা। মাজডোখৰ খুৰোৱা। থুতৰিত থকা ডাড়িকেইডাল পাতল আৰু বগচুৰা। কাণৰ লতি দুটাৰ ফুটাও বেছ বহল। চকু দুটা বহল আৰু ঈষৎ গোল আকৃতিৰ। পিন্ধনত আঠুৰ ওপৰলৈকে পৰা এডোখৰ পুৰণি মাৰ্কিন কাপোৰ। গা উদং। দেখাত শৰীৰ বেছ আটিল।

নগা মানুহখিনিকো এনেকৈ ডাড়ি-চুলি ৰখা দেখিছোঁ। সত্ৰৰ ভকতসকলকো চুলি দীঘলকৈ ৰখা দেখিছোঁ। এইদৰে ডাড়ি-চুলি ৰখাটো মঙ্গোলীয় সংস্কৃতিৰ আদৰ্শ নেকি? দুই এটা কথা জানিবৰ কাৰণে গাওঁবুঢ়াক সুধিলোঁ, "বাৰু গাওঁবুঢ়া, এই লাউৰ পাত্ৰটোক আপোনালোকে কি কয়?"

"কোনটো লাউ ?"

"সেই লাউটো।" চালত গুঁজি থোৱা লাউটোলৈ দেখুৱাই ক'লোঁ।

"অ'। হেইটো। আমি হ'লে 'হব্বং' বুলি কয়, প্ৰফেছাৰ বাবু। এইটো বৰ দৰকাৰী বস্তুদেই বাবু।"

"হয় নেকি ? মোক অলপ বুজাই ক'বনে গাওঁবুঢ়া ?"

"এহ্ প্ৰফেছাৰ বাবু, ইয়াৰ কথা বহুত দীঘল। দিনটো ক'লেও চেহ্ নহ'ব। দেও-পূজাৰ হময়তে লাগে। বিজা-ছাদি হময়তেভি লাগে। হব্বং নহ'লে ছোৱালী নাপায়।" কথাখিনি কৈ গাওঁবুঢ়াই হাঁহি দিলে— হে হে কৈ।

কাৰবি গাওঁ এখনলৈ আহিছোঁ যেতিয়া এনে ধৰণৰ লাউৰ পাত্ৰ এটা নিব পৰা হ'লে ? কাৰবি কৃষ্টিৰ চানেকি স্বৰূপে মোৰ সক ড্ৰয়িংৰুমত সজাই থলোঁহেঁতেন। এনে ভাবিয়ে গাওঁবুঢ়াক ক'লোঁ, "গাওঁবুঢ়া !"

"কি বাবু ?"

"মোকো এনেকুৱা 'হৰবং' দিব পাৰিব নেকি ?"

"কি নিমিত্তে ? প্ৰফেছাৰ মানুহ, কি কৰিব ?"

"এই ঘৰত লৈ যাম। আমাৰ তাত নাই নহয়, গাওঁবুঢ়া।"

মোৰ কথাটো শুনি গাওঁবুঢ়াই মূৰ খজুৱাবলৈ ধৰিলে। মূৰ খজুৱাই খজুৱাই গাওঁবুঢ়াই ক'লে, "এহ্ প্ৰফেছাৰ বাবু। ঘৰত আৰু নাই। ছেঃ ! কি উপায় হ'ব ? এইটো হ'লে দিব নাপায়। মই পাহাৰৰ পৰাহে আনিছে। বাৰু, মই ৰংখাং গ'লে, আমাৰ ল'ৰা-ঘৰৰ পৰা এক্‌টা আনি দিমদেই বাবু। হেঃ !"

লাউৰ পাত্ৰ খুজি মনত অশান্তিহে দিলোঁ। সহজ-সৰল মানুহ। খোজা বস্তু দিব নাপালে মনত কষ্ট পায়। মঃ লাহেকৈ গাওঁবুঢ়াক ক'লোঁ, "গাওঁবুঢ়া ককাই, হ'ব দে। কেতিয়াবা সুবিধা পালে দিব আৰু। মোক এতিয়াই নালাগে নহয়।"

"অঁ, ভাল বাৰু।"

ফাংচ' গাওঁবুঢ়াই কথাবাৰ শলাগি ঘৰৰফালে চাই কাৰোবাক মাত দিলে। তেওঁ মোলৈ চাই সুধিলে। "প্ৰফেছাৰ বাবু, লাল ছা খাবনেকি ?"

'লাল ছা' শব্দ দুটাই মোক কিছু বিস্ময়ত পেলালে। ব্ৰাণ্ডি-হুইস্কি জাতীয় বস্তুৰ কথা কোৱা নাইতো ? আজহীক সোধ-পোচ কৰোঁতে জন-জাতিসকলে মদ-পানীকেহে সন্মানৰ উপচাৰ বুলি ভাবে। মিচিং গাঁৱলৈ গৈ পূৰ্বতে মোৰ এনে

অভিজ্ঞতা হৈছিল। এই ৰামছিংটো লগতে থকা হ'লে। মনৰ সন্দেহ আঁতৰাবলৈকে গাওঁবুঢ়াক সুধিলোঁ, "কি লাল চাহ, গাওঁবুঢ়া?"

"এই ৰঙা ছা। কাষীৰ নাই। খাব নেকি?"

"অ', নাখাম কিয়? ফিকা চাহ খোৱাৰ অভ্যাস আছে। অনাওক।" উৎফুল্ল হৈ গাওঁবুঢ়াক সম্মতি দিলোঁ।

ল'ৰা এজন দৌৰি আহি গাওঁবুঢ়াৰ কাষত ৰ'লহি। ল'ৰাজনক কিবা কৈ পঠাই দিলে। সম্ভৱ চাহৰ কথাকেই ক'লে। বহুতো কাৰ্বি শব্দৰ মাজত কেৱল চাহ, চেনি, প্ৰফেছাৰ বাবু— এই শব্দবোৰহে দুয়োজনৰ কথোপকথনৰ পৰা মোৰ চিনাকি শব্দক বিচাৰি পালোঁ।

পূজাৰ খৰচ জানিবৰ বাবে গাওঁবুঢ়াক সুধিলোঁ, "বাৰু গাওঁবুঢ়া, হেম্‌ফু পূজাত কিমান খৰচ পৰে?"

"আপুনি বৰ ডাঙৰ কথা সুধিলে। আৰ্লেং বিলাকে খৰচৰ কথা একদম চিন্তা নকৰে। হেই আকৰ দিন বুলিহে ভাবে। এক্টা মুৰ্গীৰ দাম তিৰিছ টকা-চল্লিছ টকা। আৰ্লেং ফালে দেখিলে মিঞা বেপাৰী বেছিহে দাম কৰে।"

"কিয়?" কিছু আচৰিত হৈ গাওঁবুঢ়াক সুধিলোঁ।

"এই মিঞাবিলাক খুব চয়তান। এই আৰ্লেং বিলাকে পূজাৰ নিমিত্তেহে মুৰ্গী কিনে বুলি তাৰবিলাক আকে পৰা জানে। হেই নিমিত্তে, দাম বেছি ক'লেও কিনিব, হেইটো জানে।"

"অঁ। বেপাৰী বেপাৰীয়েই। দুপইছা বেছিকৈ ল'ব পৰাটোহে সিহঁতৰ ধৰ্ম। আপুনি পূজা কৰা কুকুৰাটোও বজাৰৰ নেকি গাওঁবুঢ়া?"

"অঁ। কালি হোজাই বজাৰতে কিনিছে।"

"কিমান ল'লে?"

"আঠাইছ টকা। হুকি (সখি) মিঞা দেখিহে দুই টকা কম লৈছে।"

"তেনেহ'লে পূজাত দুকুৰি-তিনিকুৰি মান খৰচ পৰে, নহয়নে গাওঁবুঢ়া?"

"কি জানি হ'ব পাৰে। আমি হিচাপ নাৰাখে প্ৰফেছাৰ বাবু। একশ টকা কালি খৰচ হ'ল— পূজা কাৰণে।" মুৰ খজুৱাই খজুৱাই গাওঁবুঢ়াই ক'লে।

মন কৰিছোঁ, কোনো হিচাপ নকৰাকৈ খৰচ কৰা স্বভাৱটো আমাৰ জন-জাতীয়সকলৰ এক সহজ ৰূপ! কুকুৰা চৰাই, তেওঁলোকৰ বাবে এক অপৰিহাৰ্য

পক্ষী-ধন। কিনিব লাগে কিয়? প্ৰতিপালন কৰিলেই হ'ল। কথাটো জানিবৰ বাবে গাওঁবুঢ়াক সুধিলোঁ, "কুকুৰাদেখোন আপোনালোকে পোহেই। বজাৰত কিনিব লাগে কিয়?"

"বেমাৰ পৰা উপায় নাই বাবু। চব মৰি যায়।"

"চৰকাৰে সকলো সুবিধা দিছে দেখোন। ডাক্তৰ দিছে, দেৰাই দিছে, কুকুৰা-গাহৰি পুহিবৰ বাবে ফাৰ্ম্ পৰ্যন্ত দিয়ে বুলি জানোঁ। আপোনালোকে নলয় কিয়?"

"এহ্ প্ৰফেছাৰ বাবু, এইবিলাক চালাক মানুহৰ নিমিত্তে। লক্ষা, নকাং (নগাওঁ) আমি যাব নোৱাৰে। নিজম্ কাৰণ বহুত বাবু। এইবিলাক বৰ দিক্দাৰ।"

"কিয় আপুনি যাব লাগে? আপোনালোকৰ জানো গাওঁ পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত নাই?"

"থকা হ'লে আছে বাবু। মেম্বৰ হ'লে, ডাঙৰ মানুহ হয়। কুকুৰা-মুগী খবৰ ক'ত ল'ব?"— হেঃ হেঃ কৈ গাওঁবুঢ়াই হাঁহি দিলে।

তেনেহ'লে দেশখনৰ সেৱাৰ আদৰ্শৰ প্ৰতিমূৰ্ত্তিক বিসৰ্জন দিলেই। তাহানিৰ চুলেখা ইস্কৰ ক'ভাৰত 'চাৰ্ভিছ টু মেন্ ইজ্ চাৰ্ভিছ্ টু গড্' বুলি লিখা কথাষাৰ বাপুজীৰ আদৰ্শ ৰাজ্যতহে ত্ৰিশঙ্কুৰ দৰে ওলমি ৰ'ল। আমাৰ দেশখনে হাঁহিব কেনেকৈ?

এনেতে কাঁহী এখনত ছোৱালীজনীয়ে চাহ দুকাপ আনি দিলেহি। গাওঁবুঢ়াক একাপ দি ইটো কাপ মোলৈ আগবঢ়াই দিলে। চাহকাপ দিওঁতে লক্ষ্য কৰিলোঁ, ভয় আৰু লাজ মিশ্ৰিত প্ৰতিক্ৰিয়া ছোৱালীজনীৰ মুখমণ্ডলত প্ৰকাশি উঠিছে। চাহকাপ লৈ সুধিলোঁ, "তোমাৰ নাম কি?"

"দিমি।" অনুচ্চ স্বৰত তাইৰ নামটো ক'লে।

"দিমি! তুমি পঢ়িছা?"

"হয়।"

"কোন ক্লাছত?"

"দ্বিতীয় মানত।" সেমেনা-সেমেনি কৰি কথাখিনি কৈ তাই গুচি গ'ল। হাতৰ কাঁহীখন এনেকৈ ল'লে, তাই যেন এটা ডাঙৰ বোজাৰ পৰাহে মুক্ত হ'ল!

"খাওক বাবু। খালি চা।"

"হ'ব, হ'ব গাওঁবুঢ়া। আপোনালোকৰ ইয়াত হাইস্কুল নাইনেকি?" চাহ কাপত শোহা মাৰি গাওঁবুঢ়াক সুধিলোঁ।

"নাই। বৰবহাত এক্‌টা আছে। ইজাৰ পাৰা তিনি মাইল দূৰ হ'ব। তাৰ আকতে লক্ষাত আমাৰ ল'ৰাবিলাক পঢ়ে। ছোৱালীবিলাক নকাং মিছনতে যায়। বহুত খৰত বাবু। ল'ৰা-ছোৱালী কাৰণে মাটি বন্ধক দিছে। কি কৰিব বাবু, আজিকালি ইছকুৰ্ পঢ়া দিন।" কথাখিনি কৈ তেওঁ চাহত শোহা মাৰিলে। কিবা ভাবত তেওঁ তন্ময় হ'ল। হয়তো শিক্ষাৰ কাৰণে ল'ৰা-ছোৱালীক পঢ়ুৱাই লাভ কৰা জীৱনৰ তিতা-কেঁহা স্মৃতিবোৰ বোমন্থন কৰিছে। মোবো মনত চাহ দি যোৱা ছোৱালীজনীৰ নামটোৱে খুন্দিয়াবলৈ ধৰিলে .....

ডিমি!

এৰা, ডিমি।

'মৃত্যুঞ্জয়' উপন্যাসৰ এগৰাকী নাৰী চৰিত্ৰৰ নাম।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই বাৰু ডিমিজনীক ক'ৰ পৰা বুটলিলে?

কামপুৰৰ ধনপুৰক গোমধান দি মন বিনিময় কৰা ডিমিৰ ছবিখন মোৰ মনত ভাঁহি উঠিল। সমন্বয়ৰ এক জীয়া প্ৰতীক সেই ডিমিজনী! ডিমিয়ে কৰা চাহ কাপ মহদা গোঁসায়ে বাৰু কিয় নাখালে? সময়ৰ অভাৱ নে মনৰ মাজত সোমাই থকা প্ৰোথিত সংস্কাৰ?

মক্‌চু ফাংচ'ৰ জীয়েক ডিমিয়ে দি যোৱা চাহকাপত দৃষ্টি নিবদ্ধ কৰিলোঁ। চাহকাপৰ ঘেৰে মোৰ দৃষ্টিক যেন গভীৰৰ পৰা গভীৰতৰ ফালে আঁজুৰি নিব ধৰিলে। কাপৰ তলিত গলি নোযোৱা দুটামান চেনিৰ দানাৰ ওপৰত মোৰ দৃষ্টিয়ে স্থিতি লাভ কৰিলেগৈ।

কি আচৰিত! স্ফটিক হেন উজ্জ্বল চেনিৰ দানাক চাহৰ ৰঙা ৰঙেও ঢাকিব পৰা নাই। মই যেন দেখা পাইছোঁ, 'মৃত্যুঞ্জয়'ৰ ৰঙীন পটভূমিৰ মাজেদি ড° ভট্টাচাৰ্যৰ অন্তৰ্দৃষ্টিৰ গভীৰ তলিখন।

ঠিকেই। কপিলীতকৈয়ো গভীৰ লুইতৰ তলি ভট্টাচাৰ্যই দেখিছে। তেখেতে দেখাৰ দৰে এই সমন্বয়ৰ তলিখন আমাৰ ৰাজনৈতিক নেতাসকলেও দেখা হলে, ফেব্ৰুৱাৰীৰ ধ্বংস-লীলা অসমত নঘটিলহেঁতেন।

এনেতে দেখিলোঁ আহি থকা ৰামছিঙক। তেওঁৰ লগত আহি আছে আন এজন অচিনাকি মানুহ। চাহ কাপ শেষ কৰি কাপ-প্লেটবোৰ একাষত থৈ দিলোঁ। ফাংচ' গাঁওবুঢ়াই ঢাবি এখন আনি তেওঁৰ কাষতে পাৰি থ'লেহি।

চোঁতালনৈলে সোমাই অহা মানুহজনলৈ মন কৰিলোঁ। মানুহজন বেছ ওখ-পাখ। খদ্দৰৰ ধুতি এখন আৰু দীঘল হাতৰ চোলা পিন্ধি আহিছে। মূৰত বগা পাগুৰি। পাগুৰিৰ ফুলবোৰ ৰঙা সূতাৰে বছা। ৰঙাবৰণীয়া ফুল-সোপা সন্মুখলৈ উলিয়াই পাগুৰি মাৰিছে। পাতল গোঁফৰ মানুহজন দেখাত ধুনীয়া আৰু বৰ ৰসিক যেন লাগিল।

চ'ৰাঘৰত সোমায়েই 'কাৰদম, প্ৰফেছাৰ বাবু' বুলি মোলৈ সম্ভাষণ জনালেহি। ময়ো 'কাৰ্দম' বুলি প্ৰতি সম্ভাষণ জনালোঁ। ফাংচ'ৰ কাষতে পাৰি থোৱা ঢাৰিখনত বহিব ধৰা মানুহজনলৈ চাব ধৰিলোঁ। মোক বাট দেখুৱাই অনা ৰামছিং বেয়ো মানুহজনৰ কাষতে বহিল। পিন্ধি অহা হাৰাই চেণ্ডেল খুলি ঢাৰিত বহি পৰা মানুহজনলৈ মন কৰিলোঁ, মানুহজনৰ কাণৰ লতি দুটাত সোণৰ সৰু ৰিং ওলমি আছে।

"আমাৰ বস্তিৰ বাছা ইংলেং হয় প্ৰফেছাৰ বাবু। মন্ত্ৰী মতিৰাম বৰাৰ বন্ধু। গোপীনাথ বৰদলৈ লগতে তাৰ ভি বাউণ্ডাৰি কমিচন হময়তে গৈছিলে। খৰছিং মেম্বৰভি ইংলেং কাংবুৰাকে খুব আদৰ কৰিছিলে। লঙ্কাৰ হকলো কথা ইংলেংহে জানে। আমি চব কথা ইংলেং পৰাহে জানোঁ। হেইবাবে তাৰফালে ধেমালিতে 'থাপ্ আং' বুলি মাতোঁ।"

ফাংচ' গাওঁবুঢ়াই কথাখিনি কৈ হো-হোৱাই হাঁহি দিলে। ৰামছিঙেও হাঃ হাঃ কৈ জোৰেৰে হাঁহিলে। তেওঁলোকৰ লগতে মানুহজনেও হে হে কৈ হাঁহি দিলে। ফাংচ'ৰ চ'ৰা-ঘৰ হাঁহিৰে ভৰি পৰিল। তেওঁলোকৰ ৰসিকতাৰ কাৰণ ধৰিব নোৱাৰি ভেবা লাগি দুয়োজনৰ মুখলৈকে চাই ৰ'লোঁ। হাঁহি হাঁহি ইংলেং গাওঁবুঢ়াই মোলৈ চাই ক'বলৈ ধৰিলে, "এহ্ প্ৰফেছাৰ বাবু। মক্‌চু ফাংচ' বৰ ফুচুৰি মানুহদেই। তাৰ কথাত বিছাছ্ নকৰিব। আপুনিটো লেখিব জানে, পঢ়িবও জানে। আপোনাৰ পকেটত ফন্‌পেন্ ৰাখিলে ভাল দেখে। আমি অ, ম, একো নাজানোদেই বাবু। চহীটোহে দিব জানোঁ। পঢ়িব হ'লে এক্‌দম নাজানো। হ'লেও জেপত নোট বুক আৰু ফন্‌পেন্ এক্‌টা ভৰাই থওঁ। চীফ্ মিনিষ্টাৰ পৰা আহা চিঠি নোটবুকতে আছে। লেখা-পঢ়া নাজানিলেও মোৰ জেপত কাকত-কলম থাকে কাৰণে তাৰবিলাকে ধেমালি কৰে 'থাপ্ আং' বুলি। কথাটো সেইটোহে। বেয়া নাপাবি দেই বাবু।" কথাখিনি কৈ মানুহজনে আকৌ জোৰেৰে হাঁহিলে। কি যে প্ৰাণ খোলা হাঁহি মানুহজনৰ! আচল কথাটো জানিব পাৰি ময়ো হাঁহিত যোগ দিলোঁ।

এবা, মানুহজনৰ এইয়া যেন সহৰূপ। দেখিলোঁ, ওপৰৰ জেপত শকত বস্তা বস্তৰ নোট বুক আৰু কলম। কলমো এডাল নহয়, দুডাল। জেপৰ দাঁতিত চিয়াঁহিৰ দাগ উজলি আছে। সেয়া ইচ্ছাকৃত নে কলমৰ দোষত লগা চিয়াঁহিৰ দাগ, নাজানিলোঁ। এই চখ্ হয়তো তেওঁৰ শৈশৱ কালৰ অপূৰ্ণ মনৰ স্বাভাৱিক অভিব্যক্তি।

"ইংলেং ডাণ্ডবীয়া, ইয়াত বেয়া পাবলগীয়া কি আছে। চিগাৰেট এটা খাওক।"

চিগাৰেট আৰু দিয়াচলাই তেওঁলৈ আগবঢ়াই দি আকৌ ক'লোঁ, "কাংচ' গাওঁবুঢ়াৰ কথাখিনি মিছা নহয় যেন পাইছোঁ। সংমল বৰুৱায়ো আপোনাৰ কথা মোক কৈছিল। লক্ষা প্ৰাইমেৰি স্কুল প্ৰতিষ্ঠা কৰোঁতে, আপুনি যথেষ্ট সহায় কৰিছিল হেনো। এই বিষয়ে মোক অলপ ক'ব নেকি?"

"হয়, হয়। আমাৰ ইংলেংহে হেই কথাটো ক'ব পাৰিবদেই, প্ৰফেছৰ বাবু।" কাংচ'ই ঠাইতে মাত লগালে।

"হয় ছাৰ। এই অঞ্চলত পুৰণি মানুহ প্ৰায় নোহোৱাই হ'ল। আপুনি ইংলেং ডাণ্ডবীয়াৰ পৰাই কিছু কথা জানিব পাৰিব।" গাওঁবুঢ়াৰ লগত বামছিঙেও সমানে গুৰুত্ব দিলে।

চিগাৰেট এটা জ্বলাই লৈ বাছা ইংলেঙে আমাৰ কথাখিনি নীৰৱে শুনিছিল। মই লক্ষ্য কৰিলো, বস্তিয়াল মানুহজন হঠাতে গহীন হৈ পৰিল। চাৰিফালত ভালদৰে বহি তেওঁ ধোঁৱা এসোপা এৰি দিলে। কাংচ' গাওঁবুঢ়ায়ো বিড়ি এডাল্ জ্বলাই ল'লে। চিগাৰেটত দীঘল টান এটা দি ইংলেঙে লাহেকৈ ক'বলৈ ধৰিলে, "প্ৰফেছৰ বাবু, আপুনি বহুত পুৰণি কথা সুধিলে। তেতিয়া আমি আপোনাৰ নিচিনা ডেকা আছিলোদেই। আমাৰ বামছিং বাবুহঁতো জনমেই হোৱা নাই। আমি তেতিয়া আৰখেতি কৰিছিলোঁ— ভালুকমাৰীতে। সেইটো কিজানি উনৈছ শ ত্ৰিছ-পয়ত্ৰিছ চন নেকি"

কাংচ'ৰ মুখলৈ চাই কাৰ্বি ভাষাৰে তেওঁ কিবা সুধিলে। মই একোকে ধৰিব নোৱাৰিলোঁ। কাংচ'ই মূৰেৰে উঁ—, উঁ— বুলি ইংলেঙক শলাগিলে। বামছিং বে'ই চিগাৰেট হুপি নিৰ্বিকাৰভাৱে বহি ৰ'ল। ইংলেঙে আকৌ ক'লে, "হয়, উনৈছ শ চৌত্ৰিছ চন। তেতিয়া নগাং বৰ চাহাৰ আছিলে— মাদ্ৰাজী। বৰ কাম কৰিব পাৰে দেই সেই চাহাবটো। সেই সময়ত বানপানী হৈছিলে। কপিলীৰ বান। এক্লম্ পানীটো পাগলা। নাম গিনেহে পানী ডাঙৰ হৈ উজাই কালে আহিছিলে। এনে পানী আমি আৰু দেখা নাই। উস্ কি পানী। নাও ওপৰতে সেই চাহাবটো মানুহক সহায় কৰিছিলে।

তেতিয়া দিনতে বাবু, চব কেঁচা টকা। মোৰ ফালে টকাৰ মোনা দি হোজাইত থাকা ৰিলীফ্-কেম্প নিছিলে। মনেশ্বৰ বৰা তেতিয়া মৌজাদাৰ। তাকে দায়িত্ব দি পানী ডুবা মানুহফালে সহায় কৰিছিলে। সেইটো কথা মনত পৰিলে, বৰ ভয় লাগে দেই প্ৰফেছাৰ বাবু।"

"বাৰু ইংলেং ডাঙৰীয়া, আপোনালোক তেতিয়া এই গাওঁখনতেই আছিল নেকি?"

"অঁ। ইয়াতেই আছিলোঁ। হ'দাৰ বস্তি, ইংতি বস্তি, থেৰে বে বস্তি— এই চব বস্তি ইয়াতে আছিলে। এইটো এক্টা ডাঙৰ এলেকা। চব বস্তিকে কান্দুৰা বস্তি বুলি চিনি পায়।"

ধাৰণা হ'ল, সূত্ৰ নধৰিলে মূল উদ্দেশ্যৰ পৰা আঁতৰি যাবগৈ। এই ষাঠি-সত্তৰ বছৰীয়া মানুহজনৰ স্মৃতিত থূপ খাই থকা ঘটনাপুঞ্জই মেল খাবৰ হ'লে, এইখন মহাভাৰত হ'বগৈ। এনে সন্দেহ কৰিয়েই কথাৰ আঁত ধৰি সুধিলোঁ, "ইংলেং ডাঙৰীয়া, আপোনালোকে ঝুম খেতি ক'ত কৰিছিল বুলি ক'লে?"

"ভালুকমাৰীত।"

"কিয়? সেইবোৰত মানুহ নাছিলনেকি?"

"নাই, ক'ত মানুহ? চব হাবি। বহুত ডাঙৰ ডাঙৰ দেওভি আছিলে। ভালুকমাৰী পুখুৰী দেখিছে, প্ৰফেছাৰ বাবু?"

"অঁ। সেই ফিছাৰী ডিপাৰ্টমেণ্টৰ পুখুৰীটো নেকি?"

"অঁ, অঁ। বহুত কাৰা দেও আছে তাতে। আমাৰ সৰু সময়ৰ কথা দেই বাবু। হায়ং থল পৰা অহা সময়। আৰ্ কাটোতে, সেই পুখুৰীত সোণৰ নাও এক্টা শিকলি লগত বান্ধি থোৱা দেখিছিলে বোলে। আৰু কি মাছ বাবু! কিন্তু সেই মাছ ধৰিব নাপায়। খাবভি নাপায়। এক্বাৰ মাছ মাৰি বনাইছিলে। বাচন পৰা মাছবিলাক জাঁপ মাৰি জাঁপ মাৰি চব পুখুৰীতে পলাইছে। সেইদিন ধৰি আমাৰ আৰলেং বিলাকে ভাত মাছ নধৰে আৰু পানী খালেও গছ-পাত এক্টা দান দি কিনে পানী খায় দেই বাবু।"

ইংলেঙৰ কথা শুনি মোৰ মনটোৱে উৰা মৰিলে শুভেন্দু শেখৰে কোৱা 'যমলাৰ্জুন ভঙ্গ' জন-বিশ্বাসৰ ঘটনাটোলৈ। এই পুখুৰীবোৰে বিদৰে বিস্ময় কৰি আছিছে, ভাবিলে আচৰিত লাগে। দেও-ভূত, কালিকা-লগা সাধু কথাৰেই এই প্ৰাচীন ঐতিহ্যবোৰক সম্ভৱতঃ আবৰি ৰাখিছে। এই অলৌকিক সাধুকথাৰ প্ৰাচীৰ ভেদ কৰি প্ৰকৃত ইতিহাস উদঘাটনৰ পথ, এইসকলৰ মনত যে চিৰদিনেই বন্ধ!

"আৰু কি জানে বাবু?" ইংলেঙে আকৌ কথা আৰম্ভ কৰিলে।

"কওকচোন।" মই বাধা নিদিলোঁ। ৰামছিং আৰু ফাংচ' দুয়ো নীৰবে ইংলেঙৰ কথাবোৰ শুনিবলৈ ধৰিলে।

"এই অঞ্চলত কিমান পহু, কিমান গাহৰি আছিল। বাছি বাছি মাৰিব পাৰে। কিমান শৰ, কিমান ভেলেঙী মাৰি খাইছো, তাৰ হিচাপ ভি নাই বাবু। হায়, হায়! সেইদিন আৰু নাহেদেই।.... সেই শিংটো দেখিছে?"

বেৰৰ কাষৰ খুঁটাত বান্ধি থোৱা বিৰাট পহু-শিংটোলৈ আঙুলিয়াই ইংলেঙে মোক ক'লে। তিনিটাকৈ ফেৰেঙনি মেলা পহু-শিংটোলৈ চাবলৈ ধৰিলোঁ। ফাংচ' আৰু ৰামছিং দুয়ো শিংটোলৈ ঘূৰি চালে।

"এই পহুটো কোনে মাৰিছিলে জানে?"

"নাজানোঁ। কওকচোন।

"এই আমাৰ ফাংচ' গাওঁবুঢ়াই। ভালুকমাৰী পুখুৰীতে মাৰিছিলে। বহুত ডাঙৰ পহু। গোটেই বস্তি মানুহে খাইছে। এই ফাংচ' কম্‌টি চিকাৰী নহয়দেই বাবু। এতিয়াহে বেঙা মানুহ নিচিনা বহি থাকে। জিলা বৰ চাহাবফালে পহু শিং দিয়া সময়তে চাহাবে হেন্‌ছেক্ দিছিলে আৰু 'বক্‌চিছ্-বক্‌চিছ্' বুলি চিগাৰেট এক বাকচ দিছিলে, চাহাবটোৱে।" কথাখিনি কৈ ইংলেঙে হেঃ হেঃ হেঃ কৈ হাঁহি দিলে। কি যে হাঁহি মানুহজনৰ!

ফাংচ'লৈ চালোঁ। আমাৰ আগত প্ৰশংসা কৰা দেখি তেওঁ অলপ লাজ কৰিবলৈ ধৰিলে। অনুচ্চ স্বৰত তেওঁ হাঁহি ক'লে, "ইংলেং কাংবুৰাৰ ভাল মনত আছেদেই। মই হ'লে চব পাহৰিলে। ডেকা হমুয়ৰ কথাহে ক'লেদেই।"

"বাৰু গাওঁবুঢ়া, পহুটো মাৰোঁতে সেই অঞ্চলত বিফিউজী মানুহখিনি আছিল নেকি"

"নাই, নাই। এই বেংগলী মানুহ, দেশ স্বাধীন পিছতহে আহিছেদেই বাবু।" ইংলেঙে ঠাইতে মাত দিলে।

"আমাৰ প্ৰাইমেৰি স্কুলৰ সংমল বৰুৱাও সেই সময়ত অহা নেকি?" বৰুৱাৰ বিষয়ে জনাৰ উদ্দেশ্যে ইংলেঙক সুধিলোঁ।

"এহ্ আমাৰ বৰুৱা মাষ্টৰ বাবুৰ কথা!"

"অঁ।"

"সেই কপিলী বানপানী সময়তে আহিছে। লক্ষাৰ মৌজাদাৰ আছিলে আমাৰ পূৰ্ণ বৰ্মন। সেই সময় ইছকুল এছ, আই আছিলে— হেমছন ছিং ইংতি। ডি, আই

চাহাব আছিলে দেবৰাম বৰদলৈ। ইয়াত ট্ৰাইবেল্ মানুহৰ মাজত ইছ্কুল একটা বনাব লাগে বুলি মৌজাদাৰ ওপৰত হুকুম হ'ল। আমাৰ ওচৰত নোটিচ্ আহিলে, — ইছ্কুল ঘৰ নিমিত্তে খুঁটা দিব লাগে। থেৰে বে' গাওঁবুঢ়া, ইন্দিৰাম ইংতি, ফুলুন তেৰাং আৰু আমি বহুতে ভালুকমাৰী জংঘলত আৰ্ কাটা জাগা পৰা ডাঙৰ ডাঙৰ খুঁটা কাটিলোঁ। লঙ্কাৰ ছিটি মহাজনৰ গৰুগাড়ীতে উঠাইহে খুঁটা দিছিলোঁ। বৰ দলং, আলিছিঙা, কছাৰী ভাইবিলাকে বাঁচ-খেৰ দিলেদেই। আমি চবে মিলি কিনে ইছ্কুল ঘৰটো বনালোঁ। কিন্তু মাষ্টাৰ নাই। ইষ্টেচন্ বাবুকে ধৰিলে মৌজাদাৰে। তাৰভি সময় নাই। সেই টাইমত কামিনী বাবু আছিল। আমি চবে ধৰিলোঁ; কিন্তু তাৰো নোৱাৰে। অসমীয়া পঢ়াব নাজানে। সেই অৱস্থাতে, আমাৰ বাইজৰহে কপাল ভাল নেকি প্ৰফেছাৰ বাবু, আমাৰ বৰুৱা আহিলে জাঁজৰি পৰা।"

"জাঁজৰি?"

"হয়। নকাং জাঁজৰি।" ইংলেঙে ক'লে।

"কিয় আহিছিল, আপুনি জানেনে গাওঁবুঢ়া?" সৎমল বৰুৱাৰ বিষয়ে সঠিক তথ্য পোৱাৰ আশাৰে তেওঁক সুধিলোঁ।

"সেই সময় কংগ্ৰেছ আন্দোলন বাবু। কিজানি কংগ্ৰেছ ভলণ্টিয়াৰ কাম নিমিত্তে লঙ্কাতে আহিছিলে। মৌজাদাৰে ইছ্কুল কামতে ভৰ্তি কৰি দিলে। বৰুৱা মাষ্টৰ পৰাহে আমাৰ কাৰ্বি ল'ৰাবিলাকে শিক্ষা পাইছে। বহুত কষ্ট কৰি কিনে বৰুৱা বাবুৱে শিক্ষা দিলে। এতিয়াও দেখিলে বৰুৱা বাবুকে মান-সন্মান কৰিব মন যায় দেই। বৰুৱা কাৰণেহে এতিয়া লঙ্কাটো পোহৰ হৈছে। আমাৰ ল'ৰাবিলাকভি নকাং, ডিফুতে চাকৰি কৰিব পাৰিছে। কিন্তু, কি ক'ব প্ৰফেছাৰ বাবু, বৰুৱা মাষ্টৰ বাবুক মানুহে পাহৰিছে।"

"হয় ছাৰ। বৰুৱা ছাৰক যোৱা মঙ্গলবাৰে লগ পাইছিলোঁ। কি হৈ গ'ল মানুহজন। মই 'ছাৰ' বুলি নমস্কাৰ দিছিলোঁ। মোক কৈছিল, 'ৰামছিং, তই মোক পাহৰা নাই নহয়। তইঁতৰ দিনৰ ল'ৰা-ছোৱালীৰ দৰে মই আৰু ক'ত পাম।' দেখিলোঁ, বৰুৱা ছাৰে কথাখিনি কৈ চকু দুটা মচিলে। মই ছাৰৰ মুখৰ ফালে চাব নোৱাৰা হ'লোঁ। কিবা অসুখ হৈছে নেকি তেওঁৰ?" ইমান সময় ধৰি নীৰৱে বহি থকা ৰামছিঙেও সৎমল বৰুৱাৰ বিষয়ে স্মৃতিচাৰণ কৰি ক'লে।

"হয় বে ডাঙৰীয়া, তেওঁৰ প্ৰেছাৰ হৈছে। বিদেশী খেদা আন্দোলনে তেওঁৰ বেমাৰ আৰু বেছি কৰিলে। এতিয়া বাহিৰলৈ ওলাব নোৱাৰা হ'ল।" বৰুৱাৰ অসুস্থতাৰ বিষয়ে ক'লোঁ।

এনেতে দেখিছোঁ, ফোচ্‌ফোচাই চিগাৰেট টানি চিগাৰেটডোখৰ দলিয়াই দিলে ইংলেঙে। তেওঁ গোঁফ দুকোছাত আঙুলি বুলাই বুলাই মোলৈ চাই ক'লে, "মানুহে মানুহক মান কৰিব নাজানিলে, বিদেশী ক'ত পলাব বাবু। আমাৰ বিলাকৰ মনটো এক আছিলে কাৰণেহে বৃটিছ পলাই গ'ল। এতিয়া ছাত্ৰবিলাকে আন্দোলন কৰিলে কি হ'ব? অসমীয়াবিলাকে ক'ব— 'আমি অসমীয়া', বঙালীভি ক'ব 'আমি বঙালী' মিঞা বিলাক ক'ব 'আল্লাহে ডাঙৰ' আৰু ট্ৰাইবেলবিলাকে ক'ব— আমি কছাৰী, আমি মিকিৰ, আমি লালুংহে। বিদেশী ক'ত যাব প্ৰফেছাৰ বাবু! যোবা মাহতে কম ভয় হোৱা নাই। আমি একদম শুব পৰা নাই, বাবু। মানুহৰ মাজত বিছাছ নহ'লে আৰু উপায় নাই। এতিয়াহে আচল পাগ্‌লা পানী আহিছেদেই। কথা সেইটোহে দেই প্ৰফেছাৰ বাবু।"

ইংলেং ডাঙৰীয়াই কোৱা কথাষাৰে মোক এখন্তেক ভাবিবলৈ বাধ্য কৰালে। এই বৃদ্ধ জন-জাতীয় মানুহজনৰ মনৰ সাধাৰণ প্ৰতিক্ৰিয়াই আমাৰ সমগ্ৰ জাতিৰ সংহতিৰ অভাৱৰ ছবিখনকেই উদঙাই দিলে। ইংলেং গাওঁবুঢ়াৰ কথাৰ প্ৰতি সমৰ্থন জনাই ক'লোঁ, "ইংলেং ডাঙৰীয়া, আপোনাৰ কথাটো সঁচা। ঐক্য আৰু সংহতি অবিহনে দেশৰ আৰু সমাজৰ উন্নতি ক'ত হ'ব?"

এনেতে দেখিলোঁ, ল'ৰা এজনে বটল এটা আনি ফাংচ'ৰ কাষত থ'লেহি। ফাংচ' আৰু ইংলেঙৰ মাজত কিবা আলোচনা কৰিলে। ল'ৰাজনে শেষত বটলটো আনি মোৰ সন্মুখত বহুৱাই কাৰ্‌দম জনালে। মই কিছু অস্বস্তিবোধ কৰিব ধৰিলোঁ। ৰামছিঙে মোৰ মনৰ অৱস্থা লক্ষ্য কৰিবলৈ ধৰিলে। মই নিৰুপায় হৈ ক'লোঁ, "গাওঁবুঢ়া, মদ-পানী মই নাখাওঁ। মোলৈ বটলটো কিয় দিলে? নিয়ম-কাৰণো একো নাজানোঁ। আপোনালোকেই খাওক নেকি?"

"আপুনি আমাৰ ডাঙৰ আলহী। কলেজৰ প্ৰফেছাৰ। কাৰবি নিজম, মান দিছো। আপুনি নাখালেও আৰ্‌নাম্‌ কৰিব লাগে। আপুনি আমাৰ ঘৰত আহিছে, পূজা হময়ত। আমি কিমান হুখী হৈছো প্ৰফেছাৰ বাবু।" মকচু ফাংচ'ই যুক্তি প্ৰদৰ্শন কৰিলে। ৰামছিঙে বহাৰ পৰা উঠি, মদ-পানৰ ব্যৱস্থা কৰিলে। মোলৈ কাৰদম জনাই গ্লাছত ফটিকা বাকি দিলে। ফটিকাৰ উগ্ৰ গোন্ধে মোৰ নাকত ধৰিলেহি। বাকী কেইজনৰ বাতিতো ফটিকা ঢালি দিলে। পৰিস্থিতিৰ লগত মিলাব নোৱৰা হেতু মই সহজ হ'ব পৰা নাই। কমালখনেৰে লাহেকৈ নাকৰ ঘাম মচি ল'লোঁ। বাহিৰলৈ মন কৰিলোঁ, দুপৰীয়াৰ ৰ'দে চোতালখনক ৰবকৈ পুৰিব লাগিছে।

"দেই প্ৰফেছাৰ বাবু, আৰ্‌নাম্‌ কৰিম।" ফাংচ' গাওঁবুঢ়াই মাত দিলে।

মই একোকে ধৰিব নোৱাৰি ৰামছিঙলৈ চাই ৰ'লোঁ। তেওঁলোকে মন্ত্ৰ মাতি

আঙুলিৰে বাটিৰ পৰা ফটিকা লৈ মাটিৰ ওপৰত আলাসতে আঙুলি টুকুৰিয়াবলৈ ধৰিলে। তেওঁলোকলৈ চাই গ্লাছত ধৰি মনৰ ভিতৰতে ৰাম-কৃষ্ণ বুলি স্মৰণ কৰিলোঁ।

"প্ৰফেছাৰ বাবু, খাম দে।" ফাংচ' গাওঁবুঢ়াই আকৌ ক'লে।

"অঁ" বুলি চমুকৈ শলাগি থ'লোঁ।

তিনিও আনন্দেৰে ফটিকাৰ বাটি তুলি ল'লে। মই এতিয়া কি কৰোঁ? ইংলেং ডাঙৰীয়াই আলেঙে আলেঙে মোলৈ চাব ধৰিলে। মোৰ মানসিক অৱস্থা দেখি তেওঁ মাত লগালে, "প্ৰফেছাৰ বাবু, আপুনি বেছি চিন্তা কৰিছে হ'বলা। নাখায় যেতিয়া ৰামছিং বাবুকে দিয়ক। ... আপুনি মুৰ্গী মাংস খায় নেকি বাবু?"

"অঁ। খাওঁ।" তপৰাই মাত দিলোঁ।

"তেনেহ'লে অলপ মুৰ্গী মাংসকে খাওক।" ইংলেঙে ক'লে।

ল'ৰাজনে মঙহ একপ্লেট আৰু পানী এঘটি আনি দিলেহি। বাকী তিনিজনকো কলপাতত মঙহ বিলাই দিলে। ফটিকাৰ গ্লাছটো ৰামছিঙলৈ আগবঢ়াই মন কৰিলোঁ, — কলপাত কেইখিলা আমাৰ দৰে নলয়। কলপাতৰ তলফালতহে আঁহাৰ গ্ৰহণ কৰে। বেয়া পাব পাৰে বুলি নুসুধিলোঁ।

"প্ৰফেছাৰ বাবু, কাৰবি ঘৰত ভাত খাব পায় না নাপায়?" মঙহ এডোখৰ মুখত দি ফাংচ'ই সুধিলে।

"গাওঁবুঢ়া, মদ-পানীৰ বাহিৰে মোৰ খোৱাত আপত্তি নাই। গাহৰি অৱশ্যে মই নাখাওঁ। কুকুৰা ঘৰত নোপোহোঁ; কিন্তু কুকুৰা মঙহ খাই মই ভাল পাওঁ। ঘূৰি ফুৰা মানুহ নহয়, মই জাত-পাত বিচাৰ নকৰোঁ। আৰু এটা কথা নহয় গাওঁবুঢ়া, আপোনালোকে ৰন্ধা ভাত খালেনো কি দোষ? এই পুৰণিকলীয়া সংস্কাৰ মই হ'লে নামানো, গাওঁবুঢ়া।"

প্লেটৰ পৰা মঙহ এডোখৰ চামুচেৰে লৈ মুখত দিলোঁ। চোবাই দিয়াৰ লগে লগে মঙহৰ সোৱাদে সমগ্ৰ জিভাখ বশীভূত কৰি পেলালে। ৰাতিপুৱাই চাহ আৰু বিস্কুট খাই অহা। হঠাতে ভোকে সাৰ পাই উঠিল। দুডোখৰমান আৰু মুখত দিলোঁ। ইংলেং গাওঁবুঢ়া, সকলোকে লক্ষ্য কৰিছোঁ, বৰ তৃপ্তিৰে ফটিকা আৰু মঙহ খাই কথা পাতিছে। ময়ো যোগ দিব পৰা হ'লে! নিজকে বৰ অকলশৰীয়া অনুভৱ কৰিবলৈ ধৰিলোঁ।

বাহিৰত শুনিলোঁ, কুকুৰাবোৰে লেনিয়াই লেনিয়াই ডাক দিব ধৰিছে। ঘড়ীটোলৈ চালোঁ। বাৰ বাজি গ'ল। কুকুৰাই পৰ লৈহে ডাক দিয়ে। সম্ভৱ সেয়া দুপৰ-সময়ৰ সংকেত!

ফটিকা এঢোক গিলি ইংলেং গাওঁবুঢ়াই গল-হেঁকাৰি মাৰি মোলৈ চাই ক'লে, "*গোপীনাথ বৰদলৈ চাহাব ডিফুত প্ৰথম প্ৰথম আহিছিলে খৰছিং মেম্বৰ ঘৰত।*

আমি সেই সময়ত তাতে আছিলোঁদেই বাবু। ববদলৈ আৰু মেম্বৰ, দুইজন একেলগে বহিছে, মিটিং পাতিছে। একেলগে ভাত খাইছে। আমি দেখি ইমান খুচি হৈছে বাবু, কি কম! হক দেই, তাৰ মনতে কোনো ঘিণ নাই। ববদলৈ কাৰণেহে আমি ডিষ্ট্ৰিক্ট পাইছে। এই জিলা কাৰণে আমি কম কষ্ট কৰা নাই। টাংকা-পইছা, চাউল কিমান দিলে। সঁচাদেই বাবু, ববদলৈটো হ'লে আমাৰ কথা বুজি পাইছিলে। তাৰ মনটো ডাঙৰ আছে। কি কৰিব? সেই দুইজন মানুহ এতিয়া নাই। তাৰ চিঠি হ'লে এতিয়াও মোৰ বাকচ্‌তে চাবি মাৰি ভৰাই থৈছোদেই, প্ৰফেছাৰ বাবু। ববদলৈ নিচিনা মন্ত্ৰী থাকিলে, আমাৰ কান্দুৰা অঞ্চল ট্ৰাইবেল্ বেল্ট্ পালেহেঁতেন। সেই চিলং চহৰভি নাই, ববদলৈ চাহাব ভি নাই।"

কথাখিনি কৈ তেওঁ পুনৰ খোৱাত মনোযোগ দিলে। ৰামছিঙে বটলৰ পৰা ফটিকাখিনি তিনিওজনৰ মাজত ভগাই ল'লে। মগুহ এডোখৰ মুখত দি ইংলেং ডাঙৰীয়ালৈ লক্ষ্য কৰি ভাবিলোঁ, কিমান ঘটনা থূপ খাই আছে এই বয়োবৃদ্ধ মানুহজনৰ মনত! অতীতৰ সপোন-ৰাজ্যখন ক্ৰমান্বয়ে যেন ভাগি যাব ধৰিছে, এই মানুহজনৰ জীৱন এষণাত। তেওঁৰ অনুযোগৰ সুৰত যেন সোমাই আছে এক পোৱা-নোপোৱাৰ গভীৰ বেদনা। ট্ৰাইবেল্ বেল্টৰ বিষয়ে জানিবলৈ ইংলেঙক সুধিলোঁ।

মুখখন ৰঙা হৈ পৰা ইংলেঙে বুকুৰ কাষৰ জেপখনলৈ জুমি চালে আৰু হাতখন ভৰাই কিবা উলিয়াব খুজি আকৌ ভৰাই থ'লে। সম্ভৱ কিবা চৰকাৰৰ চিঠি-পত্ৰ উলিয়াব বিচাৰিছিল। তেওঁ লাহেকৈ ক'লে, "বুজিছে প্ৰফেছাৰ বাবু, এইটো নহ'লে আমাৰ মাটি-বাৰী আৰু নাথাকে। চব মিঞা আৰু বঙালীয়ে দখল কৰিব।"

"কিয়? আপোনালোকৰ মাটি-পট্টা নাই জানো?"

"থাকিলে কি হ'ব। চব মাটি পাইকাচ্ চুক্তিত বিক্ৰী হৈ আছে। আমিহে প্ৰথম আহিছোঁ আৰু আমিবিলাকহে এতিয়া বেক্‌ৱাৰ্ড। গাঁৱতে কি আছে? মিঞা বস্তিতে কিমান ইছ্‌কুল, ৰাস্তা হৈছে। আমাৰতো এই ৰামছিং বাবুৰ বস্তি যাব ভি ৰাস্তা নাই। ল'ৰা-ছোৱালী পঢ়াইকিনে কি হ'ব? চাকৰি নাই। চব ল'ৰা ভিকুতে ভাগিছে। আমি বুঢ়াবিলাকে কিমান বছৰ মাটি ৰাখিব পাৰিব? বেল্ট্ পালে আমাৰ পাৱাৰ হ'ব, মাটি বিক্ৰী বন্ধ হ'ব। আমাৰ কথাটো ডেকাবিলাকে একদম নুশুনে, প্ৰফেছাৰ বাবু। খালি 'থাপ্‌আং, থাপ্ আং' বুলিহে জোকাই থাকে। শব্দ দুটা উচ্চাৰণ কৰি তেওঁ নিজেও হাঁহিলে আৰু লগতে বাকী দুজনেও হাঁহিত যোগ দিলে।

"আপোনালোকৰ মাজতে মাটি-বাৰীৰ লেন-দেন নকৰে কিয়?" পৰামৰ্শ এটা আগবঢ়াই ক'লোঁ।

"আমাৰ মানুহে ক'ত ল'ব ছাৰ। নিজৰ মাটিখিনিতে খেতি নকৰে। ধনী-দুখীয়া সকলোৱে এতিয়া মিঞাৰ মুখলৈহে চাই থাকে। দোষ আমাৰেই ছাৰ। আমাৰ মাজত এতিয়া নাঙল ধৰা ল'ৰা নোহোৱা হ'ল। স্কুল-কলেজ পঢ়া মানেই নাঙলৰ লগত সম্বন্ধ এৰা। ছোৱালীবোৰো সেই। ধান ৰোৱাৰ পৰা ধান চপোৱালৈকে বঙালী বা মিঞা নহ'লে নহয়। এই বুঢ়া চামে আৰু কেইদিন খেতি কৰিব? আমাৰ সমাজত ক'ত ভুল হ'ল জানো?" ৰামছিঙে বৰ গহীনাই কথাখিনি ক'লে।

এৰা, ৰামছিং বে'ৰ কথাখিনিয়ে মোকো ভবাই তুলিলে। ইংলেণ্ডে কোৱাৰ দৰে ট্ৰাইবেল বেল্ট্ দিলেও জানো এই সমস্যা সমাধান হ'ব? নিজে যদি নাঙলৰ মুঠিত নধৰে, তেনেহ'লে মাটি বিক্ৰী নহ'লেও বিক্ৰী যোৱাৰ নিচিনাই। আৰ্থিক প্ৰগতি দেখোন চিৰ দিনেই ৰুদ্ধ।

আমাৰ শিক্ষাৰ আঁচনিতেই এই ভুল, নে পৰিকল্পনাতেই এই ভুল। গোটেই অসমতেই শাৰীৰিক শ্ৰমৰ প্ৰতি আমি যেন দিনে দিনে বিমুখ হ'ব ধৰিছো। আমাৰ নতুন চাম হঠাতে যেন কৃষিৰ লগত বিচ্ছিন্ন হৈ আহিল! মানুহৰ মনবোৰ চহৰমুখী হোৱাৰ মূল কাৰণ সেইখিনিতেই নেকি? কৃষিজীৱী সমাজখনৰ এই অৱক্ষয়ৰ ৰূপ আজি জন-জাতিৰ জীৱনতো দেখা পাইছোঁ। এইদৰে যদি চলি থাকে, তেনেহ'লে, কান্দুৰা অঞ্চলৰ পৰাও এদিন কাৰবিসকলচোন হেৰাই যাবগৈ!

হঠাতে গুৰি-দাঁতৰ ফাঁকটোত মঙহ এডোখৰ সোমাই অস্বস্তি দিবলৈ ধৰিলে। দিয়াচলাইৰ কাঠিডালেৰে খুঁচি দিলোঁ। দাঁতটোৰ ফাঁকেৰে মঙহডোখৰ ওলাই আহিল। জিভাখনেৰে মঙহ ডোখৰ উলিয়াই পেলাই দিলোঁ। পোকে খোৱা দাঁত। কেতিয়াবা বৰ অসুবিধাত পেলায় দাঁতটোৱে। গুৱাহাটীৰ বৰঠাকুৰ ক্লিনিকলৈ গৈ দাঁতটো ফিল্‌আপ্ কৰি আহিম বুলিও কৰিব পৰা নাই এলাহতে।

ইতিমধ্যে ডিম্‌ৰিয়ে আমাৰ চাৰিওজনলৈকে ভাতৰ কাঁহী আগবঢ়াই দিলেহি। ল'ৰাজনে ঘটিত পানী যতনাই দিলে। ফটিকা খোৱা শেষ কৰি ফাংচ' গাওঁবুঢ়াই হাত ধুবলৈ অনুৰোধ কৰিলে। হাত ধুই উঠি 'আৰ্‌নাম্' কৰিবলৈ অনুৰোধ কৰিলে। তিনিও কাঁহীৰ পৰা ভাত অলপ আৰু আঞ্জা অলপ লৈ মন্ত্ৰ মাতি দেৱতালৈ বুলি মাটিত উচৰ্গা কৰিলে। মন্ত্ৰবোৰ পূজাত মতাৰ দৰেই একে সুৰৰ। ফাংচ'ই কাঁহীৰ একাষত থোৱা কুকুৰা চৰাইৰ মূৰটোৰ পৰা জিভাখন টানি মন্ত্ৰপূত অন্নৰ ওপৰত লাহেকৈ থৈ দিলে। তাৰ পিছত মোক ভাত খাবলৈ অনুৰোধ কৰিলে। আমি চাৰিওজনে আহাৰ গ্ৰহণত মনোনিবেশ কৰিলোঁ।

ভাত খাই খাই ভাবিলোঁ, — কাৰ্বি সমাজ জীৱনৰ কথা। দেখিছোঁ, কাৰ্বিসকল পৰম ঈশ্বৰ ভক্ত। দেৱতালৈ তৰ্পণ নকৰাকৈ আহাৰ গ্ৰহণ নকৰেই, আনকি মদটোপাও নাখায়। এই সমাজখনৰ বিষয়ে মই একোকে জনা নাছিলোঁ। আজি যেন বহুতো কথা শিকাৰ সুযোগ লাভ কৰিলোঁ। মনৰ সকলো সংস্কাৰ, সংকোচ হঠাতে আঁতৰি গ'ল। কাৰ্বি ছোৱালী দিমিৰ হাতৰ আঞ্জা ইমান তৃপ্তিদায়ক! মাজুলীৰ ঘৰখনত খোৱা হেন লাগিল। আন্দোলনে জোঁকাৰি নিদিয়া হ'লে, কাৰবি সমাজক ইমান ওচৰৰ পৰা চাব নোৱাৰিলোঁহেঁতেন।

ভাত খাই ডিমিয়ে আনি দিয়া তামোল এখন মুখত দি মোৰ অহাৰ উদ্দেশ্য সম্পৰ্কে তিনিওকে বুজাই ক'লোঁ। প'ৰ্ট-ফলিঅ' বেগটোৰ পৰা কমিটিৰ চিঠিখন ইংলেং ডাঙৰীয়াক দি ক'লোঁ, "ইংলেং ডাঙৰীয়া, বে' ডাঙৰীয়া আৰু গাওঁবুঢ়া, আপোনালোক তিনিওজনকে অনুৰোধ কৰিলোঁ, যেনে তেনে হ'লেও মজা বিহু উৎসৱত কাৰ্বি নৃত্যৰ দল এটা পঠিয়াব। সোমনাথ দত্তৰ চিঠিখন গাওঁবুঢ়াক দিছোঁ। কি কৰিব, আমাৰেই, দুৰ্ভাগ্য! চৰকাৰ আহি থাকিব, সেইদৰে গৈয়ো থাকিব। কিন্তু, আমি মানুহখিনি মিলি -জুলি ইয়াত নাথাকিলে বাৰু ক'ত থাকিমগৈ? ইংলেং ডাঙৰীয়াই কোৱাৰ নিচিনা আমাৰ মাজত গোপীনাথ খৰছিঙৰ চেনেহৰ বান্ধ আকৌ বান্ধিব লাগিব। আজি আপোনালোকৰ লগত হেম্‌ফু দেৱতাৰ পূজা খাই পৰম তৃপ্ত হৈছোঁ। আপোনালোকৰ ল'ৰা-ছোৱালীক আমাৰ কলেজলৈ পঠিয়াব। আমি একেলগে থাকি প্ৰাইমেৰি স্কুল সজোৱাৰ দৰে, এতিয়া আকৌ কলেজ এখন সাজোঁ, নহয়নে গাওঁবুঢ়া?

চিগাৰেট একোডাল দি ফাংচ' আৰু ইংলেং ডাঙৰীয়াৰ পৰা বিদায় ললোঁ। ইংলেঙে ক'লে, "প্ৰফেছাৰ বাবু, এইবাৰ আহিলে আমাৰ ঘৰত ভাত খাব লাগিব। মই পঢ়িব-লিখিব নাজানোঁ। মোৰ বাকচতে ব্ৰিটিছ দিনৰ চিঠি বহুত আছে, আপুনি চাব পাৰিবদেই। "থাপ্‌আং' ঘৰ কোনটো বুলি ক'লেই দেখুৱাই দিব।" কথা শেষ হোৱাৰ লগে লগে মানুহজনে হাঃ হাঃ কৈ হাঁহি দিলে। চাইকেলখন লৈ কাৰ্দম্ জনাই ফাংচ'ৰ ঘৰৰ পৰা প্ৰত্যাগমন কৰিলোঁ।

ষোৱা পুখুৰীলৈকে ৰামছিঙে আগবঢ়াই দিলেহি। ঘৰ আহি পাওঁতে দেখিলোঁ— মাৰ্চ মাহৰ চতুৰ্দশীৰ জোনটো ক্ৰমে ক্ৰমে উজ্জ্বল হৈ আহিব ধৰিছে।

এৰা, অহা কালিলৈ যে দৌল পূৰ্ণিমা।

চৈধ্য অধ্যায়

লক্ষ্মৌলৈ প্ৰথম আহিয়েই দেখিছিলোঁ — গুৰুদ্বাৰ। ৰেলষ্টেচনত ৰিক্সাখন লৈ সোমনাথ দত্তৰ ঘৰ বিচাৰি গৈছিলোঁ। হঠাতে কাণত পৰিছিল ভজনৰ মধুৰ সুৰ। ৰিক্সাৰ ফাঁকেৰে জুমি চাওঁতে দেখিছিলোঁ, বাটৰ সোঁফালে এটা ধুনীয়া ঘৰ। ঘৰখনৰ সন্মুখত প্ৰকাশি থকা নিচান-চাহেব্ দেখিয়েই বুজিছিলোঁ— সেয়া গুৰুদ্বাৰ। সম্ভৱ সিদিনাখনৰ ভজনটি আছিল— শাবাদ্ কীৰ্ত্তনৰেই এক মধুৰ মূৰ্চ্ছনা।

দত্তৰ পৰা গম পাইছিলোঁ লক্ষ্মৌত শিখগাওঁ দুখন থকা বুলি। ৰেলষ্টেচনৰ কাষৰ গাওঁখন ডাঙৰ আৰু ইছলাম বস্তিৰ গাওঁখন সৰু। ইছলাম বস্তিৰ গাওঁখনক গাওঁ নুবুলি চুবুৰি বুলিবহে পাৰি। ষ্টেচনৰ কাষৰ গাওঁখনেই পুৰণি আৰু লক্ষ্মৌৰ ভিতৰতেই গাওঁ স্বৰূপে ডাঙৰ।

উপন্যাস লেখি থাকোঁতে ভাবিছিলোঁ, শিখসকলৰ প্ৰব্ৰজনৰ ইতিহাসৰ আলোকপাত কৰি লক্ষ্মৌৰ মাটিক অধিক সমুজ্জ্বল ৰূপত দাঙি ধৰিম বুলি। কিন্তু লেখা কাম আজিও হৈ নুঠিল। উপন্যাসখনৰ শেষৰ অধ্যায়ত তেওঁলোকৰ জীৱন-সংগ্ৰামৰ ছবিখন প্ৰস্ফুটিত কৰি নুতুলিলে; লক্ষ্মৌৰ এক গুৰুত্বপূৰ্ণ ঐতিহাসিক সত্যক অস্বীকাৰ কৰা হ'ব।

কিন্তু, লেখাৰ আগতে শিখসকলৰ জীৱন উপলব্ধি কৰিবলৈ পূৰ্ণ সুযোগ পালো ক'ত ? বিদেশী বহিষ্কাৰ আন্দোলনে মনৰ গোটেই আঁচনিখনকে ওলট-পালট কৰি পেলালে। সমাজ-জীৱনৰ ধীৰ প্ৰবাহটো উপলব্ধি কৰিবলৈ এটা সুস্থিৰ বাতাবৰণৰ অভাৱ লক্ষ্মৌতো আহি পৰিল!

সাধাৰণ নিৰ্বাচনৰ প্ৰথম দিনাখনেই শ্বহীদ হোৱা চন্দন সিঙৰ আত্মাক শ্ৰদ্ধা জনাবলৈ গুৰুদ্বাৰত সমবেত হোৱা শিখসকলক দেখাৰ সুযোগ পাইছিলোঁ। আবেগ-কম্পিত অথচ দৃঢ় ভাষাৰে সেইদিনা বয়োবৃদ্ধ শিখ এজনে ভাষণ দিছিলঃ অসম দেশ আমাৰ দেশ। অসমীয়া ভাষা, সাহিত্য-সংস্কৃতি আমাৰেই। এইখন দেশৰ মাটিত বিদেশী মানক খেদিবলৈ এদিন অস্ত্ৰ ধৰি শ্বহীদ হৈছিল— বীৰ চৈতন্য সিং। স্বাধীন ভাৰতৰ অসমৰ মাটিতো আজি আমাৰেই সুযোগ্য পুত্ৰ চন্দন সিঙো প্ৰাণ আহুতি দি

শ্বহীদ হ'ল। চুবেদাৰ ৰামছিঙৰ আমি সুযোগ্য সন্তান ৰূপে পুনৰ প্ৰতিষ্ঠিত হ'লোহক। জয় আই অসম।

লক্ষ্য কৰিছিলোঁ, সেমেকি উঠা বৃদ্ধৰ দুচকুত জাতীয় প্ৰাণৰ ছবিখন প্ৰকাশি উঠিছিল। শিখসকলৰ বহুতৰে দেহৰ শিৰাই-উপশিৰাই এক অভাৱনীয় হেন্দোলনি অনুভৱ হোৱা দেখিছিলোঁ। শিখ মহিলা সকলকো আবেগ-বিহ্বল হৈ অশ্ৰু টোকা দেখা পাইছিলোঁ। গুৰুদ্বাৰৰ নিচান-চাহেব্ সিদিনাখন বতাহত কঁপি আছিল অস্থিৰভাৱে। ময়ো অনুভৱ কৰিছিলোঁ জাতীয় চেতনাৰ এক প্ৰবল আবেগ। দেহৰ সমগ্ৰ সত্তাত অনুভৱ কৰিছিলোঁ এক বৈদ্যুতিক প্ৰবাহ!

এৰা, চন্দন সিং আৰু চৈতন্য সিঙৰ প্ৰাণ-বিসৰ্জনৰ মাজত এক স্বৰ্ণ-সূত্ৰ যেন গঁথা আছে। স্বাধীন অসমৰ শেষ ৰণ হাদিৰা চকীত অসমৰ হকে প্ৰাণ দিছিল বীৰ চৈতন্য সিঙে আৰু চন্দন সিঙে ?

অসমৰ মাটিৰ পৰা বিদেশী বহিষ্কাৰৰ বাবে অহিংস নীতিৰে মাত মাতোঁতে মৃত্যুবৰণ কৰি শ্বহীদ হ'ল কলঙৰ পলসেৰে দেশৰ মাটিক ভাল পোৱা চন্দন সিং।

সিদিনাখন অজানিতে বয়োবৃদ্ধ শিখজনলৈ শ্ৰদ্ধাত মোৰ মূৰ দোঁ-খাই পৰিছিল।

এপ্ৰিল মাহৰ আজি প্ৰথম দিন।

পাশ্চাত্য সংস্কৃতিত আজি হেনো মিছা কথা কৈ ৰং চোৱাৰ দিন— এপ্ৰিল ফুল্।

আনফালেদি আজি গুড্-ফ্ৰাই-ডেও। পবিত্ৰ শুকুৰবাৰ। মহান যীচুৰ আত্ম-ত্যাগৰ দিন।

সত্য আৰু অসত্যৰ সংঘাতেৰে ভৰা উনৈছ শ তিৰাশী চনৰ আজিৰ সূৰ্য্যোদয় সঁচাকৈ তাৎপৰ্যপূৰ্ণ! এনে মহামিলন কোনোবা বছৰত হৈছে নে নাই অৱশ্যে গমি চোৱা নাই।

এনে এটি দিনতে শিখ গাঁওখন চাই আহিলোঁ। লঙ্কা হাইস্কুলৰ শিক্ষক চৰ্দাৰ ভকত সিঙক লগত লৈছিলোঁ। মানুহজন বৰ অমায়িক আৰু বন্ধুসুলভ। তেওঁ গাওঁখন দেখুৱাই অমৃত সিঙৰ ঘৰলৈকে মোক লৈ গৈছিল। অসমীয়া আদব-কায়দাৰে মোক আদৰ-সম্ভাষণ জনাই তেওঁৰ পিতৃসকলৰ প্ৰব্ৰজনৰ ইতিহাস আমাক শুনাইছিল। অসমলৈ অহা শিখসকলৰ ইতিহাস শুনি মই অভিভূত হৈ পৰিছিলোঁ।

হেলনীয়া চকিখনত বহি বাৰাণ্ডাত জুৰ লৈ মনত পেলালোঁ, অমৃত শিঙৰ কথাখিনি..... লঙ্কালৈ বেল অহা বেছি বছৰ হোৱাই নাই। ভাগ্যৰ অন্বেষণত হাকিম

সিং আৰু মঙ্গল সিং দুয়ো লক্কালৈ আহিছিল। দুয়ো ভ্ৰাতৃ। কামপুৰ ববকলা গাঁৱৰ। লক্কাৰ ওচৰে-পাজৰে থকা ডিমাছা কছাৰী আৰু মিকিৰসকলৰ লগত মিতিৰালি কৰি ষ্টেচনৰ কাষতে বৈছিলহি। খেতি-পথাৰৰ সুচল পাই দুয়ো ভ্ৰাতৃ বৈ গ'ল লক্কাত। এই এড্‌ভেঞ্চাৰে ববকলা গাঁৱৰ শিখসকলক লক্কালৈ অহাৰ প্ৰেৰণা দিছিল। কালক্ৰমত গঢ়ি উঠিল— লক্কা সিং গাওঁ।

সৃষ্টি হ'ল ভক্তপ্ৰাণ শিখসকলৰ উপাসনাৰ মন্দিৰ, গুৰুদ্বাৰ। লক্কাৰ মাটি আৰু মানুহক সাৱটি লৈ এতিয়া তেওঁলোকে সপোন ৰচনা কৰে লক্কাক লৈ আৰু গৌৰৱ কৰে এই লক্কাৰ মাটিক লৈ।

চিগাৰেটত দীঘলকৈ টান এটা দি ভাবিলোঁ, ইমান কাষতে আছোঁ, অথচ শিখসকলৰ সমাজৰ ছবিখন এখন্তেক চাবলৈ বা বুজিবলৈ চেষ্টা কৰা নাছিলোঁ।

এয়া মোৰ অহমিকা নে দুৰ্বলতা?

মোৰ মনৰ এই অনীহা, সঙ্কোচভাব ক'ৰ পৰা শিপালে, মই বুজিব পৰা নাই। বাটে-পথে দেখিলে মাত বোল কৰোঁ, কিন্তু তেওঁলোকৰ ঘৰলৈ গৈ আপোন হোৱাৰ চেষ্টা মোৰ নিজৰ গাতে নেদেখিলোঁ। বৰং আঁতৰি থকাহে যেন নিৰাপদ— এই ভাব মনৰ গভীৰ কোণত আজিও অঙ্কুৰিত হৈ ৰ'ল যে!

ইমান বছৰে মনত আৱৰি ধৰা ডাৱৰবোৰ আজিৰ এই এপ্ৰিলৰ প্ৰথম দিনটোতে আঁতৰি গ'ল। শিখগাওঁ আৰু মানুহখিনিৰ আচাৰ ব্যৱহাৰ নিজ চকুৰে দেখি মোৰ মনৰ প্ৰোথিত সংস্কাৰৰ পৰা মুক্ত হ'লোঁ। ক'তা. ধৰ্মৰ বাহিৰে আন সকলোবোৰ দেখোন অসমীয়া সংস্কৃতিৰেই জীয়া ছবি। তাঁত-শালত গামোচা বৈ থকা অমৃত সিঙৰ জীয়ৰীহঁতক দেখিলে, কোনেনো ক'ব, এইখন পঞ্জাবৰ পৰা অহা শিখগাওঁ বুলি? আজি শিখগাঁৱলৈ গৈ মোৰ ভাব হ'ল, মই যেন আমাৰ মাজুলীৰ কোনোবা অসমীয়া গাওঁ এখনত গৈ চাহ-জলপান খাইছোঁগৈ।

অসমৰ মাটিয়ে বহুতো জাতি-উপজাতি মাতিছিল আৰু আজিও মাতি আছে। সেইসকলৰ মাজৰে কিছুমানে অসমৰ বুকুত মিলি অসমীয়া হ'ল আৰু আন কিছুমানে অসমৰ বুকুত থাকিও অসমীয়া হ'ব পৰা নাই। মানৱ-প্ৰব্ৰজনৰ এই দুটা দ্বন্দ্বক ইমান দিনে মই বুজিব পৰা নাছিলোঁ। লক্কাৰ মাটিয়ে মোৰ চকু মোকলাই দিলে। অসম বুৰঞ্জীৰ পাতত লুকাই থকা মানৱ কল্পৰ এই অবিনাশী ৰূপক মই যেন দেখা পাইছোঁ।

কি বিচিত্ৰ অসমৰ ইতিহাস!

কিমান মহান অসমীয়া জাতিৰ উত্তৰণৰ প্ৰক্ৰিয়া!

যোৱাকালি ইছলাম বস্তিলৈকো গৈছিলোঁ জিকিৰ আৰু জাৰি গীত বিচাৰি। তাত নিজাম্‌উদ্দিন আহমদক লগ ধৰিছিলোঁ। লঙ্কাৰ মাটিত বসতি কৰা তেওঁলোকেই পুৰণি অসমীয়া মুছলমান সম্প্ৰদায় বুলি সংমল বৰুৱাই মোক কৈছিল। তেওঁলোকৰ লগত এখন্তেক বহি বহুতো কথা পাতিছিলোঁ। ক'তা, ইয়াতোচোন ধৰ্মৰ বাহিৰে আমাৰে সৈতে একে। খিৰিকিখনেৰে দেখা পোৱা মছজিদটোৱে গোপনে যেন মোক কৈছিল, মুছলমান ধৰ্মত বিশ্বাস ৰাখিও অসমীয়া হ'ব পাৰি।

ভাঙ্গাৰা নৃত্য আৰু জিকিৰ-জাৰি গীত গোৱাৰ সৌভাগ্য নহ'ল; কিন্তু অন্য এক পৰম সত্যক মই আজি উপলব্ধি কৰিব পাৰিলোঁ।

অসমৰ ইতিহাস-গঠনত যিদৰে মাটিৰ আকৰ্ষণ আছে, সেইদৰে অসমীয়া জাতিৰ উত্তৰণ প্ৰক্ৰিয়াৰ মাজতো লুকাই আছে অবিনাশী আত্মা স্বৰূপা নাৰী-শক্তি। মাতৃ-শক্তিয়েই অসমীয়া জাতি-গঠনৰ আদ্যা-শক্তি।

বঙালী ভাষাৰ প্ৰতি আস্থা ৰাখিও অসমৰ বঙালীসকল অসমীয়া হ'ব পৰা হ'লে, অসমৰ মাটি আৰু মহৎ হ'লহেঁতেন। আহিবনে বাৰু সেইদিন? বঙালী জীয়ৰী আৰু অসমীয়া জীয়ৰীয়ে একেলগে হাঁহিবনে বাৰু, কলেজৰ ক্লাছৰুমত ইহঁতৰ দৰে? থাকিবনে বাৰু ৰিলিফ্ কেম্পত একেলগে থকাৰ দৰে!

পোন্ধৰ অধ্যায়

সমন্বয়-দিৱসৰ প্ৰস্তুতিয়ে লঙ্কাৰ ইতিহাস আৰু মানৱ প্ৰব্ৰজনৰ বিচিত্ৰ দিশ সম্পৰ্কে মোৰ মনত এটি স্থিৰ ধাৰণা আনি দিলে। শিক্ষাৰ বুনিয়াদ গঢ়ি যোৱা সৎমল বৰুৱাৰ জীৱনক আলোকপাত কৰিবলৈ যাওঁতে শুভেন্দু শেখৰৰ কথাবোৰ মনলৈ আহিবলৈ ধৰিলে।

সৎমল বৰুৱা আৰু শুভেন্দু শেখৰ!

দুয়োজনৰ মাজত ক'ৰবাত যেন জীৱনৰ সঙ্গতি আছে!

এজনে ল'ৰা-ছোৱালীক পঢ়াই মানুহ গঢ়িবলৈ গৈ দৰিদ্ৰ হোৱা অৱসৰপ্ৰাপ্ত শিক্ষক আৰু আনজন ৰং আৰু তুলিকাৰে মানুহৰ কথা ভাবি তৎ নোপোৱা চিৰ বিপ্লৱী চিত্ৰ-শিল্পী। দুয়োৰো জীৱন-বৃত্তি ইমানেই বেলেগ অথচ জীৱনৰ প্ৰেৰণা আৰু মনৰ জগতখন দুয়োৰো মাজত ইমান মিল!

উপন্যাসখনত শুভেন্দু শেখৰ মালাকাৰক কোনোপধ্যেই উপক্ষো কৰিব নোৱাৰি। সেয়ে কৰিলে বৰুৱাৰ জীৱন-কাহিনী অসম্পূৰ্ণতো হ'বই, লঙ্কাৰ পটভূমিও অনুজ্জ্বল হ'ব। উপন্যাসৰ শেষ অধ্যায়ৰ আৰম্ভণি বাক্যটো শুভেন্দুৰ মুখত শুনা স্থানীয় প্ৰবচনকেই দিব পৰা যায়— 'যিয়ে লঙ্কালৈ আহে, সিয়েই ৰাৱণ হয়।"

বাক্যটো লেখিবলৈ ধৰোঁতেই মনত আকৌ খু-দুৱনি লাগিল। এই প্ৰবচনে যদি লঙ্কাৰ কোনো ব্যক্তিৰ সন্মানক আঘাত কৰে, তেনেহ'লে লঙ্কাৰ মাটিক উজ্জ্বল কৰিবলৈ গৈ মোক ডিফেমেছন্ কেছত পেলাবগৈ পাৰে।

এৰা, ৰামায়ণ মহাকাব্যৰ লঙ্কাৰ লগত নগাওঁ জিলাৰ লঙ্কাক একেলগে সনা-পোটকা কৰিলে কিয়? বিশাল সমুদ্ৰৰ মাজত অৱস্থিত মহৰ্ষি বাল্মীকিৰ স্বৰ্ণ-লঙ্কা আৰু পানী এটোপাও নোহোৱা শুকান অঞ্চল, — এই লঙ্কাৰ মাটি। কি অদ্ভুত বৈসাদৃশ্য! নামটোৰ বাহিৰে সাদৃশ্যই বা ক'ত?

এইয়া অসমীয়া কবি মাধৱ কন্দলিৰ ৰামায়ণখনৰেই প্ৰভাৱ নেকি? ডবকাৰ সিফালেইচোন কন্দলি পাহাৰ!

ঠাইখনৰ নাম লঙ্কা হোৱাৰ মূল কাৰণ নিশ্চয় অসমীয়া ৰামায়ণৰ প্ৰভাৱ নহয়। তিনিশ পৃষ্ঠাৰ উপন্যাসখনত লঙ্কা নামটোৰ ব্যুৎপত্তি সম্বন্ধে লেখিবলৈ সঁচাকৈয়ে থাকি গ'ল। বৰুৱাৰ জীৱন-পঞ্জী সংগ্ৰহ কৰোঁতে বৰুৱাই কৈছিল— কাৰ্বি শব্দ বুলি। 'লাংকাই' শব্দৰ পৰাই আধুনিক লঙ্কা শব্দ হেনো গঠন হৈছে। কাৰ্বি ভাষাত 'লাং' মানে পানী আৰু 'কাই'ৰ অৰ্থ হেনো আগুৰি থকা। অৰ্থাৎ পানীয়ে আগুৰি থকা। হাবাইপুৰ ষ্টেচনৰ কাষেদি বৈ যোৱা জানটিয়ে লঙ্কা অঞ্চলৰ পূব, দক্ষিণ আৰু পশ্চিম দিশক আগুৰি কপিলী নৈৰ শিল-ডুবিত পৰিছেগৈ হেনো।

লঙ্কা ষ্টেচনৰ পাঁচ কিলোমিটাৰ পূবত থকা জানটোৱে লঙ্কাৰ মাটিক স্পৰ্শ কৰিলে ক'ত? সমগ্ৰ উত্তৰ অঞ্চল দেখোন জানটোৱে স্পৰ্শ নকৰাকৈয়ে থাকিল। শব্দটোৰ ব্যুৎপত্তি সম্বন্ধে মোৰ মনত সন্দেহ হ'বলৈ ধৰিলে।

এৰা, সকলো দিশ ভালদৰে নোচোৱাকৈ লেখাৰ পৰা বিপদ ঘটিবও পাৰে। চিগাৰেটত টান দি ফুৰা ধন বৰ্মনৰ কথাষাৰ মনত পেলালোঁ। ডিমাছা নৃত্যৰ সন্ধানত আলিছিঙা কছাৰী গাওঁখনলৈ গৈছিলোঁ। কথা-প্ৰসঙ্গত লঙ্কা শব্দৰ বিষয়ে তেওঁক সুধিছিলোঁ। তেওঁ কৈছিল, 'লংখাই' শব্দৰ পৰা লঙ্কা হোৱা বুলি। 'লংখাই' মানে হেনো ডিমাছা ভাষাত সৰু গাভৰু-খাং।

ৰিগু-ৰিজাংফাই পিন্ধা ডিমাছা গাভৰুৰ প্ৰাণত হেনো 'লংখাই' অতি আদৰৰ। লঙ্কা চহৰৰ আশে-পাশে হেনো ডিমাছাসকলৰ ঝুমতলি আছিল। ডিমাছাৰ দেৱতা শিব্ৰাই এই অঞ্চলৰ প্ৰধান দেৱতা। কিংবদন্তিমতে ঝুমতলিত এৰি অহা 'লংখাই' আনিবলৈ যাওঁতে শিব্ৰাই দেৱতাই গাভৰুজনীক লুকুৱা- ৰ'খিলে। সেই গাভৰুজনীক হেনো বিচাৰি নাপালে। 'লংখাই'ক বিচাৰিবলৈ গৈ হেৰাই যোৱা গাভৰুজনীক লুকুৱাই ৰাখিলে। সেই গাভৰুজনীক হেনো বিচাৰি নাপালে। 'লংখাই'ক বিচাৰিবলৈ গৈ হেৰাই যোৱা গাভৰুজনীৰ কৰুণ স্মৃতিৰ বাবেই ডিমাছাসকলে ঝুমতলিৰ নাম ৰাখিলে— 'হাদি লংখাই'। হাদি লংখাই শব্দৰ পৰাই সময়ত 'লংখাই' হ'ল আৰু তাৰ পৰাই বৰ্তমানৰ 'লঙ্কা' নামৰ সৃষ্টি হ'ল বুলি বৰ্মন গাওঁবুঢ়াই কৈছিল।

কাৰ্বি আৰু ডিমাছা — এই দুয়োটা জনগোষ্ঠীৰ দ্বাৰা অধ্যুষিত অঞ্চলটিৰ নাম সম্পৰ্কে মোৰ ধাৰণা স্পষ্ট নহ'ল। এই আদিম জন-গোষ্ঠীসকলেই তেওঁলোকৰ পৰিচিত নামেৰেই অসমৰ মাটিক আপোন কৰি লোৱা নাই জানো? ড° বিৰিঞ্চি কুমাৰ বৰুৱা, ড°বাণীকান্ত কাকতি— এই নমস্য পণ্ডিতসকলেই এই সত্যক প্ৰতিপন্ন কৰি থৈ গৈছে।

হঠাৎ জেঠি এটাই টিক্‌টিকালে। এনেয়ে এবাৰ চালেবেৰে ভাবিলোঁ। জেঠিটোৰ স্থিতি বিচাৰি নাপালোঁ।

কি আচৰিত! জেঠিটোৰ তুলনাত মাতটোৰ ভলিউম্ কিমান ডাঙৰ! মোৰ অন্বেষণৰ সত্যতাকেই জেঠিটোৱে সহাঁৰি জনালে নেকি?

মোৰ চিন্তা প্ৰৱাহত আউল লাগিল। মুখৰ ধোঁৱাখিনি আয়াসতে এৰি চাই ৰ'লোঁ। কি অদ্ভুত তৃপ্তি আছে এই ধোঁৱাৰ গতিত! সমস্যা জৰ্জৰিত মনত ধোঁৱাই মোক আনন্দ দিয়ে, সমস্যা সমাধানো কৰে। অধ্যক্ষ অমলাংশু ৰায়ে প্ৰায়েই ছেইন্-স্ম'কাৰ্ নহ'বলৈ মোক উপদেশ দিয়ে। কিন্তু, চিগাৰেট এৰিব নোৱৰাৰ মূল কাৰণ সেইখিনিতেই। ভোলানাথেহে জানে ভাঙৰ মহিমা কিমান?

চিগাৰেটত টান দুটামান দি ভাবিলোঁ — মানৱ প্ৰব্ৰজনৰ ইতিহাসত অসমখন এতিয়াও নতুন হৈয়েই আছে। ইতিহাসৰ স্তৰে স্তৰে মানুহ আহিয়েই আছে। অসমলৈ অহা লোক-প্ৰব্ৰজনৰ ইতিহাসত অষ্ট্ৰিক্ জন-গোষ্ঠীয়েহে প্ৰথম স্তৰ বুলি পণ্ডিতসকলে স্থিৰ সিদ্ধান্তত উপনীত হৈছে। তেনেহ'লে লঙ্কা নামটোত অষ্ট্ৰিক্ প্ৰভাৱও থাকিব্‌তো পাৰে!

লঙ্কাৰ পৰা পঁচিশ কিলোমিটাৰ পূবত লামডিং। ঠাইখনৰ নাম জানো লামডিং? ইংৰাজীত দেখোন 'লুমডিং' বুলিহে লেখা আছে। ট্ৰেন্স্‌লিটাৰেশ্যন্ কৰোঁতে ভুল কৰিলে নেকি?

ভুল কৰাটো একো আচৰিত নহয়। নহ'লেনো ধৰমতুল আৰু জাগীৰোড ষ্টেচনৰ মাজৰ সৰু ষ্টেচনৰ নামটো লিখোতে ইমান খেলি-মেলি লাগেনে? ষ্টেচনৰ নামটো অসমীয়াত লেখিছে 'আজুৰি', ইংৰাজী আৰু দেৱনাগিৰি আখৰত আকৌ লেখা আছে 'ঔজুৰি'। ভুল কোনটো?

'লুমডিং শব্দটোও ব্ৰিটিছৰ দিনত 'লামডিং' বুলি লেখিলে কিবা ৰেল-গাড়ী নচলিবনে?

খাছীয়া ভাষাত 'লুম্' মানে পাহাৰ আৰু 'ডিং' মানে জুই। অৰ্থাৎ প্ৰজ্বলিত পাহাৰ। সেইদৰে কলং নৈখনতো হেমবৰুৱাই অষ্ট্ৰিক্ গোন্ধ এটা পাই থৈছে। 'ক্লং' শব্দৰ পৰাই 'কলং' শব্দৰ সৃষ্টি হ'ব পাৰে। টাই ভাষাত 'ক্লং' মানে খাল নহয় জানো? আমাৰ কলং নৈ খনো দৰাচলতে খালহে। মেকং উপত্যকাত মন-খমেৰসকলে সভ্যতা বিস্তাৰ কৰাৰ দৰে এসময়ত কলং-কপিলীৰ উপত্যকাতো খাছীয়াসকলে বসতি নিশ্চয় কৰিছিল।

আমাৰ 'লঙ্কা' নামটোতো অষ্ট্রিক গোন্ধ থাকিব পাৰে। সমন্বয় দিৱস উপলক্ষে লঙ্কাৰ বহুতো অঞ্চল ঘূৰিলোঁ। কিন্তু লঙ্কাৰ লঙ্কেশ্বৰী-থানখনৰ পবিত্র পীঠ অঞ্চলটোৰ ক'তো দেখা নাপালোঁ।

লঙ্কেশ্বৰী থানখনৰ বেদীৰ সোঁ-মাজতেই বেল গছ। থানখনৰ উত্তৰ দিশত গভীৰ তলেৰে এই সৰু জান পশ্চিমলৈ বৈ গৈছে। সুখলাল মহাজনৰ টিলাটোৰ কাষেৰে বৈ যোৱা জানটোৰ পৰা থানখনলৈ চালে থানৰ মন্দিৰটো পাহাৰৰ ওপৰত থকা যেন লাগে।

থানখনৰ নাম লঙ্কেশ্বৰ নহৈ লঙ্কেশ্বৰী হ'ল কিয় ? এইয়া মাতৃপ্রধান অষ্ট্রিক দৰ্শনৰেই ৰূপ নহয় জানো ? মহামায়া কামাখ্যাৰেই অন্যৰূপ দেৱী লঙ্কেশ্বৰী নেকি ?

আলমাৰীৰ পৰা প্রবন্ধ সংকলনৰ কিতাপ এখন উলিয়াই ৰাজমোহন নাথৰ প্রবন্ধ মেলি চালোঁ। উস্! ইমান গধুৰ তথ্য এটা দেখোন এই প্রবন্ধতেই লুকাই আছে!

বৰাহী ৰজা বিশ্বসুন্দৰে প্রসংসা কৰা স্বাধীন ৰাজ্যবোৰৰ ভিতৰৰে লঙ্কাও দেখোন এখন। ত্রয়োদশ শতাব্দীৰ শিলালিপিত লেখা শ্লোক দুশাৰীত চকু ফুৰালোঁ,—

কাছাড় ৰাজ্যাদ্ জন্তন্ত্যায় লঙ্কাত্তা ৰাজ্যবোত্ত
জজ্ঞমেনং ডাবেকা মণ্ডলি মঠন্ত কাৰয়ামাস।

কিতাপখন থৈ ভাবিলোঁ— ইমান পুৰণি এই লঙ্কা নামটো নিশ্চয় কাৰ্বি বা ডিমাছাৰ অৱদান হ'ব নোৱাৰে। টেবুলৰ ওপৰত সজাই থোৱা ই, বার্হৰ 'খাছী ইংলিছ ডিক্‌ছ্নাৰী' নামৰ কিতাপখন উলিয়াই ল'লোঁ। 'লং" শব্দৰ এণ্ট্রিবোৰ এফালৰ পৰা চাব ধৰিলোঁ। হঠাতে দেখিলোঁ, 'লংখা' শব্দ। 'লংখা' শব্দৰ অর্থ হ'ল— অধিষ্ঠাত্রী দেৱী। জনজাতিৰ জিভাত ক আৰু খ বৰ্ণ দুটাৰ উচ্চাৰণ তেনেই ওচৰ চপা। সম্ভৱতঃ 'লংখা'ৰ পৰাই 'লঙ্কা' হ'ল। খাছীসকলৰ অধিষ্ঠাত্রী দেৱী লংখাকো পৰৱৰ্তী যুগত আৰ্যিকৰণ কৰি লঙ্কেশ্বৰী কৰি পেলালে যেন পাইছোঁ।

ইমান প্রাচীন নামটোক আসাম-বেঙ্গল ৰেল সম্প্রসাৰণৰ লগত সংগতি ৰাখি মোৰ উপন্যাসখনত ব্যাখ্যা দাঙি ধৰিলে নিশ্চয় ভুল হ'ব। তেনেহ'লে লংকাদেৱীৰ পবিত্র পদধূলিৰে সৃষ্টি হোৱা লঙ্কাক, ৰাৱণৰ অপযশেৰে কালিমা সানিবলৈ যোৱাটো মোৰ সৃষ্টিক চিৰদিনলৈ কলঙ্কিত কৰাহে হ'ব। চিগাৰেটডাল লাহেকৈ এছ্‌ট্ৰেত ভৰাই দিলোঁ।

হাৰে, ন বাজিবৰ হ'লেই! ক্লকৰ কাটালৈ চালোঁ— ক্লাছ আজি দহটাতেই। উপন্যাস লেখাৰ পৰ্ব ইমানতে সামৰি থলোঁ। শেষ অধ্যায়খিনি লেখা নহ'বগৈ নেকি ?

ষোল্ল অধ্যায়

সাত নম্বৰ চীটটো!

এইবোৰ, — এঘাৰ, বাৰ, তেৰ।

আৰু সেইবোৰ!

চাৰি পাঁচ ছয়।

দুৱাৰ মুখৰ পৰাই চীটৰ নম্বৰবোৰলৈ জুমি চালোঁ। তেনেহ'লে সাত নম্বৰ চীটটো কেনি গ'ল? হেণ্ড-ৰেইলডালত ধৰি পাছ ফাললৈ চালোঁ। চীট বিচৰা যাত্ৰীৰ হেঁচা-ঠেলা। ড্ৰাইভাৰজন উঠাৰ লগে লগে যাত্ৰীৰ হুলস্থূল স্বাভাৱিকতে বেছি হয়। টিকেটৰ নম্বৰ মতে চীট বিচাৰি নোপোৱালৈকে মোৰ ধৈৰ্য্য হেৰাই যায়। সম্ভৱ সেয়া মোৰ অৱচেতন মনৰেই প্ৰতিক্ৰিয়া।

"বাবু, আমাৰ চীট্‌টো দেখ্যা দেন্।"

কি যে বিৰক্তিকৰ! বুঢ়া মিঞাজনৰ টিকটখন চাই ক'লোঁ, "ত্ৰিছ নম্বৰ। পিছলৈ যোৱা।"

ছেঃ! সাত নম্বৰটো!

"হেৰি চলিহা, কি বিচাৰিছে?"

উভতি চাই দেখো — লস্কৰ। সূৰ্যকান্ত লস্কৰ। লঙ্কা হাইস্কুলৰ শিক্ষক। বহাৰ পৰাই মোলৈকে চাই আছে মানুহজনে।

"অ', লস্কৰ দেখোন।"

"কি বিচাৰিছে?"

"হেৰি, মোৰ চীটটোকে বিচাৰি পোৱা নাই।"

"কিমান নম্বৰ?"

"সাত।"

"এহ্। এইয়া নহয়। মোৰ কাষৰ চীটটোৱেই। আহক।"

লস্কৰে বহাৰ পৰা উঠি মোক সোমাবলৈ ঠাই উলিয়াই দিলে।

"হেৰি, আপুনিয়েই বহক সেই চীটটোত। মোৰ বুজিছেনে, বাছত উঠাৰ সময়ত সদায়েই এই গণ্ডগোলটো লাগি থাকে। আপুনি যায় ক'লৈ?" লস্কৰক খিৰিকিৰ কাষত বহিবলৈ দি সুধিলোঁ।

"কামপুৰলৈ। আপুনি একা?"

"নগাঁৱলৈ।" লস্কৰৰ কাষতে বহি মোৰ গন্তব্য স্থানৰ বিষয়ে ক'লো।

কণ্ডাক্টৰে টিলিঙা বজাই দিয়াত বাছখনে যাত্ৰা আৰম্ভ কৰিলে। প'ৰ্টফলিঅ' বেগটো ভালদৰে লৈ লস্কৰৰ ফালে চাই সুধিলোঁ, "বাছেৰে কিয়? ট্ৰেইন নাই জানো?"

"ট্ৰেইনৰ কথা নক'ব চলিহা। মেইল্ কেইখনতো কামপুৰত নৰয়েই, পেছেঞ্জাৰখনতো ট্ৰেইন্ নহয়, গৰুগাড়ীহে। বাছেৰেই সোনকালে ঘৰ পামগৈ।"

"বাছেৰে গ'লে আপুনি ক'ত নামিবগৈ?" টিকটখন কণ্ডাক্টৰক দি লস্কৰক সুধিলোঁ।

"কিয়? কঠীয়াতলীত। তাৰ পৰা আঠ কিলোমিটাৰমানহে হ'ব।"

বাছৰ কণ্ডাক্টৰে আমাৰ টিকটকেইখন চেক্ কৰি আঁতৰি গ'ল। লেভেল ক্ৰছিং পাৰ হোৱাৰ লগে লগে লস্কৰ হঠাতে অন্যমনস্ক হৈ পৰিল। খিৰিকিখনেৰে তেওঁ পশ্চিমৰ মুকলি পথাৰৰফালে চাই যাবলৈ ধৰিলে। মানুহজন হঠাৎ বেছি আবেগবিহ্বল হৈ পৰিব ধৰিলে আৰু মুখখনো কিবা গধুৰ গধুৰ যেন লগা হ'ল। পেট্ৰল্ পাম্প অতিক্ৰম কৰি বংমলাৰ কাষ পোৱাতহে, মানুহজন পোন হৈ বহি সন্মুখলৈ চাব পৰা হ'ল। তেওঁৰ অন্তৰৰ পৰা অকস্মাতে তপত হুমুনিয়াহ এটা ওলাই অহা মই গম পালোঁ।

"কঠীয়াতলীত বাছ পাব জানো?" নীৰৱতা ভঙ্গ কৰিবলৈকে তেওঁক সুধিলোঁ।

"পাম। আধা ঘণ্টাৰ পিছে পিছে বাছ আহিয়েই থাকে।" ৰুমালখনেৰে মুখখন মচি লস্কৰে ক'লে।

"আপুনি নগাঁৱলৈ কিয় যায়? কলেজৰ কামতনে?"

"নহয়। বাইজৰ কামলৈহে ওলালোঁ। মহেশ গোস্বামীক নিমন্ত্ৰণ কৰি আহিবগৈ লাগে।"

"সমন্বয় দিৱসৰ কাৰণে?"

"হয়। চন্দ্ৰ গোঁসায়ে পৰামৰ্শ দিলে, মহেশ গোস্বামীক আমন্ত্ৰণ কৰিবলৈ। মানুহজনৰ ঘৰ বা ক'ত, আপুনি জানে নেকি?"

"মহেশ গোস্বামী!..... তেওঁ হয়বৰ গাঁৱৰ হাইস্কুলৰ কাষতে থাকে বুলি জানো। পিছে, ঘৰটোহে দেখা নাই চলিহা। নগাঁৱত খবৰ ল'লেই আপুনি তেওঁৰ ঘৰ উলিয়াব পাৰিব।"

"গোঁসায়েও মোক তেনেদৰেই ক'লে। পিছে, আপুনি কামপুৰলৈ কিয়?"

"আচলতে ময়ো নগাঁৱলৈকে যাম। আজি ঘৰত এপাক মাৰিবৰ ইচ্ছা কৰিহে ওলাইছোঁ।"

"নগাঁৱত কিয়?"

"নক'ব চলিহা! লঙ্কাৰ মাটিয়ে মোক নুশুজা হ'ল। ঘৰটো জ্বলাই দিয়াৰ পিছৰে পৰা ল'ৰা-ছোৱালীকেইটাক হয়বৰ গাঁৱৰ মামাকহঁতৰ ঘৰতে থৈ আহিছোঁ। মানুহৰ প্ৰতি মোৰ বিশ্বাস হেৰাই গ'ল, — চলিহা!"

লস্কৰৰ কথাখিনিয়ে মোৰ দেহ আৰু মনৰ গতিক ৰুদ্ধ কৰি দিয়া যেন লাগিল। সমন্বয়ৰ সাকোঁ গঢ়াৰ দায়িত্ব লৈ যাত্ৰা কৰা মই নিজকে বৰ অসহায় বোধ কৰিবলৈ ধৰিলোঁ। লস্কৰৰ কাষত মই যেন প্ৰহসনৰ প্ৰতীক ৰূপে আত্মপ্ৰকাশ কৰিলোঁ। তেওঁক সান্ত্বনা দিবলৈ মোৰ কণ্ঠ হঠাতে জড়তাপ্ৰাপ্ত হ'ল। গভীৰ গাঁতেৰে ক্ষত-বিক্ষত হৈ পৰা পকী পথটোলৈ চাই চাই দহ ফেব্ৰুৱাৰীৰ দুৰ্যোগপূৰ্ণ নিশাটোৰ দৃশ্যলৈ মনত পেলালোঁ ঃ এৰা, মাছ-বজাৰৰ বোমা বিস্ফোৰণৰ আতঙ্ক মাৰ নৌযাওঁতেই, লঙ্কাৰ পশ্চিম আকাশ পোহৰাই তুলিছিল, অগ্নিৰ লেলিহান শিখাৰে। কৃষ্ণা ত্ৰয়োদশী নিশাৰ লঙ্কাখন আকৌ কঁপি উঠিছিল— অন্য এটি ভয় আৰু আতঙ্কত। নিঃসহায় যন্ত্ৰণাৰে শিলৰ মূৰ্তিৰ দৰে থৰ লাগি চাই প্ৰশ্ন কৰিছিলোঁ— সেয়া জুই কিহৰ?

এৰা, মানুহজনে সঘনাই পশ্চিমৰ মুকলি পথাৰখনলৈ চাই মুখখন গধুৰ কৰি তোলাৰ কাৰণ এতিয়াহে বুজি উঠিলোঁ। এজন নীৰৱ শিক্ষকে মানৱ-জ্ঞানক উজাৰি, জাতি-ধৰ্ম-ভাষাৰ কোনো প্ৰাচীৰ নাৰাখি লঙ্কাক পোহৰ কৰি তুলিছেহি আৰু নিৰ্বাচনৰ বিষাক্ত ধুমুহাই সেইজন শিক্ষকৰ ঘৰ জ্বলাই আত্ম-তুষ্টি লাভ কৰিছিল কোনোবা দুৰ্বৃত্তই।

কি আশ্চৰ্য এই মানুহৰ মন!

দ্বাপৰ যুগৰ পৰা আজিৰ কুৰি শতিকালৈকে কিমান অজস্ৰ বছৰ বাগৰি গ'ল; কিন্তু মানুহৰ মনবোৰ দেখোন অপৰিবৰ্তিত হৈয়েই ৰ'ল! মানুহৰ মনক নিকা কৰিব পৰা নাই কিয় অমৃতৰ সন্তান সবে? নে এয়াই নেকি মানৱ-মনৰ শাশ্বত ৰূপ! ক্ষত-বিক্ষত নগাওঁ পথটোৰ দৰেই মোৰ মনৰ ভিতৰখনতো গোপনে বহুতো গভীৰ দাগ বহি যাবলৈ ধৰিলে।

"বুজিছে চলিহা, মই লঙ্কালৈ আহোঁতে, এৰোড্ৰমৰ বাগৰেত উলুবনেই ভালকৈ গজা নাছিল। সংমল ৰৰুৱা আৰু ধনেশ্বৰ শইকীয়াৰ ভৰসাৰে এম-ই স্কুলখন খুলিছিলোঁ। জীৱনৰ বহুতো তিতা-কেঁহাৰে সোমনাথ দত্তৰ লগত স্কুলখন গঢ়ি

তুলিছিলোঁ। এম-ই স্কুলখন এতিয়া হাইস্কুল হ'ল। লগতে বহুতো স্কুলে পোখা মেলিলে। উলুবন আৰু জাৰ্মানী বনৰ জোপোহাৰ শিয়াল ভালুকবোৰ এতিয়া নোহোৱা হ'ল। অন্ধকাৰ লক্ষাখনে এতিয়া নিয়ন-লাইটৰ পোহৰত নতুনকৈ হাঁহিছে। ভাবিছিলোঁ, লক্ষাই মোৰ স্বপ্ন আৰু লক্ষাই মোৰ স্বৰ্গ। কিন্তু, ঘৰটো জ্বলাই দিয়াৰ পিছত মোৰ প্ৰাণ, মোৰ আত্মা ছাই হৈ গ'ল। মই এতিয়া পথৰ ভিক্ষাৰী, বুজিছে, চলিহা।"

"এৰা। নাজানোঁ লস্কৰদেউ, আমাৰ ভুল ক'ত হ'ল? আন্দোলন আৰু নিৰ্বাচনে সুদূৰ-প্ৰসাৰী কি ধৰণৰ প্ৰতিক্ৰিয়া সৃষ্টি কৰিব, তাকো মই স্পষ্টকৈ নাজানোঁ। আপোনাৰ দৰে এজন প্ৰবীণ শিক্ষকৰ দুৰ্ভাগ্য দেখি, মোৰ মনৰ প্ৰস্তুতিবোৰ হেৰাই যোৱাৰ উপক্ৰম হৈছে।" অদূৰত উজলি উঠা ডবকা পাহাৰলৈ চাই ক'লোঁ।

"নহয় চলিহা, আপুনি নিৰাশাৰ ভাব মনলৈ নানিব। আপুনি লক্ষালৈ নতুনকৈ আহিছে। কলেজখনেৰে লক্ষাক আকৌ গঢ়ি তোলক। আমি মানুহৰ সমাজতেই জীয়াই থাকিব লাগিব। মোৰ ভাগ্য-দুৰ্ভাগ্য দেখি আপুনি গা-এৰা দিলে, লক্ষাৰ ভাল মানুহখিনিয়ে কাৰ ওপৰত ভৰসা কৰিব? ভালেই হৈছে, মহেশ গোঁসাইক আনক। মানুহৰ মনৰ ভিতৰত থূপ খাই থকা সন্দেহৰ ভাববোৰ আঁতৰাওকহি।"

সূৰ্য্য লস্কৰৰ কথা শুনি অভিভূত হৈ পৰিলোঁ। খিৰিকিৰে যমুনা নৈৰ বহল ৰূপটোক চাই যোৱা লস্কৰলৈ মোৰ শ্ৰদ্ধা জন্মিল। ইমান এটা ডাঙৰ ঘটনা ঘটি যোৱাৰ পিছতো, মানুহৰ প্ৰতি বিশ্বাস হেৰাই নোযোৱাটো আশ্চৰ্যজনক। শিক্ষক এজনৰ অন্তৰত লুকাই থকা এই মানৱীয় ভাৱ সঁচাকৈয়ে কিমান বিশাল।

আমাৰ বাছখন ডবকা বাছ-ষ্টেশুত ৰ'লহি। আন যাত্ৰীসকলৰ লগতে আমি দুয়ো বাছৰ পৰা নামি পৰিলোঁ। দুয়ো পাণ-তামোলৰ কাষতে চিগাৰেট হুপি ৰৈ থাকোঁতে মানুহ এজনে আহি মাত দিলেহি, "অ—, লস্কৰ দেখোন।"

"হাৰে মহন্ত! আপুনি ইয়াত?"

"অঁ। ডবকা বেঙ্কলৈ অহা এবছৰ মানেই হ'ল। এখেতনো কোন?" মোলৈ চাই লস্কৰক সুধিলে।

"এখেত লক্ষা কলেজৰ প্ৰফেছাৰ, প্ৰদীপ চলিহা।"

"অ'। নমস্কাৰ দেই।"

মানুহজনলৈ ময়ো প্ৰতিনমস্কাৰ জনালোঁ। মানুহজন ভদ্ৰবৰ্জীয়া। সাজ-পোছাক পৰিপাটি। পাতলকৈ ৰখা গোঁফেৰে মানুহজন দেখাত ধুনীয়া৷ মোলৈ

চাই মানুহজনে ক'লে, "বাৰু চলিহাদেউ, লস্কৰৰে সৈতে প্ৰাইভেট্ কথা পাতো, বেয়া পাব নেকি?"

"নাই, নাই। কিয় বেয়া পাম। পাতক।"

"লস্কৰ, আহকচোন।"

লস্কৰক লৈ মানুহজনে পথৰ কাষৰ গছ-জোপাৰ তলত কথা পাতিলেগৈ। চিগাৰেট হুপি হুপি ময়ো নিৰিবিলি ভাবে ডবকাৰ পৰিৱেশলৈ লক্ষ্য কৰিব ধৰিলোঁ।

ডবকা ঠাইডোখৰ দেখাত অপৰিষ্কাৰ যেন লাগিল। প্ৰায় মানুহবোৰেই মুছলমান সম্প্ৰদায়ৰ। পথৰ দুয়োকাষে ভৰি পৰা দোকান পোহাৰবোৰ দেখিলে, ডবকাখন বেহা-বেপাৰৰ ঠাই যেন লাগে। অহৰহভাবে বাছ আৰু যাত্ৰীৰ অহা-যোৱাত, ডবকাখন দেখাত অতি ব্যস্ততাপূৰ্ণ। ঠাইখনৰ প্ৰাকৃতিক পৰিবেশ বৰ মৰমলগা। আমাৰ লঙ্কাৰ দৰে শুকান প্ৰৌঢ় ৰূপ নহয়। উত্তৰ দিশৰ বিশাল পাহাৰ ৰাজিৰে যেন ডবকাখন প্ৰাণ-চঞ্চলা এজনী পাহাৰী ষোড়শীহে!

এৰা। পাহাৰৰ নামনিৰ এই তটভূমিৰ নামেই ডবকা। এলাহাবাদৰ শিলালিপিত জিলিকি থকা সেই সাৰ্বভৌম ডবাক্ ৰাজ্য এইখনেই নহয় জানো?

বাছৰ হৰ্ণ বাজি উঠাত, ডবকা ঠাইখনৰ চিন্তাৰ আঁতডাল হেৰাই গ'ল। বাছত উঠি পৰিলোঁ? ডবকা এৰাৰ লগে লগে লস্কৰক সুধিলোঁ, "হেৰি লস্কৰ! সেই মানুহজন কোন?"

"অ'। সেইজন আমাৰ মহন্ত। হৰেন্দ্ৰনাথ মহন্ত। ফৰেষ্ট্ ডিপাৰ্টমেণ্টত চাকৰি কৰে। লঙ্কা বীট্ অফিছত কাম কৰোতেই তেখেতৰ লগত চিনাকি হৈছিলোঁ। মানুহজন বৰ ভাল। সৰবৰহীও।"

বাছখনে গতি ল'লে। ৰাস্তা ভাল। লস্কৰেও কথাখিনি কৈ নীৰৱতা অবলম্বন কৰিলে। ডবকা পাহাৰখন মোৰ চকুত ভাঁহি উঠিল। পাহাৰৰ বুকুত অ'ত ত'ত লাগি থকা মেঘবোৰলৈ চাই ভাবিবলৈ ধৰিলোঁ, আমি উঠি অহা বাছখনৰ কথা। ৰাজ্যিক পৰিবহন নিগমৰ এই বাছখনে কঢ়িয়াই আনিছে— বিচিত্ৰ মন আৰু অনুভূতিৰে ভৰা এবাছ মানুহক। বাছৰ চীটবোৰত বহি গৈছোঁ, বিভিন্ন ভাষা, ধৰ্ম আৰু জাতিৰ মানুহবোৰ। এক সুশৃঙ্খলিত মানৱ সমাজৰেই মানৱ-যাত্ৰী। আমাক নিৰাপদে লৈ যোৱাৰ দায়িত্ব লৈছে বাছ চালকজনে। আমি ইমানবোৰ যাত্ৰী আছোঁ— কোনো এজনেও তেওঁৰ খবৰ লোৱা নাই। খবৰ ল'বৰ প্ৰয়োজনো বোধ কৰা নাই। বাছ চালকজনৰ সত্তাই মানৱ উত্তৰণৰ প্ৰতিভূ হৈ দেখা দিলে মোৰ মানস-চকুত। দেশখনৰ

ওপৰত বসবাস কৰা আমি মানুহখিনিয়ে এই ভাবত চলিব নোৱাৰোঁ কিয়? এৰা, মানুহৰ মনবোৰ দুৰ্বোধ্যতাৰে ভৰা এক অশৰীৰী সত্তা!

"চলিহা, মোৰ নামিবৰ হ'লেই।" নিজৰ ভাবতে বহি আহি থকা লস্কৰে নীৰৱতা ভঙ্গ কৰি ক'লে।

"আহি পালেহিয়েই নে?"

"হয়। আপুনি আজি ঘূৰিবনে?"

"হয়। লাষ্ট বাছখনত হ'লেও ঘূৰিব লাগিব। গোস্বামীৰ কন্‌ছেপ্ট্ লৈ প্ৰেছত চিঠি ছপাব লাগিব।" তেওঁক বাটটো এৰি দি ক'লোঁ।

"ভাল বাৰু। য'ক দেই।"

"ভাল।"

সৰু লীডাৰ চুট্‌কেচটো হাতত লৈ বাছৰ পৰা লস্কৰ নামি গ'ল। খিৰিকিখনেৰে ঘূৰি চালোঁ — ধুতি, দীঘল কামিজ চোলা আৰু ভৰিত পুৰণি চেণ্ডেল পিন্ধি মোলৈ চাই থকা সূৰ্য্য লস্কৰলৈ। মই এৰি দিয়া চীটটো কঠিয়াতলীৰ পৰা উঠা যাত্ৰী এজনে দখল কৰিলেহি। গহীন মুখৰ মানুহজনলৈ চাই চীটখনত ভালদৰে বহি ললোঁ। বাছখনৰ খিৰিকিখনেৰে লক্ষ্য কৰিলোঁ, প্ৰকৃতিৰ কেঁচা ৰূপবোৰলৈ। অচিনাকি ঠাইবোৰ মোৰ চকুৰ আগেদি অতিক্ৰম কৰি যাবলৈ ধৰিলে। সোঁকাষৰ বিস্তীৰ্ণ পথাৰৰ সিটো মূৰত সেউজৰঙী পাহাৰৰ শাৰীবোৰ ইমান মৰম লগা! এই ফালেই নহয় জানো— মাধৱকন্দলিৰ পৱিত্ৰ পীঠ, কন্দলি পাহাৰ? অসমীয়া ৰামায়ণৰ মধুৰ ছন্দ এই পাহাৰৰ বক্ষৰ পৰাই নিগৰি ওলোৱা নাছিল জানো?

মোৰ কাষৰ মানুহজনৰ লগতে অন্য যাত্ৰীসকলেও উদগ্ৰীৱ হৈ খিৰিকিৰে চোৱা দেখি পাহাৰৰ আকৰ্ষণৰ পৰা মোৰ দৃষ্টিক আঁতৰাই আনিলোঁ।

হাৰে, কি আচৰিত! বাটৰ কাষৰ মানুহৰ ঘৰবোৰচোন জ্বলি গ'ল। তামোল, নাৰিকল, কল-গছৰ পাতবোৰত অগ্নিদগ্ধ হৈ ডেই যোৱা নিৰ্যাতনৰ ছবি।

উস! কুঁহিয়াৰ ডৰাই কি জগৰ লগালে? আৰু কল-গছ, তামোল গছবোৰে? এইবোৰকো ধ্বংস কৰিব লাগেনে? এইবোৰ দেখোন হিংসা আৰু ঘৃণাৰে প্ৰোথিত বিকৃত মানৱ-মনৰ আত্ম-প্ৰকাশ। মানুহৰ ঘৰত জুই দিয়াৰ নিচিনা মহাপাপ কৰিবলৈকো আমি পিছ নুহুহ কিলোঁ। ইমান ভলৈ মানুহবোৰ পিছলি পৰিব লাগেনে? উস! কি দুৰ্ভাগ্য আমাৰ উত্তৰণৰ যুগ।

অহ্, এইবোৰ দেখোন চাহ-বনুৱাৰ ঘৰ। চাহ শ্ৰমিকে কি জগৰ লগালে?

চাহপাতৰ দৰে সতেজ আৰু নিকা মনৰ এই মানুহখিনিয়ে কাৰ পুখুৰীত বিহ ঢালিলে? বৃহত্তৰ অসমীয়া জাতি-গঠনৰ মূল ভেঁটিবোৰকেই খহালে দেখোন।

ছিঃ ছিঃ! মানুহবোৰে বিবেক হেৰুৱাই পেলালে নেকি? তেনেহ'লে অকল সূৰ্য্য লস্কৰৰ ঘৰেই জ্বলা নাই, সমগ্ৰ অসমৰ গাওঁবোৰতো এই হিংসাৰ জুই জ্বলি উঠিছে!

চলন্ত বাছখনৰ খিৰিকিৰে লক্ষ্য কৰি গ'লোঁ— ছাইবোৰৰ মাজৰ পৰা ভেঁটিডোখৰ উলিয়াই জ্বলি-পুৰি বৈ যোৱা বেৰৰ অৱশিষ্টৰে চালি এখন সাজিব ধৰিছে। বজাৰৰ কাষৰ মুকলি পথাৰত দেখিলোঁ— গৃহহীন পৰিয়ালবোৰৰ আশ্ৰয় শিবিৰ। ট্ৰাকে ট্ৰাকে চি-আৰ-পি-এফৰ জোৱানবোৰে খাদ্য-বস্তু আৰু টিনপাতৰ যোগান ধৰিছে। আশ্ৰয় লোৱা মানুহবোৰৰ অৱস্থা দেখি মোৰ চকু দুটা অজানিতে সেমেকি উঠিল। এই মানুহখিনিয়ে মাটিৰ ৰসেৰেই জীৱন গঢ়িছে আৰু জীৱনৰ আশা-আকাংক্ষা মাটিৰ লগতেই মিলাই দিছে। বিদেশী ব্ৰিটিছক খেদাৰ সময়তো এনে জঘন্য হিংসা সংঘটিত হৈছিলনে? স্বদেশতেই স্বদেশৰ মানুহৰ এই অমানবীয় নিৰ্য্যাতন সংঘটিত হ'ল।

পথৰ দুয়োকাষৰ ধ্বংসস্তূপবোৰ চাই চাই মোৰ মনত বাৰে বাৰে খুন্দা মাৰিবলৈ ধৰিলে— ড° বাবাছাহেব অম্বেদকাৰৰ এশাৰী কথাইঃ অন্ দ্যা টুৱেন্টি ছিক্সথ্ অব্ জানুৱাৰী নাইন্টিন্ ফিফ্টি, উই আৰ্ গ'য়িং টু এন্টাৰ ইন্টু এ লাইফ্ অব কনট্ৰাদিকশ্যনছ্ এণ্ড্ ইফ্ হেয়াৰ আফ্টাৰ্ থিংছ্ গ' ৰং, উই বিল্ হেভ্ ন'ব'ডি টু ব্লেম্ এক্ছেপ্ট্ আৱাৰ্ছেল্ভছ্।

অসমৰ এই দুৰ্যোগৰ বাবে এতিয়া দোষ দিম কাক? এই প্ৰশ্নই মোৰ মন আচ্ছন্ন কৰি পেলালে? বৰ ক্লান্তি বোধ কৰিলোঁ। ভাৱাক্ৰান্ত মন এটিৰে নগাওঁ বাছষ্টেশুত নামিলোঁ।

কলং পাৰৰ চাহৰ দোকানত চাহ একাপ খাই হয়বৰগাঁৱলৈ বুলি ৰিক্সাৰে যাত্ৰা কৰিলোঁ। ৰৌদ্ৰস্নাত কলংপাৰৰ নেহৰুবালিলৈ চাই যাবলৈ ধৰিলোঁ। বহল কলঙৰ পাৰটি সেউজ বনেৰে উদ্ভাসি উঠিছে। স্বাধীন ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰীৰ নামেৰে কলঙৰ মাটিক উজ্বল ঘটালে নগাঁৱৰ নাগৰিকসকলে। কলঙৰ মাটি আকৌ এবাৰ উজলি উঠিল অসমীৰ বুকুত।

পথৰ দুয়োকাষৰ দৃশ্যৰাজি চাই চাই ভাবিলোঁ, গোস্বামী ছাৰক যদি ঘৰত নাপাওঁ! এবা, আজিৰ দিনটো মোৰ বাবে অন্য এটি স্মৰণীয় দিন হৈ পৰিব। অসমৰ একপ্ৰকাৰী কৃতি শিক্ষক, দৰ্শন শাস্ত্ৰৰ অধ্যাপক গোস্বামী ছাৰৰে সৈতে দুআষাৰ কথা পাতিব পোৱাটো কিমান আনন্দৰ কথা হ'ব। তাতোকৈয়ো মোৰ বাবে বিৰল সৌভাগ্যৰ মুহূৰ্ত হ'ব— অত বছৰে কৌতূহল সৃষ্টি কৰি থকা কুমাৰ শ্ৰীমধুসূদন

নামৰ মানুহগৰাকীক আজি নিজ চকুৰে দেখা পোৱাটো। 'শিলনি বননি মিলি এটি হই পৰে' বুলি লিখা কবি গোস্বামী ছাৰে কবিতা নিলিখা হ'ল কিয় ?

বাটৰ কাষতে শ্বহীদবেদী। 'জয় আই অসম' শব্দেৰে অসমৰ মানচিত্ৰ অঁকা আছে, শ্বহীদবেদীত। বিদেশী বহিষ্কাৰ আন্দোলনত মৃত্যু বৰণ কৰা অসম মাতৃৰ সন্তানসকলে পুণ্য স্মৃতিৰে শ্ৰদ্ধাৰ্ঘ্য নিবেদনৰ পবিত্ৰ থলী হৈ উঠিল নেহৰুবালিৰ কলংপাৰ। কিমান স্বপ্ন, কিমান আশাৰে দেশৰ মাটিক স্বাধীন কৰাৰ ছয়ত্ৰিছ বছৰীয়া ইতিহাসত ইমান শ্বহীদ হ'বলগীয়া হোৱাটো কিমান দুৰ্ভাগ্যজনক। নিৰস্ত্ৰ মানুহৰ ওপৰত ট্ৰিগাৰ্ টিপিবলৈ আমাৰ জোৱানসকলৰ বাক অলপো অন্তৰ নকঁপিলনে ?

পুলিচ পইণ্টটোৰ কাষতে ৰিক্সাখন ৰখাই দিলে। ৰাজ্যিক পৰিবহন নিগমৰ বাছ এখন আহি আছিল। বোড্ ক্ৰিয়াৰেন্স্ নাই দিয়া। ৰিক্সাখনৰ পৰাই সন্মুখৰ ছাৰ্কিট্ হাউছলৈ চাই পঠিয়ালোঁ। পুলিচ্, চি-আৰ্-পিৰে ভৰি আছে সন্মুখৰ চোতালত। মনটো হঠাতে উৰুঙা উৰুঙা লাগিল; কিবা যেন নাই নাই !

ঠিকেই। মাৰ্বলেৰে গঢ়া নেহৰুৰ প্ৰতিমূৰ্তিটো দেখোন নাই। কি হ'ল প্ৰতিমূৰ্তিটো ? মূৰ্তিটোৰ বিষয়ে ৰিক্সাচালকজনক লাহেকৈ সুধিলোঁ।

"বোমা দি ভাঙি দিলে বাবু।"

কথাটো কৈ সি ৰিক্সাখন চলাই দিলে। কিয় সুধিলে বুলি জনাৰ আগ্ৰহো তাৰ নহ'ল। এৰা, তাৰ জনা প্ৰয়োজনেই বা কি ? ৰিক্সা চলাই পোৱা পইছাৰেই তাৰ পেটৰ ভাত মুঠিকে নোপোৱা হ'ল আজি।

বিস্ফোৰণেৰে প্ৰতিমূৰ্তিটো উৰুৱাই দিলে কিয় ? বিদেশী বহিষ্কাৰ আন্দোলনৰ লগত নেহৰুৰ প্ৰতিমূৰ্তিটোৰ কি সম্পৰ্ক আছে? এই ধ্বংসৰ নিচা আমাৰ মনলৈ আহিবলৈ পালে কিয় ? নেহৰুৰ প্ৰতিমূৰ্ত্তি নহৈ, তিলক ডেকাৰ হোৱা হ'লেও উৰুৱাই দিলেহেঁতেন নিশ্চয়। এগৰাকী শিল্পীয়ে গঢ়া ভাস্কৰ্যক কলাসুলভ দৃষ্টিৰে আমি চাবলৈ নিশিকিলোঁ। দেশৰ কাৰণে ইয়াতকৈ দুৰ্ভাগ্য কি হ'ব পাৰে !

"কলৈ যাব বাবু ?" হয়বৰ গাওঁ পুলিচ পইণ্টটোৰ কাষ পাই সি সুধিলে।

"হাইস্কুলৰ ফাললৈ ব'লাচোন।"

ৰাষ্ট্ৰীয় পথেৰে আগুৱালোঁ। কি যে বিশৃঙ্খল এই ঠাই ডোখৰ ! সৌন্দৰ্যবোধ হেৰাই গ'ল যেন পাইছোঁ, এই ব্যৱসায়িক মানুহখিনিৰ। ট্ৰাক-বাছ, গেলা-পচা আবৰ্জনাৰে পথৰ দুয়োকাষে দ'ম হৈ আছে। কেৱল টকাহে চিনি পালে এই মানুহবোৰে।

দোকান এখনৰ ওচৰত ৰিক্সা ৰখাবলৈ ক'লো। পাণ-দোকানীজনক গোস্বামী ছাৰৰ বিষয়ে সোধাত, দোকানীজনে ছাৰৰ ঘৰটো দেখুৱাই দিলে। ৰিক্সাবালাক বিদায়

দি সৰু বাটটোৰে ভিতৰলৈ সোমাই গ'লোঁ। ইমান হুলস্থূলীয়া পৰিৱেশত ছাৰ বাৰু কেনেকৈ আছে!

আজি দেওবাৰ। ছাৰ আছেনে বাৰু? থাকিব লাগেচোন। মনৰ আনন্দ আৰু উৎকণ্ঠাৰে কলিং বে'লটো টিপি দিলোঁ। বাৰাণ্ডাৰ দুৱাৰখন নেটেৰে বন্ধোৱা। আধবয়সীয়া মানুহ এগৰাকী ওলাই অহা দেখিলোঁ। দুৱাৰখন খুলি দিলে।

"কাক বিচাৰিছে।" কিছু কৌতুহলী দৃষ্টিৰে মোলৈ চাই সুধিলে।

"গোস্বামী ছাৰৰ ঘৰ এইখনেই নহয় জানো?"

"হয়। পিছে তেখেত নাই। গুৱাহাটীলৈ গ'ল, চিকিৎসাৰ কাৰণে।" কথাষাৰ শুনি মনৰ সকলো আশা মুহূৰ্ততে চুৰমাৰ হৈ গ'ল।

"কিবা কাম আছিল নেকি?"

"হয়। চিঠি এখন দি পঠিয়াইছিল।"

"কোনে?"

"লঙ্কাৰ চন্দ্ৰধ্বজ গোস্বামীয়ে।"

"অঁ, আপুনি লঙ্কাৰ পৰা আহিছে। আহক ভিতৰলৈকে।"

ড্ৰয়িং ৰুমৰ চকিখনতে বহি পৰ্টফ'লিঅ' বেগটোৰ পৰা চিঠিখন উলিয়াই মানুহ গৰাকীক দিলোঁ। চিঠিখন লৈ সুধিলে, "তেখেত গুৱাহাটীত থকা ভালেমান দিনেই হ'ল। ষ্ট্ৰোক্ হৈ তাতেই চিকিৎসা লৈ আছে। কিবা জৰুৰী খবৰ নেকি?"

"জৰুৰী মানে বিহুলৈ নিমন্ত্ৰণ জনাবলৈ আহিছিলোঁ। ছাৰৰ অসুখৰ কথা জনা নাছিলোঁ। এতিয়া কেনে পাইছে?"

"অলপ বাৰু হৈছে। চন্দ্ৰ খুড়াইতৰ কেনে?"

"ভালেই। পিছে মই উঠোঁহে। ছাৰৰ অসুখ যেতিয়া উপায় নাই।"

"চাহ একাপ খাবনেকি?"

"হ'ব। চাহ খায়েই আহিছোঁ। উঠো।"

"ভাল বাৰু। খুড়াইতক অসুখৰ খবৰটো দিবচোন।"

"ভাল বাৰু। আহোঁ।"

মোৰেই দুৰ্ভাগ্য। কিমান আশা কৰি আহিছিলোঁ, সকলো ব্যৰ্থ হ'ল। এগৰাকী মহৎ শিক্ষকক লগ পাই ধন্য হোৱাৰ সৌভাগ্য মোৰ নহ'ল। তাৰ পৰিবৰ্তে আজি লাভ কৰিলোঁ, মানৱ মনৰ ভয়াবহ সান্নিধ্য। এইখন গীতিকাৰ মলিন বৰাৰ দেশ। মানুহে মানুহৰ বাবে কান্দিব জনা দেশ। অসমৰ ইতিহাসত কলং নৈ কিমান মহান আৰু উদাৰ! অসমৰ মাটি আৰু মানুহক বাৰু আকৌ উজলাই নুতুলিবনে এই নগাঁৱে!

সোতৰ অধ্যায়

চন্দ্ৰধ্বজ দেৱ গোস্বামীৰ ঘৰৰ পৰা ওলাঁয়েই সন্মুখৰ চিল্‌ভাৰ ওক জোপালৈ চালোঁ। গছজোপা বেছ চকুত লগা। পাতৰ গঠন আৰু গা-গছৰ উজ্জ্বল ৰঙেই সম্ভৱ গছজোপাৰ আকৰ্ষণৰ মূল কাৰণ। গোস্বামীৰ কম্পাউণ্ডটো প্ৰশান্ত, অথচ নীৰৱ পৰিৱেশ এটা সৃষ্টি কৰাত গছজোপাই বেছ সহায় কৰা যেন লাগে।

জয় গোবিন্দ শইকীয়াৰে সৈতে পাঞ্চালী গাঁৱলৈ যোৱা পথটোৰে নীৰৱে আগবাঢ়ি গ'লোঁ। পথটো বালিঅঁহিয়া। ৰঙচুৱা। বাটৰ দুয়োকাষৰ গছবোৰ বেছ নিকা। বাটৰ ধূলিবোৰ গছ-পাতত লাগি থকা নাই। নিশাৰ বৰষুণজাকে এনেবীয়াৰ প্ৰকৃতিক আজি সজাই তুলিছে নতুন বেশেৰে। উজ্জ্বল মিঠা ৰ'দত ওলাই অহা সদ্য-স্নাতা এগৰাকী যেন বন-কুঁৱৰীহে!

পথৰ দুয়োকাষৰ ঘৰবোৰলৈ চালোঁ। নতুন পৰিৱেশ ৰচনাত মানুহখিনিয়ে যত্ন কৰিছে। তামোল-পান-নাৰিকলৰ লগতে ফুলনি একোখন সজাই তুলিছে। গাওঁ আৰু চহৰৰ অনুভূতিৰে এক চিন্‌থেটিক্ এক্সপ্ৰেশ্যন্। কিন্তু, এই সৌন্দৰ্যবোধৰ ৰূপটোক দেখোন কাঠৰ দ'মবোৰে বিউগল্ চাহাবৰ মাটিৰ পৰাই ক্ৰমান্বয়ে চেপি চেপি আহি গোস্বামীৰ ঘৰৰ কাষ পালেহি। ওক গছজোপাৰ সৌন্দৰ্য চাবলৈ তেতিয়া মানে মানুহৰ চাগে আজৰিয়েই নহ'ব।

হঠাতে ভুৰুং কৰি কাষৰ আম গছজোপাৰ পৰা চৰাই এটা উৰি গ'ল। আমজোপালৈ লক্ষ্য কৰিলোঁ, ক'লি আমেৰে দো-খাই পৰিছে আমজোপা। বেলিৰ পোহৰত চিল্‌চিলীয়া হৈ উঠা কেঁচা আমবোৰ যে কি মোহ লগা!

এৰা। বহাগ পালেহিয়েই। বতৰ বৈ থাকিবনে আমাৰ কাৰণে? ঘাটত গা-ধুৱাওঁতে লাউ-বেঙেনা-আমেৰে গৰুৰ গালৈ মাৰি বলদ-গৰু হ'বলৈ আশীৰ্বাদ দিয়াৰ সময় দেখোন এসপ্তাহো নাই। বৰদৈচিলা উভতি আহোঁতে সৰাই থৈ যোৱা আমবোৰলৈ আমাৰ গাঁৱৰ পদুমীহঁতে হেতা-ওপৰা লগাবৰ হ'বই। পাতত নিমখ লৈ কেঁচা আম খোৱাৰ বতৰ জানো নহয়?

"বুজিছে চলিহা, এইবোৰ বাদ দিয়ক।"

শইকীয়াৰ মাতে বহাগৰ কল্পনাক কেনিবা আঁতৰাই নিলে।

"কোনবোৰ?"— শইকীয়াক লাহেকৈ সুধিলোঁ।

"এই আপুনি ভবা সংহতি, সমন্বয় এই ইণ্টিগ্ৰেশ্যনৰ থিয়ৰি চব।"

"কিয়? প্ৰগ্ৰেমত কাৰোবাৰ নাম সুমুৱাবলৈ থাকি গ'ল নেকি?" শইকীয়াই ঘূৰাই দিয়া খচৰা নিমন্ত্ৰণী কাকতখন লৈ ক'লোঁ।

"ঠিকেই আছে। পিছে এইবোৰৰ প্ৰতি মোৰ কোনো আস্থা নাই। শ্লোগানধৰ্মী এই অনুষ্ঠানবোৰে মানুহৰ মনক এতিয়া জোৰা লগাব নোৱাৰে। লঙ্কাৰ মানুহবোৰ এতিয়া বেছি আত্মকেন্দ্ৰিক হৈছে, বুইছে।"

যুক্তি দিম কিহেৰে? শইকীয়াৰ কথাত উত্তৰ দিবলৈ একোকে বিচাৰি নাপাই, ভট্ট মাষ্টৰৰ ঘৰৰ সন্মুখত ফুলি থকা ডালিমজোপালৈ চাই চাই আগুৱাব ধৰিলোঁ। হাতৰ কাকতডোখৰ জেপত ভৰাওঁতে মনৰ ক'ৰবাত যেন খুন্দিয়াবলৈ ধৰিলে। কাষৰ জোপোহা বনৰ পৰা জিলীৰ নিঃসঙ্গ ক্ৰন্দন-ধ্বনি আহি মোৰ কাণত পৰিলহি— অহৰহভাবে।

"আপুনি বৰ ভাবুকহে। এই সাহিত্য-চাহিত্য কৰি ফুৰা মানুহবোৰৰ স্বভাৱ এনেকুৱাই।"

"কি হ'ল শইকীয়া?"

"মানুহ প্ৰেক্টিকেল্ হ'ব লাগে। ভাব-ৰাজ্যত ভাঁহি, ফুৰা মানুহে কি কাম কৰিব? বুইছে, আপুনি মাৰ্ক্স পঢ়ক। কোমল মনক কঠিন কৰিবলৈ মাৰ্ক্স-দৰ্শনৰ আশ্ৰয় লওক। মানুহৰ মনবোৰক অস্ত্ৰোপচাৰ কৰি চাবলৈ তেহে শক্তি পাব, বুইছে চলিহা।"

বুজিলোঁ, মোৰ নীৰৱতাই শইকীয়াৰ ভাল নোপোৱাৰ কাৰণ। সম্ভৱ সমন্বয়-দিৱস উপলক্ষ্যে লাটুম ঘূৰাদি ঘূৰি ফুৰাটোও তেওঁৰ পছন্দ হোৱা নাই।

"ঠিকেই শইকীয়া, মানুহৰ মনবোৰক অস্ত্ৰোপচাৰ কৰি চাব পৰা হ'লে, প্ৰথমতে নিজকেই চালোঁহেঁতেন— মোৰ মনৰ ভিতৰত সোমাই থকা মানুহটোক।"— শইকীয়ালৈ চাই কথাষাৰ ক'লোঁ।

"অস্ত্ৰোপচাৰ কৰি আপোনাৰ মনটোক চোৱাৰ প্ৰয়োজন নাই চলিহা।"

"কিয়?"

"মানুহক লৈ পাগল হোৱা চলিহাৰ বাহিৰে বেলেগ এজন চলিহা আৰু ওলাই নাহে।"— কথাখিনি কৈ শইকীয়াই হাঃ হাঃ কৈ হাঁহি দিলে।

এৰা। জয় গোবিন্দ শইকীয়া বেলেগ ধাতুৰ মানুহ বুলি গম পাইছোঁ। অন্ধ

শিকাই ভাল পোৱা এই মানুহজনে মাৰ্ক্সীয় দৰ্শনক কিয় সাঁৱটি ল'লে? লঙ্কাৰ মাটিতে ডাঙৰ হোৱা এই মানুহজনে লঙ্কাৰ নাড়ী-নক্ষত্ৰ ভালকৈয়ে জানে। সমন্বয় দিৱস সমিতিয়ে শইকীয়াক মোৰ লগত সাঙুৰি দিলে প্ৰয়োজনীয় দিহা পৰামৰ্শৰ বাবে।

মহেশ্চন্দ্ৰ দেৱ গোস্বামীৰ শাৰীৰিক অসুস্থতাৰ কথা জনাবলৈ আহোঁতে, শইকীয়াক বাটতে পাই লগতে লৈ আহিলোঁ। আঁতৰলৈ মন নেমেলি হুৰ্দাৰ মহন সিঙকেই মুখ্য অতিথিৰ আসনত বহুৱাবলৈ গোস্বামীয়ে পৰামৰ্শ দিয়াত স্বস্তিৰ নিশ্বাস পেলালোঁ। এতিয়া বাইদেউৰ কন্‌চেন্ট্ পালেই পপুলাৰ প্ৰেছত চিঠি ছপাবলৈ দিবগৈ পাৰোঁ।

লঙ্কা হাইস্কুলৰ প্ৰধান শিক্ষক খগেন্দ্ৰ নাথ শৰ্মাৰ কথা লঙ্কাৰ বহুজনৰ মুখত শুনিছোঁ। লগতে শুনিছোঁ, অকস্মাতে অনাথ হৈ পৰা তেখেতৰ পাঁচোটি ল'ৰা-ছোৱালীৰ কথা। আৰু শুনিবলৈ পাইছোঁ, কুৰিটা বছৰ ধৰি বৈধব্যৰ শোকাশ্ৰুৰে স্বামীৰ দায়িত্ব বহন কৰি কৃত্তিৰ তপস্যাৰে মহিমাময়ী হোৱা বাইদেউৰ কথা। এনে এগৰাকী মহিয়সী গুৰু-পত্নীৰ ঘৰলৈকে প্ৰথমবাৰৰ কাৰণে ওলাই আহিছোঁ — বেদনা, বিস্ময় আৰু আনন্দৰ এক সংমিশ্ৰিত আনুভূতিক মন এটিৰে। শিক্ষাৰ আলোকেৰে লঙ্কাৰ মাটিক আলোকিত কৰিবলৈ আহি নিঃসঙ্গভাৱে এৰি যোৱা গুৰু-পত্নীক বঁটা প্ৰদানৰ দায়িত্বৰে শ্ৰদ্ধা জনাবলৈ পালে।......

"হেৰি ক'লৈ যায়? এইয়া নহয় বাইদেউৰ ঘৰ।"

"অ', হয় নেকি? ঠিকেই শইকীয়া, মাৰ্ক্স অধ্যয়ন কৰিব লাগিবই যেন পাইছোঁ।" ধেমালি কৰি শইকীয়াক ক'লোঁ।

মোৰ কথা শুনি শইকীয়াই অস্ফুট হাঁহিটিৰে মোৰফালে চাই ৰ'ল। শইকীয়াৰ দৃষ্টিত বিচাৰি পালোঁ, অতি সহজ সৰল মানুহজনক।

শইকীয়াৰ পিছে পিছে খোজ ললোঁ এল্-পেটাৰ্ণৰ সৰু খেৰৰ ঘৰটোলৈ। বহু বছৰ সম্ভৱ ঘৰটোত চুণ-তেল পৰা নাই। ঘৰখনৰ কেউফালে সময়ৰ আঁচোৰ পৰিছে। বাৰীখনৰ জেওৰাও নতুনকৈ দি ল'ব পৰা নাই। বন-পক্ষীৰ দুই-এটা চিনাকি মাতৰ বাহিৰে ঘৰখনৰ পৰিৱেশ নীৰৱ।

"হেৰা ইলা, বাইদেউ আছে?" গল-হেকাৰি মাৰি শইকীয়াই মাত লগালে।

এখন্তেক পিছত সন্মুখৰ দুৱাৰখনৰ হুক্ খোলা শব্দ কাণত পৰিল। দুৱাৰখন মেলাৰ লগে লগে ছোৱালী এজনী ওলাই আহিল। বিস্ময় মিহলি দৃষ্টিৰে শইকীয়াৰ মুখলৈ চাই ছোৱালীজনীয়ে ক'লে, — "অ'—, জয়গোবিন্ দাদা! আহক।"

"বাইদেউ আছে?"

"আছে। মা পিছফালে আছে। আহক।"

দুয়ো সোমাই গ'লোঁ। ছোৱালীজনীয়ে কাষৰ খিৰিকিখন খুলি দিলে। ভিতৰখন পোহৰ হৈ পৰিল। মোক বহিবলৈ কৈ শইকীয়াই ক'লে, "ইলা, এখেত আমাৰ কলেজৰ প্ৰফেছাৰ, প্ৰদীপ চলিহা। চিনি পোৱা নহয়?"

"অঁ। জানোঁ। অসমীয়া বিভাগৰ নহয় জানোঁ?"

"হয়।" চমুকৈ ক'লোঁ।

"চলিহা, এওঁ কামপুৰ কলেজৰ ভূগোল বিভাগৰ অধ্যাপিকা। ইৰিনা। ঘৰত মাতে ইলা বুলি।" শইকীয়াই ছোৱালীজনীৰ পৰিচয় কৰাই দিলে।

নমস্কাৰ এটা দি ক'লোঁ, "অঁ। দত্তই আপোনাৰ কথা প্ৰায়েই কয়। ভালেই হ'ল, আপোনাক লগ পালোঁ। এতিয়াও কামপুৰ কলেজতেই আছে নহয়?"

"হয়, তাতেই আছোঁ। ইয়াতো মা অকলে নহয়। লগত ভণ্টি দুজনীহে। ৰুবোলো জালুকবাৰীত। ইংঞ্জিনীয়াৰিং কলেজত। মাজে মাজে আহি মাহঁতৰ খবৰ লৈ যাওঁহি। বহকদেই।"

"ইলা, চাহ-তাহ নকৰিবা। নুপুৰহঁতৰ ঘৰত আমি চাহ খাই আহিছোৱেই।" শইকীয়াই ক'লে।

"ইছ! নাখাব কিয়? চলিহা কেতিয়াও নহা মানুহ। পট্‌কৈ হ'ব। বহক। মাক খবৰ দিছোঁ।" কথাখিনি কৈ তেওঁ ভিতৰলৈ সোমাই গ'ল।

ইমান সৰল, নিৰহঙ্কাৰ মানুহ গৰাকী! কলেজ এখনৰ জিওগ্ৰাফী ডিপাৰ্টমেণ্টৰ অধ্যাপিকা বুলি কোনে বাৰু বিশ্বাস কৰিব? দুৱাৰখন খুলি দিয়াৰ লগে লগে মিছৃ ইৰিনাক দেখিয়েই মোৰ ভাব হৈছিল, বাইদেউৰ সৰু ছোৱালী বুলিহে।

মোৰ কাষতে বহি থকা শইকীয়ালৈ লক্ষ্য কৰিলোঁ। সন্মুখৰ ফটোখনলৈ তেওঁ একেথৰে চাই আছে। ফটোখনলৈ ময়ো চালোঁ, সুন্দৰ ফ্ৰেমেৰে বন্ধোৱা আলোক-চিত্ৰ। চুটি চুটি চুলিৰে সুন্দৰ স্বাস্থ্যৱ গহীন মুখৰ ছবিখন দেখিলেই শ্ৰদ্ধা ভাব আহে। প্ৰখৰ বুদ্ধিদীপ্ত ব্যক্তিত্বৰ লোক বুলি ছবিখন চায়েই ধৰিব পাৰি। সম্ভৱ এইজনেই খগেন শৰ্মা। নিয়তিৰ কি যে নিষ্ঠুৰ প্ৰহাৰ!

"এইখন খগেন শৰ্মাৰ আলোক-চিত্ৰ নহয় জানো শইকীয়া?" মনৰ সন্দেহ আঁতৰাবলৈকে শইকীয়াক সুধিলোঁ।

"হয়। আমাৰ ছাৰ।" ছবিখনৰ পৰা দৃষ্টি আঁতৰাই শইকীয়াই ক'লে। শইকীয়ালৈ মন কৰিলোঁ – তেওঁৰ মন হঠাতে যেন গধুৰ হৈ পৰিল। সম্ভৱ ছাত্ৰ-জীৱনৰ স্মৃতিয়ে তেওঁক ভাবগধুৰ কৰি পেলালে।

"ছাৰলৈ মনত পৰিলে বৰ দুখ লাগে, চলিহা।"

ৰুমালখনেৰে মুখখন মচি মচি শইকীয়াই ক'বলৈ ধৰিলে, —

"ছাৰে আমাক অঙ্ক আৰু ইংৰাজী পঢ়াইছিল। লক্ষা হাইস্কুলৰ আমিয়েই প্ৰথম মেট্ৰিক্ কেন্‌ডিডেট্। আমাৰ কৃতকাৰ্যতাৰ ওপৰতেই স্কুলখনৰ ভৱিষ্যৎ যেন ৰৈ আছিল। ইন্‌স্পেক্টৰ নুৰুল ইছলাম্ চাৰ আহিছিল— আমাৰ স্কুলখনৰ শেষ পৰিদৰ্শন কৰিবলৈ। ইছলাম্ ছাৰে মাত্ৰ এটা শব্দ আমাক সুধিছিল— এংছিয়াছ্ শব্দৰ বিশেষ্য পদ কি বুলি। সহপাঠী দুই-এজনে শব্দটো ক'ব নোৱাৰাত ছাৰৰ মনটো দোদুল্যমান হৈ উঠিছিল। আমাৰ মাজৰ এজনে 'এংজাইটি' বুলি কোৱাত ঘামি উঠা ছাৰৰ মুখখন প্ৰশান্ত হৈ উঠিছিল। আমাৰ স্কুলখনে ৰিকগ্‌নেস্যন্ পাই গ'ল। কিন্তু চলিহা আমাৰেই দুৰ্ভাগ্য। ছাৰক আমি সোনকালেই হেৰুৱালোঁ। ছাৰ যেতিয়া ঢুকায়, ৰুবুল তেতিয়া বাইদেউৰ কোলাত। ইয়ালৈ আহিলেই বাৰে পতি 'মইনা আহিলি'— ছাৰৰ এই মাত এষাৰ মোৰ কাণত বাজি থকা যেন লাগে।"

"জয় আহিছা?"

"হয় বাইদেউ।" বহাৰ পৰা উঠি শইকীয়াই সঁহাৰি জনালে। শইকীয়াৰ লগত মোক দেখা পাই মানুহ গৰাকীয়ে কিছু সংকোচবোধ কৰিলে। অচিনাকি মুখৰ কাৰণেই সম্ভৱ। ওৰণিখন টানি মানুহ গৰাকীয়ে কাষৰ চকিখনত বহিল আৰু শইকীয়াৰ মুখৰ ফালে চাই থাকিল। অপ্ৰত্যাশিত উপস্থিতিয়ে মানুহ গৰাকীক যেন কিছু বিব্ৰত কৰিলে।

"চলিহা, এইয়া আমাৰ বাইদেউ।" শইকীয়াই চিনাকি কৰি দিলে।

বহাৰ পৰা উঠি মানুহগৰাকীলৈ নমস্কাৰ জনালো।। প্ৰতি নমস্কাৰ জনাওঁতে শইকীয়াই মোৰ পৰিচয় দাঙি ধৰিলে, — "বাইদেউ, এখেত প্ৰদীপ চলিহা। লক্ষা কলেজৰ অধ্যাপক।"

মানুহগৰাকীয়ে বহিবলৈ কৈ শইকীয়াৰ লগত কথা পাতিবলৈ ধৰিলে।

বিস্ময়াভিভূত দৃষ্টিৰে মই মানুহগৰাকীলৈ চাবলৈ ধৰিলোঁ। এই গৰাকীয়েই নেকি লঙ্কাৰ স্বপ্ন-দ্ৰষ্টা আলোক-সন্ধানী শিক্ষক খগেন্দ্ৰ নাথ শৰ্মাৰ সহধৰ্মিনী বাইদেউ! উন্মুক্ত শুভ্ৰবৰ্ণা চুলিৰে এইয়াচোন 'সৰ্বশুক্লা মহাশ্বেতা'ৰূপিনী এগৰাকী দেৱী। বাইদেউৰ এই ৰূপ দেখি মোৰ দৃষ্টিয়ে পাখি মেলিলে। মনত পৰিল আমাৰ চিৰনমস্যা কবি নলিনীবালা দেৱীলৈ। দুগৰাকীৰ মাজত ইমান মিল। আশ্চৰ্য!

"তোমালোকৰ কুশল শুনিলে মনত শান্তি পাওঁ। মোৰ কি আছে বোপাই, তোমালোকক ভৰসা কৰিয়েই জীয়াই আছোঁ। তোমালোকেই মাজে সময়ে আহি থাকিবাহি। বহা।ইলাই চাহ কৰিছে, খাই যাবা।"

কথাখিনি কৈ বাইদেউ উঠিল আৰু ভিতৰলৈ যাব ধৰা দেখি শইকীয়াই মাত লগালে, "বাইদেউ, এটা কাৰণত আপোনাক লগ পাবলৈ [illegible] আহিছে।"

"কি কথা জয়?" দুবাৰ মুখত থিয় দি সুধিলে। বাইদেউ, [illegible] ৰাইজে আপোনাক বঁটা-বিতৰণী অনুষ্ঠানৰ দায়িত্ব এটা দিছে। আপোনাৰ সন্মতি ল'বলৈ আহিছিলোঁ।" অহাৰ উদ্দেশ্য বুজাই ক'লোঁ।

"বোপা, মই চৌতালৰ পৰাই নোলাওঁ। মোক কষ্ট নিদিবা। এই সাজেৰে মই ৰাইজৰ সেৱা কৰাৰ যোগ্য নহওঁ। তাতে কেউফালে অশান্তি। এই কেইমাহ চকুত টোপনি নোহোৱাৰ নিচিনা। গহনা-গাঁঠৰি বিকি ৰুবুলক পঢ়াইছো। আন্দোলনে তাৰ বিজুতি ঘটালে কি যে অৱস্থা হ'ব! বাৰু বহা, চাহ খাই যাবা।"

বাইদেউ ভিতৰলৈ সোমাই গ'ল। মই শইকীয়াৰ মুখলৈ চালোঁ— কিবা আশা দিয়েনেকি বুলি। ই কি! শইকীয়াই চোন ৰুমালখনেৰে চকুৰ কোণ দুটা মচিব ধৰিছে। শইকীয়া যেন ভাগি পৰিছে! এৰা, অতীতৰ গুৰু-স্মৃতি, গুৰু-পত্নীৰ বৰ্তমানৰ বৈধব্যৰ ক্লেশ দেখি জানো এগৰাকী ছাত্ৰই সহজতে শোক নকৰাকৈ থাকিব পাৰে? মানৱ-জীৱনৰ এই বাস্তৱ সত্যক সহজ কৰি ল'ব পৰা মানুহ কমেইহে ওলাব যেন পাইছোঁ।

"দাদা আহক। আহক চলিহা, চাহ একাপকে খাওকহি।"

অধ্যাপিকা ইৰিনাই আমাক দুয়োকো ভিতৰলৈ মাতি নিলে। বাৰাণ্ডাৰ একাষত দুয়ো চাহ খাব ধৰিলোঁ। চাহ খাই থাকোঁতে সিটো মূৰত তাঁত-শাল দেখি মিছু ইৰিনাক সুধিলোঁ, "তাত-শালত আপুনি বহে নেকি?"

"নাই, মই ক'ত বহোঁ। মায়ে তাতে বহি মাজে-সময়ে দুই এখন কাপোৰ লগায়।" ইৰিনাই ক'লে।

"আপুনি ইমান দূৰত চাকৰি কৰিছেগৈ। আমাৰ ইয়াতেই দেখোন সোমাব পাৰে।"

"জিওগ্ৰাফী ডিপাৰ্টমেণ্ট্ জানো খুলিছে?" চাহত শোহা মাৰি ইৰিনাই প্ৰশ্ন কৰিলে।

"এইয়া শইকীয়া আছেই দেখোন। গৱৰ্ণিং কমিটিক কৈ সহজতে দেখোন ডিপাৰ্টমেণ্ট্ খুলিব পাৰে। জিওগ্ৰাফিকেল্ ন'লেজ আমাৰ ছাত্ৰ-ছাত্ৰীসকলক দিয়াটো প্ৰয়োজন হৈ পৰিছে।"

ইমান টান বিষয় কোনে পঢ়িবহে চলিহা। কাশ্মীৰৰ ভাঁজকেইটা এতিয়াও মই আয়ত্ত কৰিবকে পৰা নাই। আমেৰিকাৰটো বাদেই দিছোঁ। লক্ষৰ ছাৰৰ হাতত প্ৰায়েই বেঁতৰ কোব খাওঁ, মেপখন আঁকিব নজনাৰ কাৰণেই।

শইকীয়াৰ কথাবোৰ শুনি ইৰিনাই মৃদু হাঁহি মাৰিলে। এৰা, ৰাজনৈতিক ভূগোল যে মোৰো খেলি-মেলি লাগে। আমাৰ অসমখন যে কেনেকুৱাটো হৈ পৰিল! শইকীয়াৰ ৰসিকতাত মোৰো হাঁহি উঠিল।

চোঁতালৰ কাষতে থকা নাদটোৰ পাৰত দেখিলোঁ— বালিমাহী চৰাই এটা পৰি টিক্‌টিকাই আছেহি। কি যে মৰম লগা এই চৰাইজনী! বৰ্ষাকাল আহিলেই বাৰু ইহঁত যায় ক'লৈ? দক্ষিণ গোলাৰ্দ্ধলৈ নেকি?

'ইমানকৈ কি চাইছে চলিহা?' শইকীয়াই প্ৰশ্ন কৰিলে।

"সৌ বালিমাহীজনীলৈ চাইছোঁ।"

"থওক, থওক। ৰঘুনাথ চৌধাৰী হ'ব নালাগে। চাহ খাওক সোনকালে।"

কি যে মানুহ পাই শইকীয়াটো। ইৰিনাৰ আগতনো এইবোৰ কথা ক'ব লাগেনে?

ইৰিনাই ভিতৰলৈ সোমাই গ'ল আৰু পাণ- বঁটা এখনত মছলা আনি আমাৰ আগত দিলেহি। চাহ কাপ শেষ কৰি পাণ-মছলা দুটামান মুখত ভৰাই শইকীয়াক ক'লোঁ, "শইকীয়া, এতিয়া কি কৰোঁ? বাইদেৱে নোৱাৰো বুলিয়েই ক'লে। কাক ধৰোগৈ?"

"হ'ব দিয়ক। কালিলৈ চিন্তা কৰিম। ইলা, বাইদেউ ক'ত?"

"মা আছে, পাক-ঘৰত। মাতি দিছোঁ।" ইৰিনাই চাহৰ কাপ-প্লেটকেইখন লৈ পাক ঘৰলৈকে সোমাই গ'ল।

বাইদেউৰ পাছফালৰ বাৰীখনলৈ চালোঁ। বাৰীৰ কাষে কাষে কল গছ। দুই এজোপা ডালিম আৰু পিচ্‌ বগৰী। গছবোৰ ফুলিব ধৰিছে। পিচ্‌ বগৰী যে ইমান ধুনীয়াকৈ ফুলে!

শইকীয়াক উঠা দেখি মোৰ দৃষ্টি ঘূৰাই আনিলোঁ। পাকঘৰৰ পৰা বাইদেউ ওলাই আহিছে। পিছে পিছে ইৰিনা।

"বাইদেউ, আমি আহো।"

"ভাল বোপা। বেয়া নাপাবা। মই যাব নোৱাৰিম।" ওৰণিখন টানি টানি বাইদেৱে ক'লে।

"হ'ব বাইদেউ। আমি অন্য ব্যৱস্থা কৰিম।" শইকীয়াই ক'লে।

"বাইদেউ আহোঁ। মিছ্ কৰিনা, আহিছোঁদেই।"

নিঃসঙ্গ গুৰু-পত্নীৰ পৰ্ণ-কুটিৰৰ পৰা ওলাই আহোঁতে বাইদেউৰ উঁকা মুখখন বাৰে বাৰে দুচকুত ভাঁহি আহিবলৈ ধৰিলে। মোৰ মন অজানিতে বিষন্ন হৈ পৰিল। বাটে বাটে ভাবি আহিলোঁ --মানুহগৰাকীৰ মুখত প্ৰকাশি উঠা -- নাৰী জীৱনৰ এক ক্লাছিক ৰূপ।

হে মহীয়সী আই, লঙ্কাৰ মাটিত তুমি হৈ পৰিলা কৰুণাসিক্ত অশ্ৰুবিন্দুৰেই অন্য এগৰাকী সীতা! ধন্য মোৰ লঙ্কা।

ওঠৰ অধ্যায়

কলেজৰ পৰা আহিয়েই ভাবিছিলোঁ— আজি নিশা উপন্যাসখন লেখি শেষ কৰিম বুলি। আজি যে ব্ৰেক্ আউট্ কথাটো পাহৰিছিলোঁৱেই। ধনেশ্বৰে সোঁৱৰাই নিদিয়া হ'লে, ঘৰত শিলগুটি নপৰিলেও টান কথা এষাৰ আহি কাণত পৰিলহেঁতেন।

লেমৰ পোহৰত তথাপিও দুই পৃষ্ঠামান লেখিলোঁ। চকু দুটাত পোৰণি উঠাত কলম সামৰি থ'লোঁ। হাত দুখনৰ তলুৱাৰে চকু দুটাত এখন্তেক হেঁচি বাহিৰলৈকে ওলাই আহিলোঁ। বাহিৰত কেউফালে এন্ধাৰ। গায়ে-মুখে মুকলি বতাহ লগাত বেছ শাঁত পালোঁ। ৰেল ষ্টেচনত থকা চাহৰ দোকানবোৰত লাইট জ্বলি আছে। সম্ভৱ পেট্ৰোমাক্স। আছুৰে জনোৱা নিষ্প্ৰদীপ-দিৱস সিহঁতে সম্ভৱ পালন কৰা নাই। পালন কৰিছিল যদিও চি-আৰ্-পিয়ে খুলি ৰাখিবলৈ বাধ্য কৰিলে চাগে। কি কৰিব বেচেৰাহঁতে!

আকাশলৈ চালোঁ। জোন নাই। তৰাবোৰে চকু টিপিয়াই আছে। তৰাবোৰক আজি বৰ উজ্বল দেখাইছে। আকাশত মেঘ আৰু জোন নথকাৰ বাবেই সম্ভৱ।

আজি কি তিথি? কৃষ্ণা নৱমী নেকি?

তিথিৰ্কেৰ মনতেই নাথাকে। ঘৰত বৌটিয়ে কিন্তু তিথিবোৰৰ খবৰ ভালকৈয়ে ৰাখে। অন্ততঃ একাদশী আৰু অমাৱস্যা তিথিৰ কথা ভুলতো বৌটিয়ে নাপাহৰে। সত্ৰৰ পৰিৱেশৰ কাৰণেই নেকি?

এৰা। কোনোবাই যদি সোধেহি চ'তৰ আজি কিমান তাৰিখ বুলি? মোৰ দৰেই সম্ভৱ বহুতেই ঘপৰাই ক'ব নোৱাৰিব। ইংৰাজী হ'লে কিন্তু ঘপ্ কৰি সকলোৱেই ক'ব আজি এপ্ৰিলৰ ছয় বুলি।

ধ্ৰুৱ তৰাৰ অৱস্থান বিচাৰি সপ্তৰ্ষি মণ্ডলৰ কাষ চাপিলোঁ। কোনটো বাৰু ধ্ৰুৱ তৰাটো?

বিড়লা প্লেনেটৰিয়ামত দেখাৰ দৰে আঁক এডাল দিব পৰা হ'লে! অৰুন্ধতী একা?

সপ্তৰ্ষি মণ্ডলে আগুৰি থোৱা সৌ ক্ষীণ পোহৰৰ নহয় জানো? বাঃ! ভাৰতীয় জ্যোতিৰ্বিদসকলৰ কি মধুৰ কল্পনা!

ভাৰতীয় ক্লাছিক্ চৰিত্ৰৰ নামেৰেই আকাশৰ তৰাবোৰৰ নাম ভৰাই পেলালে।

আৰু সৌ ৰঙচুৰা বৰ্ণৰ স্থিৰ তৰাটো?

মঙ্গল গ্ৰহ নহয় জানো?

মানুহৰ ভাগ্য-লিপিৰে পৃথিবীৰ কাষলৈকে চপাই আনিলে আকাশৰ গ্ৰহবোৰক। ভাৰতৰ জ্যোতিষীসকলৰ কি অব্জাৰ্ভেশ্যন্!

তাহানি ল'ৰালি কালৰে পৰা দেখি অহা এই হাতীপটি একেই আছে। বিজ্ঞানে বাৰু হাতীপটিৰ ৰহস্য মীমাংসা কৰিব পাৰিবনে? নে ষ্টাৰ্-বাৰ্ আৰম্ভ কৰি বিজ্ঞানক ধ্বংস কৰিব!

সৰু-ডাঙৰ, উজ্জ্বল-অনুজ্জ্বল অগণন তৰাবোৰলৈ চাই দেখোন আমনি লগা নাই। এইদৰে আকাশৰ তৰাবোৰলৈ চাই থকা দেখাহি হ'লে অধ্যাপক সৌৰভ শৰ্মাই নিশ্চয় ক'লেহেঁতেন ঃ কলেজ এখনৰ অধ্যাপক হৈ ল'ৰালিৰ স্বভাৱ নগ'ল। জোন-তৰাৰ সাধু শুনাৰ বয়স নেকি? নে কাৰোবাৰ প্ৰেমত পৰিছে?

এৰা, ধনেশ্বৰে দেখা হ'লেও কিজানি ভাবিলেহেঁতেন, ছাৰৰ কিবা হ'ল বুলি। কপাল ভাল। সি সোনকালে শোৱে।

কিয় নাজনোঁ, এই বিচিত্ৰ তৰাবোৰলৈ চাই চাই হেঁপাহ নপলায়। দিনত মেঘৰ বিচিত্ৰ বৰ্ণালী চাই আনন্দ পোৱাৰ দৰেই, নিশাৰ আকাশখন চায়ো সমানেই আনন্দ পাওঁ। অন্ততঃ এখন্তেক নিজকে পাহৰি থাকিব পাৰি। কি বিচিত্ৰ এই আকাশ!

নৈৰ্ঋত কোণৰ পৰা ঈশান কোণলৈ পথালি দিয়া হাতীপটিলৈকে দৃষ্টি নিক্ষেপ কৰিলোঁ। এই ছায়াপথ সঁচাকৈয়ে কিমান ৰহস্যময়! এনেতে দেখিলোঁ, কৃত্ৰিম উপগ্ৰহ এটা হাতীপটি অতিক্ৰমি অগ্নিকোণৰ ফালে গতি কৰি আছে। ইটো তৰাৰ পৰা সিটো তৰাক অতিক্ৰম কৰি গৈ থকা সেয়া এক উৰন্ত চাকি। মানৱ মস্তিষ্কৰ সেয়া এক সুন্দৰ সৃষ্টি। চাওঁতে চাওঁতে উপগ্ৰহটো আকাশত পাৰি দি অন্তৰ্ধান হৈ গ'ল। পশ্চিম দিশলৈ চালোঁ— জানোচা অন্য এটা উপগ্ৰহ ওলায়েই!

আকাশৰ বুকুত কিমান উপগ্ৰহ এতিয়ালৈকে নিক্ষেপ কৰিলে, তাৰ হিচাপে নাজানোঁ।

সময়ত এইবোৰ খহি পৰিব নেকি?

স্কাইলেব্ দেখোন খহি পৰিল।

এৰা। পৃথিবীৰ মানুহৰ বাবে সেয়া কম বিপদ যোৱা নাছিল! দিনে দিনে স্কাইলেব খহি আহিছে বুলি শুনি কিমানৰ যে টোপনি নোহোৱা হৈছিল! সেই কেইদিন বাহিৰলৈ ওলালেই হাতখন মূৰৰ ওপৰলৈ যায়, জানোচা মূৰৰ ওপৰতেই পৰে! যন্ত্ৰটো আমাৰ লঙ্কাতে পৰিব নেকি বুলি কহতৰে সন্দেহ হৈছিল। ভাগ্য ভাল, আমাৰ লঙ্কাততো নপৰিলেই, পৰিলগৈ প্ৰশান্ত মহাসাগৰতহে।

মহাশূণ্যত বিচৰণ কৰা নভোচাৰীয়ে বাৰু তেজ-মঙহৰ মনৰ পৰা মুকলি হ'ব পাৰিবনে? মাটিৰ স্পৰ্শ পাবলৈ চাগৈ নভোচাৰীসকলৰ মনবোৰে কেতিয়াবা হাহাকাৰ লগায়! মনৰ কথা গম পোৱা হ'লে পৃথিৱীখন সহজ হ'লহেঁতেন কিজানি!

কোনোবা ভাৰতীয়ই মহাশূন্যত বিচৰণ কৰিবগৈ পাৰিবনে? আমাৰ পুৰাণ-পুৰুষ নাৰদে দেখোন ঢেঁকীত উঠিয়েই বিশ্বব্ৰহ্মাণ্ডত বিচৰণ কৰিছিল। ভাৰতেও বহি থকা নাই। আৰ্যভট্ট, ৰোহিণী, ভাস্কৰ .....

হঠাতে তীব্ৰ গতিত উল্কা এটা খহি আকাশৰ বুকুত বিলীন হৈ যোৱা দেখিলোঁ।

কি আচৰিত গতি! এদিন হয়তো মানুহে এই গতিকো অতিক্ৰম কৰিব পাৰিব!

এখন্তেক জুৰ লৈ ভিতৰ সোমালোহি। দুৱাৰ বন্ধ কৰি বিছনাখন ঠিক কৰিলোঁ। টেবুলত থকা ঘড়িটোলৈ চালোঁ। চাৰে এঘাৰ বাজি গৈছে। লেমটো নুমুৱাই শুই পৰিলোঁ।

এন্ধাৰতে মনটোৱে ঘূৰি ফুৰিব ধৰিলে। মনৰ চকুত উজলি উঠিলহি উল্কাৰ দৃশ্যটো।

এই উল্কাবোৰ যায় ক'লৈ?

কি যে আশ্চৰ্য এই অৱক্ষয়, এই ধ্বংস!

এই অৱক্ষয় অকল বিশ্বব্ৰহ্মাণ্ডতেই ঘটিছে জানো?

আমাৰ এই সৰু চহৰখনতো ঘটি আছে অৱক্ষয়ৰ নেদেখা ৰূপ।

সমন্বয়-দিৱস উপলক্ষে নক্সাৰ বিমান ভিতৰলৈ সোমাইছোঁ, সিমানেই মোৰ চকুৱে অৱক্ষয়ৰ ছবিবোৰ দেখিবলৈ পাইছোঁ। মানুহৰ কাষ সিমানেই চাপিছোঁ, সিমানেই মানুহৰ সমৃদ্ধি আৰু কৰিঙৰ ৰূপ উপলব্ধি কৰিছোঁ। মানুহৰ স্বপ্ন আৰু স্বপ্ন-ভঙ্গৰ এই ছবিবোৰ অধিক বাস্তৱ ৰূপত দিনক দিনে দেখিবলৈ পাইছোঁ।

কি বিচিত্ৰ এই নক্সা!

বৰুৱাৰ জীৱন অনুভূতিৰে এই অৱক্ষয়ৰ বেদনাক যদি উপন্যাসৰ শেষ অধ্যায়ত লিপিবদ্ধ নকৰোঁ; তেনেহ'লে মোৰ দৃষ্টিৰ অৱক্ষয়ৰ ৰূপটোকহে প্ৰত্যক্ষভাৱে উদঙাই ধৰা হ'ব।

সোমনাথ দত্তৰ ঘৰলৈ যাওঁতে প্ৰায়ে চাই যাওঁ-- বিজয় পালৰ দোকানৰ সন্মুখৰ সেই বিশাল আঁহত জোপালৈ। সেই আহঁত জোপাৰ কাষতেই এসময়ত লঙ্কা মৌজাৰ মৌজাদাৰ মনেশ্বৰ বৰাৰ ঘৰ আছিল। এতিয়া কোনোবাই বিশ্বাস কৰিবনে? ক'লৈ গ'ল বাৰু মনেশ্বৰ মৌজাদাৰৰ উত্তৰ পুৰুষসকল? দ'-গাঁৱৰ ভাগ্য বৰ্মনে মোক নোকোৱা হ'লে, ময়ো ক'বকে নোৱাৰিলোঁহেতেন। আহঁত জোপা কিয় কাটি পেলালে বাৰু?

সৎমল বৰুৱাই কৈছিল সুখলাল মহাজনৰ কথা। লঙ্কাৰ আটাইতকৈ পুৰণি বিহাৰী ব্যৱসায়ী আছিল তেওঁ। সুদূৰ কাঁকী, বকলীয়াঘাটলৈকে বেহা-বেপাৰ কৰি এসময়ত লঙ্কাৰ মালিক হৈছিল হেনো।

কলেজলৈ অহা-যোৱা কৰোঁতে প্ৰায়ে চাই যাওঁ নিম জোপাৰ তলত উৰঁলি যোৱা সুখলাল মহাজনৰ টিনৰ সেই ঘৰটো। ঘৰটো দেখিলেই ৰেল-পথৰ কাষৰ পৰিত্যক্ত গেং-মেন্ কোৱাৰ্টাৰৰ দৰে লাগে।

কি যে ভয়ঙ্কৰ এই অৱক্ষয়ৰ ৰূপ!

বঁটা-বিতৰণী অনুষ্ঠানত পৌৰোহিত্য কৰিবলৈ মৌজাদাৰ চন্দ্ৰ বৰ্মনক আমন্ত্ৰণ জনাই উভতি আহোঁতে, জয় গোবিন্দ শইকীয়াই গেটৰ মুখৰপৰাই দেখুৱাইছিল ৰাজেন্দ্ৰ বৰ্মনৰ ঘৰ আৰু পুখুৰীটো। সিপাৰৰপৰাই নিৰীক্ষণ কৰি আহিছিলোঁ, শুকাই যোৱা পুখুৰী আৰু লগতে উৰঁলিব ধৰা চিণ্ডিকেটৰ কাষৰ দোকান-ঘৰবোৰ।

বাটৰ কাষৰ শাৰী পাতি থকা কৰবী গছবোৰেই হেনো ৰাজেন্দ্ৰ বৰ্মনৰ মাটিৰ সীমা। শইকীয়াই আক্ষেপ কৰি কৈছিল, "চলিহা, আমাৰ পুৰণি মানুহখিনিৰ অৱস্থা দেখিলে? তেওঁলোকৰ বিকাশ স্থবিৰ হ'ল কিয় জানেনে?

শইকীয়াৰ প্ৰশ্নত ময়ো উত্তৰ বিচাৰি নাপাই দণ্ডী খাউণ্ডৰ দীঘলীয়া ঘৰটোলৈকে নিৰীক্ষণ কৰিছিলোঁ। ভাগ্যবান আৰু নিৰ্মালি নামৰ বাছ দুখন চলাৰ সময়ৰ পৰাই দণ্ডী-খাউণ্ড লঙ্কালৈ আহিছিল বুলি বৰুৱাই কৈছিল। অত বছৰে খাউণ্ডেও মাৰোৱাৰীৰ দৰে অট্টালিকা সজাৰ পৰা নাই কিয়?

লঙ্কাৰ পুৰণি বাসিন্দা চিটি মহাজন বুলি বিখ্যাত হোৱা নাৰায়ণ গোৱালাৰ ঘৰখনৰো একো পৰিবৰ্তনকে দেখা নাই। এসময়ত সাংস্কৃতিক কেন্দ্ৰৰূপে গঢ়ি

উঠা দিনেশ দেৰ ঘৰখনো জৰাজীৰ্ণ দেখোন। আৰু লঙ্কা বাইছ্ মিল্! সেই একেই অৱস্থা। সোণালী ধানৰ ঠাইত মিল্‌ঘৰৰ চৌতালত এতিয়া দুবৰী বন। ছিমনীৰ ধোঁৱা কেতিয়াবাই মাৰ গ'ল। এইবোৰ অবক্ষয়ৰ নে স্থবিৰতাৰ ৰূপ!

এৰা, ৰাজেন্দ্ৰ বৰ্মন আৰু পুখুৰীটোৰ সিটো পাৰত জীৱন বৰ্মন মৌজাদাৰৰ ঘৰ। এজন লঙ্কালৈ আহিছিল ঊনৈশ শ চৌত্ৰিশ চনৰ প্ৰলয়ঙ্কৰী কপিলী বানপানীৰ সময়ত আৰু আনজন আহিছিল মৌজাৰ দায়িত্ব লৈ স্বাধীনতাৰ পিছত। এজন আহিছিল, বকলীয়া ঘাটৰ যমুনা নৈৰ স্মৃতিক বুকুত বান্ধি আৰু আনজন কপিলীৰ স্পৰ্শৰে বিকশাই তোলা কোমোৰা কটা গাঁৱৰ পৰা আহি মৌজাৰ উত্তৰণ ঘটাইছিলহি। ৰাজেন্দ্ৰ বৰ্মনৰ ঘৰখন এসময়ত হৈ পৰিছিল-- জনজাতিসকলৰ মুছাফিৰ খানা, এক পৰিচিত পান্থশালা।

কিন্তু কি আচৰিত! জীৱন বৰ্মনতকৈ বহু আগতে অহা ৰাজেন্দ্ৰ বৰ্মন আৰ্থিক দিশত বহুতো পিছ পৰি ৰ'ল। দুয়োজনৰে জীৱন-বৃত্তিৰ পাৰ্থক্যৰ কাৰণেই নে অবক্ষয়ৰ আচোঁৰ হেতুকেই এই ব্যতিক্ৰম!

লঙ্কাৰ দক্ষিণে থকা বৰদলং ডিমাছা গাওঁখনতো সেই একে অবক্ষয়ৰ ৰূপ। পূব বঙ্গৰ পৰা ভাগি অহা ভগনীয়া হিন্দু আৰু মুছলমান বঙালীৰ ঘৰবোৰ দেখোন ইটা-চিমেণ্ট-বালিৰে গঢ়ি উঠিছে। কিন্তু পুৰণি ডিমাছাৰ ঘৰবোৰ বাঁহৰ আৱেষ্টনিৰ মাজত জকাইচুকীয়া হৈয়েই আছে. কাষৰ খাৰিখানাৰ খং খং বস্তিও এতিয়া পমুৱাৰ স্বৰ্গৰাজ্য। তাত থকা কাৰবি জনজাতি বাৰু গ'ল ক'লৈ?

সমন্বয়-দিৱসৰ দায়িত্ব লৈ ঘূৰি ফুৰোঁতে পুৰণি মানুহখিনিৰ এই ৰূপ দেখি স্তম্ভিত হৈ পৰিছিলোঁ। অজানিতে মোৰ মনলৈ অৱসাদৰ ভাব এটা আহি পৰিছিল। স্বাধীনতা পায়ো আমি আগুৱাব নোৱাৰিলোঁ কিয়? এই দোষ চৰকাৰৰ নে আমাৰ মনৰ ভিতৰতে গজি উঠা অবক্ষয়ৰ বিষ-বৃক্ষৰ নিষ্ঠুৰ শোষণ?

লঙ্কাৰ পুৰণি মানুহবোৰৰ দৰেই 'অসম' আৰু 'অসমীয়া' শব্দ দুটাও অবক্ষয়ৰ কবলত সোমাই পৰিছে নেকি? স্বৰ্গদেউ চুকাফা অহাৰ আগতে এই শব্দ দুটাই স্থিতি লাভ কৰা নাছিল নিশ্চয়। ভাষা-বিজ্ঞানৰ মতে শব্দবো অৰ্থ সংকোচন হয় হেনো। শব্দৰ জন্ম, বৃদ্ধি আৰু মৃত্যু তেনেহ'লে মানব-জীৱনৰ লগত একেই দেখোন।

এৰা, এই বিদেশী বহিষ্কাৰ আন্দোলনৰ অন্তঃস্ৰোত তেনেহ'লে নতুন আৰু পুৰণিৰ দ্বন্দ্ব নেকি? ক্ৰমান্বয়ে স্থবিৰ হ'বলৈ ধৰা অসমীয়া জীৱনত নতুনকৈ গজালি

মেলিব ধৰা অসমীয়াৰ মানসিক সংঘাত যেন পাইছোঁ। স্বাধীনোত্তৰ অসমৰ ইতিহাসত, এই আন্দোলনবোৰ দৰাচলতে পশ্চিমৰ পৰা অহা শিল্প-বিপ্লৱৰে ছাঁ যেন পাইছোঁ।

উস! কি যে বিড়ম্বনা।

সমন্বয়-দিৱসৰ দিন যিমানেই ওচৰ চাপি আহিছে, সিমানেই মানুহ খিনিৰ মাজত যেন সন্দেহৰ বীজ ঘনীভূত হ'বলৈ ধৰিছে। খেনোৱে এতিয়া কথা উলিয়াইছে— সমন্বয়-দিৱসৰ অন্তৰালত হেনো ষড়যন্ত্ৰ লুকাই আছে। কিহৰ ষড়যন্ত্ৰ, কথাটো হ'লে কোনেও মুখ খুলি নকয়।

বিশ্বাসত লম কাক?

আশ্ৰয়-শিবিৰৰ দায়িত্ব চৰকাৰে লৈছে। ভালেই হ'ল। ৰিলিফৰ টকা খোৱাৰ বদনামৰ পৰা অন্ততঃ মুক্ত হ'লোঁ।

মানুহৰ মনবোৰ ইমান জটিল হ'ল কিয়।

আমাৰ কাৰণে তেনেহ'লে এইয়া ক্ৰান্তিকাল নেকি?

ঊনৈশ অধ্যায়

নগলোঁ ভালেই হ'ল।

মনৰ কষ্ট এসোপা চপাই লোৱাৰ প্ৰয়োজন কি?

বিদ্যা-বুদ্ধি থকা আমাৰ মাজৰে নাগৰিক সকলক বুজাই-মেলিও এম, এল, এ, এম, পিৰ আসনৰ কাৰণে প্ৰতিদ্বন্দ্বিতা কৰা সকলক নিৰ্বাচন বৰ্জন কৰাৰ নোৱাৰিলোঁ, এতিয়া কেইজনমানক সামাজিক-বৰ্জন কৰিলেই সমস্যা সমাধান হ'বনে? আমাৰ মাজত সম্প্ৰীতিৰ বান্ধোন হওক ছাৰি এতিয়া গৰা-খহনীয়াহে আৰম্ভ হ'ব।

সামাজিক বৰ্জন কৰিবলৈ পালে তাকো স্কুলৰ শিক্ষকসকলকহে। এই শিক্ষকসকলক সমাজৰ আগত হেয় প্ৰতিপন্ন কৰা জানো সুস্থ চিন্তাৰ পৰিচায়ক হৈছে? এই সিদ্ধান্তই সমাজ-শৃংখলাত হেঙাৰ স্বৰূপে কোনোবা এদিন গা-কৰি নুঠিবনে বাৰু? ছাত্ৰসকলে এতিয়া নিজৰ শিক্ষকজনৰ প্ৰতি শ্ৰেণীত কেনে আচৰণ প্ৰদৰ্শন কৰিব? শিক্ষক কেইজনেও প্ৰাণৰ কি শক্তিৰে ছাত্ৰসকলক পাঠ দান কৰিব?

ছাত্ৰসমাজে আন্দোলন গঢ়ি তুলিলে -- দেশৰ মঙ্গলৰ কাৰণে। আৰু এতিয়া সামাজিক-বৰ্জনেৰে দেশখনৰ অমঙ্গল মাতি আনিবগৈ। স্নেহ আৰু ভক্তিৰ পৰিবৰ্তে ছাত্ৰ আৰু শিক্ষকৰ মাজত বিদ্বেষ, ঘৃণা, অশ্ৰদ্ধাৰ বীজহে ৰোপণ কৰা হ'ল। এই সিদ্ধান্ত দেশৰ কাৰণে, ঠাইখনৰ কাৰণে কিমান দুৰ্ভাগ্যজনক হ'ব পাৰে, এবাৰমান ভাবি চাইছিলনে?

লক্ষাৰ নাগৰিকসকলে কিয় এনে সিদ্ধান্তলৈ আগবাঢ়িল?

অসমৰ অন্যান্য ঠাইবোৰতো সামাজিক বৰ্জনৰ আন্দোলন আৰম্ভ হৈছে যেতিয়া আমাৰ ঠাইখনতো এনে সিদ্ধান্তৰে আন্দোলনৰ ঐক্যসূত্ৰক স্বীকৃতি দিবলৈ বিচৰা হৈছে নেকি? লক্ষাৰ জন-সাধাৰণৰ প্ৰতি দৃষ্টি ৰাখি কিছু বাস্তৱ চিন্তা কৰা হ'লে ভাল আছিল।

কিমান আশাৰে সমন্বয়-দিৱসৰ প্ৰস্তুতি কৰিছিলোঁ, এতিয়া গৈ থৈ সামাজিক বৰ্জনৰ সিদ্ধান্তই সকলোবোৰ মাটি কৰি পেলাব যেন পাইছোঁ। অবিশ্বাস, ঘৃণা আৰু প্ৰতিশোধৰ নিচাৰে মানুহৰ মনবোৰ আজি বিষাক্ত। সাংস্কৃতিক মহা-মিলনেৰে লক্ষাৰ

মাটি উজ্জ্বল কৰাৰ কথা ভাবিছিলোঁ, কিন্তু মূৰকত হ'লগৈ এইয়া। যি সকলে সমন্বয় আৰু সংহতিৰ শ্লোগান বেছিকৈ চিঞৰে, সেই সকলেই এতিয়া সমাজত বিহ-মেটেকাৰ বীজ সিঁচিছে। দুৰ্ভাগ্য! মোৰেই দুৰ্ভাগ্য!

উস্, ইমান টান ইয়াৰ মাটি!

খোঁচ মাৰিবই নোৱাৰি দেখোন।

ধনেশ্বৰটোও এটা ল'ৰা আৰু। একো কামৰ নহয়। ৰাতিপুৱাই ক'লোঁ, গোলাপ জোপাৰ গুৰিত মাটি অলপ খুচঁৰি দিবলৈ। 'অঁ' বুলি মুখেৰে শলাগিলেহে। ক'তা?

লগত নাথাকিলে একোকে কৰিব নোখোজে। বাটৰ কাষৰ বেৰখন বাতিবলৈ ক'লোঁহে। ভগা বেৰ সেই ভাবেই থাকিল। গৰু-ছাগলি সোমাব লাগিলে এই ফুলবোৰ থাকিব নে? ইমান ধুনীয়া গোলাপৰ কলিবোৰ কেনেবাকৈ খাব লাগিলে!

ঘৰৰ মালিকজনো সেই। কিমান দিন ক'লোঁ, বেৰখনৰ কথা। আজি কৰিম, কালি কৰিম বুলি কওঁতেই বছৰ শেষ হ'লেই। ভাড়া ঘৰত আছোঁ বুলিনো ঘৰখনৰ পৰিবেশ এটা নালাগে জানো? এই গোলাপ জোপা ফুলিলে কিমান ধুনীয়া লাগিব!

"ধনেশ্বৰ!"

"ছাৰ।"

"হেৰৌ ভিতৰত কি কৰিছ? এইফালে আহ।"

কামটোনো তাৰ কি আছে?

ফুলজোপাৰ গুৰিৰ ঘাঁহ-বনবোৰ চিকুনাই দিব পাৰে। বন চিকুণোৱা বাদেই, হাতী বৰুৱাৰ পৰা অনা অৰ্কিডটোও শুকাই লেৰেলিলেই। আমৃৰেওৰ পৰা অনাইছিল হেনো অৰ্কিডটো।

ফুলৰ প্ৰতি অদ্ভুত চখ মানুহজনৰ। গোটেই বাৰাণ্ডাখনত কেৱল ফুলৰ টাব। কিমান ৰকমৰ যে কেক্‌টাছ! ভৰি দিবলৈ ঠাই নোহোৱা কৰিনো ......

উস্!

যা, হাতৰ আঙুলিয়েই গ'ল যেন পাইছোঁ।

খন্তিখন আঙুলিতহে লাগিব পায়নে?

কটা ডোখৰত বুঢ়া আঙুলিৰে টিপি ধনেশ্বৰলৈ চালোঁ।

"ধনেশ্বৰ!"

"ছাৰ।"

"সেই মোৰ চেল্‌ফৰ ওপৰতে ডেটলৰ বটলটো আছে, আনচোন।"

"কি ক'লে ছাৰ?"

"হেৰৌ গৰু, ভিতৰৰ পৰা 'কি ছাৰ, কি ছাৰ' বুলি মাতি আছ যে, বাহিৰলৈ ওলাই আহিব নোৱাৰি হ'বলা।"

কি যে অদ্ভুত এই ল'ৰাটো!

নিজে কিবা এটা চিন্তা কৰোঁ, নাই। ইয়াক নোৱাৰিছোঁ আৰু।

"কি হ'ল ছাৰ, কাটিলে নেকি?" আঙুলিত টিপা দি ধৰি থকা দেখি সি সুধিলে।

"অঁ। যাচোন, চেল্‌ফৰ ওপৰতে ডেটলৰ বটলটো আছে, লৈ আন। ফটা-কানি এডোখৰো আনিবি, বুজিছ।"

খৰ খোজেৰে সি ভিতৰ সোমালগৈ।

বেচেৰা ধনেশ্বৰটো!

খঙত কেতিয়াবা টান কথা কওঁ, কিবা এটা শিকক বুলি পিছে বেয়াও লাগে, তাৰ মুখখন দেখি। সি আছে বুলিহে! যি কি নহওক, সি অন্ততঃ গাঁৱৰেই ল'ৰা। ঘাট-মাউৰা হ'ল বুলিনো তাৰোতো মন এটা আছে, দৰদ এটা আছে। মোৰ ওপৰত ভৰসা কৰিয়েইটো বনগাওঁ এৰি লঙ্কালৈকে আহিছে। নিজৰ বুলিয়েই কেঁচাই-পকাই ভাত মুঠি অন্ততঃ ৰান্ধি খুৱাইছে।

"পালি?"

"অঁ।"

"দে, দুটোপালমান ঢালি দে।"

বুঢ়া আঙুলিৰ টিপা এৰি দিয়াত, তেজ ওলাবলৈ ধৰিলে। ধনেশ্বৰে মুখখন বিকটাই দিলে। ডেটল্ দিবলৈ ধৰোঁতে তাৰ মুখখন এনেহে কৰিলে, যেন তাৰহে আঙুলি কাটিলে।

"পাণৰ ৰস দিলেহে ভাল নেকি ছাৰ?"

"হেৰৌ গাধা, কোনে ক'লে পাণৰ ৰস ভাল বুলি?"

"মোৰ এবাৰ ভৰি কাটোতে দেখোন বৌটিয়ে পাণৰ ৰস চেপি দিছিল।"

"এইখন আমাৰ বনগাওঁ পাইছে হ'বলা। লঙ্কাৰ কাৰ বাৰীত পাণ-তামোলৰ গছ দেখিছ? ডেটলেই ভাল দে।.... অঁ, হ'ব দে। ফটা-কানিৰে বান্ধচোন।"

ফটা-কানি এডোখৰেৰে কটা আঙুলিত মেৰিয়াই সি বান্ধিবলৈ ধৰিলে। আঙুলিটোলৈ চাই চায়েই তাক সুধিলোঁ, "ধনেশ্বৰ! শুভেন্দুৱে আনি দিয়া দৃশ্য-পটখন ভালদৰে বান্ধি থৈছ নে?"

"থৈছোঁ ছাৰ। আলমাৰীৰ ওপৰত ভালকৈ থৈছোঁ।"

"এহ্, তাত নথ'বি। নিগনিয়ে কুটিব। আলমাৰীৰ ভিতৰত থ'ব লাগিব, বুজিছ।"

"হ'ব ছাৰ।"

"ডেটল্‌টো আগৰ ঠাইত থৈ দেগৈ। আৰু শুন, পানী এবাল্টি লৈ আহিবি, বুজিছ।"

"অঁ।" — ডেটলৰ বটলে ফটা-কানিয়ে লৈ সি ভিতৰ সোমালগৈ। খন্তিখন বুটলি গোলাপৰ গুৰিত মাটি অলপ চপাবলৈ ঠিক কৰিলোঁ।

বিহুলৈ দিন নায়েই।

ঘৰলৈ এপাক নগ'লেও নহ'ব। অন্য নহ'লেও মাৰ অসুখৰ খবৰ এটা কৰি আহিবই লাগিব। সমন্বয়-দিবস হ'ব বুলি আশা কৰি বৈ থাকিলে জানো হ'ব? হোৱাৰ আশা মুঠেই দেখা নাই। লঙ্কাৰ ভূমি-পুত্ৰকেই সামাজিক বৰ্জন কৰিলে যেতিয়া ....

"হেৰি চলিহা, এই গধূলি পৰত কিখন কৰিছে?"

হঠাতে মাত শুনি বাটৰ ফালে ঘূৰি চালোঁ। অধ্যাপক শৰ্মা আৰু বৰুৱা দুয়ো গেটৰ মুখত বৈ মোলৈকে চাই আছে।

"অঁ, শৰ্মা আৰু বৰুৱা দেখোন। আহক, আহক।"

"খন্তিখন লৈ কি কৰিছে?" অধ্যাপক অপূৰ্ব বৰুৱাই সুধিলে।

"এই গোলাপ জোপাত মাটি অকণমান দিছোঁ।" খন্তিখন মাটিত থৈ বহাৰ পৰা উঠি অধ্যাপক বৰুৱালৈ চাই ক'লোঁ।

"আপুনিও মানুহ দেই।"

"কিয়?" শৰ্মালৈ চাই সুধিলোঁ।

"দেশৰ চাৰিওফালে বে'মাৰ বিস্ফোৰণ, আপুনি আকৌ দৰদী হ'বলৈ গোলাপৰ খেতিত ধৰিছে। গোলাপ কিয় লগায়?" অধ্যাপক সৌৰভ কুমাৰ শৰ্মাই মোক প্ৰশ্ন কৰিলে।

"কিয়, বেয়া নেকি?"

"বেয়া কিয় হ'ব পিছে গোলাপৰ পৰিবৰ্তে অশোক-বন লগাওক। তেহে সীতাই অশ্রু টুকিব পাৰিব।"

কথাখিনি কৈ অধ্যাপক শৰ্মাই হো-হোৱাই হাঁহি দিলে। শৰ্মাৰ লগত বৰুৱাও। অধ্যাপকদ্বয়ৰ লগত ময়ো হাঁহিত যোগ দিলোঁ। খন্তেকৰ কাৰণে হ'লেও মই থকা ঘৰটোৰ পৰিবেশ বেছ প্ৰাণৱন্ত হৈ পৰিল। কিন্তু কিয় জানো, এই হাঁহিৰ ভিতৰত এক গভীৰ বেদনাৰ প্ৰতিধ্বনিহে মই যেন শুনিবলৈ পালোঁ।

ধনেশ্বৰে অনা পানী বাল্টিৰে ফুলজোপাৰ গুৰিত হাতখন ধুই ললোঁ। হাত ধুই থাকোঁতে আঙুলিত বেগেঞ্জ দেখা পাই বৰুৱাই সুধিলে, "হাবে, আঙুলিত কি হ'ল?"

"বন চিকুণাওঁতে অকণমান কাটিলে। আহক, ভিতৰলৈ বহোঁগে।"

"আজিকালি কলমতকৈ অস্ত্ৰহে বেছি চোকা বুলি আপুনি নাজানে নেকি?" অধ্যাপক শৰ্মাই মন্তব্য দিলে।

মোৰ কোঠালৈকে তিনিও সোমাই গ'লোঁ। ফুলত পানী দি থকা ধনেশ্বৰক চাহ বহাবলৈ পৰামৰ্শ দিলোঁ। চাহৰ কথা শুনি শৰ্মাই উভতি ধনেশ্বৰক শুনাই ক'বলৈ ধৰিলে, "ধনেশ্বৰ, চাহেই নহ'ব। চাহৰ লগত অম্‌লেট। বুজিছ। আৰু শুন, তোৰ ছাৰক কবি, বাইদেউ অহাৰ পিছতহে ফুল, তাৰ আগত নহয়। বুজিছনে?"

অধ্যাপক বৰুৱাক বহিবলৈ কৈ দুৱাৰখনেৰে মন কৰিলোঁ, শৰ্মাৰ কথাত ধনেশ্বৰে লাজকুৰীয়া হাঁহিৰে গোলাপজোপাত পানী দিব ধৰিছে। আচৰিত এই শৰ্মাটো! ইমান দিনে ধনেশ্বৰক হাঁহিবাৰ পৰা নাই, এবাৰ কথাৰে শৰ্মাই তাৰ মুখত হাঁহি তুলিলে। জেওৰা খৰি চেপি বস উলিয়াব পৰা মানুহ, এই শৰ্মা।

"আহক শৰ্মা, বহকহি।" বৰুৱাৰ আগত চিগাৰেট পেকেট আৰু জুইবাহ দি ক'লোঁ।

কোঠালৈ সোমায়েই চকু দুটা ডাঙৰ কৰি শৰ্মাই মোলৈ বিস্ময়ভৰা দৃষ্টিৰে চাই ৰ'ল। বেঁতৰ চকীবোৰলৈ চাই শৰ্মাই সুধিলে, "ই কি? বেঁতৰ এই চকীবোৰ! বিয়াৰ প্ৰস্তুতি নেকি?"

"এহ! নহয় হেৰি। মানুহ-দুনুহ আহিলে বহিবলৈ চকী নাই। দাস ফাৰ্ণিছাৰৰ মালিকজনে আনি দিলেহি। ইন্‌ষ্টলমেণ্টত দিলেও হ'ব বুলি কোৱাত লৈ থলোঁ।

"দাস ফাৰ্ণিছাৰ মানে কানাইৰ পৰা?" বৰুৱাৰ কাষৰ চকীখনত বহি শৰ্মাই সুধিলে।

"নামটো নাজানোঁ। খাউণ্ডৰ ঘৰৰ সেই ফাৰ্ণিছাৰ দোকানখন।"

"অঁ, সেইটোৰেই কাণাইলাল। কিমান পৰিব টোটেল?"

"চাৰে তিনিশ বুলি ক'লে। বেছি হ'ল নেকি?"

"নাই, ঠিকেই আছে। বস্তুৰ যিহে দাম! তাতে বেঁত আছে জানো?"

"এৰা, বেতৰ সঁচ অসমত নোহোৱাই হ'ল। কেইডালে এক কাপ হয়, এতিয়া আৰ্থাটো মনত ৰখাৰ প্ৰয়োজন কমিল।"

চিগাৰেট জ্বলাই এসোপা ধোঁৱা এৰি অধ্যাপক বৰুৱাই মাজতে মাত লগালে, "কিটোনো বেয়া হ'ল? ফৰেষ্ট ডিপাৰ্টমেণ্টত বেত শব্দটো বিদায় দিলে আৰু আপোনালোকৰো মূৰৰ বিষ কিছু কমিল, নহয় জানো চলিহা?"

"ক'ত কমিব। বাঢ়িবহে। পিছে কওকচোন, কি মন কৰিনো দুয়ো আহিল?"

"আহিলোঁ মানে! আপোনাৰ ওচৰলৈ নাহি যাম ক'লৈ? তাতে ইমান মিঠা খবৰ এটা পাই!"

"মিঠা খবৰ!" জ্বলাব ধৰা চিগাৰেটটো নজ্বলাই বিস্মিত দৃষ্টিৰে শৰ্মালৈ চাই ৰ'লোঁ।

"দেখিলে বৰুৱা। চলিহাই নিজকে কেনেকৈ লুকুৱাইছে।"

"লুকুৱাইছোঁ। কি? কওকচোন।" চিগাৰেটত টান এটা দি সুধিলোঁ।

"গল্প। মৃগতৃষ্ণা। গল্পটো লৈ লঙ্কাত হুলস্থূল। অথচ লেখকজন নিৰ্বিকাৰ।

"ক'ত ওলাইছে?"

"সেতু-বন্ধনত। আপুনি আম্‌ৰেঙলৈ কেতিয়া গৈছিল? বৰ্ণনা ইমান সজীৱ! আৰু সেই কাৰ্বি গাভৰু কাৰেংজনীক ক'ত পালে? আৰু সেই ইংহি চাহাব? কি নাম আছিল চলিহা?"

"ডিলং ইংহি।" ধোঁৱা এসোপা এৰি কাৰ্বি চাহাবজনৰ নামটো ক'লোঁ।

"এক্‌জেক্টলি। ভঙা-চিঙা অসমীয়া আৰু ইংৰাজীৰে তেওঁৰ সংলাপখিনি ভাল লাগিল। কিয় আপোনালৈ কপি অহা নাই?" শৰ্মাই সুধিলে।

"নাইচোন। বৰঠাকুৰ বুকষ্টলত আহিলনেকি?"

"আহিল মানে? কপি শেষেই হ'ল।" এক উশাহতে শৰ্মাই ক'লে। অলপ পৰ ভাবি শৰ্মাই আকৌ ক'বলৈ ধৰিলে, "লঙ্কাৰ পৰা ঘূৰি যোৱা কাৰেংজনীৰ মনোবিশ্লেষণ ডোখৰ সঁচাকৈয়ে ক্লাচিক। আৰু সেই ঢেঁকীয়া বন-শাক! আস্ হাউ বিউটিফুলি ডেপিক্টেড্। গল্পটো পঢ়ি যাওঁতে, কেঁচা ঢেঁকীয়াৰ গোন্ধ আহি নাকতেই লাগেহি।"

"লেখিছিলোঁ কেতিয়াবাই। নেপ্‌কোৰ ইলেক্ট্ৰিছিটি বোৰ্ডৰ ইঞ্জিনীয়াৰ মৃণাল ফুকনৰ লগত আম্‌ৰেঙলৈ এবাৰ গৈছিলোঁ। ঠাইখনে মোক টানি ধৰিছিল। ঘৰলৈ আহি লেখি পেলাইছিলোঁ। ভাগি ভাগি শেষ নোহোৱা কপিলীৰ পানীখিনিয়ে সঁচাকৈয়ে সেইদিনাখন মোক অভিভূত কৰি তুলিছিল। সংগ্ৰামৰ এক গভীৰ ৰহস্যৰ সন্ধান সেই নৈখনে মোক দিছিল। আৰু কাৰেংজনী, মোৰ মানস-কন্যা। প্ৰেমত পৰিলনেকি?"

"ধেৎ। লেখকৰ মানস-কন্যাৰ লগত প্ৰেমত পৰিব পৰা হ'লে, ইমান দিনে মেঘ-দূতকেই সৃষ্টি কৰিব পাৰিলোঁহেঁতেন।"

কথাখিনি কৈ শৰ্মাই হাঁহি দিলে। অধ্যাপক বৰুৱাকো লক্ষ্য কৰিছোঁ, গহীন ভাব এটিৰে চিগাৰেট হুপি ঘৰৰ চালখনৰ ওপৰলৈ চাই আমাৰ কথাবোৰ শুনি যাবলৈ ধৰিলে।

"কেনে হ'ল গল্পটো?"

"কেনে হ'ল মানে? পাঠকৰ মনত দোলা দিব পৰা সাহিত্য কেইজনে লেখে কওকচোন। আজিকালি আমাৰ সাহিত্যত মাটিৰ লগত সম্পৰ্ক হেৰাই গ'ল, বুজিছে। আপোনাৰ গল্পটো পঢ়ি ভাল পালোঁ। অন্ততঃ আমি লক্ষাই আপোনাক লৈ গৰ্ব কৰিব পাৰোঁ। দিয়ক এতিয়া চাহ-তাহ। লেট্ আছ্ চেলেব্ৰেট্ দ্য হেপী অ'কেজন্। ..... হাৰে বৰুৱা! মাৰলি লেখি লেখি কি মনে মনে বহি আছে? 'ঘৰতো নবহে মন মোৰ লাহৰি, পথাৰতো নবহে মন' জাতৰ চিন্তা নেকি?"

"ধেৎ অধ্যাপকৰ লগত প্ৰেমৰ আকৌ কি সম্বন্ধ? মই সকলো শুনি আছোঁ। লেখক আৰু পাঠকৰ মনৰ সংযোগৰ সৌন্দৰ্যক উপলব্ধি কৰিছোঁ, নিলগৰ পৰা। মই নিজে লেখকতো হ'ব নোৱাৰিলোৱেই, আনকি পাঠকো নহ'লো। কিন্তু আপোনালোক দুয়োবো কথা শুনি মই নিজেই আম্‌বেঙৰ পাৰত হেৰাই আছিলোঁ। এছ্থেটিক্ প্লীজাৰ্ সম্ভৱ এইটোৱেই। নহয়নে চলিহা?"

"ছাৰ, চাহ দিওঁনে?" ধনেশ্বৰে মাত লগালেহি।

চাহৰ খবৰ পাই আমাৰ মনবোৰো যেন সাহিত্য-ৰসৰ পৰা চাহ-কাপলৈকে আমাক আঁজুৰি লৈ গ'ল।

"আন বোপাই, চাহকে খাওঁ।" অধ্যাপক শৰ্মাই ক'লে।

"আপোনাৰ ধনেশ্বৰ কিছু স্মাৰ্ট হৈছেদেই।"

"তাৰ কথা নক'ব বৰুৱা। নোৱৰাতহে লগত ৰাখিছোঁ।"

ধনেশ্বৰে চাহ তিনিকাপ, লগতে প্লেটত অম্‌লেট আৰু বিস্কুট আনি দিলেহি। পানী তিনি গিলাছ দি সি শৰ্মাৰ মুখলৈ চাই মিচিককৈ হাঁহি মাৰিলে। তাকে দেখি শৰ্মাই মাত লগালে, "হাঁহিছ্ গাধা! অম্‌লেট সঁচাকৈয়ে খুৱাইহে এৰিলি। চলিহা ছাৰৰ নাম তই ৰাখিলি। বেছ্। প্ৰফেছাৰৰ ঘৰত আছ্ যেতিয়া স্মাৰ্ট হবি বুজিছ্।"

"খাওক ছাৰ।" ধনেশ্বৰে ক'লে।

"অঁ, এইয়াহে ল'ৰা। গুড্ বয়।" ধনেশ্বৰক বৰুৱাই শলাগিলে।

ধনেশ্বৰ আঁতৰি গ'ল। তিনিও চাহ খোৱাত মনোযোগ দিলোঁ। দক্ষিণকালৰ খিৰিকিৰে বতাহ্ এজাক সোমাই আহিল। বেছ্ ভাল লাগিবলৈ ধৰিলে। চাহত

এশোহা মাৰি অধ্যাপক শৰ্মাই লাহেকৈ মোক সুধিলে, "চলিহা, আপোনাৰ গল্প 'মৃগ-তৃষ্ণা'ই আমাৰ মন মিঠা কৰাৰ দৰে আমাৰ শিক্ষকসকলৰ মনো মিঠা কৰক না।"

"তাৰ মানে?" কামোৰ মাৰিব ধৰা বিস্কুটটো হাতত লৈ শৰ্মাক সুধিলো।"

"মানে এইটোৱেই, আপুনি আকৌ হৰি ভকত হ'ব লাগে।"

"হয় চলিহা, অধ্যক্ষ অমলাংশু ৰায়ে কথাটো শুনি বৰ দুখ কৰিছে। নতুন উঠা অনুষ্ঠান, শিক্ষকৰ মাজত এই বিৰোধ ভাব বৰ অনিষ্টকৰ বুলি তেওঁ অনুভৱ কৰিছে। সেইকাৰণে আমাৰ শিক্ষক সন্থাই পূৰ্ব-সিদ্ধান্ত এৰি দিছে। আচু, গণ-সংগ্ৰামৰ আহ্বান আমি পৰ্যালোচনা কৰিহে সিদ্ধান্ত লোৱাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছোঁ। সন্থাৰ মাজত আপোনাক আকৌ পালে আমি সকলোৱে সুখী হ'ম।" অধ্যাপক বৰুৱাই অতি গহীন ভাৱত কথাখিনি ক'লে।

"আপুনি আমাৰ কলেজখনলৈ চাই হ'লেও সন্থালৈ ঘূৰি আহক, চলিহা।" বৰুৱাৰ লগতে শৰ্মাই মোক জোৰকৈ ধৰিলে।

"মই জানো আঁতৰিছোঁ শৰ্মা। মই দেখোন কলেজতেই আছোঁ। সন্থাই যদি মই থকাটো বিচাৰিছে, মোৰ আপত্তি কৰিবলৈ কিটোনো আছে! আমি নিজকে যিমানেই বৰ্জন নকৰোঁ কিয়, আমি কলেজ আৰু ছাত্ৰৰ পৰা আঁতৰি থাকিব নোৱাৰোঁ।

"হাউ নাইছ্ মিষ্টাৰ চলিহা। আমি লক্ষ্যালৈ আহিছোঁ ল'ৰা-ছোৱালীক পঢ়াবলৈ। হোৱাই ছুড় প্লে পলিটিক্স্?" অধ্যাপক বৰুৱাই এক নতুন প্ৰেৰণাৰে কথাখিনি ক'লে।

"বিদেশী বহিষ্কাৰ আন্দোলন হ'ল আৰু এতিয়া ঘৰতে কটা-ছিঙা। আমাৰ মাজতেই অনৈক্যৰ বীজ। আন্দোলন কৰি লাভ কি?" কিছু ক্ষুন্ন ভাৱত শৰ্মাই ক'লে।

"নহয় শৰ্মা, আমাৰ ভুল বুজা-বুজিৰ কাৰণেই এইবোৰ হৈছে। আন্দোলনটোৰ প্ৰয়োজনীয় দিশ এটা নথকাও নহয়। বহিৰাগত মানুহৰ হেঁচাই অসমখনক অস্থিৰ কৰি তুলিছে। সেয়া আমাৰ ছাত্ৰসকলে বুজি উঠাটো শুভ-লক্ষণ। কিন্তু ছাত্ৰসকলে সমস্যাটোৰ সমাধান নিজে নলৈ ৰাইজক গতাই দিব লাগিছিল।"

"কিয়? শোধনাগাৰ, ব্ৰহ্মপুত্ৰৰ দলং আনকি ৰাজ্যিক ভাষাৰ বেলিকাও ছাত্ৰইহে আগ ভাগ লৈ আহিছে দেখোন।"

"সেই আন্দোলনবোৰৰ লগত বিদেশী বহিষ্কাৰ আন্দোলনৰ কিছু পাৰ্থক্য আছে শৰ্মা। ধৰি লওক, এই মানুহসোপাক যদি বাংলাদেশে আমাৰ নহয় বুলি ঘূৰাই নলয়, আমি কি কৰিব পাৰোঁ? মানুহবোৰক আন প্ৰদেশত সংস্থাপন কৰিলেই যেনিবা, এই মানুহখিনিক অসমলৈ অহাত বাধা দিব পাৰিবনে? মানুহ হ'ল জঙ্গম। মানৱ

প্ৰব্ৰজনৰ ইতিহাসক মানুহে ৰুদ্ধ কৰিব নোৱাৰে শৰ্মা। আমাৰ মাটিডৰাত যদি আমি নিজেই খেতি নকৰোঁ, দোষ দিব কাক?"

তিনিও চাহ খালোঁ এক পৰম সৌহাৰ্দ্যৰে চিগাৰেট এডাল বৰুৱালৈ আগবঢ়াই অধ্যাপক শৰ্মাক ক'লোঁ, "শৰ্মা, আপুনিতো ধূম-পান নকৰেই। আপুনিও আমাৰ সঙ্গ লওক।"

কথাটো শুনি বৰুৱাই হাঁহি হাঁহি চিগাৰেট গ্ৰহণ কৰি ক'লে, "আমাৰ শৰ্মা বাধ্য ছাত্ৰ। শৰ্মাৰ লগত সদায়েই তেওঁৰ ছাৰজন থাকেই। চিগাৰেট খাব কেনেকৈ? তাতোকৈ ডাঙৰ কথা কি জানেনে চলিহা?"

"নাজানো। কওঁকচোন।"

বৰুৱাৰ চিগাৰেট হোঁপাৰ ভঙ্গীলৈ চাই অধ্যাপক শৰ্মাই মিচিকিয়াই হাঁহিলে আৰু বৰুৱালৈ এনেকৈ চাব ধৰিলে যেন কোনো গোপন কথা তেওঁ আমাৰ আগত প্ৰকাশ নকৰে। এগাল ধোঁৱা এৰি বৰুৱাই ক'লে, "ধূম-পান নকৰাৰ আচল ৰহস্য হ'ল, উড্‌বিৰ সাৱধান-বাণী।"

"ধেৎ! কোনে ক'লে? বৰ ধুৰন্ধৰদেই বৰুৱাটো।"

"এই বয়সতেই নেকি শৰ্মা?" চিগাৰেট জ্বলাই শৰ্মাক জোঁকালোঁ।

"এই দৰিদ্ৰ অধ্যাপকৰ লগত কোন ছোৱালীয়ে হোমৰ গুৰিত বহিবলৈ সাহস কৰিব। আগতে আমাৰ বৰুৱাৰহে বিয়াখন হ'ব। এনেয়ে ঘৰৰ মাৰলি লেখি থকা নাই।"

হো-হোৱাই তিনিও হাঁহি দিলোঁ। জেঠিটোৱেও টিক্‌টিকালে বেৰখনৰ কাষত। সুবিধা পাই শৰ্মাই ৰগৰ কৰিলে, "সইত্ সইত্ সইত্। দেখিলে ইতৰ প্ৰাণীয়েও মনৰ কথা জানে।"

বামুণ যে বামুণেই। অতীতপ্ৰীতি এৰিব নোৱাৰে।" অধ্যাপক বৰুৱাই চিগাৰেটৰ মুৰত লাগি থকা ছাঁই টুকুৰিয়াই টুকুৰিয়াই ক'লে।

শৰ্মাই আকৌ হো-হোৱাই হাঁহি দিলে। ধনেশ্বৰে ভুমুকি মৰাত তাক কাপ-প্লেট নিবলৈ ক'লোঁ।

"ধনেশ্বৰ, তই বনোৱা অম্‌লেট্ গুৱাহাটী পাণ-বজাৰৰ 'মধুমিতা'কো চেৰ পেলালে দে।" কাপ-প্লেট সামৰি থকা ধনেশ্বৰলৈ চাই শৰ্মাই ক'লে।

"ভাল হৈছে। আপুনি এনেয়েহে ধনেশ্বৰৰ বদনাম গায় যেন পাওঁ। আমি মাজে মাজে অম্‌লেট খাবলৈ আহি থাকিম বুজিছ, ধনেশ্বৰ।"

অধ্যাপক বৰুৱাৰ কথা শুনি সি লাজকুৰীয়া হাঁহি এটিৰে সঁহাৰি জনালে।

“চলিহা, আমি উঠোহে।” অধ্যাপক শৰ্মাই ক'লে।

“উঠেইনে?”

“উঠোঁ দিয়ক। আজিলৈ আমনি নিদিওঁ। স্বয়ং সিদ্ধিদাতা গণেশ আমাৰ লগত। এতিয়া চিন্তা নাই। ব'লক বৰুৱা। ধনেশ্বৰ আহিছোঁদেই।”

“ভাল ছাৰ।” ভিতৰৰ পৰাই সি সঁহাৰি জনালে।

দুয়ো উঠিল। দুয়োকো বাটলৈকে আগবঢ়াই দিলোঁ।

“চলিহা, বিহুত ঘৰলৈ যাব নহয়?” বৰুৱাই সুধিলে।

“ভাবিছোঁ। আপুনি যাব নহয়?”

“হয়। বাৰ তাৰিখ মানে যাম।”

“তেনেহ'লে একেলগে যাম দিয়ক। মই মৰিয়ণিত নামিম, আপুনি মাকুম পাবগৈ। এই ডোখৰ অন্ততঃ লগে ভাগে যাব পাৰিম।”

“চলিহা আহোঁদেই।” শৰ্মাই মাত দি খোজ ল'লে।

দুয়োগৰাকী অধ্যাপকলৈ এখন্তেক চাই ৰলোঁ।

ক'ৰ মানুহ আহি ক'ত আছোঁহি।

মাকুম আৰু পাঠশালা! আৰু মই হ'লোঁ মাজুলীৰ।

আমাৰ সমন্বয় ঘটালেহি লঙ্কাৰ মাটিয়ে।

সূৰুযৰ শেষ আভাৰে প্ৰকাশি উঠা সন্ধিয়াৰ আকাশখনলৈ চাই পঠিয়ালোঁ। ইমান কোমল এই পোহৰৰ বিচ্ছুৰণ!

চ'তমহীয়া অসহ্য সূৰুযটো ইয়াতেই লুকাই আছে, ভাবিবই নোৱাৰি। সূৰুযটো তেনেহ'লে মানৱ-মনৰ বৰ্ণালি নেকি?

শিখগাঁৱৰ কোনোবা প্ৰান্তত কুলিৰ মাত। বাৰাণ্ডাত ওলমাই থোৱা অৰ্কিড্‌টোলৈ চালোঁ, কোঁহ মেলিছেই।

ফুলিব চাগৈ বহাগত!

বিশ অধ্যায়

কি মস্কিল!

পাতনি লেখিবলৈ লৈ থমকি ৰ'লোঁ।

তিনিশ পঁচিছ পৃষ্ঠাৰ উপন্যাসখনৰ নাম কি দিওঁ?

কিতাপ এখনৰ নামকৰণ কৰাটোও এটা ডাঙৰ সমস্যা। উপন্যাসখন লেখা দিনৰেপৰা ভাবি ভাবি ভাল নাম এটা বাছি উলিয়াব নোৱাৰিলোঁ। কবিসকলে বাৰু ইমানবোৰ কবিতাৰ নাম কেনেকৈ বিচাৰি পায়!

অসমৰ ঘটনা-প্ৰবাহে উপন্যাসখন শেষ কৰাৰ সময়সীমা পিছুৱাই হোঁহকাই দিলে। এক প্ৰকাৰে ভালেই হ'ল। শেষৰ অধ্যায়ত মানুহজনৰ সংগ্ৰামৰ ছবি সন্নিবিষ্ট কৰাৰ সুযোগ পালোঁ। স্বাধীনতাৰ কাৰণে কৰা আত্ম-ত্যাগৰ আনন্দ, স্বাধীনতাই আনি দিয়া আত্ম-প্ৰতিষ্ঠাৰ সংকল্প আৰু শেষত আত্ম-কলহৰ ফলত সৃষ্টি হোৱা ধ্বংস আৰু বিস্ফোৰণৰ তিতা-কেঁহা,— এই তিনিওটা কালৰ মানৱ-মনৰ এক সুসংহত ৰূপক বৰুৱাৰ জীৱন-আলেখ্যৰে বিশ্লেষণ কৰাৰ অপূৰ্ব সুযোগ লাভ কৰিলোঁ।

এইখন জানো উপন্যাস হ'ল?

দেখাতেই এইখন এখন ইতিহাস, লজ্জাৰ ইতিহাস।

অসমৰে এডোখৰ মাটিক ভাল পাই এজন শিক্ষকে কৰা জীৱন-সংগ্ৰামৰ ইতিহাস। ইয়াত কোনো পুৰুষ আৰু নাৰীৰ দৈহিক প্ৰেমৰ শিহৰণ আনিব পৰা বৰ্ণনা নাই; বৰং ইয়াত আছে মাটি আৰু মানুহৰ প্ৰতি থকা প্ৰেমেৰে নিঃশেষ হোৱা এগৰাকী শিক্ষকৰ জীৱন-আলেখ্য।

তেনেহ'লে কি নাম দিওঁ?

দধীচিৰ আত্মত্যাগ!

পুৰাণ প্ৰসিদ্ধ মুনি এগৰাকীৰ নামেৰে জানো আধুনিক উপন্যাসত খাপ খাব?

বিস্মৃতিৰ ইতিহাস!

কালান্তৰৰ এপিটাফ্!!

কি কৰোঁ? অবিশ্বাস্য নাম এটা দিলেতো নহ'ব।

উস্! এঘাৰটা বাজিলেই।

থাওক। খৰধৰ কৰি লাভ নাই। বিহুৰ পৰা ঘূৰি আহি ধীৰে-সুস্থিৰে লেখি-মেলি প্ৰেছলৈ পঠিয়াব লাগিব।

উপন্যাসৰ পাণ্ডুলিপি বাকছত ভৰাই থ'লোঁ। লাইট নুমাই আঁঠুৰাখন পেলাই দীঘল দিলোঁ।.....

এৰা, কালিলৈ বাৰ এপ্ৰিল।

আসাম্ মেইল্‌খন আবেলি চাৰিটাৰ আগতে আহি নাপায়।

গতিকে পুৱা ভাগতে জয় গোবিন্দ শইকীয়াক লগ ধৰি সকলো কথা বুজাই মেলি আহিবৰ্গে লাগিব। এই বছৰ সমন্বয় দিৱস অনিবাৰ্য কাৰণবশতঃ স্থগিত ৰখা হ'ল বুলি বাতৰি কাকতত দিয়াব লাগিব আৰু লগতে সাংস্কৃতিক দলবোৰলৈকো চিঠি একোখনেৰে জনোৱাৰ দিহা কৰিব লাগিব। সময় কৰি দত্তৰ ঘৰতো এপাক সোমাই খা-খবৰ এটা কৰি আহিব লাগিব।

এৰা, পৰিস্থিতিয়ে হঠাতে কি ৰূপ ল'লে, ভাবিলে আচৰিত লাগে। বিহুলৈ দুদিন থাকোতেনো সামাজিক-বৰ্জনৰ নিচিনা সিদ্ধান্ত এটা ল'ব লাগেনে? বিহুৱে আনি দিয়া পৰম্পৰা সম্প্ৰীতিৰ বান্ধোনক ইচ্ছাকৃতভাৱেই অৱজ্ঞা কৰা হোৱা নাই জানো?.....

মানুহ ইমান বিষাক্ত হ'ব পাৰে বুলি মোৰ ধাৰণা নাছিল। সৰু কালত গৰু চৰাওঁতে চোৰাতৰ পাতে ডাকিছিল। কিন্তু তাৰ বিষ কেৱল ডকা ঠাই ডোখৰতেই আবদ্ধ হৈ আছিল। চোৰাত গছে দেহ আৰু মন দুয়োকো সমানেই বিষাক্ত কৰিব পৰা নাছিল।

মানুহক ভাল পাবলৈ গৈ মই ভুলেই কৰিলোঁ নেকি?

জাতি, ধৰ্ম, ভাষাৰ উৰ্দ্ধত থাকি, সম্প্ৰীতিৰ বান্ধোনেৰে এই ঠাইখনক বিকাশ কৰাৰ চিন্তাই কাৰোবাৰ স্বাৰ্থত ব্যাঘাত জন্মাব পাৰে বুলি মই ভবা নাছিলোঁ। সমন্বয়-দিৱসৰ ভিতৰত ৰাজনীতিৰ ছাঁ আছে বুলি এচাম লোকে ভাবিলে কিয়? থলুৱা সংস্কৃতিৰ সম্পদ বিচাৰি ঘূৰি ফুৰাও ৰাজনীতিৰ উদ্দেশ্য থকা বুলি ভাবি লোৱাৰ সমান হাস্যস্পদ কথা আৰু কি হ'ব পাৰে।

আঞ্চলিক পঞ্চায়তৰ, এম্, এল্, এ হোৱাৰ সপোন থকা হ'লে, কলেজৰ চাকৰি কৰিবলৈকে নাহিলোঁহেঁতেন। মাজুলী ঠাইডোখৰ এৰি লক্ষাত ৰাজনীতি কৰাৰ মোৰ প্ৰয়োজনেই বা কি?

শিৱলাল শাস্ত্ৰীৰ নিচিনা নীৰৱ সংস্কৃত সাহিত্যৰ শিক্ষকজনক সামাজিক বৰ্জন কৰিব পায়নে? সাম্প্ৰদায়িক বিদ্বেষৰ উৰ্দ্ধত এই সিদ্ধান্ত গ্ৰহণ কৰা হ'ল বুলি লক্ষাৰ নেপালী মানুহখিনিয়ে এভিয়া সহজতে ল'ব পাৰিবনে? বাহিৰত নেদেখুৱালেও ভিতৰি ভিতৰি চাগে আন্দোলনকাৰীৰ প্ৰতি থকা শ্ৰদ্ধাৰ ভাব যথেষ্ট কমিছেই।

কৃষ্ণ বৰা আৰু ভূমি শইকীয়াই কি অগৰ লগালে? আন্দোলনৰ প্ৰতি সমৰ্থন জনাই বীৰেণ শৰ্মাই জেল খাটিলে। চাকৰিৰ পৰাও নিলম্বিত হ'ল। এতিয়া শৰ্মাক সমাজৰ আবৰ্জনাৰ দৰে ভাবিবলৈ ধৰিলে কিয়? ছাত্ৰসকলৰ কথা বাদেই দিলোঁ, আমাৰ মাজৰে এজন নাগৰিকে শৰ্মাৰ ভেকেঞ্চিত কাম কৰিবলৈ আগবাঢ়ি আহিল কিয়? তেওঁৰ বিবেক দংশন অলপো নহ'লনে? এই সামান্য কথাতেই আমাৰ সংযমহীনতাৰ কথাকেই প্ৰকাশ কৰিলোঁ। বিদেশীক খেদা জানো সম্ভৱ?

জয় গোবিন্দ শইকীয়াৰ কথা ভাবিলে দুখ লাগে। মাৰ্ক্সীয় সাহিত্য-দৰ্শনৰ প্ৰতি অনুৰক্ত বুলিয়েই তেওঁকো সামাজিক বৰ্জন কৰাৰ যুক্তি ক'ত পালে? যিসকলে এই সিদ্ধান্তৰ প্ৰতি সমৰ্থন আগবঢ়ালে, সেইসকলে জানো কোনো বিশেষ ৰাজনৈতিক দৰ্শনৰ ভক্ত নহয়?

এনে ভুল সিদ্ধান্তৰ বিপক্ষে মাত মাতিবলৈ গৈ এতিয়া ময়ো হেনো চি. পি. এমৰ ছাপ'টাৰ্। কলেজৰ গভৰ্ণিং ব'ডিৰ সদস্য এজনে কলেজৰ পৰা খেদি পঠিয়াব লাগে বুলি এষাৰ কথাকেই শুনালে। ভেঞ্চাৰ্ কলেজ এখনৰ অধ্যাপক হ'লোঁ বুলিয়েই, কোনোবা মেম্বাৰৰ ৰঙা চকুত মোৰ স্বাধীন-চিন্তাকো বিসৰ্জন দিব লাগিব নেকি?

আচৰিত!

মানুহবোৰ ইমান ক্ষমতালোভী কিয়?

ক্ষমতা পালেই মানুহে নিজৰ পূৰ্বস্থিতিৰ কথা পাহিৰ যায় যেন পাইছোঁ। এই সৰ্বনাশী অহংকাৰৰ পৰা মানুহ কাহানিকৈ মুক্ত হ'ব ক'ব নোৱাৰোঁ।

এৰা। মোৰ সন্দেহ ঠিকেই ফলিয়ালে। সামাজিক বৰ্জনৰ পৰিণতি সাংস্কৃতিক বৰ্জন!

অসমৰ বিভিন্ন জন-গোষ্ঠীৰ চিৰকলীয়া সম্প্ৰীতিৰ স্বৰ্ণ-সৌধ স্বৰূপ ৰঙালী বিহুটি লক্ষাত এই বছৰ অনুষ্ঠিত নোহোৱাটোৱেই ঠিক হ'লগে।

কিন্তু চিত্ৰ-শিল্পী শুভেন্দু শেখৰক কি বুলি বুজাম? লগতে অতবোৰ বাইজক!

কিমান আশাৰে এই বৃদ্ধ বয়সত সমন্বয়ৰ দৃশ্যপট আঁকি দিলে।

ৰং আৰু তুলিকাৰে বিশ্ব-সৌন্দৰ্যক চাব জনা এগৰাকী শিল্পীৰ শিল্প-কৰ্মক লক্ষাৰ অগণন ৰাইজে অন্ততঃ চোৱাৰ সুযোগ পালেহেঁতেন। এই শিল্পীগৰাকী আমাৰ ইয়াত নহৈ কলিকতাত থকা হ'লে, মানুহে কিমান আদৰ কৰিলেহেঁতেন! মৰুভূমিহেন এই লক্ষাৰ মাটিৰ পৰাও সাগৰ আৰু পৃথিৱীৰ মহা-মিলনৰ দিগন্ত ৰেখাক বাস্তৱ ৰূপত প্ৰকাশ কৰিব পৰা এগৰাকী শিল্পী যে আমাৰ মাজতেই আছে, এই কথাটো আমি কেইজনে জানো?

কেৱল পলিটিক্স্ কেৱল পাৱাৰ !

শুভেন্দু শেখৰে মোক ঠিকেই কৈছিল, ৰাৱণবোৰৰ পৰা সাৱধানে আঁতৰি থাকিবলৈ।

দৃশ্যপটটো কি কৰোঁ ?

শইকীয়াৰ হাতত দি আহিমগৈ নেকি ? নে সভাপতিক চমজাই দিম ?.... নহয়। সদ্যহতে মোৰ হাততেই থাওক। ঘৰৰপৰা ঘূৰি আহাঁগৈ। অধ্যক্ষক কৈ কলেজলৈকে দৃশ্য-পটটো নিয়াব লাগিব। কলেজৰ ফাংশ্যনবোৰত দৃশ্যপটটোৰ কামত আহিব। এনে সুন্দৰ চিত্ৰ এখন কোনে আঁকি দিব।

ৰাইজে সৎ ব্যৱহাৰ কৰিবলৈ নাপালেও, ইয়াৰ ছাত্ৰসকলেই শিল্পীৰ সৃষ্টিক আদৰ কৰক। শুভেন্দুৰ সৃষ্টিয়ে যদি কলেজৰ ছাত্ৰসকলক কিবা প্ৰেৰণা দিয়েও, সেয়া জানো কম কথা ? আমাৰ ছাত্ৰ-ছাত্ৰীৰ মাজতেই কিমানজন পিকাছো লুকাই থাকিব পাৰে !

এনে এটা স্বপ্নকে লৈ মাজুলী এৰি আহিছোঁ।

এজন সৎমল, এজন শুভেন্দুৱে সুন্দৰ কৰা লঙ্কাৰ মাটিত এতিয়া বহুতো সৎমল আৰু শুভেন্দুৰ প্ৰয়োজন হ'ল।

এনে এদিন নিশ্চয় লঙ্কালৈ আহিব, দেখিম যে লঙ্কাখন সঁচাকৈয়ে স্বৰ্ণপুৰী হ'ল। ইয়াৰ মানুহৰ বৌদ্ধিক সম্পদবোৰে যেতিয়া অসমক উজ্জলাব, তেতিয়া চাগৈ আমি চাকৰিৰ পৰা অৱসৰ হ'ম।.....

টিক্-টিক্-টিক্ !

জেঠিৰ মাত। আন্ধাৰ ভেদ কৰি শব্দ তিনিটাই মোৰ কৰ্ণ কুহৰত স্পৰ্শ কৰিলেহি।

কি আচৰিত এই সৰীসৃপ প্ৰাণীটো।

এই হেন মাজ নিশাতো মানুহৰ মনৰ সম্ভেদ কেনেকৈ জানে বাৰু ?

হওক। মোৰ মনৰ সম্ভেদ মানুহে নাজানিলেও চালখনৰ তলত থকা জেঠিটোৱে অন্ততঃ জানে।

গুম্‌গুমনি তুলি আহি থকা মালগাড়ীখন অতিক্ৰম কৰি গ'ল লামডিঙৰ ফালে।

ফিছ্-প্লেটৰ শব্দবোৰ কাণত পৰিল।

যাত্ৰীবাহী ৰেলৰ দৰে শব্দবোৰত সাঙ্গীতিক লয় নাই দেখোন !

শ্ৰুতিকটু বিশৃংখল এক ধ্বনি-সমষ্টি।

গুম্‌গুমনি শব্দটো ক্ৰমে ক্ৰমে বিলীয়মান হৈ গ'ল নিশাৰ আন্ধাৰত।

কি যে এই গতি !

একৈশ অধ্যায়

"বাবু, কাহা যায়েগা? কাম্‌লাবাৰী, পাণপুৰ?"

"দক্ষিণ পাট।"

"আজ লাঞ্চ নহী যায়েগা বাবু।"

"কিয়?"

"মেচিন খাৰাপ। ফেৰী যায়েগা বাবু, কাম্‌লাবাৰী তক। উঁহা মে চলিয়ে বাবু। আপ্‌কো আচ্ছা জগামে বৈঠা দেগা। বাক্‌সো হাম্‌কু দিজিয়ে ছাব।"

কি মস্কিল! নালাগে বুলি হাতেৰে ইংগিত দিয়াতো সি জোৰ কৰি হাতৰ ব্ৰীফ্‌কেছটোত ধৰিলেহি। তাৰ অতপালি দেখি মোৰ খঙেই উঠিল। অহঁতে এনেয়ে ব্ৰীফ্‌কেছটো ধৰিবিনে? এই সামান্য বস্তুখিনি নিবলৈ মই ধন ভাঙিম কিয়?

"নহী জৰুৰৎ হ্যেয়" বুলি তাক ৰাম-ধমক দিলোঁ। ধমক্ খাই সি আঁতৰি গ'ল। মোৰ লগত তৰ্ক কৰি সময়ৰ উপাৰ্জনকণ হেৰুৱাবলৈ তাৰ প্ৰয়োজনেই বা কি?

হোল্‌ডল্‌টো লৈ ধনেশ্বৰক আগবাঢ়িবলৈ ক'লোঁ। ফেৰী এৰিবলৈ দেৰী আছে। ভিৰৰ পৰা আঁতৰি একাষৰীয়া ঠাইত হাতৰ ব্ৰীফ্‌কেছটো আৰু কান্ধৰ এয়াৰ বেগটো লাহেকৈ থৈ চিগাৰেট এডাল জ্বলাই ল'লোঁ।

বতাহ বলি আছিল। বতাহজাক চেঁচা। ফেৰ্‌ফেৰীয়া। বেয়া লগা নাই। চিগাৰেটে তাপৰ অনুভূতি এটা আনি দিছে। ব্ৰহ্মপুত্ৰৰ পাৰত এনে বতাহৰ এক অবুজ ৰোমাঞ্চ আছে।

পুৱাৰ উজ্জ্বল ৰ'দত তিৰ্‌বিৰাই থকা ব্ৰহ্মপুত্ৰলৈ চালোঁ। কিমান বিশাল অথচ ইমান নীৰৱ! বাধা চাপৰিটো বিণিকি-বিণিকিকৈহে দেখি। মোৰ মনটো হঠাতে বহল হৈ যোৱা যেন লাগিল। আকাশৰঙী ডফলা পাহাৰৰ ওখ-চাপৰ শাৰীবোৰ যে ইমান ধুনীয়াকৈ উজলি উঠিছে!

হঠাতে মোৰ নাকত লাগিলহি পোৰা কয়লাৰ গোন্ধ। এই গোন্ধ মোৰ বৰ চিনাকি। জে, বি, কলেজত পঢ়ি থাকোঁতে এই গোন্ধটোৰে সৈতে চিনাকি হৈছিলোঁ।

বনগাঁৱৰ পৰা যোৰহাটলৈ অহা-যোৱা কৰোঁতে, এই গোন্ধ প্ৰায়েই পাইছিলোঁ। এইয়া যে নিমাতী ঘাটৰ গোন্ধ! যোৱা নিশা লামডিং আৰু মৰিয়নিৰ প্লেট্ফৰ্মতো এই গোন্ধে মোক বলিয়া কৰিছিল।

নিমাতী ঘাট!

যোৰহাট নগৰৰ সংযোগকাৰী একমাত্ৰ বাণিজ্যিক ঘাট।

এই কেইবছৰতে নৈখনে ইমান খহালেনে। আগৰ ঘাটৰ দেখোন চিন-চাবেই হেৰাল।

ঘাটৰ কাষে-কাষে বৈ থকা ষ্টিমাৰবোৰলৈ চালোঁ। ষ্টিমাৰবোৰৰ গাত লিখা নামাবোৰ পঢ়ি গ'লোঁঃ ভোগদৈ, কাকডোঙা, আৰু সৌবোৰ আৰৰ, মিছিমি।

আঃ! নামবোৰ ইমান চিনাকি। মৰমলগাকৈ মিঠাও। আৰৰ, মিছিমি এই নামবোৰ দেখিলেই এবাৰ বিঙিয়াই মাত দিবৰ মন যায়, 'অ' ককাই, কেনে আছ?' বুলি।

আৰু সেয়া?

ডালিমী!

নগা পৰ্বতৰ ডালিমীজনীয়ে লুইতত সাঁতুৰি ফুৰিছেহি। বেজবৰুৱাই সৃষ্টি কৰা এইয়া যে জীয়া প্ৰতিমা! সুন্দৰ কোঁৱৰৰ, ৰূপকোঁৱৰৰ পানচৈ! পাহাৰ আৰু ভৈয়ামৰ সাংস্কৃতিক সমন্বয়ৰ বাস্তৱ ৰূপ দেখোন বৰ লুইতৰ বুকুত আজি বঙালী বিহুৰ আগমুহূৰ্তত নিজ চকুৰে দেখিলোঁহি। কি অপূৰ্ব মোৰ দেশ!

ধনেশ্বৰে মাত দিয়াত বৈ থকা ফেৰীলৈ চালোঁ। যাত্ৰীবোৰে ফেৰীত উঠিবলৈ ধৰা দেখি চিগাৰেটত দীঘলকৈ টান দুটামান মাৰি আগবাঢ়িলোঁ। খবৰ লৈ গম পালোঁ, মেচিন ব'টখন আজি নচলে। শালমৰাৰ পৰা উভতি আহোঁতে প্ৰপেলাৰ চটা গছৰ কুন্দাত লাগি ভাগিল হেনো। কমলাবাৰীলৈ যাবলগীয়া ফেৰীখনেই দক্ষিণ-পাট হৈ যাব। উৰুকা বুলি জল-পৰিবহন সেৱাই যাত্ৰীৰ সুবিধাৰ্থে এই ব্যৱস্থা লৈছে। বেচেৰা কুলীটোক এনেয়ে ধমক দিলোঁ।

ফেৰীত উঠিবলৈ ধৰোঁতে চি, আৰ, পি এজনে তীব্ৰ দৃষ্টিৰে এয়াৰ বেগ আৰু ব্ৰীফ্কেছটোৰ ফালে চাইছিল। হঠাতে দেহোৱালী এজনৰ টোপোলাটো পাই, টোপোলা খোলাত ব্যস্ত হ'ল। কি যে আমনি লগা পৰিস্থিতি! বেলত কিমান বাৰ ব্ৰীফ্কেছ আৰু বেগটো খুলি দেখুৱাব লগীয়া হৈছিল! মানুহৰ মন নিকা নহ'লে,

মানুহে মানুহক ধৰিব পাৰিবনে? নহ'লে পৃথিৱীৰ বিমান-সেৱাত ইমানবোৰ হাইজেক্ নঘটিলহেঁতেন।

ধনেশ্বৰে সুবিধাজনক ঠাইত বহিলগৈ। ব্ৰীফ্‌কেছ্ আৰু বেগটো মোৰ লগতে লৈ বাওঁ-কাষৰ বহি ইফালে-সিফালে ঘূৰি চালোঁ— চিনাকি যাত্ৰীৰ সন্ধানত। চিনাকি মানুহ নেদেখিলোঁ। বেছিভাগ যাত্ৰীয়েই বনুৱা। চৰ্দাৰ দুজনমান বনুৱাবোৰৰ তদাৰক কৰাত ব্যস্ত হৈ পৰিছে। সম্ভৱ কমলাবাৰীলৈ যাব। মথাউৰি বা ৰাস্তাৰ কামৰ কাৰণেই এই মথা যাবলৈ ওলাইছে চাগৈ।

এৰা। প্ৰগতিৰ পথত অসমখনক আগুৱাই নিবলৈ আমাৰ শ্ৰমিক শক্তিয়েই বা ক'ত? বাহিৰৰ বনুৱা অবিহনে অসমৰ উন্নতিৰ কথাটো চিন্তা কৰিব নোৱৰা অৱস্থা। স্বাধীনতাৰ পিছৰ অসমখন সঁচাকৈয়ে বনুৱালোকৰ বাবেহে সোণৰ অসম হৈ পৰিল।

আমি যিমানেই পুথিগত শিক্ষাৰ প্ৰতি সৰ্বস্ব সম্পদ ত্যাগ কৰিছোঁ, সিমানেই মাটিৰ লগত আমাৰ সম্বন্ধ ছেদ কৰিছোঁ। দিনে দিনে আমাৰ কায়িক শ্ৰমৰ প্ৰতি শ্ৰদ্ধাৰ পৰিৱৰ্তে ঘৃণা কৰিবলৈহে শিকিছোঁ। সময় যিমানেই আগবাঢ়িছে, সিমানেই আমি ৰ'দ, বৰষুণ আৰু বোকাৰ পৰা ক্ৰমে ক্ৰমে যেন আঁতৰি ফুৰিবলৈ ধৰিছোঁ। অসমৰ থলুৱা মানুহখিনিৰ এই সম্ভ্ৰান্ত মানসিক বিলাসিতাই আমাক যেন কৰ্মবিমুখ কৰি তুলিছে। স্কুল-কলেজৰ যুৱক-যুৱতীসকলক পথাৰলৈ ঘূৰি চাবলৈ শিক্ষা নিদিলে, আমাৰ পিতৃসকলৰ পিছত লখিমী পথাৰ কেইডৰাত কোনে লখিমী গজাব? কাকতী-ফৰিং হেন বাহিৰৰ শ্ৰমজীৱীবোৰে আমাৰ পৈত্ৰিক মাটিডৰাত ভৰি পৰিব, সেয়া নিশ্চয় সত্যৰূপে প্ৰতিভাত হ'ব।

কেতিয়াবা ভাবোঁ, আমাৰ খেতিয়কসকলকো স্নাতক উপাধিৰে সামাজিক সন্মান দিয়া হ'লে, আমাৰ পথাৰবোৰত পমুৱা মিঞা বা বঙালীৰ প্ৰয়োজন নহ'লহেঁতেন। কামৰ সুকণ্ডাবোৰ আমিয়েই সৃষ্টি কৰিছোঁ বাবেই বহিৰাগতৰ এই জ্বলন্ত সমস্যা। এৰা, মানৱ-প্ৰব্ৰজনৰ এই বিপৰীতমুখী সোঁত, লুইতৰ সোঁততকৈ ভয়াবহ!

ফেৰীৰ সংকেত-ধ্বনিয়ে চিন্তাৰ আৱেষ্টনিৰ পৰা মোক আঁতৰাই আনিলে। ঘাট এৰাৰ লগে লগে বনুৱাবোৰে সমস্বৰে 'ব্ৰহ্মপুত্ৰ বাবাকী জয়' বুলি ধ্বনি তুলিলে। দুই-এজনে ভগনীয়া পইচা নৈৰ পানীত শ্ৰদ্ধাৰে নিক্ষেপ কৰাও

দেখিলোঁ। মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকু ফালি ফালি ফেৰীখনে আগুৱাই যাব ধৰিলে, নিৰঙ্কুশ গতিৰে।

বতাহত উৰি অহা ধপাতৰ গুৰিবোৰ হঠাতে মোৰ নাকত ধৰিলহি। দুবাৰমান হাঁচি মাৰি ৰুমালখনেৰে নাকত ধৰিলোঁ। কি অস্বস্তিকৰ এই অঘোষিত আক্ৰমণ! ফেৰীৰ মাজত বহি যোৱা বনুৱা দুজনমানে 'খয়নি' পিহি থপ্‌থপাই থকা দেখিলোঁ। এই ধপাতৰ গুৰিবোৰ সিহঁতৰ পৰাই উৰি আহিছে। সিহঁতৰ কাষতে বহি থকা অসমীয়া ভদ্ৰলোক এজনেও 'খয়নি' বিচাৰি হাতখন পাতি দিয়া দৃশ্যই মোক স্তম্ভিত কৰি তুলিলে। মোৰ বাবে এয়া এক নতুন অভিজ্ঞতা। সামান্য ধপাতৰ গুৰিয়ে ভদ্ৰলোক এজনকো লোভ লগাব পাৰে!

ফেৰীখন দক্ষিণপাট পাবলৈ কমেও পোন্ধৰ-বিশ মিনিট সময়ৰ প্ৰয়োজন। ৰুমালখন পকেটত ভৰাই বেগটোৰ পৰা 'প্ৰকাশ' আলোচনীখন উলিয়াই ল'লোঁ। যোৰহাট বাছষ্টেণ্ডত খৰধৰকৈ কিনি আনিছিলোঁ। এবাৰ চাবলৈকো অৱসৰ পোৱা নাছিলোঁ।

এৰা, 'প্ৰকাশ'ৰ বেটুপাতত কিছু নতুনত্ব দেখিলোঁ। ভাল লাগিছে। এব্‌ষ্ট্ৰেক্ট আৰ্ট। দুৰ্বোধ্যতাই হেনো আজিকালি মানুহক আকৰ্ষণ কৰে। জটিল যুগৰ মানুহৰ মনবোৰো জটিল হোৱাই শ্ৰেয় হেনো।

বেটুপাতখিলা লুটিয়ালোঁ। সূচীপত্ৰৰ সোঁ কাষতেই 'দৃষ্টিকোণ'। উজ্জ্বল আখৰেৰে জিলিকি উঠিছে— 'অসমৰ ভাগ্য'। দৃষ্টিকোণৰ শিতানে মোক চিন্তিত কৰি তুলিলে। মনলৈ প্ৰশ্ন আহিল-- অসমৰ প্ৰাণৰ উৎসৱ বিহুৰ খবৰে দৃষ্টিকোণৰ শিতান দখল কৰিব নোৱাৰিলে কিয়?

'অসমত ঘটা হত্যাকাণ্ডই আৰু মৃতসকলৰ ঘৰৰ পৰা উঠি অহা কৰুণ বিননিয়ে হৃদয়বান লোকৰ বিবেকক অহৰহ দংশন কৰি আছে।.....'

বাক্যটোৱে মোৰ চেতনাক জোঁকাৰি দিলে। মোৰ দৃষ্টি গতি স্থবিৰ হৈ গ'ল। দুচকুত ভাঁহি আহিবলৈ ধৰিলে ফেব্ৰুৱাৰী মাহৰ মানৱ-ধ্বংসৰ ছবিবোৰ।

ঠিকেই। সচেতন সম্পাদক এজনৰ দৃষ্টিত বিহুৰ উলাহতকৈ মানৱীয় বেদনা অধিক মূল্যবান। ইতিহাসৰ পাতত এনে শোক, এনে বিননি কাচিৎহে আছে। দেশখন স্বাধীন হোৱাৰ ছয়ত্ৰিশ বছৰৰ পিছত এনে ট্ৰেজেদি সংঘটিত হোৱাটো অসমৰ ভাগ্যত সঁচাকৈয়ে দুৰ্ভাগ্যজনক।

দৃষ্টিকোণত লেখা কথাখিনি পঢ়ি গ'লোঁ। সম্পাদকৰ দৃষ্টিত অত্যন্ত ঘৃণা আৰু বিদ্বেষেই হত্যাকাণ্ডৰ মূল কাৰণৰূপে প্ৰতিভাত হৈ উঠিছে। তেনেহ'লে এই ঘৃণা আৰু বিদ্বেষ কাৰ প্ৰতি?

আলোচনীখন জপাই লুইতৰ বুকুলৈ চাই ৰ'লোঁ। বিশাল ৰূপৰ পানীখিনি ফেৰীৰ আঘাতত অশান্ত হৈ পৰিছে। বিস্তীৰ্ণ এই জলৰাশি মোৰ দুচকুত জীৱন্ত ৰূপত উদ্ভাসি উঠিল, মহান শক্তিৰ প্ৰতিভূৰূপে।

হে মহান ব্ৰহ্মপুত্ৰ! তুমিয়েইতো পৰশুৰামৰ হাতত লাগি থকা মাতৃহত্যাৰ পাপ খণ্ডন কৰিছিলা। তোমাৰ দুয়োপাৰৰ পবিত্ৰ মাটিত লাগি থকা মানৱসন্তানৰ কেঁচা তেজৰ দাগবোৰ জানো আজি তুমি মচিব নোৱাৰিবা?

ফেৰীৰ উঁকিয়ে ভাব-জগতৰ পৰা মোক টানি আনিলে। আকৌ পাত লুটিয়ালোঁ। অহিংসাৰ মন্ত্ৰেৰে উদ্বুদ্ধ কৰি ভাৰতবাসীক উত্তৰণ ঘটাবলৈ গৈ বিফল হোৱা এক ট্ৰেজিক মানৱ— 'গান্ধী'। হাজাৰ বছৰ ধৰি মানুহৰ সমাজত বহুতো ঈশ্বৰ-পুৰুষৰ আবিৰ্ভাব হ'ল, মানুহক মানুহ কৰি তুলিবৰ বাবে। কিন্তু, মানুহবোৰ অমানুহ হৈয়েই ৰ'ল। মানৱ-ভাগ্যৰ কি কৰুণ ইতিহাস!

নপঢ়িলোঁ। কিন্তু, সম্পাদক গৰাকীৰ উপস্থাপনৰ ক্লাছিক ৰূপটোৰ প্ৰতি অভিভূত হ'লোঁ। প্ৰথম পৃষ্ঠাত হিংসাৰ স্বৰূপটোক যেন পিছৰ পৃষ্ঠাৰ অহিংসাৰ স্মৰণেৰে অমৃত-স্পৰ্শ বোলাবলৈ যত্ন কৰিছে।

পাত এখিলা লুটিওৱাৰ লগে লগে মোৰ চকু থৰ লাগি ৰৈ গ'ল, ছবিখন দেখি। এইয়াচোন মোৰ চিৰ নমস্য সাহিত্য-আচাৰ্য শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত!

প্ৰসন্ন মুখৰ গহীন-গম্ভীৰ ৰূপৰ আলোক চিত্ৰখনে মোৰ বুকুখন গধুৰ কৰি পেলালে। কলেজত পঢ়ি থাকোঁতে কবিতাৰ পাণ্ডুলিপি এখন তেখেতে চাই দিয়াৰ কথাখিনি মনত পৰিল। কাষত বহুৱাই তেখেতে কৈছিল, "বোপা প্ৰদীপ! জীৱনৰ যিকোনো কামতেই তপস্যা আৰু অনুশীলনৰ প্ৰয়োজন। সাহিত্যই মানুহৰ মাজত আত্মিক সংযোগ আনি দিব পাৰে। সাহিত্য-চৰ্চা কৰোঁতে মনত ৰাখিবা, বাল্মীকিৰ সাধনাৰ কথা আৰু আমাৰ পৰম গুৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দৃষ্টি-ভঙ্গীক। তুমি নিশ্চয় লেখিব পাৰিবা।"

চকু দুটা মোৰ সেমেকি উঠিল। অশান্ত হৈ পৰা লুইতৰ পানীত মহন্ত স্যাৰৰ আলোক-চিত্ৰই ক্ৰমে ক্ৰমে বিস্তৃতি লাভ কৰি যেন 'চিৰ-চেনেহী মোৰ ভাষা

জননী'ৰে উজলি উঠা অসম সাহিত্য সভা পতাকা হৈ মোৰ দুচকুত প্ৰকাশি উঠিল।

বকুল-বনৰ কবি আনন্দ চন্দ্ৰ বৰুৱাৰ দেহান্তৰৰ শোক মাৰ নৌ যাওঁতেই মহন্তদেৱকো হেৰুৱালোঁ। ফেব্ৰুৱাৰীৰ অসহ্য বেদনাতেই এই সংস্কৃতি-সাধকসকলে দধীচি সদৃশ আত্মত্যাগ কৰা নাইতো?

অদূৰত বাজি উঠা জাহাজৰ উঁকিয়ে স্থবিৰ হৈ পৰা মনটোলৈ আকৌ গতি আনি দিলে। আলোচনীখনৰ পাত পুনৰ লুটিয়ালোঁ — 'প্ৰকাশ'ৰ সম্পাদকে লোৱা মহন্তদেৱৰ সাক্ষাৎকাৰ। আকৌ পাত লুটিয়ালোঁ। এক বিষণ্ণ ভাবৰ ছবি এখন উজলি উঠিল ঃ আৰ্থাৰ কোৱেছলাৰ। ডাৰ্কনেছ এট্ নুন্ উপন্যাসৰ সেই বিখ্যাত ইহুদি লেখকৰ আলোক-চিত্ৰ।

এৰা। কিতাপ একোখনে মানুহৰ বিবেকক কিদৰ জোঁকাৰি দিব পাৰে, কিতাপখন পঢ়িয়েই উপলব্ধি কৰিছিলোঁ। স্লিপিং টেব্লেট্ খাই মানুহজনে মৃত্যুক সাৱটি ল'লে কিয়? কি এক অদ্ভুত মানসিকতা!

ফেৰীখন লাহে লাহে পাৰ চাপিবলৈ ধৰা দেখি আলোচনীৰ পাতবোৰ খৰকৈ লুটিয়ালোঁ। হঠাতে নন্দ তালুকদাৰৰ আলোক-চিত্ৰ দেখি স্তম্ভিত হৈ গ'লোঁ। আলোচনীখন জপাই থ'লোঁ। অসম সাহিত্য সভাৰ লগত একেলগে কাম কৰা তালুকদাৰৰ স্মৃতিয়ে মোৰ অন্তৰ খুন্দা মাৰি ধৰিলেহি। দুৰ্ঘটনাই এগৰাকী নিষ্ঠাবান কৰ্মীক নীৰৱ কৰি পেলালে!

এৰি অহা লুইতৰ বিশাল পানীলৈ চাই ৰ'লো এখন্তেক। পাখি দুখন কোবাই কোবাই নিঃসঙ্গভাবে গঙ্গা চিলনীটিয়ে বিস্তীৰ্ণ জলৰাশি পাৰি দিয়া দৃশ্যটোলৈ চাই মোৰ চকু দুটা সেমেকি উঠিল। কমালখনেৰে চকুৰ কোণ দুটা মোহাৰি পেলালোঁ।

দক্ষিণপাটৰ যাত্ৰী বেছি নাছিল। আমাক নমাই ফেৰীখন কমলাবাৰীলৈ গুচি গ'ল। পাৰৰ মাটি স্পৰ্শ কৰাৰ লগে লগে গোঁসাই থানলৈ বুলি মনেৰে সেৱা এটি আগবঢ়ালোঁ।

চিগাৰেট এটা জ্বলাই মোৰ চিনাকি বাটটোৰে খোজ ললোঁ। মানুহ এজনৰ পদূলিয়েদি গোনাওতে সক ল'ৰা এটাই তীক্ষ্ণ দৃষ্টিৰে আমালৈ চাই ক'লে, "হেৰি, আপুনি অসমীয়া মানুহ নহয়নেকি?"

"হয়। কিয় সুধিলা বোপা?" কিছু বিস্মিত হৈ ল'ৰাজনৰ মুখলৈ চাই প্ৰশ্ন কৰিলোঁ।

"আপুনি নাজানে নেকি জোতা পিন্ধি পদূলিয়েদি যাব নাপায় বুলি? সেয়া সত্ৰ দেখা নাই? জোতাযোৰ খোলক, চুৱা লাগিব।"— কিছু খঙৰ দৃষ্টিৰে চাই জোতাযোৰ খুলিবলৈ আদেশ দিলে।

নিৰুপায় হৈ ভৰিৰ জোতাযোৰ খুলিলোঁ। কান্ধৰ হোল্‌ডল মাটিত নমাই ধনেশ্বৰেও খঙতে ভৰিৰ হাৱাই চেণ্ডেলযোৰ খুলি পেলালে। পিৰালিৰ পৰাই তিৰোতা দুজনীমানে আমালৈ কেঁৰাকৈ চাবলৈ ধৰিলে। চুৱা লগাৰ ভয় তাঁহাতৰ দৃষ্টিত প্ৰকাশি উঠা লক্ষ্য কৰিছোঁ। জোতাযোৰ হাতত লৈ খোজ ললোঁ এজন অপৰাধী মানুহৰ দৰে।

বিৰিণা বনৰ মাজে মাজে অকাই-পকাই যোৱা সৰু বাটটোৰে কলগাঁৱলৈ বুলি দুয়ো পোনালোঁ। মোহন ঠাকুৰৰ ঘৰ নোপোৱালৈকে কেৱল ভাবি গ'লোঁ— বিশ্বৰ শ্ৰেষ্ঠতম নদী-দ্বীপ মাজুলীৰ মাটিত মানুহৰ উত্তৰণৰ কথা। আমাৰ উত্তৰ-পুৰুষ সেই সৰু ল'ৰাটোৰ অন্তৰত বিষাক্ত চুৱাৰ ভাব সুমুৱালে কোনে? সংস্কাৰ ব্যাধিৰ পৰা মুক্ত কৰিব নোৱাৰাৰ মূল কাৰণ ক'ত? গুৰুজনাই আমাক ইয়াকেহে শিকালেনে? লুইতৰ মাজত থাকিও আমাৰ মানুহখিনিয়ে লুইতক চিনি নাপালে। গৰাখহনীয়াৰ দৰেই আমাৰ গুৰুজনাৰ আদৰ্শবাজি দিনে দিনে খহিব লাগিছে। গুৰুজনাই আমালৈ কেইটা সংঘ এৰি গৈছিল? আমাৰ মাজতেই আজি দেখোন বিভাজনৰ খহনীয়া। লক্ষাৰ ভাল ভাল অসমীয়াৰ ঘৰতেই দেখিলোঁ ছাই বাবাৰ ফটো। আমি ঈশ্বৰক বিচাৰি দক্ষিণলৈ ঢাপলি মেলিছোঁ? জাতিটোৰ জীৱনলৈ ইয়াতকৈ কি দুৰ্ভাগ্য আহিব পাৰে বাৰু? ভালেই কৰিলোঁ, মোৰ মৰমৰ কাৰ্বি ছাত্ৰ ছাৰথেক নানি। ছাৰথেৰ আগত এই ব্যৱহাৰ হ'বলৈ হ'লে, আমাৰ প্ৰতি থকা বহল মনৰ আদৰ্শই সলনি হ'লহেঁতেন।

"জোতা খোলক, চুৱা লাগিব"— ল'ৰাজনৰ কথাষাৰে অহৰহভাৱে মোৰ বিবেকক আঘাত দিবলৈ ধৰিলে। চাৰি সত্ৰৰে মহিমামণ্ডিত হোৱা মাজুলীৰ মাটিৰে ভাওৰ হোৱা বাবেই সম্ভৱ এই দংশনে মোক বেছিকৈ আঘাত দিলে, — আজিৰ উৰুকাত!

বাইশ অধ্যায়

বনগাওঁ চাৰিআলিৰ ৰংঘৰত আয়োজন কৰা সম্বৰ্দ্ধনা সভাৰ পৰা ঘূৰি আহোঁতে কিছু ৰাতি হ'ল। শুক্লা-চতুৰ্থীৰ জোন কেতিয়াবাই মাৰ গ'ল। দেউতাই কীৰ্তনৰ পদ সুৰ লগাই গাই থকা নঙলা মুখৰ পৰাই শুনিবলৈ পালোঁঃ

কৃষ্ণৰ বিক্ৰম দেখি ঋক্ষৰাজ
পৰম বিস্ময় মনে।
স্বামী হেন জানি বুজিবে লাগিলা
প্ৰণামি কৃষ্ণ-চৰণে।।
জানিলো তোমাক জগত -ঈশ্বৰ
তুমি সনাতন হৰি।
সমস্ত ভূতৰ তুমি প্ৰাণ-বল
জগতে আছা ধৰি।।

নঙলাৰ বাৰকেইডাল খুলি খুলি ভাবিলোঁ — সেয়া স্যমন্তক-হৰণ অধ্যায়ৰ পদ। ইমান সৰল ভাষাত গুৰুজনাই ঈশ্বৰৰ মহিমা প্ৰকাশ কৰিছে.....

"ডাঙৰ বোপা, আহিলি?" নঙলা খোলা গম পাই দেউতাই মাত লগালে।

"অঁ। ৰাতিয়েই হ'ল। বাইজেও এৰি নিদিয়ে।" নঙলাকেইডাল লগাই ক'লোঁ।

উঁ-আঁ একোকে নকৈ দেউতাই কীৰ্তন পঢ়াত লাগিল। কাষৰ গোহালি ঘৰৰ পৰা গৰুৰ দীৰ্ঘশ্বাস ধ্বনি ভাঁহি অহা শুনিলোঁ। হাতত চাকি লৈ বৌটি ওলাই আহিল। 'ডাঙৰ বাপুনেকি' বুলি মাত দি দুৱাৰ মুখতে চাকিটো থৈ দিলে। দুৱাৰৰ সন্মুখ অংশ পোহৰ হৈ পৰিল। চুক-ভেকুলী এটা জাঁপিয়াই জাঁপিয়াই চোতালৰ ফালে ওলাই যোৱা দেখিলোঁ।

"বহুত ৰাতি কৰিলি। দিন-কাল ভাল নহয়। আজিকালি গাৱ নোমেই শত্ৰু। তইতৰ দিনৰ মাজুলী এতিয়া আৰু নাই বোপাই। ৰাবে বঙলুৱা মানুহেৰে ভৰি পৰিলহি। ভুবন ঠাকুৰহঁতৰ কিনো নঘটিল? কাকনো বিশ্বাসত লবি?"

পিৰালিত পৰি থকা ইটো-সিটো বস্তু সামৰি বৌটিয়ে কথাখিনি কৈ গ'ল। বৌটিৰ দৃষ্টিত মই যেন তাহানি গৰু চৰোৱা 'প্ৰদীপ'টো হৈয়েই আছোঁ! বৌটিৰ আগত মই বাৰু কেতিয়া ডাঙৰ হ'ম?

বৌটিৰ উপদেশ আৰু সাৱধান-বাণীৰ কথাবোৰ ভাবি ভাবি ভিতৰ সোমালোঁহি। খোটালিটোত লেম জ্বলোৱাই আছিল। মোলৈ দিয়া ফুলাম গামোচাখন আঁঠুৰাৰ ৰচিডালত মেলি দিলোঁ। ফুলৰ মালাডাল খুঁটাটোৰ গজালত ওলোমাই থৈ কাপোৰ-যোৰ সলাই সলাই ভাবিলোঁ, — এৰা, হাড়ে-হিমজুৰে অসমীয়া হৈ উঠা ঠাকুৰহঁতৰ ঘৰখনক বনগাঁৱৰ বাইজে এঘৰীয়া কৰিলে কিয়? জীৱনৰ ভাবুকি, সামাজিক বৰ্জন আদি ঘটনা তেনেহ'লে অকল লঙ্কা চহৰতে সীমাবদ্ধ হৈ থকা নাই। আমাৰ মাজুলীৰ মাটিকো এই ৰোগে স্পৰ্শ কৰিলেহি!

বনগাঁৱৰ মাটিক ভাল পাই, অসমীয়া সংস্কৃতিৰে জীৱনৰ নতুন বুনিয়াদ গঢ়ি তোলা সেই ঠাকুৰ মানুহজন! মাৰোৱাৰী সম্প্ৰদায়ৰ সেই মানুহজনে আগৰৱালা পৰিয়ালৰ দৰেই অসমলৈ আহি অসমীয়া হৈছিল।

এৰা, ভুবন ঠাকুৰৰ দেউতাক হৰিচৰণীয়া ঠাকুৰে কাঁহৰ পিলাহেৰে এগিলাছ চাহ দি আশীৰ্বাদ দিছিল আনন্দেৰে, "বোপা, তইঁতেই আমাৰ ভৱিষ্যৎ! পঢ়া-শুনা কৰি আমাৰ জকাই-চুকীয়া বনগাওঁখনক উজ্জ্বল কৰিবিহি।"

সেয়া, দেউতাই মোক স্কুলত নাম ভৰ্তি কৰা সময়ৰ কথা। আজি কিমান বছৰ হ'ল বাৰু? চিকণ মুখৰ সেই মানুহজনলৈ এতিয়াও মনত পৰে। মানুহজনৰ আত্মাই চাগে আজি কিমান কষ্ট পাইছে! সামাজিক বৰ্জনে জানো বিদেশীৰ সমস্যা সমাধান কৰিব পাৰিব? এনে কাৰ্যই আমাৰ সমাজখনক বেছি বিষাক্তহে কৰি তুলিব দেখোন। একেটা মুঠিত বান্ধ খাই থকা মানুহখিনিৰ মাজতেই এতিয়া বিভাজন আহি পৰিল। সামন্ত যুগৰ চিন্তাকে গণতান্ত্ৰিক দেশৰ মানুহখিনিয়ে এতিয়াও কিয় সাৱটি আছে বাৰু?

"ডাঙৰ বাপু, পানী দিছোঁ। হাত-ভৰি ধুই লহি। মই ভাত বাঢ়ি দিওঁ।"

বৌটিয়ে মাত দিয়াত মোৰ চিন্তাৰ আঁতডালৰ পৰা আঁতৰি আহিলোঁ।

"তই কেলেই এইখন কৰিব লাগিছ। অনিমাইঁত নাই নেকি?" হাতৰ ঘড়ী খুলি টেবুলৰ ওপৰত থৈ ক'লোঁ। পুনৰপি গামোচাখন লৈ ওলাই গ'লোঁ।

"তাই ইমান পৰে ক'ত সাৰে থাকিব? তাই শুলেই।" আখলৰ ভিতৰৰ পৰাই বৌটিয়ে ক'লে।

"ভাত কমকৈ দিবি। মিটিঙত খায়েই আহিছোঁ।"

হাত-ভৰি ধুই গামোচাখনেৰে মচি মচি বৌটিৰ কাষ পালোঁগে। বাহিৰত দেউতা নীৰৱ হ'ল। পুথি সামৰিলে সম্ভৱ। মাজতে দুবাৰমান 'ৰাম ৰাম, কৃষ্ণ কৃষ্ণ' বুলি ঈশ্বৰৰ নাম লোৱা শুনিলোঁ।

ভাতৰ পাতত বহাৰ লগে লগে বৌটি ভিতৰলৈ সোমাই গ'ল আৰু হাতত তামোলৰ বঁটাটো লৈ মোৰ কাষতে বহিলহি।

"ডাঙৰ বাপু, তই যোৱাটো জানো কালিলৈকে ঠিক কৰিলি? তামোল কাটি কাটি বৌটিয়ে মোক সুধিলে।

"অঁ। মই যাবই লাগিব বৌ। পুৱাই জলপান অলপ যতনাই দিবি শালমৰা ঘাটৰ ফেৰীখন নাপাব লাগিলে, নিশাটো যোৰহাটত থাকিবগৈ লাগিব।"

"ইমান দিনৰ মূৰত আহিছ আৰু দুদিনমান থাকি যাব নোৱাৰ হ'বলা।"

বিহুৰ বন্ধ নায়েই। বন্ধ খোলাৰ পিচতেই পৰীক্ষা। সকলো দায়িত্ব মোৰ ওপৰত। সময় মতে নাপালেগৈ ল'ৰা-ছোৱালীৰ অসুবিধা হ'ব।"

কথাবোৰ বৌটিয়ে শুনি গ'ল। কিবা ক'ব বুলি ভাবিছিলোঁ। একোকে নক'লে। নলীয়া কটাৰীখনেৰে তামোলৰ চোকোৰা গুচাই গুচাই কিবা যেন ভাবি আছে।

কাষতে জ্বলি থকা চাকিৰ পোহৰত বৌটিৰ মুখখনলৈ লক্ষ্য কৰিলোঁ। বৌটি আগতকৈ বহুতো খীণালে। চকুৰ কোণ দুটাতো গভীৰ ৰেখা কেইটামান স্পষ্টকৈ জিলিকি উঠিছে। হাতৰ চালখনো কিছু শোটোৰা পৰা হেন হৈছে। এই পৰিবৰ্তন বয়সৰ কাৰণেই, নে হৈ যোৱা অসুখৰ কাৰণেই?

মেকুৰীজনীয়ে ক'ৰবাৰপৰা আহি নেজডাল পোন কৰি মোৰ গাত লগাই লগাই মেও মেও কৰিলেহি।

"চুহ্ চুহ্, এইজনী আকৌ ওলালহি ক'ৰ পৰা?" হাতৰ কটাৰীখনেৰে মেকুৰীজনীক খেদিবলৈ বৌটিয়ে চেষ্টা কৰিলে।

পলাওক ছাবি মেকুৰীজনীয়ে মোৰ গাত বেছিকৈ খহিবলৈহে ধৰিলে। ইতৰ প্ৰাণীয়েও মৰম আদায় কৰিব জানে! কাঁহীখনৰ পৰা মাছৰ কাঁইট আৰু ভাত কেইটামান দি বৌটিক শুনাই ক'লোঁ, "ইমানকৈ খীণাইছে মেকুৰীজনী!"

বৌটিয়ে এইবাৰো একো মন্তব্যকে নিদিলে। কটা তামোল কেইডোখৰ বঁটাত থৈ-মেলি মোলৈ নোচোৱাকৈ লাহেকৈ সুধিলে, "দেউতাৰাই দিয়া চিঠিখন পাইছ?"

"অঁ।"

বৌটিৰ মুখৰ ফালে কিছু আচৰিত হৈ চালোঁ।

দেউতাৰ চিঠিখন!

বিয়াৰ সন্মতি বিচাৰি লিখা চিঠিখন?

হঠাতে লাজ এসোপা আহি মোক হেঁচি ধৰিলেহি। বৌটিৰ মুখৰ ফালে চাব নোৱৰা হ'লোঁ। দেউতাৰ চিঠিখনৰ কথাখিনি মনলৈ অহাৰ লগে লগে কিছু চঞ্চল হৈ উঠিলোঁ। বৌটিয়ে মোৰ মনৰ পৰিস্থিতি সহজেই বুজি উঠিল।

"ভাত অলপ দিওঁনে, ডাঙৰ বাপু?" পৰিস্থিতি সহজ কৰিবলৈকে সম্ভৱ বৌটিয়ে মোক সুধিলে।

মনৰ ভাব-আবেগ হেতুকে অলপ চৰচৰণি খালোঁ; মুখেৰে নামাতি হাতখনেৰে 'নালাগে' বুলি ইঙ্গিত দিলোঁ।

"মাছ এডোখৰকে খা। আগৰ পকা-কাৰে এতিয়া দেখিবলৈ নাই।" চৰুৰ পৰা মাছ এডোখৰ কাঁহীখনত দি ক'লে।

মাছ ডোখৰৰ পৰা কাঁইট সোপা উলিয়াই মেকুৰীজনীক দি ভাবিলোঁ, বৌটিৰ আগত মই কিয় সহজ হ'ব পৰা নাই? দেউতাৰ চিঠিখনে কি অগৰ লগালে? বিয়াৰ কথা সকলোৱে কৰায়। মই অধ্যাপক হ'লোঁ বুলিয়েই কিবা ব্যতিক্ৰম ঘটিবনে? মই কিবা ছোৱালীৰ প্ৰেমত পৰিছোঁনেকি?

ক্লাছত 'কবিৰ অহৈতুকী প্ৰীতি' পঢ়াওতে ডাণ্টেৰ মনৰ খবৰ বহুতো দিলোঁ। ল'ৰা-ছোৱালীবোৰে লাজত ভলমূৰ কৰে। লাজ প্ৰকাশ কৰা ল'ৰা-ছোৱালীৰ মুখবোৰলৈ চাই এটি আনন্দ পাওঁ, — বিমল আনন্দ। ক্লাছৰ পৰিৱেশ নিয়ন্ত্ৰণ কৰিবলৈ মহাকবি ডাণ্টেৰ অমৰ কাব্যৰ ৰহস্যময় দিশৰ বিষয়ে বুজাই ছাত্ৰ-ছাত্ৰীইঁতক সহজ কৰি তোলোঁ।

কিন্তু, আজি মোৰ হঠাতে কি হ'ল?

"ডাঙৰ বাপু, ঘৰখন চলাব নোৱাৰা হৈছোঁ। মাটিও কমি আহিল। খাওঁতাও বাঢ়িল। তাতে, বানপানীয়ে পথাৰৰ ধান-মুঠি তুলিবকে নিদিয়ে। দেউতাৰাৰো চিন্তা কৰি থাকে— ঘৰখন চলোৱাবলৈ। ইফালে হালোৱা মানুহো পাবলৈ নাই। ভায়েৰাইঁতকো পঢ়াব লাগে। তোকো আমনি দিওঁনো কেনেকৈ? আছঁগে ইমান দূৰত। বিদেশত ধনেহে বন্ধু। সেইখিনি ধন তোকো লাগে। পাৰিলে ভনীয়েৰক সোনকালে উলিয়াই দিব লাগে। ভই ডনা-বুঢ়া হৈছে। তোৰ অমতত আমিনো কি কৰিব পাৰোঁ?"

বৌটিৰ কথাবোৰ শুনি গ'লোঁ। এগৰাকী মাতৃৰ সাধাৰণ অনুযোগ। এই অনুযোগবোৰৰ মাজত মোৰ মনৰ খবৰ প্ৰকাশ নাপালে। বিচিত্ৰ এই মানৱ মন! বৌটিৰ কাষতেই বহি ভাত খাই আছোঁ, অথচ মোৰ মনৰ সংঘাতৰ কথা গম নাপালে।

ঘৰখনৰ ভিতৰত ময়েই ডাঙৰ। বৰ পুত্ৰ। দেউতাৰ সৰ্বস্ব শক্তিৰ অৱিহনাৰে বিশ্ববিদ্যালয়ৰ শিক্ষা সামৰি ওলাই আহিছোঁ। মহাবিদ্যালয়ৰ অধ্যাপক হৈছোঁ। বৌটিয়ে বাৰু মোৰ মুখলৈ নাচাই, কাৰ মুখলৈ চাব? এই ঘৰখনৰ সমস্যা অকল জানো পিতৃ-মাতৃৰহে?

খন্তেক আগতে লাজে আবৰি ধৰা মোৰ মনলৈ ঘৰখনৰ সমস্যাই স্বাভাৱিক অৱস্থা ঘূৰাই আনিলে। মাছৰ কাঁইট এডাল মুখৰ পৰা উলিয়াই গহীন হৈ পৰা বৌটিৰ মুখখনলৈ চালোঁ। আশা-ভৰসা, আনন্দ-গৌৰৱ সকলোবোৰ একেলগে থুপ খাই বৌটিৰ মুখমণ্ডলত উদ্ভাসি উঠা দেখিলোঁ। এয়া মাতৃ হৃদয়ৰ সহজ ছবি!

মেকুৰীজনীক খেদি বৌটিলৈ চাই লাহেকৈ ক'লোঁ, "বাৰু বৌটি, মই বিয়া কৰালে ঘৰখনৰ সমস্যা জানো আঁতৰিব?"

"সমস্যা ক'তনো আঁতৰিব? সমস্যাৰ মাজতেই জীয়াই থাকিব লাগিব। তথাপি ভগৱন্তৰ কিৰিপাত তইঁতক ডাঙৰ কৰিলোঁ এতিয়া ঘৰ এখন লগাই থৈ যাব নোৱাৰিলে, আমি জানো শান্তি পাম?" মুখত তামোল এখন ভৰাই বৌটিয়ে ক'লে।

মই একো নামাতিলোঁ। নীৰৱে জ্বলি থকা চাকিৰ উজ্জ্বল শিখালৈ চাই ৰলোঁ। এক উজ্জ্বল পোহৰ অথচ ইমান নীৰৱ! আত্মাৰৰ স'তে জ্যোতিৰ অহৰহ সংগ্ৰাম।

"ডাঙৰ বাপু, আমি চাই অহা বোৱাৰী জানো তোৰ পছন্দ হ'ব?"

বৌটিৰ মুখলৈ চালোঁ। মিহি কাঁইট এডাল মুখৰ পৰা উলিয়াই ভাবিলোঁ — এয়া এগৰাকী মাতৃৰ সহজ প্ৰশ্ন। মাতৃৰ হৃদয়ত অমৃত বৰষিবও পাৰে, নতুবা মুহূৰ্ততে চূৰ্ণ-বিচূৰ্ণও কৰিব পাৰে। মই অনুভৱ কৰিলোঁ, এই প্ৰশ্নত বৌটিৰ মনত এটি ৰহস্য লুকাই আছে। মই সহজ হৈ ক'লোঁ, "বৌটি, মই আজিলৈকে নিজাকৈ কোনো ছোৱালী চোৱাগৈ নাই। তইঁতৰ ভালেই মোৰো ভাল। কিন্তু কথা হ'ল, অসমৰ এই পৰিস্থিত মই বিয়াখন পাতিব নোৱাৰোঁ। মৰিশালি হৈ পৰা দেশখনৰ মাটিত বিয়া পতা সম্ভৱ নহয় বৌ। মোৰ মনে কেতিয়াও শান্তি নাপাব।"

"কিবা এটা খবৰ দত্তৰ ঘৰত দিবগৈ লাগিল নহয়, ডাঙৰ বাপু।"

"দত্তৰ ঘৰত! কোন দত্ত?" ভাত গৰাহ হাততে থৈ বৌটিৰ মুখলৈ কৌতুহল ভৰা দৃষ্টিৰে চাই সুধিলোঁ।

"কিয় ? শশ বাপুহঁতক চিনি নাপাব হ'বলা। ঘৰখন বেয়া দেখিলি জানো ? ছোৱালীজনীও পঢ়া-শুনা কৰা।"

শশ বাপু।

মানে শশাঙ্ক দত্ত ?

তেনেহ'লে অণুৰ কথাকেই কৈছে! হঠাতে যেন কিবা এটা হৈ গ'লোঁ। দত্তহঁতৰ ঘৰখনৰ সকলো দৃশ্যই মোৰ দুচকুত ভাঁহি উঠিল। বৌটিৰ আগত মই যেন দুৰ্বল হৈ গ'লোঁ। ভাত খোৱা আৰু নহ'ল। হাতৰ ভাত গৰাহ কাঁহীতে থৈ চৰিয়াত হাতখন ধুবলৈ ধৰিলোঁ। হাত ধোৱা দেখি বৌটিয়ে সুধিলে, "ভাত এৰিলিয়েই দেখোন। কিবা বেয়া পালি নেকি ডাঙৰ বাপু ?"

"ভোক নাই বৌটি। সভাত চাহ-জলপান খায়েই আহিছোঁ নহয়। বেছিকৈ খালে অজীৰ্ণহে কৰিব। পিছে কথা নহয়'— গামোছাখনেৰে মুখখন মচি মচি বৌটিক ক'লোঁ, 'তহঁতে বিয়াখনত ইমানকৈ জোৰ দি আছ কিয় ? নাই নাই বুলিলেও বিয়া এখন আঠ-দহ হেজাৰৰ কমত নহয়। মোৰ হাতত টকা ক'ত ? ঘৰৰ মাটিসোপা বিকিলেহে হ'ব। মোৰ বিয়াৰ কথা তহঁতে এৰি দে। পাৰ যদি ভনীজনীৰ বিয়াখনকে ঠিক কৰ।"

তামোলৰ বঁটাখন বৌটিয়ে মোলৈ আগবঢ়াই দিলে আৰু কাঁহী-বাটি সামৰি সামৰি বৌটিয়ে ক'লে, "ভনীয়েৰৰ বিয়াখন ঠিক হৈয়েই আছে। তাইৰ আপত্তি হ'ল বৌৱেৰক চাই যোৱা।"

তামোল এখন মুখত ভৰাই বৌটিৰ কথাবোৰ শুনি গলোঁ। ভনীজনীক উলিয়াই দিলে ঘৰখনত বৌটি অকলশৰীয়া হ'ব। এই বিচ্ছেদৰ শোক পাহৰিবলৈকে আচলতে মোৰ বিয়াখনত বৌটিয়ে ইমানকৈ জোৰ দি আছে। হয়তো দত্তৰ ঘৰখনেও হেঁচা দিবহি পাৰে।

কিন্তু মই নিৰুপায়। দেশ আৰু জাতিৰ অস্তিত্ব ৰক্ষাৰ কাৰণে দেশৰ মাটি শ্বহীদৰ বেদীৰে ভৰি উঠিছে। এনে পৰিবেশত মোৰ বিয়া ? ......

"অণু, তই শোৱা নাছিলি ?" ভনীজনীক ওলাই অহা দেখি সুধিলোঁ।

"ওঁ। মই পিছে সকলো শুনি আছোঁ। দাদা, অণুহঁতৰ ৰুম দেখিলি ? কি ধুনীয়া ড্ৰয়িং ৰুম!" কথাখিনি কৈ অণুৱে অৰ্থপূৰ্ণভাৱে মোলৈ চাই হাঁহি দিলে, খিল্‌খিল্‌কৈ।

"দুষ্ট হৈছ দেই অণু। বৌটিক সহায় কৰি দেহি।"

"নালাগে দে আই, হাতখন লেতেৰা কৰিব। ককায়েৰক পানী এঘটি টেবুলত দি থৈ আহ গৈ যা।"

এনেতে "ৰাম কৃষ্ণ, ৰাম কৃষ্ণ" বুলি দেউতা ভিতৰলৈকে সোমাই আহিল।

"আই অ', দেউতাৰক সৌ পীৰাখন আনি দে।" বৌটিয়ে ক'লে। বেৰৰ কাষত থকা ডুখৰি-পীৰাখন আনি দি অনুজনী আঁতৰি গ'ল। বহাৰ লগে লগে তামোলৰ বটাটো দেউতালৈ আগবঢ়াই দিলোঁ।

"এই ৰাতিখন নেখাওঁ দে।" দেউতাই ক'লে।

কাণৰ কাষত গুঁজি থোৱা বিড়ি টুকুৰা উলিয়াই চাকিৰ শিখাত জ্বলাই জ্বলাই মোক সুধিলে, "ডাঙৰ বাপু, কালিলৈ যোৱাটো হ'লনে?"

"অঁ। কলেজৰ পৰীক্ষাও আছে। ধনেশ্বৰকো নিনিওঁ আৰু। ঘৰতে ইটো-সিটো কৰক।"

"চকুৰ আঁতৰত আছৈগে। তাতে বাৰে বঙলুৱা ঠাই চাগৈ। ধনক লগত নিনিলে বাটত অসুবিধা নহ'ব জানো?"

"নহয় বৌ। মে' মাহত গৰমৰ বন্ধ হ'বই। মিছাকৈয়ে খৰচ এটা বঢ়াই নলওঁ আৰু।"

"জানো বাপু। তইহে জান। পিছে সেই দত্তইতৰ পৰামৰ্শ ল'বি। একেখন জেগাৰ বুলি আপদে-বিপদে অন্ততঃ নোচোৱাকৈ নাথাকে। গোসাঁয়েহে জানে আৰু!" কাঁহী-বাটি কিটাৰে বৌটি আখলৰ ভিতৰলৈকে সোমাই গ'ল।

"অ' শুনিছানে?"

"কি?"

"পেৰাভাৰীৰ কুশৰামে দিয়া চিঠিখন ডাঙৰ বাপুক দিলা নে?"

"অঁ। পাহৰিছিলোৱেই। সোম বোপালৈ দিয়া চিঠিখন নহয় জানো?" ভিতৰৰ পৰাই বৌটিয়ে মাত দিলে।

"অঁ। ডাঙৰ বোপাক দিবা। দৰ্কাৰী চিঠি হ'ব পাৰে।" বিড়িৰ ধোঁৱা এসোপা উলিয়াই দেউতাই ক'লে।

"কুশ আহিছিল নেকি?" দেউতাক সুধিলোঁ।

"অঁ। মাষ্টৰৰ চিঠিখন দিবলৈ আহিছিল। লগতে তোকো লগ পাবলৈ বিচাৰিছিল সভালৈ যোৱা বুলি জানি সি নৰ'ল। এৰা, সোম বোপাক নেদেখা বহু বছৰেই হ'ল।"

"তেওঁ লঙ্কাক আপোন কৰি লৈছে। দত্ত নাথাকিলে লঙ্কাৰ সাংস্কৃতিক জীৱন তেনেই উকঙা উকঙা লাগে। ঠাইখনৰ কাৰণে মানুহজনে কিমান খাটিছে, দেখিলে শ্ৰদ্ধা কৰিবলৈ মন যায়।"

"ডাঙৰ বাপুক দুদিনমান থাকিবলৈ ক'লোঁ, নাথাকে হেনো।" বৌটিয়ে আখল-ঘৰৰ পৰা ওলাই আহি দেউতাক শুনাই ক'লে।

"এৰা চাকৰিৰ কথা। যাবলৈ খুজিছে যেতিয়া য'ক। ঘৰৰ সমস্যা সদায়েই থাকিব। নিজৰ দায়িত্ব নিজেহে জানে।"

বিড়িডালত দুবাৰমান টান দি বৌটিলৈ চাই দেউতাই আকৌ ক'লে, "ডাঙৰ বাপুলৈ এমুঠিমান কোমল চাউল বান্ধি নিদিয়া জানো?"

"দিওঁ। গাখীৰ লগাইছিলোহে, এঁৱা গাখীৰকে নিবি জানো?"

"নালাগে বৌ। বেলে-বাছে যাওঁতে ক'ৰবাত ভাগিহে থাকিব। গুৰ আছে যদি অকণমান বান্ধি দিবি।"

"এৰা, কুঁহিয়াৰ-বাৰীখনো কিবা হ'ল। বছৰলৈ এটা গুৰ, এতিয়া ছমাহো নাযায়। বৰ ভুঁইকঁপটো যোৱাৰ পৰা মাটিখিনিত কুঁহিয়াৰ ভাল নোহোৱাই হ'ল।"

"অণু, পানী ঘটি দিছ, ককাইদেৰেৰাৰ টেবুলত?" বৌটিয়ে বহাৰ পৰাই মাত লগালে।

"অঁ দিছোঁ।" মোৰ কোঠালিৰ পৰাই অনুৱে সঁহাৰি জনালে।

"যা বাপু, শুই থাক গৈ। ৰাতিও হ'ল।" বৌটিয়ে ক'লে।

লাহেকৈ উঠি মোৰ কোঠালিত সোমালোঁ। অণুৱে আঁঠুৱাৰ বচিডালত মেলি দিয়া গামোচাখনলৈ একেৰাহে চাই থকা দেখিলোঁ।

"কি চাই আছ বেষ্টী?" পেন্টৰ জেপৰ পৰা চিগাৰেট উলিয়াই অণুক সুধিলোঁ।

"ককাইদেউ, কোনে দিলে গামোচাখন?"

"কোনে দিব? বাইজে উপহাৰ দিছে ...... আদৰণিৰ।"

লেম্পৰ পোহৰত গামোচাখন মেলি ফুলবোৰ ভালদৰে চাবলৈ ধৰিলে। চিগাৰেট জ্বলাই বিছনাত বহি ল'লোঁ। দীঘলকৈ টান এটা দি ভাবিলোঁ, পুৱা আঠমান বজাত ঘাট পাবগৈ লাগিব। ফেৰীখন অহাৰ কোনো সঠিক সময় নাই। ঘড়ীলৈ চালোঁ — এঘাৰ বাজিবৰ হ'ল।

"ককাইদেউ!" গামোচাখন আগৰ ঠাইত থৈ মাতিলে।

"কি হ'ল? যা শুই থাকগৈ।"

"গামোচাৰ ফুলখিনি মই হ'লে চিনি পাইছোঁ। কথাখিনি কৈ তাই খিল্‌খিলাই হাঁহিলে।

"থ, থ। কাপোৰৰ ফুল চিনি পোৱাটো নহ'বি।" ধমক এটা দি বিছনাখনতে দীঘল দিলোঁ।

"কিয়? এইয়া অঞ্জুৰ হাতৰ হব্বই লাগিব। আমাৰ বনগাঁৱত এনে ফুল বাছিব জনা অঞ্জুৰ বাহিৰে আন নাই বুলি মই ডাঠি ক'ব পাৰোঁ।"

খিল্‌খিলাই আকৌ হাঁহিলে অণুৱে। কি হ'ল আজি অণুৰ! মোৰ খঙেই উঠিল। ধমক এটা দিবলৈ ধৰোঁতেই বৌটিয়ে ভিতৰৰ পৰা মাত লগালে, "অণু, এই ৰাতিখন কি হুলস্থূল কৰি আছ আই? এইফালে আহচোন, ককায়েৰক চিঠিখন দেহি। কালিলৈ আকৌ পাহৰিম।"

অণুৰ অনুপস্থিতিত শুই থকাৰ পৰাই মেলি থোৱা গামোচাখনলৈ চালোঁ। ক'তা, কিহৰ চিন এসোপা দেখিলে তাই। গামোচা গামোচাই। অঞ্জুৰ ছবিখন কিবা লাগি আছেনে গামোচাখনত? কি যে আঁকৰী! ভালদৰে তাইক পঢ়াব নোৱাৰিলোঁ। মই ওলাই আহো মানে পঢ়াৰ বয়সো নাইকীয়া হ'ল তাইৰ।

"আনিলি?"

"অঁ, ক'ত থওঁ চিঠিখন?"

"টেবুলৰ ওপৰতে থ।"

টেবুলখনৰ ওপৰতে চিঠিখন থৈ দুৱাৰখন জঁপাই তাই গুচি গ'ল। মন কৰিছোঁ, তাইৰ ৰাংঢালী মনটো নাই। বৌটিয়ে সম্ভৱ টান কথা শুনালে। চিগাৰেটত টান দুটামান দি নুমাই পেলালোঁ। আঁঠুৱাখন খুঁচি লেমটো নুমাই দিলোঁ। কোঠালিটো আন্ধাৰ হৈ পৰিল।

চকুৰ পতা জঁপাই ভাবিলোঁ, কিমান আশা আৰু সপোন লৈ বৌটিহঁতে সংগ্ৰাম কৰি আছে! পুৰণি মাটি কিডৰাবেই দেউতাই আমাক পঢ়াই আছে। চাকৰি কৰা আজি পাঁচ বছৰেই হ'লহি। কিন্তু, মই জানো ঘৰখনলৈ কিবা সহায় কৰিব পাৰিছোঁ? ইটা কেইচপৰা অনাটো বাদেই, উঁৱলিব ধৰা ঘৰখনৰ সাধাৰণ খুঁটা এডালকো লগাব পৰা নাই। মাহৰ দৰমহাৰে চলিবলৈকে টান হ'ল। এনে আৰ্থিক সংকট কালত বৌটিহঁতে বিয়াৰ কথাটো চিন্তা কৰিলে কিয়? বিয়াৰ খৰচৰ উপৰিও

কন্যা সুমুবাবলৈকে জানো ঘৰ এটা নালাগিব? এই বাস্তৱ দিশটো নোচোৱাকৈ বিয়া পতাৰ চিন্তা নকৰাই ভাল।

অণুজনীয়ে বাৰু কেনেকৈ চিনি পালে সেয়া অঞ্জুহঁতৰ ঘৰৰ গামোচা বুলি? অঞ্জুহঁতৰ ঘৰখনৰ বিষয়ে কিয় বাৰু তাই সুধিলে? শশাঙ্ক দত্তহঁতৰ ঘৰখনে মোক নিমন্ত্ৰণ জনোৱাৰ মাজত কিবা পাক আছিল নেকি? বিহুৰ নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ দত্তৰ ঘৰলৈ গৈছিলোঁ।

এৰা, শশাঙ্কই অঞ্জুৰে সৈতে মোৰ পৰিচয় কৰাই দি কৈছিল, "অঞ্জু এইয়া প্ৰদীপ চলিহা। লঙ্কা কলেজৰ অধ্যাপক। মোৰ কলেজীয়া বন্ধু।" লাজ কৰি নমস্কাৰ কৰিছিল অঞ্জুমালাই। দত্তই আৰু কৈছিল, "অকল অধ্যাপকেই নহয়, অসমৰ এজন সুলেখক আৰু কবিও।" 'ঝুমুৰৰ মূৰ্ছনা' উপন্যাসখন পঢ়িছেনে নাই বুলি তাইক সুধিছিল।

শশাঙ্ক দত্তৰে সৈতে কলেজীয়া জীৱনৰ পৰা বৰ্তমান সময়ৰ বহুতো কথাকেই আলোচনা কৰিছিলোঁ। তাৰ মাজতে অঞ্জুমালাই চাহ-জলপান দি আমাৰ কথাবোৰ শুনিছিল— নীৰৱে। দত্তই মাজতে মোৰ উপন্যাসখনৰ প্ৰশংসাও কৰিছিল— বীণা বৰুৱাৰ 'সেউজী পাতৰ কাহিনী'তকৈয়ো ভাল হোৱা বুলি। কুকুৰীজনীক ক'ৰপৰা বুটলিলোঁ বুলিও প্ৰশ্ন কৰিছিল। অঞ্জুৰ উপস্থিতিত উপন্যাসখনৰ প্ৰশংসা কৰা শুনি অলপ লাজো পাইছিলোঁ। আহিবৰ সময়ত ঘৰত সকলোৰে লগত পৰিচয় কৰাই দিছিল আৰু শৰাই এখনত ফুলাম গামোচাখন দি অঞ্জুমালাই বিহুৱান আগবঢ়াইছিল।

সকলো দৃশ্যই মোৰ চকুত ভাঁহি থকা দেখিছোঁ। কিন্তু ক'তা? অঞ্জুমালাৰ মুখখন দেখোন চকুতেই নপৰে। কেনে আছিল বাৰু অঞ্জুজনী? তাহাঁতৰ ঘৰখনৰ সকলো দৃশ্যই মোৰ মনত স্পষ্ট। কিন্তু অঞ্জুৰ মুখখন......

কেতেকী চৰাইৰ মাত শুনি কাণ পাতিলোঁ। কি যে বেদনামিশ্ৰিত গীত নিশাৰ কেতেকীজনীৰ কণ্ঠত! দিনতো শুনিছোঁ কেতেকীৰ সুমধুৰ মাত; কিন্তু নিশাৰ মাতৰ দৰে বেদনাগধুৰ ভাব এটা আনিব নোৱাৰে।

এৰা, দেৱকান্ত বৰুৱাই এনেয়ে লেখা নাছিল 'শুনিছানে কেতিয়াবা কেতেকীৰ হিয়া ভগা মাত?' বুলি। বসন্তৰ এই চৰাইবোৰে অসমীয়াৰ প্ৰাণত কি যে এক অনাবিল অনুভূতিৰ শিহৰণ তুলিব পাৰে!

টোপনি যাবলৈ চেষ্টা কৰিলোঁ। নাই, কোনো পধ্যেইচোন টোপনি নাহে। কি যে মস্কিল! পুৱাই উঠিব নোৱাৰিলে ফেৰী নাপামগৈয়েই। আন্ধাৰতে ঘৰৰ চালখনৰ কামিবোৰ মোৰ দুচকুত ভাঁহি উঠিবলৈ ধৰিলে। বাৰীখনৰ চাৰিওকাষে গজি উঠা টেঁকীয়া-বনবোৰ মোৰ সন্মুখত উজলি উঠা যেন দেখিবলৈ পালোঁ। ইম্‌ছম্‌নীয়া ৰোগে লম্ভিলহি নেকি?

হঠাতে শব্দ এটা শুনি কাণ পাতিলোঁ। শব্দটো আকৌ ভাঁহি আহিল। মেঘৰ গোঁজৰণি। ইমান গভীৰ এই শব্দ! আকাশৰ তলিৰ পৰা অহা এই শব্দই কিমান স্বপ্ন কঢ়িয়াই আনিব পাৰে কৃষকৰ মনলৈ!

মাজে মাজে হুঁচৰিৰ শব্দও শুনিবলৈ পালোঁ। গাওঁখনৰ পশ্চিম মূৰত কোনোবা দলে হুঁচৰি গাইছেঃ

কৃষ্ণাইৰ মূৰতে বকুল ফুল এপাহি
নিয়ৰ পাই মুকলি হ'ল ঐ গোবিন্দাই ৰাম.....

শুনি ভাল লাগিল। মাজুলীৰ মাটিত এতিয়াও হুঁচৰি গীতৰ সুৰ শুনিবলৈ পাইছোঁ। ছাত্ৰ জীৱনত কিমান বিহু গালোঁ, কিমান হুঁচৰি মাৰিলোঁ, কিমান মিছিং বিহু চালোঁ!

কিন্তু এইবছৰ বিহু অহা যেনেই লগা নাই। অন্য বছৰবোৰৰ দৰে হোৱা হ'লে, বিহুৰ ঢোলে গিজ্‌গিজাই বনগাওঁ কঁপাই থাকিলহেঁতেন। সকলোতে মন কৰি আহিছোঁ, বিহুৰ কোনো উৎসাহেই নাই। সকলোৰে মনত নিৰানন্দৰ ভাব। শুকান সুঁতি মিছিং গাওঁখনো এইবাৰ নীৰব হ'ল। দুখ লাগে ভাবিলেই। কি হ'ল অসমীয়াৰ প্ৰাণৰ ৰং!

কিমান সংগ্ৰাম কৰিলে এই জাতিটোৱে! ইতিহাসৰ পাতে পাতে কেৱল জীয়াই থকাৰ সংগ্ৰাম, জীয়াই ৰখাৰ সংগ্ৰাম। দেশখন স্বাধীন হৈয়ো জানো সংগ্ৰামৰ অন্ত হ'ল? এবা, জাতি এটা জীয়াই থাকিবলৈ হ'লে সংগ্ৰাম কৰিবলৈকো শিকিব লাগিব।

হুঁচৰি গীতৰ সুৰ ক্ৰমান্বয়ে নুশুনা হ'লোঁ। মেঘৰ গোঁজৰণিও লাহে লাহে স্পষ্ট হৈ আহিল। বাহিৰত বতাহৰ মৃদু শব্দ শুনিবলৈ পালোঁ। সম্ভৱ বৰষুণ আহিব। বৰষুণ এজাক অহা হ'লে! চালত পৰি হোৱা বৰষুণৰ টোপালৰ শব্দবোৰ ইমান মিঠা! স্বপ্নিল আমেজ এটা মনলৈ আনি দিব পাৰে— এজাক বৰষুণে! .....

.... ৰাখা চাপৰিত উঠাৰ লগে লগে দেখিলোঁ, কঁহুৱা বনেৰে ঠাহ খাই আছে চাপৰিটো। বতাহত ঢৌ খেলি খেলি কঁহুৱা ফুলবোৰে কি যে এক অপূৰ্ব দৃশ্যৰ

সৃষ্টি কৰিছে! নগা পৰ্বতৰ অ'ত ত'ত দেখিছোঁ কঁপাহৰ দ'ম হেন শাৰদীয় মেঘ। কি গভীৰ নীলা আকাশখন. ৰিব্‌ৰিব্‌কৈ বলি থকা বতাহজাকে মোৰ কল্পনাক যেন ক'ৰবালৈকে উকৰাই নিব লাগিছে। হঠাতে শুনিলোঁ মোৰ পাছফালে খিল্‌খিল্‌কৈ কোনোবাই হাঁহিছে। উভতি চালোঁ।......

"হাবে অঞ্জু!"

"অঁ। প্ৰদীপ দা, মোক এৰি আহিলে কিয়?"

দৌৰি অহাদি আহি তাই মোৰ কাষ পালেহি। সুন্দৰ ৰিহা-মেখেলা পিন্ধি আহিছে তাই। মই উত্তৰ দিবলৈ নাপাওঁতেই অঞ্জুৱে আকৌ ক'লে, "আপোনাৰ লগত মইয়ো লক্ষালৈ যাম বুলি কোৱা নাছিলোঁ? কি যে মানুহ পাই!" খিল্‌খিলাই আকৌ হাঁহিলে।

"অঁ, পাহৰিলোঁ দিয়া। শশাঙ্ক ক'ত?"

"সৌৱা, উভতি গ'লগৈ।"

উভতি চালোঁ। দুজনমান মানুহ আমালৈ নোচোৱাকৈ গৈ থকা দেখিলোঁ৷

কইঁৱা আৰু বিৰিণা বনৰ মাজে মাজে আমি দুয়ো খোজ কাঢ়ি আহিব ধৰিলোঁ। কি যে আচৰিত এই অঞ্জুজনী! দত্তৰ ঘৰখনে কি বুলি ভাবিব বাৰু?

হঠাতে দেখিলোঁ, অঞ্জু আৰু মই বেলেৰে আহি আছোঁ। বতাহত উৰি অহা তাইৰ চুলিখিনিয়ে মোৰ গাত কোমল শিহৰণ আনি দিলে। অঞ্জুৰ চুলিকোছাত যেন বহুতো মৰম থুপ খাই আছে! বাদাম চোবাই চোবাই মোক ক'লে,

"প্ৰদীপ দা, সৌটো নগা পাহাৰ নহয়নে?"

"অঁ।" খিৰিকিৰে জুমি চাই ক'লোঁ।

"কিমান ধুনীয়া পাই দেখিবলৈ! কহিমাখনো সৌখিনিতে নহয় জানো প্ৰদীপ দা?"

"অঁ। তাতেই হ'বলা। কহিমা নামটো ইমান চিনাকি, জানা অঞ্জু! পদ্মনাথ গোহাঞিবৰুৱাৰ তীৰ্থভূমি সেয়া। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই উখুল নগাৰ গাঁৱলৈ গৈ ইয়াকজীম লেখিছিল। এতিয়া নগা-ভূমি পৃথক হ'লে কি হ'ব অঞ্জু, বিনীত, নামঘৰ, আমাৰ সাহিত্যত নগাসকল চিৰকাল উজ্জ্বল হৈ থাকিব। এইয়া সংস্কৃতিৰ অবিনাশী আত্মা-স্বৰূপ।

"প্ৰদীপ দা, নগা-চাওত বহি দুয়ো কথা পাতিবলৈ পোৱা হ'লে, কিমান ভাল লাগিলহেঁতেন। পাহাৰৰ পৰা তৈয়ামখন দেখিবলৈ কেনে হ'ব বাৰু? সৌ পাহাৰখনৰ দৰেই সপোন-কোমল লাগিব নহয় প্ৰদীপ দা?"

"তুমি নাগামীজ জানা জানো?"

"অঁ। ভালদৰে জানোতোন। মামাইঁত কহিমাত থাকে নহয়। মোৰ এজনী বান্ধৱী আছে। তাইৰ নাম জীনু। জীনু ছেমা। তাই মোক সদায়েই কয়, 'অ'ই অঞ্জু, সদায় আহিবি না। আমাৰ বস্তিতে ভি নাচ হয়। চাবি না।' তাইৰ যে কিমান আনন্দ, কথাই প্রতি হাঁহি। ইমান সৰল জানা প্রদীপ দা, এই নগা মানুহখিনি।"

কথাখিনি কৈ অঞ্জুজনী হঠাতে উচুপি উঠিল। সজোৰে মোক সাৱটি ধৰিলে। আশ্রুসিক্ত নয়নেৰে মোৰ মুখলৈ এখন্তেক চাই হঠাতে তাই দৌৰি গ'ল সম্মুখৰ পাহাৰলৈ। মই শিয়ৰি উঠিলোঁ। পাহাৰত যে ব্লাষ্টিং হৈ আছে!

"অঞ্জু! নাযাবা। ব্লাষ্টিং ....."

কি আচৰিত! ব্লাষ্টিঙৰ শব্দত মোৰ কণ্ঠস্বৰ অৰ্থশূন্য হৈ গ'ল। ধূসৰিত পাহাৰ তলিত অঞ্জুজনী পৰি ৰ'ল। হাতত দেখিলোঁ, মোৰ হাতে লেখা উপন্যাসখনৰ পাণ্ডুলিপি দপ্‌দপ্‌কৈ জ্বলিব লাগিছে।

"অঞ্জু!"

"ককাইদেউ, ককাইদেউ! উঠক।"

"উঁ!"

"উঠক। ইমানকৈ চিঞৰিছে! কিবা সপোন দেখিছিল নেকি?"

চকু দুটা মোহাৰি বিছনাৰ পৰা উঠিলোঁ। কি আচৰিত সপোন! জ্বলি থকা পাণ্ডুলিপিৰ জুই-শিখা মোৰ দুচকুত যেন এতিয়াও জ্বলিয়েই আছে!

"কি হ'ল ককাইদেউ, সপোন দেখিছিল নেকি?"

"অঁ। বেলি ভালেমান হ'ল নেকি অণু?"

"চাহ-জলপান হ'লেই।"

"অঁ। যা, গৈছোঁ।"

টেবুলৰ ঘড়ীলৈ চালোঁ। চাবে পাঁচ বাজিবৰ হৈছে।

ফেৰী পামগৈ। কি সপোন দেখিলোঁ? পাণ্ডুলিপি! অঞ্জুৰ হাতত? কিবা অঘটন ঘটিল নেকি?

অজান আশঙ্কাত মোৰ মনটো দুক দুককৈ কঁপিবলৈ ধৰিলে। কি এক অপ্রত্যাশিত স্বপ্ন!

তেইশ অধ্যায়

চকিদাৰে চিঠিকেইখন আনি টেবুলত থ'লেহি।

অধ্যাপক অপূৰ্ব বৰুৱাই এখন এখনকৈ চিঠি কেইখন চাই মোলৈ এখন আগবঢ়াই ক'লে, "চলিহা, আপোনাৰ চিঠি।"

চিঠিখন লৈ খামৰ ওপৰত থকা প্ৰেৰকৰ ঠিকনা চালোঁ। ছপোৱা আখৰেৰে লেখা আছেঃ লুইত পাব্লিছিং হাউছ। গুৱাহাটী-৪। হেমন্ত বৰুৱাৰ চিঠি বুলি গম পালোঁ। অলপ পিছত পঢ়িম বুলি টেবুলতে থৈ অধ্যাপক সৌৰভ কুমাৰ শৰ্মালৈ লক্ষ্য কৰিলোঁ। আঁতৰতে বহি তেওঁ বৰ আগ্ৰহেৰে চিঠিকেইখনলৈ চাই আছিল। এখনো চিঠি নোপোৱা দেখি শৰ্মাই সুধিলে,

"মোৰ নাই নেকি বৰুৱা?"

"নাই।"

সহজ উত্তৰ।

"আমি অধ্যাপক হলোঁ বুলিয়েই চিঠি এখনো আহিব নালাগেনে?"

অভিমান আৰু অনুযোগ মিহলি এক কোমল অন্তৰৰ স্বতঃস্ফূৰ্ত প্ৰকাশ। অধ্যাপক বৰুৱাই শৰ্মাৰ বিমৰ্ষ মুখখনলৈ চাই ক'লে, "চিঠি দিবলৈ আমাৰ কোন আছে? 'প্ৰিয়তমাৰ চিঠি' পঢ়াৰ বয়স কাহানিবাই উকলিল। দুই-এখন চিঠি আহিলেও তাত ধনৰ হিচাপহে থাকে। ক'লৰিজৰ দৰে 'অল্‌বাট্‌ মিনিষ্টাৰছ্‌ অৱ লাভ্‌ এণ্ড ফীড্‌ হিজ্‌ ছেক্ৰেট্‌ ফ্লেম' বুলি প্ৰেমৰ মাহাত্ম্য উপলব্ধি কৰাবলৈ এতিয়া চিঠি নাহে, বুজিছে।"

"চাওঁ, চিঠিকেইখন মোৰ ফাললৈকে দিয়কচোন।"

"সেয়া, দেখিলে চলিহা। নাই বুলি ক'লেও মানুহটোৱে বিশ্বাসকে নকৰে।" ইন্‌ল্যাণ্ড কাৰ্ড এখন ৰাখি বাকীকেইখন চিঠি শৰ্মালৈ ঠেলি অধ্যাপক বৰুৱাই ক'লে।

অধ্যাপক শৰ্মাই চিঠি কেইখনৰ নামবোৰ এখন এখনকৈ মনোযোগেৰে চাবলৈ ধৰিলে। বৰুৱাই চিগাৰেট বিচৰাৰ চলেৰে চকুৰে ইঙ্গিত দিলে, শৰ্মাৰ চিঠি থকা বুলি। বুজিলোঁ, শৰ্মাৰ লগত বৰুৱাই অলপ ধেমালি কৰিবলৈ বিচাৰিছে।

"চিঠি এখন আহিব লাগিছিল ?" চিঠিকেইখন জাপি শৰ্মাই কিছু বিমৰ্ষ ভাবত ক'লে।

"নাহে দিয়ক শৰ্মা। আপুনি ৰাৱণৰ দেশত চাকৰি কৰিছেহি, তাতে যিদৰে গৃহদাহ আৰম্ভ হৈছে, চিঠিতকৈ মানুহ পায়হিহে লাগে, 'ঘৰৰ ল'ৰা ঘৰলৈকে ব'ল' বুলি।" চিগাৰেট জ্বলাই বৰুৱাই ক'লে।

"থওক হেৰি, ঘৰ জ্বলালেই বুলি লঙ্কা কলেজ এৰি যাম বুলি ভাবিছেনেকি ? এইখন ঠাই অসমত নহয় নেকি ? এখন ঘৰ জ্বলাইছে, দহোটা ঘৰ সজাম। আপুনি হেঁচি ধৰা চিঠিখন কাৰ ? চাওঁ দিয়কচোন।"

এইবাৰহে এইবাৰ। ধৰা পৰিল বৰুৱা। শৰ্মা মানুহজন বৰ চিৰিয়াছ্ টাইপৰ বুলি জানোঁ। মনে মনে ভয়ো লাগিছে, জানোচা শৰ্মাই ধেমালিৰ সুৰত কথাটো নলয় !

"এইখন আপোনাৰ নহয়; পৰাগ বৰুৱা শৰ্মাৰহে।"

অধ্যাপক শৰ্মাই সন্তৰ কথাটো ধৰিব পাৰিলে। প্ৰায় জোৰ কৰি বৰুৱাৰ হাতৰ পৰা চিঠিখন থপিয়াই লৈ গ'ল আৰু চিঠিখন চাই শৰ্মাই ভোৰ্ ভোৰাই উঠিল, "ধ্যেৎ ! আপুনি মানুহ মাৰিবদেই।"

"কাৰ চিঠি শৰ্মা ?" নজনা ভাও জুৰি সুধিলোঁ।

"কাৰ হ'ব, মোৰেই। নিজৰ নাই বুলি আনৰ চিঠিকো গায়েৰ কৰিব বিচাৰে। ল'ৰালি স্বভাৱ নগ'ল আৰু।"

চিঠিখন খুলি খুলি অধ্যাপক শৰ্মাই হো-হোৱাই হাঁহি দিলে। লগতে অধ্যাপক বৰুৱায়ো। শৰ্মাই কথাটো সহজভাৱে লোৱাত আনন্দ পালোঁ। তেওঁলোকৰ প্ৰাণ খোলা হাঁহিত ময়ো সহযোগ কৰিলোঁ। আমাৰ তিনিওজনৰে হাঁহিত, নীৰৱ হৈ থকা কলেজখন যেন হঠাতে সজীৱ হৈ উঠিল। কলেজৰ চকিদাৰ বাহাদুৰে কি হৈছে বুলি এপাক ভুমুকি মাৰি চাই গ'লহি।

অধ্যাপক শৰ্মা চিঠি পঢ়াত ব্যস্ত হ'ল। অপূৰ্ব বৰুৱাই কিছু গহীন হৈ চিগাৰেটৰ ধোঁৱা এসোপা এৰি দিলে।

"জীৱনৰ এইকণ আনন্দই আছেগৈ, শৰ্মা। দিনটো লেক্‌চাৰ দি দি আমাৰ মন আৰু শৰীৰ জেওৰা-খৰিতকৈও দিনক দিনে শুকান কৰি পেলাইছোঁ। এই আড্ডাবিকণত যদি হাঁহিবকে পাহৰোঁ, তেনেহ'লে আমি পাগল হৈ যাম বুজিছে। আমি আমাৰ সমাজখনক সুন্দৰ কৰিবলৈ আহি আমাৰ ঘৰবোৰকে জ্বলাইছোঁ।

আমাৰ কিহৰ স্বীকৃতি আছে কওকচোন? অধ্যাপক চলিহাই সমন্বয়ৰ কাৰণে দেহে-কেহে খাটিলে আৰু শেষত গৈ তেওঁৰ ঘৰটোকে জ্বলাই দিলে। এজন শিক্ষকৰ স্বীকৃতি সেইটোৱেই। দু ইউ এক্সপ্রেক্ট এনি ৰিকগ্নেশ্যন্ ফ্রম্ ইয়ৰ্ ল্যাণ্ড, চলিহা?"

কথাখিনি কৈ বৰুৱা নীৰৱ হ'ল। কাষৰ খিৰিকিৰে বাহিৰলৈ চাই চিগাৰেট হুপি হুপি কিবা ভাবত তন্ময় হৈ পৰিল। অলপ আগৰ উৎফুল্লিত মনৰ অধ্যাপক বৰুৱা হঠাতে গহীন হৈ পৰাত মোৰ বেয়া লাগিল। মাকুমৰ পৰা আহি কিমান আশাৰে ইয়াত শিক্ষকতা কৰিছেহি! ডেকা শিক্ষক এজনৰ এই মানসিক সংঘাত কম দুৰ্ভাগ্যজনক কথা নহয়। শিক্ষকৰ এই বেদনা সম্ভৱ আমাৰ দেশত চিৰদিনেই থাকিব।

ইচ্ছা কৰিয়েই বৰুৱাক কোনো সঁহাৰি নজনালোঁ। মনৰ দিগন্তত এখন্তেক জিৰণি ল'বলৈ বৰুৱাক এৰি দিলোঁ। প্রেছৰ পৰা অহা চিঠিখন লাহেকৈ ফালি টানি উলিয়াওঁতেই অধ্যাপক শৰ্মাই কৈ উঠিল, "কেৱল টকা লাগে। কি মস্কিল!"

"কিহে শৰ্মা, কি হ'ল?" নীৰৱতা ভঙ্গ কৰি বৰুৱাই সুধিলে।

ময়ো চিঠিখন নপঢ়ি শৰ্মাৰ মুখলৈকে চাই ৰ'লোঁ। মুখত বিতুষ্টিৰ ভাব। টকা-কড়িৰ চিন্তাই মানুহজনক জুৰুলা কৰি পেলাইছে। ইন্‌ল্যাণ্ড্ কাৰ্ডখন দুভাঁজ কৰি জেপত ভৰাই ক'বলৈ ধৰিলে, "দৰমহা পোৱাই নাই। ইফালে ঘৰৰ পৰা টকাৰ হিচাপ আহিলেই। কৃষকৰ ঘৰত জন্ম লৈ এই সমস্যাবোৰকেই পালোঁ।"

"সেইবাবেই চিঠিখন সামৰি থৈছিলোঁ। অধ্যাপকৰ গৌৰৱকণ লৈয়েই শৰ্মাই কিছু সময় আনন্দ কৰক বুলি। এতিয়া দেখিলে।" বৰুৱাই ৰসিকতা কৰাৰ চলেৰে কথাখিনি সম্ভৱ ক'লে।

বৰুৱাৰ কথা শুনি অধ্যাপক শৰ্মা যেন জিকাৰ খাই উঠিল। বৰুৱালৈ চাই শৰ্মাই ক'লে, "সেইবুলি প্রব্লেম্ ফেছ্ নকৰাকৈ থাকিব পাৰি জানো? কৃষকৰ ঘৰৰ পৰা আহিছোঁ যেতিয়া ঘৰুৱা সমস্যা থাকিবই। আমাৰ জীৱনবোৰ মেটাবলিছৰ 'ব্লু-বাৰ্ড' বুলি নাভাবিবচোন। বি মাষ্ট্ স্মাইল্ থ্রু' আৱাৰ্ টিয়েৰছ্।

শৰ্মাই কথাখিনি কিছু জোৰেৰে ক'লে। কথাখিনি শুনি ভাল লাগিল। এক বাস্তৱ মনৰ মানুহ বুলি শৰ্মাক আগৰেপৰাই জানোঁ। বৰুৱাই চিগাৰেটত দীঘলকৈ টান এটা দি মোলৈ চাই ক'লে, "অধ্যাপক শৰ্মাৰ প্রব্লেম শেষ। এতিয়া চলিহাই নিজৰ চিঠিখন পঢ়ক। আমাৰ উৎপাতত মানুহজনে চিঠিখনকে পঢ়িবলৈ সুবিধা পোৱা নাই।"

"হ'ব দিয়ক বৰুৱা। এতিয়া আপুনি কোৱাৰ দৰে প্ৰিয়তমাৰ চিঠিও নহয় আৰু শৰ্মাৰ চিঠিখনৰ দৰে ঘৰৰ সমস্যাৰ চিঠিও নহয়। কিবা প্ৰবন্ধ-পাতি বিচাৰিছে চাগে।"

কথাখিনি কৈ চিঠিখন মেলি ল'লোঁ।

Luit Publishing House
Kharghuli Hills
Guwahati : 781004

Date : ২৫ এপ্ৰিল, ১৯৮৩

প্ৰতি,

অধ্যাপক প্ৰদীপ চলিহা,

লংকা।

শ্ৰদ্ধেয় শ্ৰী চলিহা,

আপোনাৰ চিঠিখনে মোক গভীৰভাবে জোঁকাৰি দিলে। আপোনাৰ দৰে এজন নীৰৱ সাহিত্যিক আৰু কলেজ এখনৰ শিক্ষকৰ ঘৰতো জুই দিব পৰা ঘটনা সঁচাকৈয়ে আশ্চৰ্য। এগৰাকী সৃষ্টিশীল লেখকৰ বাবে পাণ্ডুলিপি ভষ্মীভূত হোৱা ঘটনা অতি হৃদয় বিদাৰক। এই ক্ষতি অকল আপোনাৰেই নহয়, সমগ্ৰ জাতিটোৰ কাৰণেই এক অপূৰণীয় ক্ষতি।

মোৰেই দুৰ্ভাগ্য। আপোনাৰ উপন্যাসখন ছপাই আমাৰ সাহিত্যলৈ সামান্য অৰিহণা যোগোৱাৰ যি আশা মনতে পোষণ কৰিছিলোঁ, সেয়া ধূলিসাৎ হৈ গ'ল। আপুনি অকল গুৱাহাটীলৈ আহিব। এটি অনুৰোধ, আহোঁতে পাণ্ডুলিপিৰ ছাইসোপা লগতে লৈ আহিব। ক্ৰান্তিকালৰ পৰিসমাপ্তি ঘটাবলৈ পূত ভস্মাৰ্ঘ্য ব্ৰহ্মপুত্ৰৰ জলধাৰাত নিবেদিম।

আপুনি অক্ষত অৱস্থাত ৰক্ষা পৰা বুলি জানি মনত কিছু সান্ত্বনা লাভ কৰিছোঁ। ঈশ্বৰে আপোনাক শক্তি দিয়ক। কুশলে থাকক।

গুৱাহাটীৰ মোৰ বাস-ভৱনত অকল আহিব। অতি আশাৰে।

ইতি

আপোনাৰ বিশ্বাসী

শ্ৰীহেমন্ত বৰুৱা

খাৰঘুলি, গুৱাহাটী।

"হাৰে, কি হ'ল চলিহা? মনটো দেখোন একেবাৰে মাৰি পেলালে। কিবা বেয়া সংবাদ নেকি?"

"নহয় বৰুৱা। প্ৰকাশক হেমন্ত বৰুৱাই অসম্ভৱ বস্তু এটা বিচাৰিছে। কথাটো মই বুজি পোৱা নাই।"

"কি অসম্ভৱ বস্তু বিচাৰিলে হেৰি?" অধ্যাপক শৰ্মাই মোৰ ফালে চাই প্ৰশ্ন কৰিলে।

"পাণ্ডুলিপিৰ ছাই।"

"পাণ্ডুলিপিৰ ছাই? কিবা নতুন উপন্যাস নেকি?"

"নহয়। সেই জ্বলি যোৱা উপন্যাসখনৰ ছাইসোপা বিচাৰিছে।" মই ক'লোঁ।

"কি অদ্ভুত কথা। চাওঁ চিঠিখন।"

দুয়ো চিঠিখন পঢ়িবলৈ ধৰিলে। মনৰ বিৰক্তি ভাব গুচাবলৈ বুলি চিগাৰেট এডাল জ্বলাই ললোঁ। দীঘলকৈ টান এটা দি ভাবিলোঁ— জুই একেটাই। এই একেটা জুয়ে ধুমপানত মোক আনন্দ দিছে আৰু সেই একেটা জুয়ে সৰ্বস্ব জ্বলাই মোক নিৰানন্দ কৰি তুলিছে। কি বিচিত্ৰ!

"চলিহা, হেমন্ত বৰুৱা মানুহজন সৎ যেন লাগিল। মানুহজনৰ দৃষ্টিও গভীৰ। কিন্তু পাণ্ডুলিপিৰ ছাই মানুহজনে বিচাৰিলে কিয়? ধ্বংসস্তূপৰ পৰা উপন্যাসৰ ছাই সোপা বিচাৰি পোৱা যাব? কি অদ্ভুত যুক্তি।"

চিঠিখন মোলৈ আগবঢ়াই বৰুৱাই মন্তব্য দিলে। চিঠিখন খামত লাহেকৈ ভৰাওঁতে শৰ্মাই ক'লে, "কাগজ এসোপাকে জ্বলাই তাকেই দিবগৈছে। ইমান অবিশ্বাস হ'লনে চলিহাৰ প্ৰতি। পুথি-প্ৰকাশকৰ প্ৰতি মোৰ পূৰ্ব ধাৰণা শেষ কৰি দিলে দেই এই চিঠিখনে। অসমীয়া গ্ৰন্থ প্ৰকাশকসকলৰ মনোভাব একেই নেকি? আমাৰ তামুলীক কৈ নিউজ কৰি দিয়ক হেৰি। চিঠিখনৰ ফটোষ্টেট কপি কৰি কাগজলৈকে পঠিয়াই দিয়ক। বৰ আচৰিত পালোঁদেই। ঘৰ জ্বলাই মানুহজনক নিঃস্ব কৰি পেলালে, এতিয়া আকৌ ছাইসোপাৰে প্ৰমাণ দিবগৈ লাগে। আশ্চৰ্য!"

"এৰা, কথাটো ময়ো বুজি পোৱা নাই। বৰুৱাই মাতিছে যেতিয়া এদিন গৈ দেখা দি আহিবগৈ লাগিব।" মই ক'লোঁ।

"হেৰি চলিহা, আপুনি পুলিচ তদন্তৰ কিবা ব্যৱস্থা ল'লেনে?"

"নাই শৰ্মা তদন্ত কাৰ ওপৰত কৰিব? মনৰ কষ্ট বঢ়াই লোৱাহে হ'ব।"

"কিন্তু এনেকৈ বহি থকাটো জানো উচিত হ'ব?" বৰুৱাই সুধিলে।

"কি কৰিব বৰুৱা! অকল মোৰেই জ্বলা নাই। সূৰ্য লস্কৰৰ ঘৰ আগতেই জ্বলিল। আজি গোটেই দেশখনতে জ্বলিছে। বিচাৰ কৰিব কে... ...আপোনালোক বহক দেই।" কথাখিনি কৈ বহাৰ পৰা উঠিলোঁ।

"হেৰি ক'লৈ যায়? বহকচোন বহক।"

"নবহো শৰ্মা, নতুন ঘৰ এটাৰ সন্ধান পাইছোঁ। মালিকজনে অপেক্ষা কৰি বৈ থাকিব।"

"কিয়? দত্তৰ ঘৰত কি হ'ল?"

"গৃহস্থৰ ঘৰত কষ্ট দিয়াৰ ইচ্ছা নাই বৰুৱা। ঘৰৰ সন্ধান পাওঁতে লৈ থোৱাই ভাল।"

"ক'ত হেৰি? আমিয়েই ঘৰ বিচাৰি নাপাওঁ, আপুনি ইমান সোনকালে ক'ত পায়?"

"এনেৰীয়াত। দত্তৰ ঘৰলৈ নামি যোৱা সেই চুকটোতে। বহকদেই বৰুৱা।"

"ভাল বাৰু।"

কমন ৰুমৰ পৰা ওলাই আহিলোঁ। কলেজখনৰ সন্মুখৰ পুখুৰীটোলৈ এনেয়ে এপাক চালোঁ। পুখুৰীটো তেনেই শুকান। ছাগলী কেইটামানে আপোন মনে ঘাঁহ খাই আছে। কি যে নিজান এই ঠাইডোখৰ!

বাটলৈকে আহি কলেজৰ চাইন-বোৰ্ডখনৰ কাষতে থিয় দি ক'ৰবাত ৰিক্সা আছে নেকি বুলি ইফালে সিফালে চালোঁ।

নাই। ৰিণিকি ৰিণিকি দেখা ভালুকমাৰীলৈকে চাই পঠিয়ালোঁ। মানুহৰ সেৰেঙা অহা-যোৱাৰ বাহিৰে, পথটো তেনেই নিৰ্জন। পৰীক্ষা দিয়াৰ পিছত ছাত্ৰ-ছাত্ৰীবোৰ কলেজখনৰ লগত সম্পৰ্ক নোহোৱাই হ'ল। কি যে উৰুঙা লগা পৰিবেশ!

চাইকেলখনো জ্বলিল। খোজকাঢ়ি যোৱাৰ বাহিৰে অন্য উপায় নেদেখিলোঁ। চিগাৰেটকে সম্বল কৰি খোজ ল'লোঁ।

বাটৰ কাষৰ মাৰোৱাৰীৰ বিৰাট মিল-ঘৰ আৰু গুদাম-ঘৰ দেখি ভাবিলোঁ, পাৰিবনে বাৰু তিষ্ঠি থাকিব এই পুৰণি নেপালী মানুহখিনি? মিল-ঘৰৰ কাষৰ এই জুপুৰি ঘৰবোৰৰ কি যে এক পুতৌ লগা দৃশ্য! এই দ্বন্দ্ব কিমান প্ৰকট অথচ কিমান নীৰৱ!

ভুল ক'ত হ'ল, নাজানিলোঁ, ঘৰটো জ্বলাই দিয়াত লঙ্কাৰ স্থানীয় বাইজ কি যে আশ্চৰ্যজনকভাৱে জিকাৰ খাই উঠিছিল। ছাত্ৰ-ছাত্ৰীসকলেও মোৰ অৱস্থা দেখি অশ্ৰু টুকিছিল। এই দুখ, এই বেদনাত জানো কপট ভাব আছে? এই স্নেহ, এই সহানুভূতি যে স্বাৰ্থৰ উৰ্দ্ধত। এই মাটিক বেয়া বুলিব কোনে? কিন্তু, জ্বলালে কোনে?

এৰা, মানুহৰ মনত দুষ্কৃতি আৰু সংস্কৃতি— এই দুয়োটা গুণেই থাকে। এই মনুহখিনিয়েই আকৌ পৰস্পৰে পৰস্পৰক সাৱটি ল'ব নিশ্চয়। ভুল বুজাৰ পিছত হিংসা, ঘৃণা, ক্ষোভ আদিৰে ভৰি থকা অন্তৰখন আকৌ ভ্ৰাতৃ-প্ৰেমেৰে উপচি পৰিব। কি আচৰিত মানুহৰ এই অন্তৰখন!

মানৱ-ইতিহাসে দেখোন তাকেই স্মৰণ কৰায়। ইতিহাস সেইবাবেই সম্ভৱ বৰ্ণাঢ্য আৰু বিচিত্ৰধৰ্মী।

এৰা, দুৰ্ভাগ্য মোৰেই। সংমল বৰুৱাৰ জীৱন-সংগ্ৰামৰ কাহিনীৰে ঠাইডে। ৰবক চাবলৈ যাওঁতে মই গৃহহীন হৈ পৰিলোঁ। অতি কষ্টেৰে লেখি উলিওৱা উপন্যাসখনৰ পাণ্ডুলিপি জুইৰ গৰাহত নিঃশেষ হৈ গ'ল। হেমন্ত বৰুৱাই ছাইসোপা বিচাৰি কিয় চিঠি লিখিলে? কালিলৈকে চিঠি এখন লেখি পঠিয়াব লাগিব। মে' মাহৰ প্ৰথম সপ্তাহতে এবাৰ লগ ধৰি আহিবগৈ লাগিব। টকা পাঁচশও যোগাৰ কৰি দি অহাই ভাল।

নিলগৰ ৰেল-পথটোলৈ চালোঁ। দ্ৰুত গতিত মেইল্ ট্ৰেন্‌খন হোজাই অভিমুখে গৈ আছে। সম্ভৱ আসাম্ মেইল্। কেৰেলুৱাৰ গতিতকৈয়ো নিমজ যেন লাগে আঁতৰৰ পৰা।

কি যে নিমজ এই গতি!!

চৌবিশ অধ্যায়

..... চলিহা মামা নাযাবা। আমাল তাতে থাকা না। বেয়া মামুহ ঢেল আছে। আকৌ জ্বলাব। জানা। ......

বিচনীখন ঘূৰাই ঘূৰাই কথাবোৰ মনত পেলালোঁ।

নতুন ঘৰলৈ যাম বুলি কোৱাৰ লগে লগে চকু দুটা ডাঙৰ কৰি সোণটিয়ে কৈছিল। আজি ওলাই আহোঁতে মোৰ ব্ৰীফ্‌কেছটোত ধৰি তাই সঁচাকৈয়ে হুকহুকাই কান্দি উঠিছিল। মিছেছ্ দত্তয়ো তাইক বুজাব পৰা নাছিল। মোক দেখিলেই শালিকাই জঁপিওৱা দি জঁপিয়াই আনন্দ প্ৰকাশ কৰা সোণটি আজি বোবা হৈ পৰিছিল। তাইক সান্ত্বনা দিবলৈকে মই একো ভাষাকে বিচাৰি পোৱা নাছিলোঁ। গেটলৈকে আহি মোক বিদায় দিছিল। বিদায়ৰ সেই মুহূৰ্তই তাইক আৰু বেছি বোবা কৰি পেলাইছিল। কাজল ভৰা চকু দুটাৰে কেৱল অশ্ৰু বোৱাইছিল নীৰবে।

পৰিস্থিতিলৈ চাই দত্তৰ ঘৰ এৰি আহিবলৈ মোৰো বেয়া লাগিছিল। কিন্তু কি কৰোঁ। একেখন ঠাইৰ হ'লো বুলিনো দত্তৰ ঘৰখনক কষ্ট দি থকাৰ কিবা যুক্তি আছেনে? দত্তৰ ঘৰত আশ্ৰয় লৈ থকা মানে ঘৰখনলৈ এটা ডাঙৰ বোজা। বিশেষকৈ আজিৰ দিনত আলহী হৈ থকাটো মোৰ মনে নিবিচাৰে।

'অম্বুবালয়'ত কোঠা এটা পাই তাতেই থকাটো ঠিক কৰি পেলালোঁ।

এৰা। কি হৈ গ'ল মানুহৰ মনবোৰ!

ইমান ক্ষুব্ধ, ইমান আক্ৰোশ, ইমান ঘৃণা আমাৰ মনলৈ আহিল কেনেকৈ? আমাৰ ইতিহাস, আমাৰ সাহিত্য, আমাৰ সংস্কৃতিয়ে আমাক একোকে শিকাব নোৱাৰিলে দেখোন। আমাৰ মনবোৰ যিমানেই মহাকাশলৈ ঢাপলি মেলিছে, সিমানেই মনবোৰ বহল হওক ছাৰি ঠেকহে হ'ব ধৰিছে। কি যে দুৰ্ভাগ্য!

মাজুলীৰ পৰা আহিয়েই ধ্বংসস্তূপৰ ছাই দেখি মোৰ মনৰ কি অৱস্থা হৈছিল মনত নাই। হয়তো মোৰ মনৰ ভাবসাম্য হেৰুৱাই পেলাইছিলোঁ। মোৰ হাতৰ ব্ৰীফ্‌কেছটো ক'ব নোৱাৰাকৈয়ে ধপচকৈ মাটিত খহি পৰিছিল। মূৰত হোল্‌ডলটো লৈ বিহাৰী মটিয়াজনে বাক্‌ৰুদ্ধ হৈ মোৰ মুখলৈ চাই কেৱল কৈছিল, এঁ ক্যা হোঁ গিয়া। কিমান সময় ধৰি মূৰে-কপালে হাত দি ক'লা ছাই সোপালৈ চাই আছিলোঁ

মনত নাই। মটিয়াটোও কেতিয়া গুচি গৈছিল মোৰ খিয়াল নহ'ল। ছাইসোপাৰ মাজৰ পৰা কেৱল মোৰ মানস-পটত ভাঁহি উঠিছিল উপন্যাসৰ পাতবোৰ আৰু শুভেন্দুৰ দৃশ্য-পট।

এৰা। মানুহৰ প্ৰতি মানুহৰ যিমানখিনি সৌহাৰ্দ্যৰ ভাব থাকিব লাগিছিল, আজি আৰু সিমানখিনি নাই। লক্কাৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানক ৰূপ দিওঁতা সোম নাথ দত্তই ক্ষোভ আৰু বেদনা প্ৰকাশ কৰি কোৱা কথাখিনি মনত পেলালোঁ। দত্তই কৈছিল, — 'চলিহা, ডেৰকুৰি বছৰ এই মাটি ডোখৰত কটাই দিলোঁ। মোৰ চকুৰ আগতে বহুতো মানুহ ধনীও হ'ল আৰু বহুতো ডাল-দৰিদ্ৰও হ'ল। অথচ উলু-বন আৰু পনিয়লৰ কাঁইট গুচাই স্কুল গঢ়া আমি শিক্ষকমখা একে অৱস্থাতেই আছোঁ। তাৰ কাৰণে দুখো কৰা নাই। কিন্তু লস্কৰৰ ঘৰ জ্বলোৱাৰ পিছত আপোনাৰ ভাৰাঘৰটোকো জ্বলাই দিয়াত মই সঁচাকৈয়ে স্তম্ভিত হৈছোঁ।'

দত্তই আৰু কৈছিল, 'এই ত্ৰিছটা বছৰে আমি লঙ্কাক একোকে নিদিলোঁনেকি? আন্দোলন আৰু নিৰ্বাচন— এই দুয়োটাৰে ক্ষোভ আমাৰ ওপৰত পৰিল কিয়?'

দত্ত মানুহজনৰ দেশ-প্ৰেম আৰু সাহস যিমান, সিমানেই আছে কৰ্ম-শক্তি আৰু মানুহৰ প্ৰতি অপৰিসীম স্নেহ। জ্বলি যোৱা ঘৰটো তেঁৱেই বিচাৰি দিছিল। ঘৰটো তেওঁৰেই ছাত্ৰ বিজয় দেৰ। অসমীয়া ভাষা-সাহিত্যক ভাল পোৱা এগৰাকী বঙালী সম্প্ৰদায়ৰ লোক বিজয় দে।

কিয় জ্বলালে দে বাবুৰ ঘৰটো?

সূৰ্য লস্কৰৰ ঘৰটো জ্বলোৱাত কিবা স্বাৰ্থ থাকিবও পাৰে। কিন্তু দে বাবুৰ ঘৰটো! সমন্বয়ৰ প্ৰস্তুতি এই ঘৰখনৰ পৰাই চলাইছিলোঁ বাবেই মোৰ ওপৰত এই প্ৰতিশোধ নেকি?

দত্তৰ ঘৰত আশ্ৰয় লৈ ভাবিছিলোঁ— ঘৰলৈকে গুচি যামগৈ। ঠাইখনৰ প্ৰতি হঠাতে অনাস্থাৰ ভাব আহিছিল। যিখন ঠাইৰ মানুহে ঘৰত জুই দিবলৈ কুণ্ঠাবোধ নকৰিলে, সেইখন ঠাইত কি প্ৰেৰণাৰে কলেজখনত কাম কৰিম? ঘৰগাঁৱলৈকে গুচি যোৱাৰ কথা দত্তক কৈছিলোঁ।

কিন্তু নোৱাৰিলোঁ।

দত্তই যিদৰে সাহস দিলে, মই বৈ যাবলৈ বাধ্য হ'লোঁ। ভ্ৰাতৃত্বৰ ভাবেৰে দত্তই মোক বুজাইছিল, 'চলিহা, আপুনি লঙ্কা এৰি যাব কিয়? এই পৰিস্থিতিত আপুনি গুচি গ'লে, দুস্কৃতিকাৰীইতে বেছিকৈহে আসে পাব। ঘৰ জ্বলাই দিলেই

আমি পৃষ্ঠভঙ্গ দিম কিয়? আমি মানুহ নহওঁনেকি? আমি কিবা বতা-চৰাইনে? লঙ্কাৰ মাটি জানো অসম্ভৱ নহয়? আপুনি গুচি যোৱাৰ চিন্তা মুঠেই নকৰিব। আপুনি মোৰ ঘৰতেই থাকক। চাওঁচোন, কোনে আহি আপোনাৰ গাত হাত দিয়ে?....'

এৰা, যাম ক'লৈ? অসমৰ চাৰিওফালে কেৱল ধ্বংসস্তূপ। আনকি মাজুলীতো সেই একেই ৰূপ। তাতো আজি হিংসা, ঘৃণা, সন্দেহ আৰু ধ্বংসৰ নিচা।

লঙ্কা এৰি আঁতৰি যোৱাৰ পথ তেন্তে ক'ত?

উস্! ছাইৰ দ'মটোৰ মাজত লঙ্কাৰ ইতিহাস হেৰাই গ'ল। লগতে হেৰাই গ'ল, শুভেন্দুৱে অঁকা মানৱ-ভ্ৰাতৃত্বৰ এক মিঠা ৰঙৰ বৰ্ণালী! জ্বলি ছাই হৈ গ'ল, আম্‌বেঙৰ পৰা অনা অৰ্কিড্ আৰু বকবাই দিয়া গোলাপ জোপা। ঘৰৰ পৰাই ভাবিছিলোঁ, বিহুৰ ঢোলৰ মাত শুনি অৰ্কিড জোপা ইমানপৰে চাগে ফুলিল!

সকলো সপোন হ'ল। সপোন ইমান সত্য হ'ব বুলি কাহানিও ভবা নাছিলোঁ। দুখ লাগে ঘৰৰ মালিক বিজয় বাবুলৈ। মোক দেখিয়েই মানুহজনে চকু দুটা সেমেকাই পেলাইছিল। কমালখনেৰে চকুৰ কোণ দুটা মচি মচি দুখেৰে কেৱল কৈছিল, "ছাৰ! আপোনাৰ মাল-বস্তু একোকে উলিয়াব নোৱাৰিলোঁ।

সা-সম্পত্তি বুলিবলৈ অৱশ্যে মোৰ বিশেষ একো নাছিল। শিক্ষক এজনৰ লগত থাকিবলগীয়া কিতাপ-পত্ৰ আৰু কেইখনমান চকী-টেবুল। চাইকেলখন জ্বলি যোৱাত কলেজলৈ অহা-যোৱাত কষ্ট হ'ব। কাণায়ে দিয়া বেঁতৰ চকী কেইখনো ব্যৱহাৰ কৰিবকে নাপালোঁ। এইবোৰ উদ্ধাৰ কৰিব নোৱাৰাত বিশেষ দুখ কৰিবলগীয়া নাই। কিন্তু পাণ্ডুলিপি? পাৰিম জানো আৰু এখন উপন্যাস লেখিব?

পুলিচে সন্দেহযুক্ত মানুহৰ নাম দিবলৈ কৈছিল। নিদিলোঁ। প্ৰয়োজনবোধ নকৰিলোঁ।

ঘৰ জ্বলাইছে মানুহেই। এইটো দেখ দেখ কথা। এনে মানুহৰ পৃথক নাম আৰু কি থাকিব পাৰে? অসমৰ আকাশত আজি কেৱল ধ্বংসৰ কুকুহা উৰিব লাগিছে। দোষিম কাক? দোষী কৰিব কোনে?

স্বাধীনতাৰ পিছত আমি মানুহখিনিয়ে এক কম্প্লেক্সত ভুগিছোঁ নেকি? নে এই তিনিটা দশকৰ ভিতৰতে হাজাৰ বছৰীয়া ইতিহাসক চেৰ পেলাই ৰেকৰ্ড ভঙ্গ কৰাৰ দুৰন্ত অভিলাষ। আমি যেন আজি অধৈৰ্য্য হৈছোঁ। সময়তকৈ, মনতকৈ বেছি বেগাই লগ'লেই নহয়, এই যেন ভাব হৈছে আমাৰ।

এৰা, এনে কিবা এটা নঘটিলে, আমি ধ্বংসৰ পথলৈ কিয় আগ বাঢ়িব ধৰিছোঁ ?

বীৰেণ শৰ্মাই অতি ক্ৰোধেৰে কৈছিল, "এতিয়া স্বৰ্ণ-লঙ্কা জ্বলিল; সীতাৰ উদ্ধাৰ হ'বনে ?"

এৰা, মানুহজনে কোৱা কথাখিনি গমি চাবলগীয়া। তেখেতে দুখেৰে কৈছিল. — স্বাধীনতাৰ পিচত আন প্ৰদেশৰ পৰা বহুতো মানুহ আহিল; কিন্তু অসমীয়া কিমানজন হ'ল ? হ'লনে অসমীয়া— আগৰৱালাৰ দৰে, পীৰ চাহাবৰ দৰে, চুবেদাৰ ৰামসিঙৰ দৰে, টাইসকলৰ দৰে ? অসমৰ মাটিক চিনিলে কেইজনে, বুজিলে কেইজনে ?

ঠিকেই। আমি যিদৰে সৰ্ব্বভাৰতীয় হ'ব লাগিছিল, সেইটোতো হ'ব নোৱাৰিলোৱেই। এতিয়া সাধাৰণ অসমীয়াও হ'ব নোৱাৰিলোঁ।

উস্! কি যে গৰম।

বিচনীখনৰ বতাহো গৰম।

বিচনীখন ঘূৰাই ঘূৰাই ভাবিলোঁ, ভুল ক'ত হ'ল ? লঙ্কাৰ মাটিয়ে জানো ভুল কৰিছে ? ইয়াৰ মাটিত ইতিহাসৰ স্বাক্ষৰ আছে। মানুহেইতো ইতিহাস ৰচে। ভুল কৰে মানুহেই আৰু শুদ্ধও কৰে মানুহেই। এই ধ্বংসৰ নিচা জানো লঙ্কাত সদায় থাকিব ?

এৰা, লঙ্কাক এৰি যাব নোৱাৰিলোঁ।

ছাত্ৰ-ছাত্ৰী আৰু মানুহৰ কাৰণে নোৱাৰিমো।

অঙ্কুৰালয় মেছত থিতাপি লৈছো যেতিয়া বাট চাব লাগিব এই অমৃত সন্তানসকললৈ।

এই দেশ মানুহৰ দেশ। ন হন্যতেৰ দেশ।

এদিন নিশ্চয় ঘূৰি আহিব আমাৰ পথলৈকে।

হঠাতে দাঁত সিৰ্সিৰাই যোৱা হেন পালোঁ। এৰা, গৰু-গাড়ী। চকাত শিল-গুটি লাগি গুৰি হোৱাৰ এক অস্বস্তিকৰ শব্দ। এনে শব্দই মোক অসহনীয় কৰি তোলে।

খন্তেক পিছতে গাড়ী-চকাৰ সেই শব্দ নোহোৱা হ'ল। সম্ভৱ বালিঅঁহীয়া পথত গাড়ীখন উঠিল। গৰু-গাড়ীৰে নৈশ-যাত্ৰাৰ আমেজ উপলব্ধি কৰাৰ লগে লগে মোৰ নিদ্ৰাবিহীন দুচকুলৈ তন্দ্ৰা নামি আহিব ধৰিলে।

পাঁচিশ অধ্যায়

নবগ্রহলৈ যোৱা পথটোৱে হেমন্ত বৰুৱাৰ ঘৰলৈকে খোজ ললোঁ। পথটো বেছ নিৰ্জন। খোজ কাঢ়ি ভালেই লাগিছে। গোপীনাথ বৰদলৈ পথটোৰ দৰে মানুহৰ উধাতু খোৱা ব্যস্ততা নাই। চহৰৰ বুকুতে থাকিও চহৰৰ ব্যস্ততাৰ পৰা পথটোৱে যেন কোনো এক অজ্ঞাত কাৰণত নিজকে আঁতৰাই ৰাখিছে।

পথডোখৰ ক্ৰমান্বয়ে ওপৰলৈ উঠা। দেখাত সমতল যেনেই লাগে। কিছু দূৰ আগবঢ়াৰ লগে লগে ভৰি দুখনৰ কলাফুল টানি ধৰা যেন অনুভৱ কৰিলোঁ। পিছলৈ উভতি চালোঁ। এৰি অহা শিলপুখুৰী বজাৰখন বেছ তল পৰি গ'ল। যিমানেই আগবাঢ়িবলৈ ধৰিলোঁ, সিমানেই কলাফুলত জোৰ পৰিবলৈ ধৰিলে।

ছেঃ! চমু বাট বিচাৰি কষ্ট এসোপা চপাই লোৱাহে হ'ল যেন পাইছোঁ। উজান বজাৰ হৈ যোৱাই ভাল আছিল। আগত কম্বাচল পাহাৰখন আছেই। পাৰিম জানো উঠিব?

পথটোৰ একাষত থিয় দি পাহাৰখনলৈ চালোঁ। বেছ ওখ পাহাৰ। মন্দিৰলৈ যোৱা খট্‌খটিটো আঁকাই-পকাই ওপৰলৈকে উঠি গৈছে। পাহাৰৰ অ'ত ত'ত ফুলি উঠা সোণাৰু গছবোৰ বেছ চকুত লগা হৈছে। দুই-এঘৰত কৃষ্ণ-চূড়াও ফুলি উঠিছে। মে' মাহবো দেখিছোঁ, মানুহৰ দৃষ্টিক আঁজুৰি নিব পৰা সৌন্দৰ্য এটা আছে!

দুজনমানক খট্‌খটিৰে ওপৰলৈ উঠি যোৱা দেখিলোঁ। মনলৈ উদ্যম আহিল। চিগাৰেট এটা জ্বলাই টান দুটামান মাৰি আকৌ খোজ ল'লোঁ। কি যে আচৰিত মনৰ মানুহ এই বৰুৱাজন! জ্বলি-পুৰি শেষ হোৱা পাণ্ডুলিপিৰ ছাইসোপা তেওঁ বাৰু কিয় বিচাৰিলে? টকাখিনি ঘূৰাই নিবিচাৰিলে কিয় মানুহজনে? মোৰ প্ৰতি মানুহজনৰ বিশ্বাস হেৰাই গল নেকি? ভস্মীভূত হোৱা পাণ্ডুলিপিৰ পৰা জানো নতুনকৈ উপন্যাসখন পুনৰ উদ্ধাৰ কৰা সম্ভৱ?

পথৰ সোঁ-কাষে থকা ওৱাৰ্ চিমেটাৰীলৈ মোৰ চকু পৰিল। দ্বিতীয় বিশ্বযুদ্ধৰ মৃত বীৰ সৈনিকসকলৰ স্মৃতিৰে গঢ়া বাগিচা হেন এক সুন্দৰ সমাধি-ক্ষেত্ৰ। আবেলিৰ পোহৰত উদ্ভাসি উঠিছে অদূৰৰ চিমেটাফ্‌টো। কিমান ইতিহাস চাগৈ থুপ খাই আছে, এই মাটি ডোখৰত!

এৰা। আজি হেম বৰুৱা থকা হ'লে, 'বালিছন্দা'ৰ লেখীয়া কবিতাৰে দেশৰ মাটিৰ কাৰণে শ্বহীদ হোৱা অসম সন্তানক লৈ মানৱ-ক্ৰন্দনৰ ইতিহাস ৰচিলেহেঁতেন!

'ৰৰফত জুই' আজি সঁচাকৈয়ে জ্বলিছে। এই ছয়ত্ৰিছটা বছৰে কিমান শ্বহীদ হ'ল, ভাবিলেই দেখোন মনটো গধুৰ গধুৰ লাগে। অসমৰ শ্বহীদসকলৰ 'শ্বহীদ ক্ষেত্ৰ' গঢ়ি উঠিবনে কাহানিবা লুইতৰ পাৰৰ কোনো এক পবিত্ৰ ভূমিত?

ধন্য অসমৰ মাটি। দেশৰ সাৰ্বভৌমত্ব ৰক্ষাৰ কাৰণে সংগ্ৰাম কৰি জীৱন আহুতি দিয়া অচিনাকি সৈনিকসকলকো তুমি আদৰি ৰাখিলা। বাৰু দ ৰৱণীয়া এই সমাধিবোৰত জানো হিৰোশ্বিমাৰ ধ্বংসস্তূপৰ ছাই মিহলি হৈ থকা নাই? এইবোৰ দেখি মানুহৰ মনবোৰে সাৰ পাবনে বাৰু কাহানিবা?

বহল পথডোখৰ পাহাৰৰ দাঁতিতে শেষ হ'ল। পাহাৰলৈ উঠি যোৱা খট্‌খটিলৈ চাই হাতৰ চিগাৰেট টুকুৰা পেলাই দিলোঁ। দীঘলকৈ উশাহ এটা লৈ খট্‌খটিৰে উঠিবলৈ ধৰিলোঁ।

কেইখোজমান উঠাৰ পিছতেই বুকুৰ স্পন্দন অনুভৱ কৰিলোঁ। পৰ্টফলিঅ' বেগটো কাষলতিত লৈ, আঠু এটাত ভৰ দি দি আৰু কেইখোজমান উঠিলোঁ। ভৰিৰ চেণ্ডেলযোৰ দলিয়াই দিবৰ মন গ'ল। এখন্তেক ৰৈ উশাহ দীঘলকৈ টানি এৰি দিলোঁ। মুখৰ বতাহখিনি কিমান দূৰলৈ গ'ল ধৰিব নোৱাৰিলোঁ। বতাহখিনি ওলাই যাওঁতে হোৱা শব্দহে মোৰ কাণত পৰিল।

আৰু কেইখোজমান উঠাৰ পিছত এখন্তেক জিৰাবৰ মন গ'ল। গছৰ ছাঁ পৰা ঠাই এডোখৰলৈকে আগবাঢ়ি খট্‌খটিৰ একাষত থিয় দিলোঁ। জেপৰ পৰা ৰুমালখন উলিয়াই শৰণীয়া পাহাৰলৈ চাই চাই বৈ অহা মুখৰ ঘামবোৰ মচিবলৈ ধৰিলোঁ।

পাহাৰৰ ওপৰৰ গান্ধী-মণ্ডপটো মোৰ দুচকুত ভাঁহি উঠিল। গান্ধী-মণ্ডপটো পাহাৰৰ ওপৰত সজালে কিয়? মানুহৰ মন নিকা কৰিবলৈ গৈ মানুহৰ হাতেতেই মৃত্যু বৰণ কৰা আমাৰ বাপুজী এতিয়া পবিত্ৰ মন্দিৰলৈ ৰূপান্তৰিত হ'ল। শৰণীয়া পাহাৰ বগাই গান্ধী-মণ্ডপ দৰ্শন কৰাও এতিয়া কষ্টকৰ হ'ল।

মোৰ আগেদি দুজনমানে খলকপাই নামি গ'ল— নিৰ্দ্ধুশ ভাৱে। এৰা। পাহাৰত উঠাটো সহজ নে নমাটো সহজ? বিশ্ববিদ্যালয়ত পঢ়ি থাকোঁতে কেইবাবাৰো নীলাচল পাহাৰত উঠিছিলোঁ। কিন্তু, মনৰ এই খোকোজা আজিলৈকে নগ'ল।

উস্! আজিৰ দৰে ইমান ভাগৰ কাহানিও মোৰ লগা নাছিল। বয়সৰ কাৰণেই সম্ভৱ এই ভাগৰ। বয়সক স্থিৰ বিন্দুত ধৰি ৰাখিব পৰা হ'লে!.....

মুখখন মচি মচি গুৱাহাটী চহৰৰ বিস্তীৰ্ণ অঞ্চলবোৰলৈ এখন্তেক নিৰীক্ষণ কৰিলোঁ। চকুৰ আগতে গুৱাহাটী চহৰখন ভাঁহি উঠিল। সুদূৰ নৰকাসুৰ কালাপাহাৰলৈকে কেৱল মানুহৰ ঘৰ। কিমান অট্টালিকা, কিমান ঘৰ, দেখিলেই আচৰিত লাগে।

অলপ পৈ মন্দিৰৰ প্ৰাঙ্গন পালোঁ। এছাটি জুৰ বতাহ গাত লাগিল। পাহাৰ বগাই উঠি অহা ভাগৰখিনি যথেষ্ট উপশম হোৱা যেন পালোঁ। কিছু ফৰকাল ফৰকাল অনুভৱ কৰিলোঁ। ভাগৰ পলোৱাৰ চলেৰে এখন্তেক বৈ নৱগ্ৰহ মন্দিৰলৈ চালোঁ। মন্দিৰটো কিমান বিশাল! আমাৰ স্থপতিবিদসকলে কিমান নিখুঁতকৈ মন্দিৰটো গঢ়ি তুলিছে, ভাবিলে বিস্ময় মানিব লাগে।

"ভোগ ল'ব বাবু?" কাষৰ গুমটিৰ দোকানীজনে সুধিলে। মই হাতখন দেখুৱাই নালাগে বুলি ইঙ্গিত দিলোঁ।

ভাগৰ যথেষ্ট আঁতৰিল। বুকুৰ স্পন্দনো স্বাভাৱিক হ'ল। বৰুৱাৰ ঘৰলৈ বুলি আকৌ খোজ ললোঁ।

মোৰ হেনো গ্ৰহৰ দোষ। ঘৰ জ্বলাৰ মূল কাৰণ হেনো সেইটোৱেই। গুৱাহাটীলৈ গ'লে ভাল জ্যোতিষীৰ হতুৱাই গণনা কৰি আঙুঠি ধাৰণ কৰিবলৈকো দুই-এক বন্ধুৱে পৰামৰ্শ আগবঢ়ালে। কাষৰ ইমানবোৰ ঘৰ থকাতো আনবোৰত নজ্বলিল, জ্বলিল মই থকা ঘৰটোতহে। গ্ৰহৰ দোষ নহয়নো কি? লক্ষেশ্বৰী থানৰ পূজাৰীজনেও মোক এইদৰে বুজাইছিল। কি যে অদ্ভুত যুক্তি!

কেঁচা পথটোৰে দুপাকমান ঘূৰাৰ পিছত বিশাল লুইতখন দেখিবলৈ পালোঁ। সুদূৰ শৰাইঘাট দলঙলৈকে মোৰ দুচকুত লুইতখন প্ৰকাশি উঠিল। আবেলিৰ উজ্জ্বল পোহৰত আমিনগাঁৱৰফালে লুইতৰ বুকুখন তিৰ্‌বিৰাই উঠা দেখিলোঁ। এখন্তেক বৈ গুৱাহাটীৰ এই বিশাল পটভূমিলৈ নিৰীক্ষণ কৰিলোঁ। কজলা বৰণ সানি আগীয়াঠুৰী পাহাৰৰ ওখ-চাপৰ শাৰীবোৰ গভীৰ ৰূপত প্ৰকাশি উঠিছে। দুই-এডোখৰ পাতল ভাবৰে পাহাৰৰ গাত চুমি পাহাৰৰ ৰূপ-সৌন্দৰ্য বঢ়াই তুলিছে। অদূৰত দেখিলোঁ নীলাচল পাহাৰ। ভুবনেশ্বৰ মন্দিৰৰ সিফালেই মহাতীৰ্থ কামাখ্যা ধাম।

এৰা মহাদেৱী কামাখ্যা অষ্ট্ৰিক্ নে আৰ্য সংস্কৃতিৰ? কুকুৰা চৰাইৰ দ্বাৰা নৰকাসুৰৰ পৰাজয় সাংস্কৃতিক সংঘাতৰেই প্ৰতীক নেকি? অষ্ট্ৰিক-মঙ্গোলীয় সংস্কৃতিত কুকুৰা চৰাই হ'ল যজ্ঞভূমিৰ পবিত্ৰ পক্ষীধন। অমৰ বৰ্ণাঢ্য ৰূপ আৰু বৈশিষ্ট্যসমূহ এই নগৰখনতেই দেখোন থূপ খাই আছেহি। গুৱাহাটীৰ এই মহিমা ৰাজপথৰ ওপৰত থাকি উপলব্ধি কৰিব নোৱাৰি। ধ্যান-গম্ভীৰ এই ৰূপবেই নাম সম্ভৱ প্ৰাগজ্যোতিষপুৰ!

এই পবিত্ৰ মাটিতেই ইতিহাসে গতি সলনি কৰিছিল আৰু জগতে জানো মানৱ উত্তৰণৰ পথৰো সন্ধান দিদিছিল? আমি সেই অমৃত-দৃষ্টি আকৌ ঘূৰাই নাপামনে?

কথাবোৰ ভাবি ভাবি খাৰঘুলিৰ কাষত থকা হেমন্ত বৰুৱাৰ ঘৰলৈকে উঠি আহিলোঁ। ঘৰখনলৈ এবাৰ নিৰীক্ষণ কৰিলোঁ। ঘৰৰ খিৰিকিকেইখন খোলাই আছে। বৰুৱা বা আছে নে নাই! ৰুমালখনেৰে মুখৰ ঘাম মচি উৎকণ্ঠাৰে কলিংবেʼল্ টিপি দিলোঁ।

বাৰাণ্ডাত সুন্দৰকৈ সজাই থোৱা ফুলৰ টাববোৰলৈ চকু ঘূৰালোঁ। ফুলৰ গছবোৰ ইমান সুন্দৰকৈ টাবত লগাইছে। ব্লিডিং-হাৰ্ট জোপা ধুনীয়াকৈ ফুলিছেও। বৰুৱাই কʼৰ পৰা বাৰু সংগ্ৰহ কৰিছে? কামাখ্যা নাৰ্চাৰীত খবৰ কৰিলে পাম কিজানি।

দুৱাৰ খোলা গম পাই দুৱাৰখনলৈ ঘূৰি চাবলৈ ধৰিলোঁ। দুৱাৰখন খুলি পৰ্দাখন ফাঁক কৰি বৰুৱা বাহিৰলৈ ওলাই আহিল আৰু কিছু আচৰিত হৈ মোৰ মুখলৈ তেওঁ চাই ৰʼল। সম্ভৱ মনত পেলাবলৈ যত্ন কৰিছে। হঠাতে প্ৰায় চিঞৰি উঠা দি উঠা বৰুৱাই আদৰিলে, "হাবে চলিহা!"

"হয়।" নমস্কাৰ জনালোঁ।

"আহক, আহক। ভালেই আছে? কেতিয়া আহিলে?"

"আজি। আসাম্ মেইলত।"

"ই ছ্ ৰাম, আপুনি সঁচাকৈয়ে ৰব লাকী-মেন্।

আপোনাৰ নাম আজি লৈছিলোঁহে। আহক।"

ড্ৰয়িং ৰুমটোলৈকে সাদৰেৰে মোক লৈ গʼল। ৰুমটো মজাইক্ কৰা। সুন্দৰ কাৰ্পেট পাৰি থোৱা আছে ৰুমটোত। চেণ্ডেলযোৰেৰে কাৰ্পেটৰ ওপৰত ভৰি দিবলৈ অলপ সংকোচবোধ কৰি কাষতে থৈ দিলোঁ।

"আহক, আহক। চেণ্ডেলেৰেই আহক, একো নহয়।"

চকিখনত বহিবলৈ দি বৰুৱাই ফেনৰ চুইছ্‌টো টিপি দিলে। ঘূৰিৰ ধৰা চিলিং-ফেনখনলৈ এবাৰ চাই বৰুৱাই নিজৰ আসন লʼলেহি। হাতৰ বেগটো কাষৰ টেবুলখনৰ ওপৰত থৈ সুধিলোঁ, "ভালেই আছে নহয়, বৰুৱা?"

"হয় আছোঁ। কওকচোন, আপোনাৰ খবৰ? সা-সম্পত্তি চাগে একোকে নাপালে।"

"সম্পত্তি বুলিবলৈ আছেনো কিটো। পিছে মোৰ দুখ লাগিল উপন্যাসখনৰ পাণ্ডুলিপিখন জ্বলি যোৱাত।"

"মোৰ চিঠিখন পাইছে?"

"পাইছোঁ। চিঠিখনত আপুনি কিছুৰ ছাইৰ কথা লেখিছিল, মই ধৰিব পৰা নাই।"

"উপন্যাসখনৰ ছাই বিচাৰি আপুনি মোলৈ লিখা নাছিল জানো?" কিছু বিস্ময় সহ বৰুৱাক সুধিলোঁ।

"মই? ছাই সোপাৰে মই কি কৰিম?"

বহাৰ পৰা বৰুৱা হঠাৎ উঠিল। মই ভয় খালোঁ-মানুহজনৰ চেণ্টিমেণ্টত কিবা আঘাত দিলোঁ নেকি বুলি। কাষৰ কোঠালৈ গৈ বৰুৱাই মাত দিলে; "হেৰা, শুনিছা। আমাৰ চলিহা আহিছে। প্ৰদীপ চলিহা। লক্ষাৰ।"

মই আশ্বস্ত হ'লোঁ। অন্ততঃ মই ভবাটো হোৱা নাই। বৰুৱাই আকৌ নিজৰ আসনত বহি কথা আৰম্ভ কৰিলেহি, —

"বুজিছে চলিহা, আপোনাৰ খবৰটো শুনি আচৰিত হৈছিলোঁ, দুখো পাইছিলোঁ। বেছিকৈ দুখ পাইছিলোঁ, লেখি থকা উপন্যাসৰ পাণ্ডুলিপি ভস্মীভূত হোৱা বুলি জানি। লেখক এজনৰ মূল্যবান সম্পত্তি হ'ল পাণ্ডুলিপি। এই বেদনা মোৰ বাবে বৰ গভীৰ আছিল। মনৰ দুখত ছাইসোপাকে বিচাৰি লেখিছিলো হ'বলা। মোৰ হ'লে মনত নাই। আপুনি কথাটো ছিৰিয়াছভাবে লৈছে নেকি চলিহা?" বৰুৱাই মোলৈ চাই প্ৰশ্ন কৰিলে।

"নাই নাই। মই তেনেকৈ একো ভবা নাই। পিছে চিঠিখনে মোক কিছু চিন্তাত পেলাইছিল। সেইবাবেই আপোনালৈ চিঠিখন লেখিছিলোঁ।"

মোৰ কথা শুনি বৰুৱাই হো-হোৱাই হাঁহি দিলে। এনেতে ওলালহি মিছেছ্ বৰুৱা। মিঠা হাঁহি এটাৰে মোলৈ নমস্কাৰ জনাই সুধিলে, "চলিহা, আহিল কেতিয়া?"

"আজি।" বহাৰ পৰা উঠি প্ৰতিনমস্কাৰ জনাই ক'লোঁ।

"আপোনাৰ খবৰটো শুনিহে দুখ লাগিল। কোনে জ্বলালে বাৰু?"

"জ্বলাব কোনে? মানুহেই জ্বলাইছে। আন্দোলন চলিল, ইলেক্‌শ্যন্ গ'ল আৰু এতিয়া এভিক্‌শ্যন্ পৰ্ব। এক্‌শ্যন্ এগেইন্‌ষ্ট্ ইণ্টেলিজেন্‌ছিয়া। যোৱাচোন চাহ-তাহৰ ব্যৱস্থা কৰাগৈ।" বৰুৱাই ক'লে।

"মিছেছ্ বৰুৱা, পানী এগিলাচ দিবচোন।"

সঁচাকৈয়ে বৰ পিয়াহ লাগিছিল। নৱগ্ৰহ পাহাৰ বগাই আহোঁতে অঠ-কণ্ঠ প্ৰায় শুকুৱাৰ নিচিনাই হৈছিল।

"ডিষ্ট্ৰাষ্ট্ এমং দ্যা হিউমেন্। আন্ ফৰ্‌চুনেট্। সঁচাকৈয়ে দুৰ্ভাগ্য। শিক্ষক-অধ্যাপকৰ ঘৰো জ্বলায়। হোৱেৰ্ ইজ্ জাষ্টিছ? যিবোৰে ঘৰটো জ্বলালে, সেইবোৰৰ ল'ৰা-ছোৱালীয়ে এজুকেশ্যন্ নল'বনে? মানুহবোৰ কিবা পাগল হ'ল, বুজিছে।"

ৰেল্-ডেক ’ৰেটেড্ ড্ৰয়িংৰুম। প্ৰয়োজনতকৈ অধিক একো নাই। কিতাপ কেইখন লোভ লগাকৈ সজাই থোৱা। পৰিষ্কাৰ-পৰিচ্ছন্ন আচবাব। সন্মুখৰ বেৰখনত কোনোবা শিল্পীৰ এটি চিত্ৰ-কৰ্ম। চকুত লগাকৈ আঁৰি থৈছে। এব্‌ষ্ট্ৰেক্ট্ আৰ্ট্। মিতব্যয়ী ৰঙৰ ব্যৱহাৰ, ফৰ্ম আৰু কন্‌টেণ্টলৈ চাই বেণু মিশ্ৰই অঁকা যেন লাগে ছবিখন।

বৰুৱাৰ ক্ষোভ, অভিমান, খং — এই সকলোবোৰ ছবিখনৰ পৰাই বাঙ্ময় ৰূপত প্ৰকাশি উঠা যেন লাগিল। মিছেছ বৰুৱাই আনি দিয়া পানী এগিলাচ খাইহে কিছু তৎ অহা যেন পালোঁ। গিলাচটো টেবুলৰ ওপৰত থৈ ক’লোঁ, “কি কৰিম বৰুৱা, জ্বলাই দিয়াৰ পিছত ভাবিতো লাভ নাই। এতিয়া সমস্যা হ’ল উপন্যাসখন আপোনাক ছপাবলৈ দিব নোৱৰাটোহে। এড্‌ভান্স্ টকা কেইটাকে গ্ৰহণ কৰি মোক ঋণমুক্ত কৰক। ভৱিষ্যতে কিবা যদি লেখিব পাৰো, সেয়া কথা বেলেগ।”

পৰ্ট্‌ফলিঅ’ বেগটো আনি চেইন্ খোলাৰ লগে লগে বৰুৱাই জঁপিয়াই অহাদি আহি মোৰ হাতত ধৰি ক’লে, “অধ্যাপক চলিহা, আপুনি কি কৰে? মই টকা বিচাৰিছোনেকি? সেই পাঁচশ টকা মোক ঘূৰাই দি আপুনি কি কৰিব বিচাৰিছে?”

“নহ’লে মোৰ যে উপায় নাই বৰুৱা? জ্বলি ছাই হোৱা পাণ্ডুলিপিৰ পৰাতো আৰু নতুনকৈ লেখাৰ কোনো পথ নাই।” বেগটো হাতত লৈ ক’লোঁ।

নিজৰ আসনত বহি বৰুৱাই কিছু দুখ মনেৰে ক’লে, “আপুনি ইমানকৈ ভাবিছে কিয়? সেই টকা পাঁচশ আপোনাৰ হাততেই থাকক। পাণ্ডুলিপিৰ ছাইৰ মাজৰ পৰা যিটো সৃষ্টি হ’ব, অনুগ্ৰহ কৰি সেইখনকে মোক ছপাবলৈ দিব। ধ্বংসস্তূপৰ মাজৰ পৰা সৃষ্টি হোৱা আপোনাৰ উপন্যাসখন, আন সাহিত্যৰ বাবে নহ’লেও অসমীয়া সাহিত্যৰ বাবে এক ইতিহাস হওক। ইমানকে মই আপোনাৰ পৰা আশা কৰিছোঁ। সেই দুৰ্লভ সুযোগ লাভৰ কাৰণে অপেক্ষা কৰি ৰ’ম, চলিহা। আপুনি যিমান দুখ পাইছে, মই তাতোকৈ বেছি দুখ পাইছোঁ পাণ্ডুলিপি জ্বলাৰ ঘটনাত। কি কৰিব, অসমীয়া জাতিটোৱে সম্ভৱ এইদৰেই সংগ্ৰাম কৰি কৰিয়েই পৃথিবীত জীয়াই থকিব লাগিব। এই সংগ্ৰাম নিৰবচ্ছিন্নভাৱে কৰি আহিছোঁ আৰু ভৱিষ্যতেও কৰিয়েই যাব লাগিব।”

হাতৰ বেগটো টেবুলত থৈ বৰুৱাৰ কথাখিনি নীৰৱে শুনি গ’লোঁ। তেওঁৰ মুখখন ভাব-গধুৰ হৈ পৰিছিল। কথাখিনিৰ লগতে তেওঁৰ মুখখনো প্ৰকাশি উঠিবলৈ ধৰিলে, স্বাধীন মনৰ চিৰসংগ্ৰামী ব্যক্তিত্ব। হঠাতে মোৰ শ্ৰদ্ধা কৰিবৰ মন গ’ল মানুহজনলৈ। মোৰ পৰা কিমান মহৎ আশা পোষণ কৰিছে মানুহজনে।

"আহক। চাহ দিছোঁ।"

"আহক চলিহা, একাপ চাহকে খাওঁ।"

দুয়ো কাষৰ ডাইনিং ৰুমলৈকে সোমাই গ'লোঁ। ড্ৰয়িং ৰুমটোৰ দৰেই ডাইনিং ৰুমটোও সুন্দৰ। আটক ধুনীয়া। একেবাৰে টিপ্‌টপ্‌। সন্মুখৰ ফালে এখন বহল খিৰিকি। পৰ্দা কেইখন সুন্দৰকৈ চপাই থোৱা। বৰুৱা মানুহজনৰ ৰুচিবোধৰ পৰিচয় ঘৰখনেই দাঙি ধৰিছে।

"খাওক চলিহা, এই কেইদিন ঘৰতো একো নাই। বজাৰতো বস্তু পাবলৈকে নাই। খাওকদেই।"

"ভাল বাৰু।"

চাহ আৰু আপেলৰ প্লেট আগবঢ়াই মিছেছ বৰুৱা ভিতৰলৈ সোমাই গ'ল।

আপেল এডোখৰ হাতত লৈ খিৰিকিৰে চাই পঠিয়ালোঁ। বিশাল লুইতলৈ। কি অপূৰ্ব দৃশ্য! আগৰবাৰ আহোঁতেও এই দৃশ্যই মোক মুগ্ধ কৰিছিল। অদূৰৰ সেউজৰঙী পাহাৰটো যে আৰু ভাল লগা। আবেলিৰ পোহৰ গাত সানি উদ্ভাসি উঠা পাহাৰখন কোনো এক স্বপ্ন-ৰাজ্য যেন লাগে। কি সুন্দৰ পৰিবেশত বৰুৱাই ঘৰ সজাইছেহি!

"চলিহা, আপুনি আজি থাকিবনে?" চাহত এশোহা মাৰি বৰুৱাই সুধিলে।

"হয়। ৰাজগড়ত মোৰ বন্ধু এজন আছে। আজি নিশাটো তাতেই থাকিমগৈ।"

"থকা-মেলাৰ অসুবিধা নাপায়তো?"

"অসুবিধা একো নহয়। নিশাটো থাকি পুৱাৰ মেইলখনত ঘূৰি যামগৈ।"

"লঙ্কাত জানো আপুনি থাকিব পাৰিব?"

"নোৱাৰাৰ কোনো কাৰণ নাই। ৰাইজেই দেখোন এৰি নিদিয়ে। নতুন ঘৰ এখনো ব্যৱস্থা কৰি দিছে।"

"ইন্‌চিকিউৰ্ ফিল্ কৰা নাই নহয়?"

"নাই কৰা, বৰুৱা। বৰং ভালেই লাগিছে মানুহবোৰৰ মাজত থাকি। অসমৰে এডোখৰ ঠাই বুলি সংঘাতৰ মাজেদিয়েই থাকিব লাগিব।"

"সুন্দৰ। আই এপ্ৰেছিয়েট্ ইয়ৰ্ ডিছিশ্যন্।

পৃথিবীৰ সকলো ঠাইতে দুষ্কৃতি মনৰ মানুহ পাবই। ইউ কেন্‌নট্ এভইড্।"

"কি কৰিব বৰুৱা, মোৰেই দুৰ্ভাগ্য। সময়মতে পাণ্ডুলিপি খুণ্ডতাই আপোনাক দিব নোৱাৰি মই ভুলেই কৰিলোঁ। চাহত শোহা মাৰি ক'লোঁ।

মোৰ কথা শুনি বৰুৱা কিছু আন্দোলিত হ'ল। চাহ কাপ একাষলৈ ঠেলি মোৰ মুখলৈ বৰুৱাই চাবলৈ ধৰিলে। মুখ মচা টাৱেল্ এখনেৰে মুখখন মচি ক'বলৈ ধৰিলে, "ন' ন'। ডণ্ট্ থিঙ্কছ্' মিষ্টাৰ চলিহা। ভুল আপুনি কৰা নাই, পৰিস্থিতিয়েহে আপোনাক বাধ্য কৰাইছে। আপুনি মন পেলাই নিদিব।"

"মই তেনেকৈ বিশেষ ভবা নাই বৰুৱা। মানুহৰ প্ৰতি মোৰ গভীৰ বিশ্বাস আছে। মানুহে যি ভুল কৰিছে, সেই ভুল শুধৰাই ল'বৰ শক্তিও মানুহৰ আছে।"

"এক্‌জেক্টলি। জানে চলিহা, পৃথিৱীৰ বহুতে অট্টালিকা সজাইছে, বহুতো সাঁকো নিৰ্মিত হৈছে; কিন্তু সেইবোৰে কালৰ পৰিধি অতিক্ৰম কৰি যাব নোৱাৰে। আপুনি যি সম্পদেৰে ঠাইখনক সেৱা কৰিবলৈ বিচাৰিছে, সেয়া মানৱ জাতি থকালৈকে বিনাশ নহয়। টকা পাঁচশ আপুনি ঘূৰাই দিব নালাগে। যিখন পাণ্ডুলিপি ভস্মীভূত হ'ল, সেয়া মানৱ মনত অৱদমিত হৈ থকা সন্দেহ, ক্ষোভ, ঘৃণা আৰু সংস্কৃতিক ভাল নোপোৱা অমৃতসন্তানসকলৰ আত্মপ্ৰকাশৰ কু-ফল বুলিয়েই ধৰি লওক। এইয়া আমাৰ বাবে, অসমীয়া জাতিৰ বাবে এক ক্ৰান্তি-কাল। ভস্মীভূত হোৱা আপোনাৰ উপন্যাসৰ পাণ্ডুলিপিয়েই হওক ক্ৰান্তিকালৰ শেষ অধ্যায়। আপুনি লেখি যাওক, চলিহা। মোৰ শুভেচ্ছা, আৰু সম্ভৱ আপোনাৰ ঠাইখনৰ জন-সাধাৰণেও আপোনাৰ প্ৰতি শুভেচ্ছাকেই বাঞ্ছা কৰিব। দস্যু ৰত্নাকৰৰ ধ্বংসস্তূপৰ মাজৰ পৰাই বাল্মীকিৰ জন্ম হোৱাৰ দৰে, ভস্মীভূত উপন্যাসৰ পৰাই নতুন মহৎ সাহিত্যৰ সৃষ্টি হওক। মহাকবি হ'মাৰ অন্ধ হোৱা হেতুকেই মানৱ চৰিত্ৰ ভাল দৰে অধ্যয়ন কৰিব পাৰিছিল। আশা ৰাখিছোঁ, আপোনাৰ সৃষ্টিশীল মনে যি আঘাত পালে, তাৰ পৰাই ব্ৰহ্মপুত্ৰৰ দৰে বিশাল আৰু গভীৰত্ব লাভ কৰিবলৈ আপোনাৰ মন সক্ষম হ'ব। এই দেশ আৰু মানুহৰ জীৱন-সংগ্ৰামৰ কাহিনী ভস্মীভূত ছাইৰ মাজৰ পৰাই আপুনি সৃষ্টি কৰক, এক মহত্তম সাহিত্য।"

হেমন্ত বৰুৱাৰ কথাবোৰ নীৰৱে শুনি গ'লোঁ। মোৰ দুচকু সেমেকি উঠিল। সম্ভৱ মহৎ অনুভূতিৰ অশ্ৰুলিপি। লুইতলৈ মোৰ দৃষ্টি নিবদ্ধ কৰি ভাবিলোঁ, মাজুলীৰ কথা, অসম দেশখনৰ কথা, অসমীয়া জাতিৰ কথা।

কিমান ক্লান্তিহীন সাধনাকে নকৰিলে অসমৰ বৰেণ্য সাধকসকলে। অসমীয়া সাহিত্যৰ মৃত্যু ক'ত? লুইতৰ দৰেই নিৰৱচ্ছিন্নভাৱে অসমীয়া সাহিত্যৰ গতি। মানুহে অস্বীকাৰ কৰিলেও অসমৰ সমন্বয়ৰ সোঁত লুইতৰ দৰেই নীৰৱে প্ৰবাহিত হৈয়েই থাকিব।

হেমন্ত বৰুৱাৰ চিন্তাৰ মহত্ত্ব আৰু বিশালতাৰ উমান পাই শ্ৰদ্ধা উপজিল। ড্ৰয়িং ৰুমতে দুয়ো এখন্তেক বহি বৰুৱা আৰু তেখেতৰ মিছেছৰ পৰা বিদায় ল'লোঁ। ধুনীয়াকৈ ফুলি থকা ব্লিডিং-হাৰ্ট জোপালৈ চাই বৰুৱাক সুধিলোঁ, "বৰুৱা, এই ফুলজোপা ক'ত পাম বাৰু?"

"কিয়, আপোনাক লাগে নেকি?"

"হয়। পোৱা হ'লে নিলোঁহেঁতেন। ভাল লাগিছে ফুলজোপা। লঙ্কাত এই ফুল পাবলৈ নাই।"

"হেৰা, চলিহাক দুটামান ডাল কাটি দিয়াহে।"

"অঁ। ৰ'ব। কটাৰীখন আনোঁগৈ।"

"বুজিছে চলিহা, ফুল চাই ময়ো ভাল পাওঁ। পিছে ফুলৰ যতনহে ল'ব নাজানোঁ। মিছেছেহে এইবোৰত সাৰ-পানী দি যতন লৈ থাকে।"

ফুল নধৰা ডাল বাছি বাছি কাটি মিছেছ বৰুৱাই ক'লে, "আমাৰ পৰা নিয়া ব্লিডিং-হাৰ্ট বচাব লাগিব কিন্তু। অলপ ছাঁ পৰা ঠাইত ডালকেইটা গোঁজ মাৰি থ'ব। মাজে মাজে পানী দিব। বেছিকৈ নিদিব। নহ'লে গুৰি পচিব। শুকান গোবৰ নতুবা পেলনীয়া চাহপাত অলপ দিব পাৰে।"

"দেখিলে চলিহা, মিছেছ বোটানিষ্টও।

"কলেজত পঢ়োঁতে বোটানি চাব্জেক্ট আছিল নেকি মিছেছ বৰুৱা?"

"ৰাইট্। আপুনি জানিলে কেনেকৈ?" বৰুৱানীয়ে উত্তৰ দিবলৈ নাপাওঁতেই বৰুৱাই সুধিলে।

"অনুমান কৰিছোঁ। আপুনি ভাল পায় সাহিত্য আৰু আপোনাৰ মিছেছে ভাল পায় ফুল ৰোৱাৰ মন্ত্ৰ। ওৱেল্ কম্বাইনেশ্যন্।" কাগজ এডোখৰত বান্ধি বৰুৱানীয়ে আগবঢ়াই দিয়া ফুলৰ ডালকেইটা লৈ ক'লো।

বৰুৱা আৰু বৰুৱানী দুয়ো হাঃহাঃ কৈ হাঁহি দিলে। হাঁহিৰে বিদায় ল'লোঁ। মুকলি আকাশখনৰ দৰেই মোৰ মনটোও ফৰকাল হৈ পৰিল। হেমন্ত বৰুৱাৰ ঘৰৰ পৰা নামি আহোঁতে এটা প্ৰশ্নই মোক বাৰে বাৰে খুন্দিয়াবলৈ ধৰিলে ঃ ছাই সোপাৰ পৰা জানো আকৌ বিচাৰি পাম আলোক-সন্ধানী সংযমী বৰুৱাৰ জীৱন-আলেখ্য!

সমাপ্ত